
কলহী



শ্ৰদ্ধা আৰু মৰমেৰে—

নগেন কলিতা

........................................ লৈ আগবঢ়ালোঁ ।

শ্ৰীকমল ঠাকুৰীয়া
সম্পাদক—'কলহী'

# কলহী

## ছয়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

সপ্তম সংখ্যা : সপ্তম বছৰ,
১৯৯১-৯২ ইং চন

তত্বাৱধায়ক :
নগেন কলিতা

সম্পাদক :
কমল ঠাকুৰীয়া

প্ৰকাশক ঃ
ছয়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ
কমল ঠাকুৰীয়া ।

## সম্পাদনা সমিতি

সভাপতি—ভাৰপ্ৰাপ্ত অধ্যক্ষ, শ্ৰীযুত উপেন কুমাৰ।
তত্বাৱধায়ক— শ্ৰীযুত নগেন কলিতা ।
সম্পাদক— কমল ঠাকুৰীয়া ।
সদস্য— অধ্যাপিকা, অনুপমা ডেকা
অধ্যাপক, যোগেন্দ্ৰ কুমাৰ দাস
অধ্যাপক, পৰেশ চন্দ্ৰ অধিকাৰী
মুনিন্দ্ৰ দাস,
মনোজ কুমাৰ কলিতা
বিমল কুমাৰ দাস ।


অংগ সজ্জা আৰু পৰিকল্পনা—সম্পাদক ।

প্ৰচ্ছদ পৃষ্ঠাৰ অংকন— বিমল কুমাৰ দাস ।

মুদ্ৰণ ঃ বেউলা প্ৰিণ্টাৰ্ছ, ছয়গাঁও !

# উৎসৰ্গ







অপ্ৰত্যাশিত ভাবে অকাল মৃত্যুক আকোৱালি লোৱা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী মিনা কুমাৰী সাউদ আৰু ছাত্ৰ ক্ৰমে অজিত চন্দ্ৰ দাস আৰু দিলীপ দাসৰ সোঁৱৰণত এই সাখ্যা 'কলহী' উৎসৰ্গ কৰিলোঁ।

—সম্পাদক

# অশ্ৰু অঞ্জলি যাচিছোঁ

- সাহিত্যিক—বীৰেণ ফুকন ।
- সাহিত্যিক—ড° হেমন্ত কুমাৰ শৰ্মা ।
- বোলছবি অভিনেতা—আমজাদ আলি খান ।
- বোলছবি অভিনেতা—বিনোদ মেহেৰা ।
- অবাঞ্চনীয় প্ৰাকৃতিক দুৰ্য্যোগত মৃত্যুবৰণ কৰা লোকসকল ।
- সাময়িক সন্ত্ৰাসৰ বলি হোৱা প্ৰতিজন বীৰ অসমীয়া ছহিদলৈ আমাৰ অশ্ৰু অঞ্জলি যাচিছোঁ ।

( সম্পাদক )



# সূচীপত্ৰ


| এই সংখ্যাত পাব— | লিখক/লিখিকা | পৃষ্ঠা |
|---|---|---|
| সম্পাদকীয় — | | |
| ● প্ৰবন্ধ – | | |
| জাতীয় চেতনাৰ অবিহনে আজি অসমীয়াৰ জাতীয়তা ৰক্ষা কৰা সম্ভৱ নহয় | প্ৰমোদ দাস | ১ |
| বৰ্তমান পৰিস্থিতিত ছাত্ৰ শক্তিৰ ভূমিকা | মনোজ কুমাৰ কলিতা | ৪ |
| ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা | কণিকা দালাল | ৮ |
| কৃষি উন্নয়নত যুৱ শক্তিৰ ভূমিকা | লক্ষী মেধি | ১১ |
| ভাৰতৰ উদিত সূৰুয শ্ৰীনিবাস ৰামানুজন | হৰেণ ঠাকুৰীয়া | ১৩ |
| অসমৰ সাম্প্ৰতিক শৈক্ষিক পৰিৱেশ | বিমল কুমাৰ দাস। | ১৬ |
| দৰদী শিল্পী ভূপেন দা | পূৰৱী মহন্ত | ২৮ |
| বৰ্তমান অসমীয়া সমাজ আৰু শ্ৰীশংকৰদেৱ | মুনিন্দ্ৰ দাস | ২৩ |
| ● কবিতা — | | |
| আইৰ গৰ্ভতে হেনো নিৰাপদ | বিমল কুমাৰ দাস | ৩১ |
| এটি করুণ সুৰ | জ্যোৎস্না ঠাকুৰীয়া | ৩২ |
| উপহাৰ | ডিম্বেশ্বৰ দাস | ৩৩ |
| বিজয়ৰ যাত্ৰা | যাদৱ চন্দ্ৰ বড়ো | ৩৩ |
| হুমুনিয়াহ | প্ৰকাশ চন্দ্ৰ দাস | ৩৪ |
| প্ৰতীক্ষা | পুলিন কলিতা | ৩৪ |
| দুঃসময় | পংকজ কুমাৰ ঠাকুৰীয়া | ৩৫ |
| আচৰিত | শংকৰ কলিতা | ৩৬ |
| দুটি কবিতা | অতুল কলিতা | ৩৭ |
| পৰিয়াল | প্ৰণৱ কুমাৰ বৰা | ৩৭ |
| অব্যক্ত বেদনা | ৰূপলেখা ঠাকুৰীয়া | ৩৮ |

| | | |
|---|---|---|
| অপেক্ষা | গিৰীন্দ্ৰ ঠাকুৰীয়া | ৩৮ |
| কপৌ ফুলা ৰাতি | শশীন্দ্ৰ কুমাৰ দাস | ৩৯ |
| কবিতা | ভূষণ কলিতা | ৩৯ |
| নিশা | সত্যব্ৰতী দাস | ৪০ |
| বেদনা | নগেন দাস | ৪১ |
| অবিনাশী মনৰ উদাসীন অনুৰাগ | হেমন্ত কুমাৰ শালৈ | ৪১ |
| প্ৰত্যাশা | মীৰা দাস | ৪২ |
| সেই নদী আজিও বয় | নৱজিৎ দাস | ৪৩ |
| ৰহস্যৰ সাঁথৰ | ৰবী ৰৰা | ৪৪ |
| ● গল্প— | | |
| টুৱেন্টি | জ্যোতিষ চন্দ্ৰ দাস | ৪৫ |
| আহুতি | ৰঞ্জন দাস | ৪৯ |
| উপহাৰ | মিন্তু কলিতা | ৫৬ |
| অন্য দিশ | ভবেশ কুমাৰ মেধি | ৫৯ |
| 'সেই তৃপ্তিদায়ক ভাতসাজ' | অধ্যাপক নগেন কলিতা | ৬৪ |
| বৃত্ত ভঙাৰ স্বপ্ন | অধ্যাপক প্ৰদীপ দাস | ৬৮ |
| মাজ নিশাই উচুপে কিয় | দিপালী মহন্ত | ৭৩ |
| ● বিবিধ প্ৰসংগ— | | |
| শ্ৰীমতীৰ আত্মজীৱনী ( ৰম্য ৰচনা ) | কমল ঠাকুৰীয়া | ৭৭ |
| মুখামুখি— | | ৭৯ |
| সম্পাদকৰ মেজৰ পৰা— | | ৮২ |
| বিভাগীয় সম্পাদকৰ প্ৰতিবেদন - | | ৮৫-১০১ |
| তত্বাৱধায়কৰ দুষাৰ— | | ১০২ |
| মহাবিদ্যালয় সপ্তাহৰ ফলাফল—১৯৯১-৯২ | | |


— —

# সম্পাদকীয়

মানৱ জীৱনত এটাই চিৰন্তন সত্য সেইটো মৃত্যু। আমাৰ যে মৃত্যু হব সেইটো ভবাৰ সময় নাথাকে। ক্ষন্তেকীয়া জীৱনৰ ক্ষণ জন্মা যিসকল বিখ্যাত লেখকে তেওঁলোকৰ ৰচনা ৰাজিৰে মানৱ সমাজত সত্য সন্ধানৰ পথ দেখুৱাই দি গ'ল ; মৃত্যুৰ পিছতো তেওঁলোক আমাৰ মাজত সাহিত্যিক অৱদানেৰে জীয়াই আছে। মগজুৰ দ্বাৰা জোৰ কৰি হাতৰ সহায়ত লিখালেই সাহিত্য সৃষ্টি নহয়। ইয়াৰ বাবে লাগিব কঠোৰ সাধনা আৰু পৰিশ্ৰম। লিখা-পঢ়া ভালকৈ নাজানিলেও সাহিত্য সৃষ্টি কৰিব পৰা যায় যদিহে ব্যক্তিৰ মনৰ জগতত ভাৱ আৰু চিন্তানুশীলনৰ সম্প্ৰসাৰণ হয়। এজন মানুহৰ উচ্চমান বিশিষ্ট শিক্ষা-দীক্ষা থাকিলেই তেওঁৰ সাহিত্য কৰ্ম মহৎ শিল্পৰ শ্ৰেণীত নপৰিবও পাৰে।

বৰ্তমান প্ৰেছৰ ভূমিকা এক শক্তিশালী ৰূপত আগবাঢ়িব লাগিছে আৰু ইয়াৰ পৰা ... নতুন সাহিত্যিকৰ জন্ম হ'ব ধৰিছে। অৱশ্যে এইটো সত্য যে শোষকৰ কু-অভিপ্ৰায়ৰো ... হ'ব লগাত পৰিছে কিছুমান প্ৰেছ। আজি কিছুমান প্ৰেছে চৰকাৰৰ বিৰুদ্ধে বাতৰি পৰিবেশন কৰিলেই সেইখন কাকতলৈ চৰকাৰী বিজ্ঞাপন বন্ধ কৰি দিয়া হয়। যাৰ ফলত বাতৰি কাকতবিলাক বেয়াকৈ আৰ্থিকভাৱে ক্ষতিগ্ৰস্থ হোৱা দেখা যায় আৰু চৰকাৰৰ ওচৰত ... ক্ৰী হবৰ বাধ্য হয়। দূৰদৰ্শনৰ ওপৰতো চৰকাৰৰ কোপ দৃষ্টি পৰিছে। দূৰদৰ্শনত চৰকাৰৰ বাতৰিহে পৰিবেশন কৰি চৰকাৰৰ গুণানুকীৰ্ত্তন কৰা দেখা যায়। দূৰদৰ্শন চৰকাৰৰ ব্যক্তিগত সম্পত্তিত পৰিণত হৈছে। যাৰ ফলত ভাবিবৰ বাধ্য হওঁ গণতন্ত্ৰ ধনতন্ত্ৰত পৰিণত হ'ল। ... হানিবাই জ্যোতি প্ৰসাদৰ এষাৰি কথা ৰিণিকি ৰিণিকি মনত পৰে "সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুয়োটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুস্কৃতিপূৰ্ণ ৰূপ"। বৃটিছসকলৰ ... আমি স্বাধীনতা পালো সঁচা। শাসকৰ পৰিবৰ্ত্তন হ'ল কিন্তু শোষণৰ পৰিবৰ্তন নহ'ল। ... ৰতীয় ৰাষ্ট্ৰ যন্ত্ৰৰ ধ্বজা বহনকাৰীসকলক সুধিবৰ মন যায়—"আমি স্বাধীন হৈয়ো পৰাধীন ... য় ? আমাৰ বাক্ স্বাধীনতা কিম্বা জীয়াই থকাৰ অধিকাৰ খৰ্ব কৰা হৈছে কিয় ? অকল ... জনৈতিক স্বাধীনতাই সৰ্ব্বোচ্চনে ? কিন্তু এইবোৰ প্ৰশ্নৰ উত্তৰ জানো কোনোবাই দিব ?

সাহিত্য সদায় সাহিত্যই। ব্যক্তি স্বাৰ্থ উৰ্দ্ধত ৰাখি আৰু সমাজক বাদ দি কোনো সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। ই সমাজৰ ওচৰত দায়বদ্ধ হ'ব লাগে। কোনো দালাল বা

পুঁজিপতিৰ পৰা অনুগ্ৰহ লাভৰ অৰ্থে সাহিত্য ৰচনা কৰিলে—সি সাহিত্য নহৈ সাহিত্যৰ ৰূপত শোষণৰ ভূমিকাহে ল'ব। যি সাহিত্যই সমাজক গণতান্ত্ৰিক সমাজবাদী আদৰ্শেৰে আগুৱাই নিব পাৰিব সেইবোৰহে প্ৰকৃতাৰ্থত সাহিত্য। লেখকৰ সাহিত্য সৃষ্টিত প্ৰতিফলিত হয় সমাজৰ বাস্তৱ পৰিবেশ, ঘটনা, অৱস্থা, হাঁহি-কান্দোন, প্ৰেম বিৰহ; ধৰ্মীয় ভাব প্ৰবণতা, ৰাজনৈতিক তথা সামাজিক সংঘাট আদি। এইবোৰ অবিহনে সাহিত্য সৃষ্টি নহয়। মদ, জুৱা আদিৰে যাযাবৰী জীৱন কটাই টলষ্টয়ৰ দাম্পত্য জীৱনৰ আগছোৱাত নাৰীৰৰ প্ৰতি বেয়া ধাউতি আছিল প্ৰবল। কিন্তু তেওঁৰ বিবাহৰ পিছত সেইবোৰ সলনি হৈ গৈছিল আৰু তেওঁৰ প্ৰিয়া ছোফিয়াৰ পৰা পোৱা প্ৰেৰণাৰ বলত জন্ম হৈছিল বিশ্ববিখ্যাত গ্ৰন্থ "যুদ্ধ আৰু শান্তি" ( War and peace )।

বৰ্তমান সমাজ জীৱন বিশৃংখল হৈ পৰিছে। চাৰিওফালে কোলাহল, হত্যা, লুণ্ঠন আদি গা কৰি উঠিছে। ক্ষুদ্ৰ জাতি সত্বাৰ অস্তিত্ব ৰক্ষাৰ বাবে কিছুমানে জেহাদ ঘোষণা কৰিছে। ভাৰতীয় সংবিধানে ভাৰতক 'Union of State' বুলি কলেও ইয়াৰ ৰাজ্যবোৰক পূৰ্ণ স্বায়ত্ব শাসন দিয়া নাই। এয়ে ভাৰতীয় যুক্তৰাষ্ট্ৰবাদৰ প্ৰধান অন্তৰায়। বৰ্তমান ভাৰতীয় সংবিধানৰ সংশোধন নিতান্তই প্ৰয়োজন। ভণ্ড দেশপ্ৰেমীকসকলৰ চোকা অস্ত্ৰ সাহিত্যিকসকলে তেওঁলোকৰ সৃষ্টিশীল তেজস্বী লিখনিৰ দ্বাৰা ভাঙি পেলাব লাগিব। সাহিত্যিকসকলে সমাজ বিপ্লৱৰ নেতৃত্ব ল'ব লাগিব আৰু শ্ৰমিক শ্ৰেণীক মুক্তিৰ পথ দেখুৱাই দিব লাগিব। তেতিয়াহে সু শৃংখলাবদ্ধ সমাজ গঢ়াত সহায় হ'ব। ইতি—

[signature]

# কৃতজ্ঞতা জ্ঞাপন—

যিসকল পূজনীয় ব্যক্তিৰ প্ৰেৰণা সহায় সহযোগ তথা মূল্যবান লিখনিৰে আলোচনীখনে প্ৰকাশৰ মুখ দেখিলে সেইসকল মহান ব্যক্তিৰ ওচৰত মই কৃতজ্ঞ। সেয়েহে কৃতজ্ঞতা যাচিছোঁ।

**শ্ৰদ্ধাৰে**—উপন্যাসিক সাহিত্যিক হিতেশ ডেকা, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপে কুমাৰ, তত্বাবধায়ক মহাশয় শ্ৰীযুত নগেন কলিতা, মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা ক্ৰমে যোগেন্দ্ৰ কুমাৰ দাস, সন্তোষ কুমাৰ দাস, ভূষণ কলিতা, পৰেশ অধিকাৰী, এল দামোদৰ সিং, শৰ্মিলা ৰয়, আৰু কণিকা দালাললৈ।

**মৰমেৰে বন্ধুবৰ্গ ক্ৰমে**—

(সৰ্বশ্ৰী) বিমল কুমাৰ দাস, মনোজ কলিতা, যাদব চন্দ্ৰ বড়ো, মুনিন্দ্ৰ দাস শচীন্দ্ৰ দাস, হিৰণ ঠাকুৰীয়া, দ্বিপেন শৰ্মা, গগন কলিতা, কামদেৱ কলিতা প্ৰকাশ দাস, পংকজ ঠাকুৰীয়া, নগেন দাস, হেমন্ত শালৈ, ৰূপলেখা ঠাকুৰীয়া পূৰবী মহন্ত, ৰবী বৰা, দেবযানী ঠাকুৰীয়া, হিতেশ কলিতা, প্ৰভাত চ দাস, অতুল কলিতা, ডিম্বেশ্বৰ দাস, বনোমালি নাথ, জ্যোতিষ চন্দ্ৰ দা জ্যোৎস্না ঠাকুৰীয়া, নৰজিৎ দাস, সাবিত্ৰী নাথ, পূৰ্ণিমা কলিতা, স্বৰ্ণ সাউ সৰলা ঠাকুৰীয়া, ৰশ্মি নাথ, ৰঞ্জন দাস, মদন বড়ো, বাহাৰুল ইছলা শইকীয়া, প্ৰণৱ কুমাৰ বৰা, দিপালী মহন্ত, মণ্টু ডেকা, শেৱালী কলিতা প্ৰমোদ দাস, মুকুট ঠাকুৰীয়া, সুনীল ঠাকুৰীয়া, শংকৰ কলিতা, নিপন ডেকা আলতাফ হুছেইন আৰু লক্ষীৰাম মেধীলৈ

অংগ সজ্জাৰ ক্ষেত্ৰত পৰামৰ্শ আদিৰে সহায় কৰা বাবে তত্বাৱধায়ক মহোদয়লৈ আৰু আলোচনীখন মুদ্ৰণ কৰি দিয়া বাবে বেউলা প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীজয়া দাস আৰু কৰ্মচাৰী বৃন্দলৈ

লগতে ছয়াঁও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক / অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দলৈ যিসকলে মোক আলোচনী সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰিবলৈ সাহস যোগালে।



# ॥ জাতীয় চেতনাৰ অবিহনে আজি অসমীয়াৰ জাতীয়তা ৰক্ষা কৰা সম্ভৱ নহয় ॥

—প্ৰমোদ দাস
স্নাতক ১ম বাৰ্ষিক

**আমি বাস্তৱ সমস্ত পৰ্য্যালোচনা কৰি চালে দেখা পাম যে ৰাষ্ট্ৰৰ শাসক দলে এখন দেশ বা ৰাজ্য গঢ়িবহে পাৰে, কিন্তু তাত প্ৰাণ প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ প্ৰতিষ্ঠা কৰিব পাৰে-সাহিত্য-সংস্কৃতি, কলা, শিল্প সাধকৰ সৃষ্টি ধাৰাইহে।**

জাতীয় লোক উৎসৱৰ মাজেদি জাতীয় জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। অসমীয়া জাতীয় লোক উৎসৱৰ ভিতৰত ৰঙালী বিহুৰ ভূমিকা সৰ্ব্বাধিক। আজি অসমৰ চুকে-কোনে, অঞ্চলে অঞ্চলে, চহৰে নগৰে অসমীয়া লোকৰ বাসভূমি। প্ৰবাসী সমাজৰ দেশ-বিদেশৰ মুকলি মঞ্চতো বহাগ বিহু উৎসৱ উদ্‌যাপন কৰাতো জতীয় চেতনাৰ উন্মেষেই নহয় ই সাংস্কৃতিক জীৱন ধাৰাৰে ধাবিত জাতীয় সত্বা ৰক্ষা কৰাৰো শুভ লক্ষণ।

আমি ৰাজকীয় পৃষ্ঠপোষকততা আনুষ্ঠানিক ভাৱে উদ্‌যাপন কৰা বিহু উৎসৱৰ ইতিহাস বিচাৰিবলৈ গ'লে সৌ সিদিনা সগৌৰৱে ছয়শ বছৰ ৰাজত্ব কৰা ৰংপুৰৰ ৰংঘৰৰ চোতালত বহাগৰ সাত বিহু উৎসৱ উদ্‌যাপনৰ কথা এবাৰ সুঁৱৰি চাব লাগিব আৰু আজিও ৰংঘৰে তাৰে যুগমীয়া স্মৃতিত স্বৰ্ণ সৌধ হৈ জাতীয় সংস্কৃতি ঐতিহ্যৰ কথা বহন কৰি আছে। এই বিহু উৎসৱ উদ্‌-যাপনৰ দ্বাৰা ৰাজ্য আৰু প্ৰতিবেশী ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাৰ মাজত সাংস্কৃতিক বিনিময়ৰ মাধ্যমেৰে যি সামাজিক ঐক্য-সম্প্ৰীতি, বন্ধুত্ব-ভাতৃত্ব গঢ়ি উঠিছিল তাক আমি নুই কৰিব নোৱাৰো, কিন্তু আজি বাস্তৱত দেখা যায় যে সাংস্কৃতিক বিনিময় মাধ্যমেই ঐক্য সম্প্ৰীতি ৰক্ষা কৰাৰ একমাত্ৰ উপায় নহয়। সৰ্বতোপ্ৰকাৰে সামাজিক সম্প্ৰীতি ৰক্ষা কৰিবলৈ হ'লে জনজীৱনত আৰ্থিক

স্বচ্ছন্দতাৰ নিতান্ত প্ৰয়োজন। এদিন পূৰ্ব্বাঞ্চলৰ জাতীয়তা গঢ়ি উঠিছিল সামাজিক পৰিবেশৰ প্ৰভাৱত আৰু সামাজিক সুখ শান্তি শৃংখলা বৰ্তি আছিল আৰ্থিক স্বচ্ছন্দতাক ভিত্তি কৰি। গতিকে আজিও সামাজিক পৰিবেশ আৰু আৰ্থিক স্বচ্ছন্দতাৰ ওপৰতে মূলতঃ নিৰ্ভৰ কৰিছে উত্তৰ পূৰ্বাঞ্চলৰ সামাজি ঐক্য সম্প্ৰীতিৰ অব্যাহত গতি।

আজি পুৰণি স্বতঃ সিদ্ধ ধ্যান ধাৰনাৰে আধুনিক সমাজ ব্যৱস্থাত প্ৰভাৱ বিস্তাৰ কৰি আঞ্চলিক জাতীয়তা ৰক্ষা কৰা সম্ভৱ নহয়। সংস্কৃতি-ভিত্তিক জীৱন ধাৰাৰে ধাবিত যি অসমীয়া সমাজ আছিল তাৰ আজি আমূল পৰিবৰ্তন ঘটিছে। আজি বস্তু নিষ্ঠ শিল্প ভিত্তিক জীৱন ধাৰাৰে ধাবিত যি নতুন সমাজ গঢ়ি উঠিছে সেই সমাজৰ ওচৰত থলুৱা অসমীয়া সমাজে হাৰ মানিছে। ইয়াত বিজ্ঞানৰ ক্ষিপ্ৰ প্ৰগতি আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগে ইন্ধন যোগাইছে।

একালত অসমীয়া জনসমাজ আছিল কৃষি ভিত্তিক সাংস্কৃতিক জীৱন ধাৰাৰে ধাবিত আৰু আজি অসমৰ বুকুত নতুনকৈ গঢ়ি উঠিছে অন্য এক শিল্প ভিত্তিক জীৱন ধাৰাৰে ধাবিত নতুন সমাজ আৰু সেই নতুন সমাজৰ পৰিবেশ সৃষ্টি কৰিছে অৰ্থনৈতিক দিশত প্ৰতিযোগিতাৰে ফেৰ মাৰিব নোৱাৰাৰ ফলতে আজি ঘোৰ অৰ্থনৈতিক সংকটৰ মাজেদি অগ্ৰসৰ হৈছে, সেয়ে সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ জনসমাজৰ মাজত বিভ্ৰাটৰ সৃষ্টি হৈছে। আমি বাস্তৱ সম্মত পৰ্য্যালোচনা কৰি চালে দেখা পাম যে ৰাষ্ট্ৰৰ শাসক দলে এখন দেশ বা ৰাজ্য গঢ়িবহে পাৰে, কিন্তু তাত প্ৰাণ প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ প্ৰতিষ্ঠা কৰিব পাৰে-সাহিত্য-সংস্কৃতি, কলা, শিল্প সাধকৰ সৃষ্টি ধাৰাইহে। তাত শাসক দলে অৰ্থনৈতিক পৰিকল্পিত ভূমিকাৰে জন জীৱনলৈ আৰ্থিক স্বচ্ছন্দতাৰে জীৱন নিৰ্বাহ কৰা পৰিবেশত প্ৰলেপ সানিব পাৰে মাথোন। গতিকে অৰ্থনৈতিক বুনিয়াদৰ ওপৰত সাংস্কৃতিক জীৱন ধাৰাৰে ধাবিত জনসমাজো বৰ্ত্তি থাকে আৰু ৰাজনৈতিক উৎপাদন মুখী জন সমাজৰ ওপৰতে বৰ্তি আছে। সেয়ে সংস্কৃতি ৰাজনীতিৰ সম্পৰ্ক মুদ্ৰাৰ ইপিঠি আৰু সিপিঠিৰ দৰে অবিচ্ছেদ্য আৰু তাৰ সমতাৰ ভিত্তিতহে জাতীয়তা ৰক্ষা কৰাও সম্ভৱ। অসম তথা ভাৰতবৰ্ষৰ দৰে বহু জাতি প্ৰজাতি, অধিজাতি উপজাতি, বহু ভাষী ধৰ্মাৱলম্বীৰ সু-সংহত ৰাষ্ট্ৰ পৃথিবীত নোহোৱা নহয় আৰু সেইবোৰ ৰাষ্ট্ৰত আৰ্থিক সমতাৰ স্বচ্ছন্দতাই জাতীয়তা ৰক্ষা কৰাত অধিক ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে অকল কলা সংস্কৃতিৰ কাৰণে কলা সংস্কৃতি নহয়, কলা সংস্কৃতি জন জীৱনৰ কাৰণেহে। কলা সংস্কৃতি জীৱনৰ অংশ নহয়, কলা সংস্কৃতিক লৈয়ে জন জীৱনৰ পূৰ্ণতাই প্ৰকাশ পায়। সেই ধ্যান ধাৰণাৰ উপলব্ধিৰ ফলত আজি জন-জীৱনত প্ৰকট হৈ উঠিছে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা আৰু সেই জাতি সত্বাক ৰক্ষা কৰিবলৈ গৈ সৃষ্টি হৈছে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ' জন্ম যন্ত্ৰণা।

অসম ভূমিৰ জাতি-গোষ্ঠীৰ মাজত জাতীয় সত্বা তথা অসমীয়া জাতীয়তা ৰক্ষা কৰিবলৈ হলে সংস্কৃতি আৰু অৰ্থনৈতিক দুয়োটাতে লাগিব জাতীয় চেতনা আৰু সেই জাতীয় চেতনাৰ অবি-

হলে আজি অসমীয়াৰ জাতীয়তা ৰক্ষা কৰা সম্ভৱ নহয়। গতিকে ৰাষ্ট্ৰীয় জীৱন ধাৰাত আৰ্থিক সম স্বচ্ছন্দতা, স্বকীয় কলা কৃষ্টিৰ চিন্তা চৰ্চা আৰু বিকাশৰ সুযোগ সুবিধা দিয়াৰ ওপৰতে নিৰ্ভৰ কৰিছে অসমীয়াৰ জাতীয় সত্বা ৰক্ষা কৰাটো।

উত্তৰ পূৰ্ব্বাঞ্চলৰ সামাজিক ঐক্য সম্প্ৰীতিৰ পৰ্য্যালোচনা কৰি চালে দেখা যায় যে সাতভনীৰ সৃষ্টি হলেও বৃহৎ সামাজিক সম্পৰ্ক বিচ্ছিন্ন হৈ যোৱা নাই আৰু কাকো কোনেও এৰি চলিব নোৱাৰে। ৰংঘৰৰ চোতালত এদিন তেতিয়াৰ নিজৰ ৰাজ্যৰ লগতে প্ৰতিবেশী ৰাজ্যবোৰৰ নিপুন ক্ৰীড়াবিদ, সাংস্কৃতিক দল, নিপুন ঘোৰা চোৱাৰী নিপুন যুজাৰু আদিৰ সহযোগত বহাগ বিহুৰ লোক উৎসৱ উদ্‌যাপন কৰিছিল আৰু ই আছিল আদৰ্শনীয়। সেই উৎসৱ উদ্‌যাপনৰ মাধ্যমেৰে পৰস্পৰৰ মাজত যি সাংস্কৃতিক বিনিময় হৈছিল সেয়ে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল জন জীৱনত ঐক্য সম্প্ৰীতি বন্ধুত্ব, ভাতৃত্ব ৰক্ষা কৰাত বিপুল বৰঙণি যোগাইছিল।

তাহানিৰ ৰংপুৰৰ পৰা আজিৰ আমাৰ জন-জীৱনৰ ভাগ্যৰ দিশ নিৰ্ণয় কৰা দিছপুৰলৈ সময়ৰ ব্যৱধান বহুত হৈছে। কিন্তু তাহানি বহাগ বিহু উৎসৱ জাতীয় মৰ্যাদাৰে উদ্‌যাপন কৰা প্ৰতি ক্ৰীয়াই সেই ব্যৱধান নোহোৱা কৰিছিল আৰু জন জীৱনৰ মনৰ ব্যৱধান। সাংস্কৃতিক মাধ্যমেৰে জাতীয়তা ৰক্ষা কৰাত ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতা লুই কৰিব নোৱাৰি। গতিকে আমাৰ ইমূৰৰ পৰা সিমূৰলৈ সকলোকে আকোৱালি লৈ আৰ্থিক স্বচ্ছন্দতা চিন্তা কৰাৰ লগতে থলুৱা ক্ষুদ্ৰ ক্ষুদ্ৰ জন সমাজক লৈ সামাজিক ঐক্য সম্প্ৰীতি তথা জাতীয় সংহতিৰ কথা বহাগ বিহুৰ উৎসৱ উদ্‌-যাপনৰ মাধ্যমেৰে চিন্তা কৰাই শ্ৰেয়।

** **

---

বহল অৰ্থৎ সংস্কৃতিৰ অৰ্থ হৈছে জনসাধাৰণৰ সুকুমাৰ অনুভূতিৰ উচিত প্ৰকাশ। আচলতে ক'বলৈ গলে, সমাজ সচেতনতাই হৈছে ইয়াৰ প্ৰাণ স্পন্দন। সুকুমাৰ কলা, দৰ্শনবস্তু, বিজ্ঞান এই সকলোবোৰৰ সন্মিলিত সমষ্টিয়েই হৈছে সংস্কৃতিৰ সৌষ্ঠৱ।

— **হেম বৰুৱা**

---

# বর্তমান পৰিস্থিতিত ছাত্ৰ শক্তিৰ ভূমিকা

মনোজ কুমাৰ কলিতা
স্নাতক ১ম বার্ষিক।

বর্তমান অসমৰ আকাশ অশান্তি, বিশৃংখল আৰু প্ৰতিহিংসাৰ ক'লা ডাৱৰে আৱৰি ৰাখিছে। এনেকুৱা পৰিস্থিতিত ছাত্ৰ শক্তিয়ে নিশ্চয় নিষ্ক্ৰীয় ভূমিকা ল'ব নোৱাৰে। দৰিদ্ৰ জনসাধাৰণক ৰক্ষা কৰিবলৈ তথা অসমৰ সমস্যা সমূহ দূৰ কৰিবলৈ ছাত্ৰ শক্তিয়ে নিশ্চয় এটা সক্রিয় ভূমিকা লব লাগিব। কিন্তু এই সমস্যা সমূহ দুৰ কৰিবলৈ যাওঁতে ছাত্ৰ শক্তিক দোষাৰোপ কৰি অন্য ৰাজনৈতিক শক্তি সমূহে হিংসাত্মক কাৰ্য্য কৰিবলৈ সুবিধা যাতে নাপায় তাৰ প্ৰতিও ছাত্ৰ সমাজে চকু দিয়া দৰকাৰ। আজি অসমৰ যতেই হিংসাত্মক ঘটনা ঘটে তাতেই ছাত্ৰ শক্তিক জগৰীয়া কৰে। এইটো হ'বলৈ পালে কিহৰ বাবে? কাৰণ অসমৰ ছাত্ৰ সকলে অসমীৰ বুকুৰ পৰা ফালি চিৰি লৈ যোৱা সম্পদ সমূহ উদ্ধাৰ কৰিবলৈ বিপ্লৱ কৰিছে। এইটো জানো ছাত্ৰ সকলৰ দোষ? নিজৰ প্ৰাপ্যখিনিৰ পৰা বঞ্চিত কৰি অসমীৰ সন্তানৰ মুখৰ অন্ন মুঠি কাঢ়ি নিব আৰু ছাত্ৰ সকলে হাত সাৰটি বহি থাকিব? এইটো কেতিয়াও হ'ব নোৱাৰে।

বহুতে কয় "ছাত্ৰানাং অধ্যায়নং তপঃ।" ছাত্ৰৰ প্ৰধান কৰ্তব্য হ'ল অধ্যয়ন। অধ্যয়নৰ বাহিৰে ছাত্ৰই আন কামত মনোনিবেশ কৰিব নেলাগে। কিন্তু অধ্যয়ন কিহৰ বাবে? অধ্যয়নৰ প্ৰয়োজন জ্ঞান অৰ্জ্জনৰ বাবে। কিন্তু জ্ঞান অৰ্জ্জন কৰি যদি আনক কোনো জ্ঞান দিব নোৱাৰি তেনে জ্ঞানৰ জানো কিবা মূল্য থাকে? নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবেই শিক্ষাৰ পৰিসীমা আৱদ্ধ নহয়। শিক্ষাৰ উদ্দেশ্য হৈছে সমাজক শুদ্ধ পথত পৰিচালিত কৰা। অন্যায়ৰ বিৰুদ্ধে মাত মাতোতে যদি ছাত্ৰই ৰাজনীতি কৰা বুজায় তেনেহ'লে আৰু উপায় নাই।

বহুজনে কয় "ছাত্ৰই ৰাজনীতি কৰিব নাপায়।" বহুতে এনেধৰণে অভিমত দিয়ে যে "অসমৰ ছাত্ৰ সকলে পঢ়া শুনা বাদ দি ৰাজনীতিত জৰিত হৈছে।" কিন্তু ব্যৱহাৰিক দিশত চাবলৈ গ'লে এইটো জানো সঁচা? যিসকল লোকে ছাত্ৰ শক্তিক ৰাজনীতি নামৰ এই বিভৎস দিশটোৰ লগত সাঙুৰি ছাত্ৰ শক্তিক জগৰীয়া কৰিব খুজিছে তেওঁৰ নিশ্চয় কোনো নহয় কোনোবাখিনি স্বাৰ্থত ব্যাঘাত ঘটিছে। নহ'লে

তেওঁ ছাত্র সকলক ৰাজনীতিৰ লগত সাঙুৰাৰ কোনো প্ৰয়োজন নাই।

অৱশ্যে এইটোও সত্য যে ছাত্র সকলে প্ৰত্যক্ষ ভাবে নহলেও পৰোক্ষ ভাবে ৰাজনীতিৰ লগত জৰিত হ'বলৈ বাধ্য হৈছে। ৰাজনীতিও যিহেতু সমাজ জীৱনৰে এটা অংগ তত্তুপৰি আজিৰ ছাত্রই কাইলৈ নাগৰিক। সেয়েহে ছাত্র জীৱনতে সমাজ সম্পৰ্কে একো ভূ-ভা নাৰাখি ছাত্র জীৱন শেষ হোৱাৰ পিছদিনাৰ পৰা এজন শিক্ষিত যুৱক বা যুৱতী হৈ দেশৰ প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাবে কৰ্ত্তব্য পালন কৰিব পাৰিব নে নোৱাৰে তাত সন্দেহ আছে।

মৌনতাই সন্মতিকে বুজায়।

ছাত্র সকলে জ্ঞান অৰ্জন কৰে কিহৰ বাবে? সমাজলৈ কিঞ্চিত উপকাৰ সাধন কৰাৰ বাবে। তাকে নকৰি যদি পঢ়ি শুনি বিশ্ববিদ্যালয়ৰ দীঘল উপাধি লৈ, ডাঙৰ চৰকাৰী বিষয়া হৈ, মাকটি কাৰেৰে বাটৰ অন্ধ ভিকহুজনক খুন্দিয়াই থৈ যায়, তেনে শিক্ষাৰ জানো কিবা মূল্য থাকিব? সেইটো নকৰি যদি ছাত্র সকলে উচ্চ শিক্ষা লৈ অন্ধ সমাজখনক পোহৰৰ বাট মুকলি কৰি দিবলৈ প্ৰয়াস কৰে তেতিয়াহে সেই শিক্ষাৰ প্ৰকৃত মূল্য থাকিব বুলি ধৰি লোৱা হ'ব। তাৰ জলন্ত নিদৰ্শন হ'ল জাতিৰ পিতা মহাত্মা গান্ধী। সেয়েহে

---

**আমি কেতিয়াও সমাজৰ ভণ্ড তপস্যীৰ অন্ধ অনুকৰণ কৰা উচিত নহয়। "যিথন সমাজত তপস্যাৰ কোনো পৰিবেশ নাই তাত তপস্যা কৰাৰ কোনো যুক্তি নাই" সেয়েহে ছাত্র সমাজে ভণ্ড তপস্যীৰ আদৰ্শ অনুকৰণ নকৰি অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ সৎ সাহসকণ গোটাবলৈ চেষ্টা কৰিব লাগে। অৱশ্যে এটা কথা ঠিক যে "উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ". সেয়েহে আজিৰ সমাজে সভাত দীঘল বক্তৃতা দি নিজে বিৰূপ ক্ৰিয়া কৰা লোকৰ আদৰ্শ অনুকৰণ নকৰে।**

---

ছাত্র সকলে নিশ্চয় এইটো কথা লক্ষ্য ৰাখিব যে দুখীয়া দৰিদ্ৰ জনসাধাৰণক যাতে কোনেও শোষণ, উৎপীড়ন কৰিব নোৱাৰে। তাক বাধা দিবলৈ যাওঁতে যদি বিপ্লৱ কৰিবলগীয়া হয় কৰিব লাগিব। এইটো কথা ঠিক যে দুখীয়া জনসাধাৰণৰ ওপৰত চলা অত্যাচাৰ উৎপীড়ন চাই ছাত্র শক্তিয়ে কেতিয়াও মৌন হৈ হাত সাবটি বহি থাকিব নোৱাৰিব, কিয়নো

ছাত্রী ছাত্রী সকলে গান্ধীজীৰ নিৰ্দৰ্শনেৰে অনুপ্ৰাণিত হোৱা উচিত। আমি কেতিয়াও সমাজৰ ভণ্ড তপস্যীৰ অন্ধ অনুকৰণ কৰা উচিত নহয়। "যিথন সমাজত তপস্যাৰ কোনো পৰিবেশ নাই তাত তপস্যা কৰাৰ কোনো যুক্তি নাই'। সেয়েহে ছাত্র সমাজে ভণ্ড তপস্যীৰ আদৰ্শ অনুকৰণ নকৰি অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ সৎ সাহসকণ গোটাবলৈ চেষ্টা কৰিব লাগে। অৱশ্যে

এটা কথা ঠিক যে "উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ", সেয়েহে আজিৰ সমাজে সভাত দীঘল বক্তৃতা দি নিজে বিৰূপ ক্ৰিয়া কৰা লোকৰ আদৰ্শ অনুকৰণ নকৰে।

অসমত আজি এশ এবুৰি সমস্যাই আগুৰি ধৰিছে। অৱশ্যে এই সমস্যাটো আজিৰ বুলি কলে ভুল হ'ব, এই সমস্যাটো বহুত পুৰণি। কেৱল কথা হ'ল কি ছাত্ৰ শক্তিয়ে এই সমস্যা সমূহ দূৰ কৰিবলৈ আজি হয়তো মাৰ বান্ধি ঠিয় দিছে। কোনোৱে হয়তো হিংসাত্মক বিপ্লবৰ যোগেদি কোনোৱে অহিংস আন্দোলনৰ যোগেদি মুঠতে সমস্যা সমূহ একেই। ইমান দিনে অসমৰ জনসাধাৰণক কল বুলি বাকলিটোকে খুৱাই আছিল আৰু এতিয়া ছাত্ৰ সকলে বাকলি খাবলৈ অস্বীকাৰ কৰাত তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাইছে আৰু তাৰ লগতে অসমৰ সমূহ জনসাধাৰনো বলী হৈছে। তেওঁলোকৰ মতে অসমৰ ৰাইজ কল খোৱাৰ যোগ্য নহয় বাকলি খোৱাৰ হে যোগ্য, সেয়েহে বাকলি খাইয়ে সন্তুষ্ট থাকিব লাগে। কিন্তু এইটোও ঠিক যে কনা হ'লেও হাঁহে ধান নে পতান চিনি পাই কিন্তু উপায় নাই কাৰণে ধান নাপাই পতানকে খায়। অস-কৰৈৰা ৰাইজৰ [illegible] ক্ষেত্ৰতো সেই একেই কথা। কিন্তু যে ছাত্ৰ সকল অন্ধ নহয় সেই কাৰণে তেওঁলোকে বিপ্লব আৰম্ভ কৰিছে।

বহুতে মত পোষন কৰে যে ইয়াৰ মূল কাৰণ হ'ল বৰ্ধিত নিবনুৱা সমস্যা। সেয়েহে দুই এজনক কৰ্ম সংস্থানৰ মোহ দেখুৱাই বিপ্লবৰ ওৰ পেলাবলৈ খুজিছে। এই বিপ্লবৰ জানো কোনোৱা দিনা ওৰ পৰিব। যেতিয়ালৈকে অসমত ঔপনিবেশিকতাবাদৰ ওৰ নপৰে এই বিপ্লৱৰো ওৰ নপৰিব। কিহৰ কাৰণে অসমত উদ্যোগ স্থাপন কৰা নহয়? কিহৰ কাৰণে অসমত উন্নত কৃষি পদ্ধতি অৱলম্বন কৰা নহয়? বিগত ছ-বছৰীয়া অসম আন্দোলনত শ শ জন লোক শ্বহীদ হ'ল, কিন্তু সমস্যা সমস্যা হৈয়ে ৰ'ল। অসমীয়া জনসাধাৰণে অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰকনো হেৰুৱাই পেলাইছে যদিও ভাৰতীয় সংবিধানত বাক স্বাধীনতা দিয়া হৈছে। অসমক সদায় সতিনীৰ পঁৱালগা ছুহিতা সদৃশ ব্যৱহাৰ কৰি আহিছে।

ঔদ্যোগিক ক্ষেত্ৰত অসমৰ ওপৰত সদায় বৈদেশিক শোষণ চলি আহিছে। চাহ অসমৰ এক বৃহৎ সম্পদ। কিন্তু চাহ উৎপাদন কৰি অসমে প্ৰকৃত প্ৰাপ্য ধন পাইছে নে নাই তাক ঠিৰাংকৈ কব নোৱাৰি। অসমৰ চাহ অসমীয়া মানুহে ভোগ কৰিব পাৰিছেনে? অসমে কেৱল উৎপাদনহে কৰিছে কিন্তু ভোগ কৰিছে অইনে। নহলেনো অসমীয়া মানুহে আটাইতকৈ নিকৃষ্ট মানদণ্ডৰ চাহ কেজিত ৮০/৯০ টকা দৰত খাব লাগেনে? অসমৰ মানুহে যেতিয়া এই নিম্ন মানদণ্ডৰ চাহ উক্ত দামত কিনি খাই সেই সময়তে তাতকৈ অধিক উৎকৃষ্ট মানৰ চাহ কেজিত প্ৰায় ৪০/৫০ টকা দৰত বিদেশলৈ ৰপ্তানি হয়। অসমত মুঠ প্ৰায় ১০০০ খন চাহবাগান আছে আৰু ইয়াৰ বেছি ভাগ চাহ বাগানৰ মালিক হ'ল লিপ্তন, ব্ৰুকবণ্ড, মেকলিন এণ্ড মেগৰ, ৱাৰেন আদি বৃটিছ কোম্পানী তথা ইহঁতৰ সহযোগী

টাটা, বিৰলা আদি দেশীয় বৃহৎ পুজিপতি লোক সকল। অসমে চাহ উৎপাদন কৰি বছৰি প্ৰায় ২৩০০ কৌটি টকা পায় কিন্তু অসম চৰকাৰে বিভিন্ন কৰৰ বাবদ পায় মাত্ৰ ৪০ কৌটি টকা। চাহ উদ্যোগৰ ক্ষেত্ৰত অসমৰ জনসাধাৰণ কি দৰে শোষিত হৈছে তাক এই তথ্যৰ পৰা বুজিব পাৰি।

চাহ উদ্যোগৰ দৰে খাৰুৱা তেল উদ্যোগৰ ক্ষেত্ৰতো অসমৰ ওপৰত এটা বৈদেশিক শোষণ চলিছে।

এই সমস্যা সমূহৰ সমাধান জনগনবেই বিভিন্ন অংশ। ক্ষুদ্ৰ গোষ্ঠীগত চিন্তাৰে এইবোৰ সমাধান কৰিব নোৱাৰি। লাভৰ মূৰকত এই ঠেক দৃষ্টিভংগীৰ ফলত জাতিয়ে জাতিয়ে কাজিয়া কৰি, সম্প্ৰদায়ে সম্প্ৰদায়ে কাজিয়া কৰি আমি অসমবাসী বিভক্ত হৈ পৰিছোঁ। আজি সংকীৰ্ণ মতাদৰ্শৰ অবাটত খোজ দি আমাৰ ডেকা গাভৰুৰ জাকে জাকে চৰম আত্মত্যাগেৰে যুজি নৃশংস বণিকৰ নিৰ্দয় চন্তৰীৰ আক্ৰমনত আত্মাহুতি দিব লগাত পৰিছে। এই বিভেদ নীতিৰ পৰা লাভবান হৈছে মাথোন শোষক শ্ৰেণী আৰু ইহঁতৰ দালালবোৰ সমস্যাবোৰৰ মৌলিক সমাধানৰ বাবে দেশৰ সমগ্ৰ জনগণৰ সুবৃহৎ অংশক ঐক্যবদ্ধ কৰিব পৰা এটা দেশপ্ৰেমিক তথা গণতান্ত্ৰিক সংগঠন গঠন হোৱাটো অতি প্ৰয়োজনীয়। তাৰ বাবে প্ৰয়োজন জনগণৰ সকলো অংশৰ মাজত ঐক্য।

জনগণৰ মৌলিক সমস্যা সমূহৰ বিজ্ঞান সন্মত সমাধানতহে যে ছাত্ৰ সমাজৰো মৌলিক সমস্যা সমূহৰ বিজ্ঞানসন্মত সমাধান নিৰ্ভৰ কৰিছে তাক আমাৰ ছাত্ৰ সমাজে বুজা উচিত। এক কথাত কবলৈ গ'লে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী অৰ্থাৎ দেশৰ ভবিষ্যত ধৰণীসকলৰ চকুৰ আগত পৰা সত্যক ঢাকি ৰখা উচিত নহয়। তেওঁলোকৰ সন্মুখত সকলোবোৰ উদঙাই দিয়াৰ সময় আজি আহিছে। ৰুক্ষ বৰ্তমান আৰু অন্ধকাৰ ভবিষ্যতৰ সলনি কেনেকৈ এটা সুন্দৰ ভবিষ্যত গঢ়ি তুলিব পাৰি তাৰ বাস্তৱসন্মত ছবি তেওঁলোকৰ আগত তুলি ধৰা উচিত, যাতে আমাৰ ছবি কি হ'ব তাক আমি সজ্ঞানেৰে বাচি লব পাৰো।

# ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা

কণিকা দালাল
প্ৰবক্তা, শিক্ষা বিভাগ।

**"মাক-দেউতাকৰ মাজত সুস্থ সুন্দৰ আৰু বুজা পৰাৰ আন্তৰিকতা পূৰ্ণ সম্বন্ধই ল'ৰা-ছোৱালীক মানসিক, দৈহিক উৎকৰ্ষ সাধনত যথেষ্ট সহায় কৰে আৰু ইয়ে ল'ৰা-ছোৱালীৰ জীৱন বাটত সুগন্ধিৰ কুসুম ফুলাব পাৰে।"**

জ্ঞান-অভিজ্ঞতাৰ সকলো দিশতে অভাৱনীয়ভাৱে বৃদ্ধি তথা বিস্ফোৰণ ঘটাটোৱে চলিত শতিকাৰ উল্লেখযোগ্য ঘটনা। বিজ্ঞানৰ প্ৰয়োগে জ্ঞানৰ প্ৰতিটো বিভাগৰ পৰিসৰ বৃদ্ধি কৰি তুলিছে আৰু সমাজ ব্যৱস্থাৰো দৰ্শনীয় পৰিৱৰ্ত্তন সাধন হৈছে। সেই অনুক্ৰমে আমি উঠি অহা নতুন চাম ডেকা গাভৰুৰ জ্ঞান আহৰণৰ বাবে প্ৰতিটো বিষয় অধ্যয়ন কৰাৰ সময় আহি পৰিছে। পুৰণি কলীয়া আস্থা, নিষ্ঠা, বিশ্বাস, সামাজিক দৃষ্টিভঙ্গীৰ আজি সলনি হৈছে। আৰু তাৰ ঠাইত বৰ্ত্তমান যুক্তি, তৰ্ক বাস্তৱ অধ্যয়ন আৰু পৰীক্ষন আদিয়ে প্ৰাধান্য লাভ কৰিছে। এই পৰিপ্ৰেক্ষিততেই ছাত্ৰ ছাত্ৰীৰ বাবেও বিভিন্ন বিষয়ৰ সাহিত্য চৰ্চ্চা কৰাৰ সময় আহি পৰিছে। তেতিয়াহে প্ৰগতিবাদী সমাজৰ লগত নিজকে খাপ খুওৱাৰ সুবিধা পোৱা যাব।

প্ৰকৃতাৰ্থত সাহিত্য অধ্যয়নেই সাহিত্য। চৰ্চা সাহিত্য চৰ্চাৰ কোনো নিৰ্দিষ্ট সময় সীমা থাকিব নোৱাৰে। ই এক জীৱন ব্যাপি কৰা প্ৰচেষ্টা কিন্তু যিহেতু এই নিবন্ধৰ আলোচিত বিষয়বস্তু হৈছে "ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা"। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ দিশতহে এই নিবন্ধত আলোকপাত কৰা হব।

ছাত্ৰ-ছাত্ৰীক সামগ্ৰিক ভাৱে বিশ্লেষণ কৰিলে আমি দেখো যে সাহিত্যই সকলো বয়সৰ ল'ৰা-ছোৱালীক সমানে প্ৰভাৱান্বিত কৰিব নোৱাৰে আৰু সকলোৰে বাবে সমানে আকৰ্ষিতও নহয়। ই ব্যক্তিৰ বিকাশ স্তৰৰ ওপৰত নিৰ্ভৰশীল। কিয়নো বয়স ভেদে ল'ৰা-ছোৱালীৰ দৈহক আৰু মানসিক বিকাশ বেলেগ বেলেগ হয়। সাধাৰণতে

সৰু ল'ৰা-ছোৱালীয়ে গল্প, সাধুকথা, ফকৰা-যোজনা, মহৎলোকৰ জীৱনী, বিভিন্ন বং চংভীয়া ছবি থকা কিতাপৰ প্ৰতি আগ্ৰহী হয়। সেয়েহে সৰু কালৰ পৰাই এনেকুৱা ধৰণৰ কিতাপৰ প্ৰতি ল'ৰা-ছোৱালীক মনোযোগী কৰি তুলিব লাগে। কিন্তু বয়স বঢ়াৰ লগে লগে ল'ৰা-ছোৱালীৰ মনোভাৱৰ পৰিৱৰ্তন ঘটে আৰু যৌৱন কালতেই ল'ৰা-ছোৱালীৰ সকলো ফালৰ পৰা পৈনতা প্ৰাপ্তি ঘটে। এই বয়সত ল'ৰা-ছোৱালীয়ে বিভিন্ন উপন্যাস, ছুঃসাহসিক অভিযানৰ কাহিনী আদিৰ প্ৰতি আকৃষ্ট হয়। সেয়েহে এই বয়সত ছাত্ৰ-ছাত্ৰীক এনেকুৱা কিতাপ পঢ়াৰ সুযোগ দিব লাগে। কিন্তু পাছৰ বয়সত মানুহৰ বিভিন্ন সাহিত্যৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। গতিকে দেখা গ'ল—বিকাশ স্তৰৰ লগত সাহিত্য চৰ্চা ওতঃপ্ৰোতঃভাৱে জড়িত। আজি উন্নত দেশবোৰে বয়সৰ ওপৰত ভিত্তি কৰি শিক্ষা ব্যৱস্থা গ্ৰহণ কৰা বাবে তেওঁলোকে সকলো দিশতে অগ্ৰগতি লাভ কৰা বুলি আমি কব পাৰো।

"ছাত্ৰনাং অধ্যায়নং তপঃ"। ছাত্ৰ-ছাত্ৰী হলে অধ্যয়নশীল হবই লাগিব আৰু গভীৰ অধ্যয়ন নহলে জ্ঞান আহৰণত সম্ভৱপৰ নহয়। কিন্তু ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা কেন্দ্ৰিক মনোবৃত্তিৰে পঢ়াক আমি সাহিত্য চৰ্চা বুলি ধৰিব নোৱাৰো কিয়নো নিজ পাঠ্যপুথি অধ্যয়নৰ উপৰিও বিভিন্ন ভাষাৰ গল্প, উপন্যাস, সমালোচনা সাহিত্য, প্ৰৱন্ধ, গৱেষণামূলক নিবন্ধ, আলোচনী, বাতৰি কাকত, বুলেটিনকে আদি কৰি সকলো প্ৰকাৰৰ অধ্যয়নেই আজিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজন হৈ পৰিছে। এনেকুৱা ধৰণৰ অধ্যয়নেই সাহিত্য চৰ্চাৰ সহায়ক হোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মনৰ সংকীৰ্ণতা দূৰ কৰে। জাতীয় চেতনা বৃদ্ধিত সহায়ক হয়। জাতীয় চেতনা অবিহনে সাহিত্য চৰ্চা নিৰৰ্থক। কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জাতীয় চেতনাই বিশ্বকবি হিচাবে প্ৰতিষ্ঠা কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাও ৰসৰাজ বেজবৰুৱা হিচাবে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে।

বৰ্তমান সময়ৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশৰ লগত খোজ মিলাবলৈ হলে আজিৰ ছাত্ৰ-ছাত্ৰীয়ে সকলো বিষয়ৰ কিতাপ পঢ়াৰ নিতান্ত প্ৰয়োজন আৰু ইয়াৰ বাবে অভ্যাস কৰিব লাগে। সাহিত্য চৰ্চা কিন্তু সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সম্ভৱপৰ নহয়। এই ক্ৰিয়া নিতান্তই ব্যক্তিগত আৰু সম্পূৰ্ণৰূপে জন্মগত প্ৰবৃত্তিৰ ওপৰত নিৰ্ভৰশীল। সাহিত্য চৰ্চা বিষয়টো বাহিৰৰ পৰা আৰোপিত হব নোৱাৰে। ই এক অন্তঃ প্ৰক্ৰিয়া যাক আমি অভিৰোচন বুলি কব পাৰো। সেয়েহে সাহিত্য চৰ্চাৰ প্ৰতি ৰাপ থাকিলেহে ই সম্ভৱ হৈ উঠিব পাৰে ; অন্যথা ই অসম্ভৱ। সাহিত্য চৰ্চাৰ প্ৰতি ৰাপ থকা ছাত্ৰ-ছাত্ৰী সৰুৰে পৰাই অধ্যয়নশীল হয়। কাৰণ মূলাৰ দুপাততেই চিনৰ দৰে ল'ৰা-ছোৱালীৰ অধ্যয়নশীল মনৰ ছবিও আমি সৰু কালতেই উমান পাব পাৰো। সাহিত্য চৰ্চাৰ সাধনাই বিষয় বস্তুৰ সম্যক জ্ঞান দিয়াৰ উপৰিও নিজ মানসিক গুণ প্ৰকাশৰ বাট দেখুৱাই দিব পাৰে।

সাহিত্য চৰ্চা ব্যক্তিমনৰ স্বাধীনতাৰ লগত

ওতঃপ্ৰোতঃ ভাৱে জড়িত। মনৰ স্বাধীনতা নাথাকিলে কোনো কথা সূক্ষ্মভাৱে চিন্তা কৰিব নোৱাৰি। কাৰো গাৰে শাৰীৰিকভাৱে কোনো ব্যক্তিক নিৰ্য্যাতন দিব পাৰে; কিন্তু মনৰ স্বাধীনতা কাঢ়ি নিব নোৱাৰে। কাৰাগাৰৰ ভিতৰতে সাহিত্য সৃষ্টি হোৱাৰ পটভূমি আমি বহুতো পাইছোঁ। সেয়েহে সাহিত্য চৰ্চাক ব্যক্তি মনৰ স্বাধীনতা বুলি কব পাৰি। সাহিত্য অধ্যয়ন আৰু লিখন প্ৰক্ৰিয়া ব্যক্তিৰ নিজস্ব অনুভূতি। সাধাৰণতে সমাজৰ অন্তঃমুখী ব্যক্তিসকলৰ সাহিত্য অধ্যয়নৰ প্ৰতি ধাপ বেছি দেখা যায়।

ছাত্ৰ ছাত্ৰীৰ সাহিত্য চৰ্চাৰ দায়বদ্ধতাৰ প্ৰতি পিতৃ-মাতৃৰ সজাগতাও মন কৰিবলগীয়া। সাহিত্য চৰ্চাৰ বাবে প্ৰত্যেক সমাজ সচেতক ব্যক্তিয়ে নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে পঢ়াৰ সুস্থ বাতাবৰণ সৃষ্টি কৰি দিব লাগে। এই ক্ষেত্ৰত আমি পশ্চিমীয়া দেশ সমূহৰ কথা উনুকিয়াব পাৰোঁ। সুস্থ পৰিবেশেহে সুস্থ মনৰ সৃষ্টি কৰে। সেয়ে ঘৰুৱা পৰিবেশত, মাক-দেউতাকৰ মাজত সুস্থ সুন্দৰ আৰু বুজা পৰাৰ আন্তৰিকতা পূৰ্ণ সম্বন্ধই ল'ৰা-ছোৱালীক মানসিক, দৈহিক উৎকৰ্ষ সাধনত যথেষ্ট সহায় কৰে আৰু ইয়ে ল'ৰা-ছোৱালীৰ জীৱন বাটত সুগন্ধিৰ কুসুম ফুলাব পাৰে।" তাৰ বাবেই সাহিত্য চৰ্চাৰ লগত ছাত্ৰ ছাত্ৰীৰ ঘৰুৱা পৰিবেশৰ সহঃ সম্বন্ধ আছে আৰু ঘৰুৱা পৰিবেশ সাহিত্য চৰ্চাৰ নিয়ন্তা

মানুহ পৰিবেশৰ দাস। মানুহ যি পৰিবেশত থাকে ঠিক তেনে ধৰণৰ মনোবৃত্তি গঢ় লৈ উঠে। সেয়েহে ল'ৰা-ছোৱালীৰ মনৰ বিকাশৰ লগত সমাজৰ প্ৰভাৱও নিবিড়ভাৱে জড়িত হৈ থাকে। ঘৰুৱা আৰু সামাজিক প্ৰভাৱৰ দ্বৈত পৰিনতিৰ যোগেদিহে ছাত্ৰ-ছাত্ৰীৰ সুস্থ সবল মনৰ বিকাশ হোৱাটো আশা কৰিব পাৰি আৰু সাহিত্য চৰ্চাত ছাত্ৰ-ছাত্ৰীয়ে নিজকে গভীৰভাৱে আৰোপিত কৰিব পাৰে।

বিভিন্ন ধৰণৰ সাহিত্য চৰ্চাই ছাত্ৰ-ছাত্ৰীক বিভিন্ন ধৰণে মানসিক বিকাশত সহায় কৰে। ছাত্ৰ-ছাত্ৰীৰ শৈশৱ কালৰ গল্প আৰু সাধুকথা অধ্যয়নেই উৎসুক মনৰ কাৰ্য্য সমাধা হোৱাত সহায় কৰে। মহৎলোকৰ জীৱনী অধ্যয়নে মহৎলোকৰ আদৰ্শত অনুপ্ৰাণিত হবলৈ উদ্‌গায়। বিজ্ঞান ভিত্তিত লিখা লিখনিয়ে বিশ্লেষাত্মক দিশত সহায় কৰে। বিভিন্ন পটভূমিত লিখা প্ৰবন্ধ পাতিয়ে নজনা কথা জনাৰ বাবে ছাত্ৰ-ছাত্ৰীক সুযোগ দিয়ে। উপন্যাস আদিয়ে লিখকৰ মৌলিক গুণৰ পৰিচয় দিয়ে। কবিতা অধ্যয়নেৰে কবিমনৰ ভাব অনুভূতিৰ কথা জানিব পাৰি। এনে ধৰণৰ পুথি অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ মৌলিক গুণ বিকাশত সহায়ক হৈ উঠে। এনেবোৰ বৈশিষ্ট্য থকা বাবেই ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা আৰু অধ্যয়ন অত্যন্ত প্ৰয়োজন বুলি অনুভৱ কৰা হৈছে। সাহিত্য চৰ্চা আৰু অধ্যয়ন জাতীয় সংহতি ৰক্ষাৰ বাবেও অতি প্ৰয়োজন বুলি আমি ভাবো। সেয়েহে জাতীয় সংহতি মজবুত কৰিবৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চাত মনোনিবেশ কৰিব লাগে আৰু নানা বিষয়ৰ অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰি এজন সু-নাগৰিক হিচাপে পৰিচয় দিব লাগে। ০০০০০

# ॥ কৃষি উন্নয়নত যুৱশক্তিৰ ভূমিকা ॥

লক্ষ্মী মেধি
স্নাতক ১ম বাৰ্ষিক

কৃষিয়ে হ'ল গ্ৰাম্য অৰ্থনীতিৰ মূল বুনিয়াদ। যিকোনো এখন দেশৰ জনসাধাৰণৰ উন্নতি আৰু প্ৰগতি নিৰ্ভৰ কৰে সেই দেশৰ কৃষিৰ ওপৰত। কৃষিয়ে হ'ল জনসাধাৰণৰ জীবিকাৰ প্ৰধান উপায়। আমাৰ দেশৰ ২৩ হাজাৰখন গাওঁৰ শতকৰা ৭৫ শতাংশ জন লোক খেতিয়ক। আমাৰ দেশৰ কৃষিত বহুতো পৰিশ্ৰম আৰু চিন্তা-চৰ্চাৰ পিছতো আশানুৰূপ ভাবে উন্নতি হোৱা দেখা নগ'ল। ইয়াৰ কাৰণ যদি বিশ্লেষণ কৰি চাওঁ তেতিয়া দেখিবলৈ পাম যে কৃষিৰ পুৰণিকলীয়া পদ্ধতি। কৃষিৰ উৎপাদন বঢ়াবলৈ--

১। উন্নত উৎপাদন ক্ষম বীজ
২। ৰাসায়নিক সাৰ।
৩। কীটনাশক ঔষধ পাতিৰ ব্যৱহাৰ।
৪। পানীৰ যোগান আদিয়ে প্ৰধান।

আমাৰ অসমত প্ৰতি হেক্টৰ মাটিত মাত্ৰ ৭ কিলোগ্ৰাম সাৰৰ বিপৰীতে ভাৰতৰ অন্য ঠাইত বিশেষকৈ পঞ্জাৱ হাৰিয়ানা আদিৰ প্ৰতি হেক্টৰত ২৬ কিঃ গ্ৰাঃ গড়ে ব্যৱহাৰ কৰা দেখা যায়। সেয়েহে আমাৰ দেশৰ কৃষি যি পৰিমাণে উৎপাদন হ'ব লাগিছিল সেই মতে হোৱা নাই। ইপিনে প্ৰতি বছৰে অসমত বাপতি সাহোন বান পানীতো আছেই। গতিকে আধুনিক বিজ্ঞান সন্মতভাৱে কৃষি কাৰ্য্য কৰি অসমত উৎপাদন বঢ়াবই লাগিব। যিহেতু অসম এখন কৃষি প্ৰধান দেশ। জলসিঞ্চনৰ প্ৰসাৰ, বিজুলীৰ প্ৰয়োগ, যন্ত্ৰ আদিৰ ব্যৱহাৰ, কৃষিজাত সামগ্ৰীৰ বিতৰণ ব্যৱহাৰ উন্নতি সাধন, বেংকৰ ঋণদান আদিৰ উন্নয়ন সাধন কৰিব লাগে। কিয়নো বুঢ়া হালোৱা তুটাৰ পিছত ঘূৰি ঘূৰি দেশৰ আধুনিক কৃষি পদ্ধতিৰ উন্নতি সাধন কৰাটো সম্ভৱ হ'ব নোৱাৰে। যিহেতু আমাৰ জন-জীৱনৰ লগত কৃষি ওতঃপ্ৰোত ভাবে জড়িত আছে সেয়েহে ইয়াৰ উন্নতি আৰু প্ৰসাৰ আমি বঢ়াবই লাগিব। অসমত ঘাইকৈ দুৰ্বল শ্ৰেণীৰ লোক সকলেহে কৃষি-কাৰ্য্যত নিয়োজিত হৈ থাকে। সেয়েহে এই লোকখিনিৰ আৰ্থিক অভাৱ আৰু সামাজিক অনাগ্ৰসৰতাৰ বাবে আধুনিক কৃষিত মনোযোগ দিব নোৱাৰে। আমাৰ গাওঁ অঞ্চলত বহুতো কৃষকৰ মনত এতিয়াও অন্ধ বিশ্বাস, পুৰণি-কলীয়া ৰীতি নীতি আদি আওঁপুৰণি মনোভাব দেখা যায়। এডৰা মাটিতে তৰপে তৰপে অৰ্থাৎ এটাৰ পিছত এটা খেতি কৰি নিজৰ আয়

উপাৰ্জন বঢ়াব পৰা যায় তাৰ প্ৰতি মনোযোগ দিয়া দেখা নাযায়। অসমৰ দৰে এখন দেশৰ লোকে নিজৰ উপাৰ্জন বঢ়োৱাৰ বাবে যত্ন কৰিব লাগিব। জাতীয় আয় বৃদ্ধি কৰি জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে চেষ্টা কৰিব লাগিব। ইয়াৰ বাবে অৱশ্যে শিক্ষিত যুবক-যুৱতী সকলে আগ বাঢ়ি আহিব লাগিব। কিন্তু আমাৰ যুবক-যুৱতী সকলে কৃষি কামটো বৰ লাজৰ কাম বুলি গণ্য কৰা দেখা যায়। সেয়েহে আমাৰ শিক্ষিত লোক সকলে কৃষি গোটৰ উৎপাদন বৃদ্ধি আওপুৰণি গঠনত চৰকাৰে পূৰ্ণ সহযোগিতা আগবঢ়োৱা নিতান্ত প্ৰয়োজনীয়। ইয়াৰ অন্যথা আমাৰ কৃষি উন্নতি সম্ভৱ নহয়। ইয়াৰ উপৰি আমাৰ শিক্ষিত যুবক যুৱতী সকলে উন্নত পদ্ধতিৰে বিজ্ঞানসন্মত ভাবে কৃষিকাৰ্য্যত মনোনিবেশ কৰাটো নিতান্ত প্ৰয়োজনীয় কথা হৈ পৰিছে। আমাৰ দেশৰ শতকৰা ৭৫ শতাংশ লোকে যিহেতু কৃষিকাৰ্য্যত নিয়োজিত হৈ থাকে সেয়েহে কৃষিক এটা উদ্যোগ হিচাবে গঢ়ি তুলিবলৈ নিবনুৱা ডেকা সকলে মানসিক ভাবে আগবাঢ়ি আহিব লাগিব। পুৰণি

**যিহেতু আমাৰ জন-জীৱনৰ লগত কৃষি ওতঃপ্ৰোত ভাবে জড়িত আছে সেয়েহে ইয়াৰ উন্নতি আৰু প্ৰসাৰ আমি বঢ়াবই লাগিব। অসমত যাইকৈ দুৰ্বল শ্ৰেণীৰ লোক সকলেহে কৃষিকাৰ্য্যত নিয়োজিত হৈ থাকে। সেয়েহে এই লোকখিনিৰ আৰ্থিক অভাৱ আৰু সামাজিক অনাগ্ৰসৰতাৰ বাবে আধুনিক কৃষিত মনোযোগ দিব নোৱাৰে।**

পদ্ধতি পৰিহাৰ কৰি আধুনিক পদ্ধতি অৱলম্বন কৰিব লাগিব। যন্ত্ৰপাতি, কলা-কৌশল আদিৰ ব্যৱহাৰ বা উপকাৰিতা সম্বন্ধে জ্ঞান দিব লাগিব। কৃষক সকলৰ মাজত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। লগতে এই কৃষক সকলক অৰ্থ যোগান সুনিশ্চিত কৰি কৃষিক এক ব্যৱসায়ীক বৃত্তি হিচাবে গঢ়ি তোলাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগিব। ইয়াৰ বাবে কাৰ্য্যকৰী বাস্তৱ-মুখী আঁচনি প্ৰস্তুত কৰি কৃষি ব্যৱস্থাৰ পূৰ্ণ পদ্ধতিৰে এডৰা মাটিতে বহুবছৰ ধৰি খেতি কৰাৰ বাবে কৃষি ভূমিৰ উৎপাদিকা শক্তি হ্ৰাস পাই আহিছে। সেয়েহে উন্নত পদ্ধতিৰ সাৰ, পানী আৰু উন্নত বীজৰ ব্যৱহাৰ কৰি বছৰত তিনিটা কৃষি কৰাৰ আঁচনি লব লাগিব। ইয়াৰ বাবে আমাৰ শিক্ষিত যুবক-যুৱতী সকল আগবাঢ়ি আহি কৃষিত উন্নতি সাধন কৰিব লাগিব, নহলে আমাৰ কোনো আঁচনিয়ে ফল-বতি হ'ব নোৱাৰিব।

# ভাৰতৰ উদিত সুৰুজ শ্ৰীনিবাস ৰামানুজন ……

হৰেন ঠাকুৰীয়া
উঃ মাঃ ১ম বাৰ্ষিক

শ্ৰীনিবাস ৰামানুজন গণিত শাস্ত্ৰৰ যাদুকৰ। ৰামানুজনে বুটিছ তথা পৃথিৱীৰ আমোলা সকলক দেখুৱাই দিছিল যে পৰাধীন হলেও ভাৰতত চিন্তা চৰ্চাৰ অভাৱ নাই—যি কাৰণত প্ৰাচীন কালত ঋষি-মুনিৰ ভূমি এই ভাৰতত বেদ-বেদান্তৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ দূৰ পাশ্চাত্যৰ লোকসকল ইয়ালৈ আহিছিল।

ৰামানুজনৰ জন্ম তামিলনাডুৰ ইৰোড নামৰ গাঁওত ১৮৮৭ চনৰ ২২ ডিচেম্বৰত। সৰুৰেপৰা নিৰ্জ্জু আৰু শান্তি প্ৰিয় ৰামানুজন সদায় কিবা নহয় কিবা কথা চিন্তা কৰি থাকিছিল। ল'ৰা জনৰ সৰুৰেপৰাই গণিত বিষয়ৰ ওপৰত বৰ ধাউতি। কোৱা বাহুল্য যে তেখেতে চতুৰ্থ শ্ৰেণীত পঢ়ি থকা সময়তে বি, এ, পঢ়া ছাত্ৰ এজনৰ পৰা ত্ৰিকোণমিতিৰ এখন কিতাপ বিচাৰিছিল তেতিয়া বি, এ, ৰ ছাত্ৰজনে সেই কথাটো ধেমালি কৰিব বিচাৰিছে বুলি ভাবি তেওঁক কিতাপখন দিবলৈ অমান্তি হৈছিল; কিন্তু ৰামানুজনৰ কাতৰ অনুৰোধ তথা শান্ত স্বভাৱৰ বাবে কিতাপখন দিছিল আৰু বি, এ, ছাত্ৰ জনৰ আগতে ত্ৰিকোণমিতিৰ প্ৰশ্নবোৰৰ সমাধান কৰিছিল। ইয়াৰপৰা ধৰি লব পাৰি যে অসাধাৰণ মগজু সম্পন্ন ব্যক্তি আছিল—যিজনে এই দুখীয়া তথা অনগ্ৰসৰ ভাৰতত জন্ম লাভ কৰিছিল। ৰামানুজনৰ স্মৰণ শক্তি ইমান প্ৰৱল আছিল যে মাথো ১২ বছৰ বয়সতে ত্ৰিকোণ-মিতিৰ সকলোবিলাক প্ৰশ্নৰ সমাধান উত্তৰ উলিয়াই পেলাইছিল।

১৯০৩ চনত তেওঁ হাইস্কুল শিক্ষান্ত পৰীক্ষাত গণিতত সৰ্বোচ্চ নম্বৰ পাই উত্তীৰ্ণ হৈছিল; কিন্তু দুখৰ কথা এই যে কলেজত পঢ়া কালত গণিতত অতিপাত ব্যস্ত থকাৰ বাবে ইংৰাজীত উত্তীৰ্ণ হ'ব নোৱাৰি নিৰাশ মনেৰে কলেজীয়া জীৱন পৰিত্যাগ কৰিলে। কিন্তু ৰামানুজনৰ অহৈতুকী প্ৰীতি গণিতত থকা বাবে এইটো বিষয় তেওঁ পৰিত্যাগ কৰিব নোৱাৰিলে। গাণিতিক তত্বৰে ৰামানুজনে তেওঁৰ টোকা বহী ভৰ্ত্তি কৰি পেলাই-ছিল। বহিজগতৰ আলোড়ন আন্দোলন লজ্জা

পাহৰি নিজাত্ম ভাৱেৰে তেওঁ সকলোতে মাথো দেখা পাই অংক আনকি সপোনতো। ১৯০৯ চনত তেখেতক জানকী নামেৰে ৯ বছৰীয়া ছোৱালী এজনীৰ লগত বিয়া কৰাই দিয়ে। পাৰিবাৰিক জীৱনৰ পিনে সম্পূৰ্ণ পিঠি দি তেখেতে মাথো গণিতৰ নতুন নতুন সূত্ৰ আৱিস্কাৰতহে নিমগ্ন। ইফালে ইংৰাজীত নুন্যতম বুৎপত্তি নথকাৰ বাবে কলেজৰ পৰীক্ষাত অকৃতকাৰ্য্য আনফালে মাদ্ৰাজলৈ গৈ প্ৰাইভেট ইণ্টাৰ মিডিয়েট পৰীক্ষাতো কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে। ইফালে দেউতাক বুঢ়া হৈ আহিছে, উপাৰ্জনৰ বাবে অ'ত-ত'ত ঘূৰি ফুৰিবলগীয়া হ'ল তথাপিও তেওঁ গণিত চৰ্চাৰ পৰা আতৰত থকা নাছিল। শাৰীৰিক অসুস্থতাৰ বাবেও তেওঁ গণিত চৰ্চাত বিলম্ব কৰা নাছিল। বিয়াৰ পিছত তেওঁ ঘৰ সংসাৰ চলোৱাৰ বাবে লাহে লাহে কিছু দায়িত্ব অনুভৱ কৰিব ধৰিলে। এতিয়া আৰু দেউতাকৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰে।

ইতিমধ্যে ১৯০৭ চনত মাদ্ৰাজত ৰামস্বামী নামৰ ভাৰতীয় এজনে Indian Mathematical Socity স্থাপন কৰে। ৰামানুজনে নিজে গৈ আয়াৰক তেওঁৰ গণিতৰ টোকা বহী দেখুৱালে আৰু আয়াৰে ৰামানুজনৰ দৰিদ্ৰতাৰ কথা গম পাই যাতে তেওঁৰ গণিত চৰ্চাৰ কোনো বিজুতি নঘটে তাৰ বাবে দেৱান বাহাদুৰ ৰামচন্দ্ৰৰাৱৰ হতুৱাই মাদ্ৰাজ বন্দৰত এটা চাকৰি যোগাৱ কৰি দিলে। ১৯১১ চনত ভাৰতীয় গণিত সমাজৰ আলোচনীত তেওঁৰ প্ৰথম গৱেষণা প্ৰৱন্ধ "Some properties of Bernoulli" প্ৰকাশ পায়। ইয়াৰপৰা ৰামানুজনৰ উৎসাহ আৰু দুগুণে বাঢ়িবলৈ লয়।

ৰামানুজনে তেওঁৰ প্ৰতিভা বিকশিত কৰিবৰ বাবে তেওঁৰ কিছুমান গাণিতিক সমাধান প্ৰখ্যাত গণিতজ্ঞ H. F. Baker আৰু E. W. Hobson লৈ পঠিয়ালে। কিন্তু দুখৰ বিষয় তেওঁলোকে এই দুখীয়া কিন্তু চতুৰ বুদ্ধি সম্পন্ন ভাৰতীয় গৰাকীৰ কোনো লেখা নপঢ়াকৈ আৰু কোনো মন্তব্য নিদিয়াকৈ ঘূৰাই পঠিয়ালে। তথাপিও ৰামানুজন নিৰাশ হোৱা নাছিল।

অৱশেষত ৰামানুজনে তেওঁৰ গাণিতিক কিছুমান তথ্য অধ্যাপক আয়াৰৰ নিৰ্দেশ মৰ্মে কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজৰ ফেল' G. H. Hardy লৈ প্ৰেৰণ কৰিলে। প্ৰথম অৱস্থাত Hardy য়ে সেইবোৰ তেওঁৰ টেবিলৰ কাষত পেলাই থৈ দিছিল; কিন্তু যেতিয়া সেইবোৰ তেওঁ খুলি দেখিলে যে যিজনে এইবোৰ ইয়ালৈ পঠিয়াইছে তেওঁ হ'ব লাগিব নিশ্চয় এজন ভৱিষ্যতৰ অংকৰ আৱিস্কাৰক। হাৰ্ডিয়ে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰি ৰামানুজনক কেম্ব্ৰিজলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিলে।

ৰামানুজন আছিল ধৰ্মত গোঁড়া ব্ৰাহ্মণ। তেওঁ প্ৰথমতে যাবলৈ ইচ্ছা কৰা নাছিল। নিজৰ মাক তথা বহুতৰ বহু অনুৰোধত ১৯১৪ চনৰ ১৭ মাৰ্চ তাৰিখে বিলাতলৈ যাত্ৰা আৰম্ভ কৰে। কেম্ব্ৰিজত ৰামানুজনে হাৰ্ডিৰ তত্বাবধানত গণিতৰ বিভিন্ন স্তৰবোৰ অধ্যয়ন কৰিলে। প্ৰথাগত আৰু প্ৰণালীবদ্ধ গণিত অধ্যয়নৰ অভ্যাস নথকাৰ বাবে ৰামানুজন কোনো কোনো বিষয়ত অজ্ঞৰ

বহিৰ্জ্জগতৰ আলোড়ন আন্দোলন লজ্জা পাহৰি নিজাত্ম ভাৱেৰে তেওঁ সকলোতে মাথো দেখা পাই অংক আৰ্নাক সপোনতো। ১৯০৯ চনত তেখেতক জানকী নামেৰে ৯ বছৰীয়া ছোৱালী এজনীৰ লগত বিয়া কৰাই দিয়ে। পাৰি-বাৰিক জীৱনৰ পিনে সম্পূৰ্ণ পিঠি দি তেখেতে মাথো গণিতৰ নতুন নতুন সূত্ৰ আৱিষ্কাৰতহে নিমগ্ন।

---

দৰে আৰু কোনো কোনো বিষয়ত বহুত আগবঢ়া আছিল। ছাত্ৰ হিচাপে ৰামানুজনৰ বিষয়ে Hardy য়ে এঠাইত এইদৰে কৈছে যে মই ৰামানুজনক যিমান শিকালো ৰামানুজনৰ পৰা মই তাতকৈ বেছি শিকিছো।

ইংলণ্ডত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ তৰফৰপৰা মাহে ৬০ পাউণ্ডকৈ তেওঁক বৃত্তি দিয়াৰ ব্যৱস্থা কৰা হয়। ১৯১৪ চনলৈ ৰামানুজনে ইংলণ্ডত থাকি তেওঁ গণিতৰ বিভিন্ন ক্ষেত্ৰত ইমানবোৰ মৌলিক কাৰ্য্য কৰিলে যে গোটেই বিশ্বত তেওঁৰ নাম বিয়পি পৰে। ১৯১৮ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে ইংলণ্ডৰ ৰয়েল চচাইটিয়ে তেওঁক ফেল' সন্মানেৰে সন্মানিত কৰে। এই ২৮ ফেব্ৰুৱাৰী দিনটো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে ভাৰতবৰ্ষত পালন কৰা হয়।

এবাৰ হাৰ্ডিয়ে ৰামানুজনৰ অসুস্থ অৱস্থাত দেখা কৰিবলৈ গৈ কৈছিল—The number of my taxi-cab was 1729. It seemed to me rather a dull number. তেতিয়া ৰামানুজনে কৈছিল—এইটো বৰ আমোদজনক সংখ্যা। এইটো দুটা ভিন্ন ভিন্ন প্ৰকাৰে দুটা কিউবৰ যোগফল হাৰ্ডিয়ে যেতিয়া মিলাই চাই দেখে ৰামানুজনৰ উত্তৰ সম্পূৰ্ণ শুদ্ধ।

১৯১৯ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে ৰামানুজন ভাৰতলৈ ঘূৰি আহে। সেই সময়ত তেওঁৰ স্বাস্থ্য J. B. বেমাৰৰ দ্বাৰা আক্ৰান্ত হৈ একেবাৰে ভাগি পৰিছিল। ১৯২০ চনৰ ২৬ এপ্ৰিলৰ দিনা ৩৩ বছৰ বয়সত মাদ্ৰাজৰ ওচৰৰ চেত্ৰপুৰ নামৰ গাঁওত তেওঁ ইহলীলা সম্বৰণ কৰে।

হাৰ্ডিয়ে গণিতজ্ঞ সকলৰ বিষয়ে দিয়া মন্তব্য এনে ধৰণৰ—"Galois died at twenty-one, Abel at twenty-seven, Ramanujan at thirty three, Riemann at forty. I do not know an instance of a major mathematical advance initiated by a man past fifty.

# ॥ অসমৰ সাম্প্ৰতিক শৈক্ষিক পৰিবেশ ॥

—বিমল কুমাৰ দাস
উঃ মাঃ ২য় বাৰ্ষিক

অসমৰ সাম্প্ৰতিক শৈক্ষিক পৰিবেশ বুলিলে বুজায়, বৰ্ত্তমান অসমৰ শিক্ষা ব্যৱস্থাৰ অৱনতিয়ে হওঁক বা উন্নতিয়ে হওঁক ইয়াৰ মূল্যাঙ্কন কৰি বিশ্লেষণ দাঙি ধৰা। শিক্ষাই আমাৰ মন উদাৰ কৰে আৰু নৈতিক চৰিত্ৰৰ উন্নতি সাধন কৰে।

বৰ্ত্তমান অসমৰ শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ পথত অগ্ৰসৰ হৈছে। যুৱ সমাজত ক্ৰমাগত ভাৱে বৃদ্ধি পাই অহা উশৃঙ্খলতা আৰু শিক্ষক সমাজৰ দায়িত্ববোধৰ শিথিলতাই শিক্ষা জগতখনৰ বিপথৰ মূল কাৰণ। অপ্ৰিয় হলেও এইটো সত্য যে যোৱা বেচ কিছু বছৰে অবিৰামভাৱে চলি থকা ছাত্ৰ আন্দোলনবোৰেও শিক্ষাজগতখনৰ ক্ষতি নকৰাকৈ থকা নাই। অসম আন্দোলনৰ পটভূমিৰ পৰা অসমৰ শিক্ষা ব্যৱস্থাত কেৰোণ লাগিছে। এই আন্দোলনৰ নামত এচাম সুবিধাবাদীয়ে পৰিকল্পিত ষড়যন্ত্ৰ কৰি ছাত্ৰ সমাজক বিপথে পৰিচালিত কৰিছে। আবেগৰ বশবৰ্ত্তী স্বেচ্ছাচাৰ। সকলোতে কেৱল দেখা যায় সংস্কাৰৰ নামত সংহাৰ, প্ৰতিকাৰৰ নামত ব্যভিচাৰ। মানৱ জীৱনৰ বন্ধ্ৰে বন্ধ্ৰে মাথোন স্বাৰ্থপৰতা আজি পৰিলক্ষিত হয়।

আজিৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীৰ মাজত এটা সংভাৱ গঢ়ি উঠা দেখা নাযায়। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে অকল শিক্ষকৰ প্ৰতিয়ে যে শ্ৰদ্ধাবান হৈ উঠিব পৰা নাই এনে নহয় আনকি নিজৰ মাক দেউতাকৰ প্ৰতিও। এক কথাত কবলৈ হলে শিক্ষাৰ মূল আদৰ্শৰ পৰাই যেন একেবাৰে ভ্ৰষ্ট হবলৈ অগ্ৰসৰ হৈ পৰিছে। আজি আমাৰ এই শ্ৰদ্ধাহীন চৰিত্ৰ হৈ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মূল কৰ্ত্তব্যৰ পৰা ফালৰি কাটি আহি অৰ্থ উপাৰ্জনৰ চমু পথ বাছি লৈছে আৰু তাৰ ফলতে সমাজত এক অসুস্থ পৰিবেশৰ উদ্ভৱ হৈছে। নানা ৰাজনৈতিক পাকচক্ৰত পৰি ছাত্ৰ শিক্ষকৰ সম্পৰ্ক নোহোৱা হৈ পৰিছে। আজি মানৱ সমাজখন হৈ পৰিছে বিভ্ৰান্তি পথৰ সমদলৰ মাত্ৰ চঞ্চল, নিৰাপত্তাহীন। প্ৰত্যেকেই যেন উদ্‌গিৰণ হব খোজা জ্বলামুখী আগ্নেয়গিৰিৰ স্তূপত বহি বহি ক্ষণ গণিব ধৰিছে। গণতন্ত্ৰৰ নামত কৰ্ত্তব্যহীনতা কিন্তু অধিকাৰ লিপ্সাৰ দূৰন্ত হেপাহ। সমাজতন্ত্ৰৰ শ্বাস-প্ৰশ্বাসত সমাজো নহয় তন্ত্ৰও নহয় মাথো সৰ্বহাৰাৰ এক

জন্ম-জন্মান্তৰে সংস্কাৰ ৰূপে লাভ কৰা প্ৰবৃত্তি তথা চৰিত্ৰ নহয়। আদৰ্শহীনতা তথা পাৰিবাৰিক পৰিবেশ, পৰিস্থিতি, প্ৰতিকূল পৰিবেশৰ সৃষ্টি কৰি নিঃশেষ হৈ যাবলৈ অগ্ৰসৰ হৈছে। অৱশ্যে শিক্ষকসকলৰ নৈতিক মনোবলো নোহোৱা হৈ পৰিছে। ছাত্ৰসকলে যি মন যায় কৰক, দৰমহাটো পালেই হ'ল, এনে এক অসুস্থ পৰিবেশৰ উদ্ভৱ হৈছে। অৱশ্যে প্ৰত্যেক শিক্ষকৰ ক্ষেত্ৰত ই প্ৰযোজ্য নহয়।

**অসমৰ শৈক্ষিক পৰিবেশ বিনিষ্ট হোৱাৰ** মুখ্য কাৰণ ছাত্ৰ সমাজ তথা বিভিন্ন সংগঠনে বিভিন্ন সময়ত নেতৃত্বলৈ অহা আন্দোলন সমূহ। বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ প্ৰশাসনিক বিভাগ দুৰ্নীতি মুক্ত নোহোৱাৰ বাবে শিক্ষাৰ পৰিবেশ যথেষ্ট নিম্নগামী হৈ পৰিছে। ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো এক নতুন শিক্ষানীতি কেন্দ্ৰীয় চৰকাৰে সম্প্ৰতি প্ৰচলন কৰিছে। এই নতুন শিক্ষানীতিনো কেনে ধৰণৰ তাৰ উমান পোৱা যায় "Challenge to Education A Policy perspective" নামৰ চৰকাৰী গ্ৰন্থখনৰ পৰা। এই গ্ৰন্থখনত পুৰণি শিক্ষা নীতিক এনে ভাৱে সমালোচনা কৰা হৈছে যে কিতাপখনত চকু ফুৰালে এনেহেন লাগিব যে শিক্ষাৰ ক্ষেত্ৰত দেশত অচিৰেই এক অভিনৱ বিপ্লৱ আসন্ন। কিন্তু কিতাপখনৰ বক্তব্যখিনি গমি-পিতি চালে প্ৰস্তাৱিত শিক্ষানীতিৰ কেৰোণ বিলাক সহজে চকুত পৰে।

এই নতুন শিক্ষানীতিয়ে প্ৰযুক্তিবিদ্যাৰ ওপৰত অধিক গুৰুত্ব দিছে। অৱশ্যে আজিৰ যুগত প্ৰযুক্তিবিদ্যাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিন্তু অসমত সাম্প্ৰতিক সামাজিক পৰিস্থিতিত উন্নত প্ৰযুক্তিবিদ্যাই সমাজৰ কোন শ্ৰেণীক বেছিকৈ সহায় কৰিব সি ভাৱিব লগীয়া। অসমৰ প্ৰায় ৮০ ভাগ মানুহে গাওঁ অঞ্চলত বাস কৰে, তেনে এখন ৰাজ্যত এনে বিদ্যাৰ দ্বাৰা সমাজৰ কোনটো শ্ৰেণী বেছিকৈ লাভবান হ'ব? সমাজৰ সচেতন লোকক ইয়াৰ উত্তৰ বহলাই দিয়াৰ প্ৰয়োজন নাই।

নতুন শিক্ষানীতিত চৰকাৰে মাথো নীতি-টোহে দিয়াৰ ইচ্ছা। ইয়াক বাস্তৱত ৰূপায়িত কৰিবলৈ যিমান ধন লাগিব, তাৰ এক বৃজন অংশ চৰকাৰৰ মতে বহন কৰা উচিত সমাজৰ ধনীক শ্ৰেণীটোৱে। এয়ে হ'ল সমাজবাদী চৰকাৰৰ মনোভাৱ। শিক্ষাৰ বাবে সমুদায় ধন খৰচ কৰিবলৈ চৰকাৰ যিহেতু অপাৰগ, সেয়েহে নতুন শিক্ষা নীতিত কোৱা হৈছে এক নতুন

---

**বৰ্ত্তমানৰ মুখস্থ আৰু পৰীক্ষা ভিত্তিক শিক্ষা পদ্ধতিয়ে বাস্তৱ জীৱনৰ লগত সাহসেৰে মুখা-মুখী হ'ব পৰা জোখাই আমাক যে অকণো সহায় কৰিব পৰা নাই এই কথা সৰ্ব্বজন স্বীকৃত। স্বাভাৱিক মেধাৰ ফলত সকলো ক্ষেত্ৰতে সমানে ব্যুৎপত্তি দেখুওৱা দুই এজনক বাদে তথা কথিত শিক্ষিত প্ৰায়সকলো যুৱক-যুৱতীয়ে শিক্ষা সমাপ্তিৰ পিছত এক কিং কৰ্ত্তব্য বিমূঢ় অৱস্থাত পৰা দেখা যায়।**

---

শিক্ষা প্ৰণালীৰ কথা। ই হ'ল Non formal বা প্ৰথাবৰ্হিভূত। এই শিক্ষা প্ৰাথমিক পৰ্যায়ৰ পৰা Open University বা মুক্ত বিশ্ববিদ্যালয় পৰ্যন্ত ব্যাপ্ত হব। এই শিক্ষা প্ৰচাৰ কৰা হ'ব টেলিভিশ্বন, ভি, ডি, অ' আদি আধুনীক গণ মাধ্যমৰ সহায়েৰে। আগ বয়সত শিক্ষাৰ সুবিধা নোপোৱা আৰু চাকৰি-বাকৰি নোপোৱা মানুহৰ বাবে এনে শিক্ষাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি যদিও গাওঁৰ দুখীয়া মানুহে টি ভিৰ দৰে দামী শিক্ষাৰ মাধ্যম পায়নে নেপায় তাত সন্দেহ আছে। তদুপৰি এই কথাওঁ মনত ৰাখিব লগীয়া যে কোনো মতে কাম কৰি চলাই যাব পৰা ধৰণৰ শিক্ষা বা Functional literacy কেতিয়াও প্ৰকৃত জ্ঞানৰ সহায়ক হব নোৱাৰে। বিজ্ঞান, দৰ্শন, সমাজনীতি, আদিৰ দৰে গভীৰ সমস্যাবোৰ ৰেডিঅ' বা টিভিৰ যোগেদি বুজা কেতিয়াও সম্ভৱ নহয়। তদুপৰি জ্ঞানাৰ্জনৰ বাবে ছাত্ৰ আৰু শিক্ষকৰ মাজত যি নিবিড় আত্মীয়তাৰ সম্পৰ্ক থকা উচিত তেনে সম্পৰ্ক এনে ধৰণৰ শিক্ষাই গঢ়ি তুলিব নোৱাৰে। সেয়েহে এই ব্যৱস্থাত বহুতো কেৰোণ দেখিবলৈ পোৱা যায়। ইয়াৰ ফলত শৈক্ষিক পৰিবেশ কিছু উন্নত হোৱা যেন অনুমান কৰিলেও কিন্তু এই শিক্ষা পদ্ধতিয়ে শৈক্ষিক পৰিবেশ গঢ়িতোলাত অসমৰ, দৰে দুখীয়া ৰাজ্যখনত হেঙাৰ স্বৰূপে দেখা দিছে।

চৰকাৰে যদিও সাম্প্ৰতিক শিক্ষা বাস্তৱ মুখী কৰিবলৈ প্ৰয়াস কৰিছে তথাপি আজিৰ শিক্ষাই তাৰ মূল লক্ষ্যৰ পৰা আঁতৰি আহিছে। শিক্ষাৰ পৰিসৰ বাঢ়িছে কিন্তু "যথাৰ্থ শিক্ষাৰ লক্ষ্যত উপনীত হব পৰা নাই"। বৰ্ত্তমানৰ মুখস্থ আৰু পৰীক্ষা ভিত্তিক শিক্ষা পদ্ধতিয়ে বাস্তৱ জীৱনৰ লগত সাহসেৰে মুখা-মুখী হব পৰা জোখাই আমাক যে অকণো সহায় কৰিব পৰা নাই, এই কথা সৰ্ব্বজন স্বীকৃত। স্বাভাৱিক মেধাৰ ফলত সকলো ক্ষেত্ৰতে সমানে ব্যুৎপত্তি দেখুওৱা দুই এজনক বাদে তথা কথিত শিক্ষিত প্ৰায় সকলো যুৱক-যুৱতীয়ে শিক্ষা সমাপ্তিৰ পিছত এক কিং কৰ্ত্তব্য বিমূঢ় অৱস্থাত পৰা দেখা যায়। এনে বোৰ হোৱাৰ মূল কাৰণ আমাৰ শিক্ষা পদ্ধতিৰ কেৰোণ। কাৰণ আমাৰ শিক্ষা ব্যৱস্থা কৰ্মমুখী (Work Oriented) নহয়। ফলত শিক্ষাৰ্থীয়ে লাভ কৰা শিক্ষাই সংস্থানৰ সুস্থিৰ পথ-প্ৰদৰ্শকৰ ভূমিকা লব নোৱাৰে। এনেবোৰ কাৰণতে সাম্প্ৰতিক শিক্ষা পদ্ধতিৰ আমূল পৰিবৰ্ত্তন ঘটাই দেশত এক কৰ্মমুখী শিক্ষা ব্যৱস্থা প্ৰবৰ্ত্তন কৰা নিতান্তই প্ৰয়োজনীয়। শিক্ষক সকলকো কৰ্মমুখী কৰি গঢ়ি তুলিব লাগিব। কিন্তু বৰ্ত্তমান শিক্ষক সকলো ক্ৰমান্বয়ে যান্ত্ৰিক হৈ পৰিছে। ইয়াৰ লগত সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ কথাতোও জড়িত আৰু তেতিয়াহে শিক্ষাৰ শৈক্ষিক পৰিবেশ উন্নত কৰা সম্ভৱ।

বৰ্তমান উচ্চ আৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকল ৰাজনীতিৰ বলি হোৱাত শিক্ষাৰ শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে। ৰাজনৈতিক পাশাখেলৰ প্ৰভাৱত পৰি আমাৰ দেশৰ শিক্ষাৰ পৰিবেশ কলুষিত হৈ পৰিছে আৰু তাৰ পৰিস্থিতি স্বৰূপে সামাজিক বিশৃঙ্খলা আৰু ব্যভিচাৰ বাঢ়িছে। গাওঁ অঞ্চলৰ অভিভাৱক সকল উদাসীন হোৱা

দেখা যায়, লৰা-ছোৱালীৰ পঢ়া-শুনাৰ প্ৰতি চকু-কাণ নিদিয়াৰ বাবে ছাত্ৰ ছাত্ৰীয়ে উত্তীৰ্ণ হোৱা কথা চিন্তা কৰি অসৎ উপায় অৱলম্বন কৰে। কেতিয়াবা অৱশ্যে নিৰিক্ষকৰ পৰাও সহায় পায়। পৰীক্ষা গৃহত বাহিৰৰ পৰা নকল যোগান ধৰা (Helping Hands) সংখ্যাও বাঢ়িছে। বহুতো অভিভাৱকে আকৌ নিজৰ পুতেক জীয়েকক নকল কৰিবলৈও শিকাই। যাৰ ফল স্বৰূপে শৈক্ষিক পৰিবেশ ধ্বংসৰ ফালে ক্ৰমান্বয়ে ধাবিত হৈছে।

ছাত্ৰ-ছাত্ৰীক সু-শিক্ষা দি শৈক্ষিক পৰিবেশ গঢ়ি তোলাত চৰকাৰ আৰু সমাজৰো দায়িত্ব আছে। প্ৰকৃততে চৰকাৰ আৰু সমাজ এটা টকাৰ ইপিঠি-সিপিঠিৰ দৰে। ভাল শৈক্ষিক পৰিবেশ সৃষ্টি কৰা শিক্ষানুষ্ঠানৰ ঘৰ-দুৱাৰ নিৰ্মাণ কৰা. উপযুক্ত লোকক শিক্ষক হিচাবে নিযুক্তি দিয়া পুথিভঁড়ালৰ ব্যৱস্থা কৰা উপযুক্ত পাঠ্য-পুথি মনোনিত কৰা পাঠ্যপুথিৰ যোগান খৰট-কীয়া কৰা, যোগ্যতাৰ ভিত্তিত শিক্ষাৰ অন্তত চাকৰিত মকৰল কৰা, শিক্ষকৰ প্ৰমোচন আৰু আন সা-সুবিধাৰ দিহা কৰা এই কাৰ্য্য সমূহৰ যোগেৰে শৈক্ষিক পৰিবেশ আদি নিকা কৰাৰ কথা নিশিতভাৱে ভাবিব পাৰি। কিন্তু আমি এইবোৰ কথাত গুৰুত্ব নিদি পৰীক্ষাত অপাৰ-গতাৰ বাবে দোষ দিছো ছাত্ৰ, শিক্ষক আৰু অভিভাৱকক। অৱশ্যে সমাজ আৰু চৰকাৰে আনক দোষাৰোপ কৰি নিজৰ দোষ লুকাই ৰখাৰ কৌশল অৱলম্বন কৰিছে। এই কৌশল দেশ-দ্ৰোহিতাৰ পৰিচায়ক।

কি গাওঁ কি চহৰ সমাজখন আজি কোনো ঠাইতে দোষ মুক্ত আৰু নিকা হৈ থকা নাই। চহৰীয়া সমাজখনত আজি চাৰিফালেও কেৱল কৃত্ৰিমতা। ৰং-বিৰঙত ডুবি থকা এক জতিল জীৱন প্ৰণালীৰ অনুকৰণত ব্যস্ত। কোনোফালে মূৰ তুলি চাবলৈ আহৰি নাই। যেন এক প্ৰাণহীন নিষ্প্ৰভ অথবা ৰোগাক্ৰান্ত জীৱন। আনফালে গাঁৱলীয়া সামাজিক চিত্ৰখন ৰূপান্তৰিত হৈছে অন্য এক দিশলৈ। চাৰিওফালে হতাশাই চানি ধৰা এক অতৃপ্ত সামাজিক ৰূপ। প্ৰতিজন মানুহে এক তীব্ৰ অসন্তুষ্টি আৰু বিতৃষ্ণাৰ মাজত দিন অতিবাহিত কৰিছে। ফলস্বৰূপে ব্যক্তি সচেতনতাৰ বিলুপ্তি ঘটিছে আৰু সামাজিক জীৱন ইয়াতো অসম্পূৰ্ণ হৈ ৰৈছে। সাম্প্ৰতিক সমাজৰ শিক্ষা ব্যৱস্থাই এনেদৰে শিশু অথবা ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱন অগ্ৰগতিত এক দুৰ্ভেদ্য প্ৰাচীৰ ৰূপে থিয় দি আছে যদিও আমাৰ উঠি অহা শিক্ষাৰ্থী সকলে ইয়াক এক প্ৰত্যাহ্বান ৰূপে গ্ৰহণ কৰা-টোহে সমীচীন হব। লগতে অভিভাৱক সকলেও তেওঁলোকৰ দায়িত্ব গভীৰ আত্মবিশ্বাসেৰে উপলব্ধি কৰা উচিত।

সাম্প্ৰতি ৰাজ্যখনৰ এক গৰিষ্ঠ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে টিউচন বা কচিংক্লাছৰ আশ্ৰয় লৈছে। বহুবোৰ ব্যক্তি সংগঠন আদিয়ে এনে টিউচন ব্যৱস্থাৰ বিৰূদ্ধে সৰৱ হৈ উঠাটো মন কৰিবলগীয়া। সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত এনে কেতবোৰ কেৰোণ সোমাই আছে য'ত টিউচন ব্যৱস্থাৰ প্ৰাসঙ্গিকতাক তাৎক্ষনিক ভাৱে অস্বীকাৰ কৰিব নোৱাৰি। দীঘলীয়া পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন। নানা বিধ বন্ধৰ প্ৰকোপত বিদ্যালয়, মহাবিদ্যালয়

আদিত শ্ৰেণী সমূহৰ সংখ্যা মাত্ৰাধিক ভাৱে হ্ৰাস পায়। ফলত শিক্ষক এগৰাকীয়ে এই সীমিত সময়ত নিৰ্দিষ্ট পাঠ্যক্ৰম শেষ কৰিব নোৱাৰে। তদুপৰি নিয়মিত ভাৱে পাঠদান আৰু পাঠগ্ৰহণ, সময় মতে পৰীক্ষা সম্পন্ন নোহোৱা, সোনকালে পৰীক্ষাৰ ফল ঘোষণা কৰিব নোৱাৰাৰ বাবেও শৈক্ষিক পৰিবেশ বিনিষ্ট হৈছে। আজি কালি বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। এনে ক্ষেত্ৰত শিক্ষক এজনে শ্ৰেণীত আটাইৰে প্ৰতি সমানে মনোযোগ দিব নোৱাৰে। আনহাতে আজি এচাম শিক্ষকেও শিক্ষকতাৰ দৰে পবিত্ৰ দায়িত্বক দেখ্ দেখ্কৈ অৱমাননা কৰি আহিছে। এফালে শ্ৰেণীত সুচাৰুৰূপে পাঠদানৰ ক্ষেত্ৰত এখেতসকল যেনেদৰে নিৰ্লিপ্ত, আনফালে প্ৰাইভেট টিউচনৰ প্ৰতি অবাঞ্চিত আগ্ৰহ বেচ চকুত লগা। গতিকে এইটো ঠিক যে সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰভাৱত পৰিয়েই হওঁক বা এচাম শিক্ষকৰ ব্যৱসায়িক দৃষ্টিভঙ্গীৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়েই হওঁক ছাত্ৰ-ছাত্ৰীয়ে প্ৰাইভেট টিউচনৰ লগত জড়িত হৈ পৰিব লগা হৈছে।

অসমৰ বহুতো শিক্ষানুষ্ঠানত আজি অনুশাসন বোলা বস্তুটো প্ৰায় নোহোৱাই হৈ পৰিছে। শিক্ষাৰ উন্নয়ন সাধিবলৈ কৰা প্ৰচেষ্টাৰ অন্য এক দিশ হব নিম্ন বিদ্যালয় সমূহৰপৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে ৰাজ্যখনৰ সকলোবোৰ শিক্ষানুষ্ঠানতেই কঠোৰ অনুশাসন প্ৰৱৰ্তন কৰা। আনহাতে আন্দোলনৰ গইনালৈ যাতে অধ্যয়নৰ পৰিবেশ বিঘ্নিত নহয় তাৰ প্ৰতি আন্দোলনৰ আহ্বান দিয়া সন্থা, সংগঠনবোৰেও আন্তৰিকতাৰে পৰ্য্যালোচনা কৰা উচিত। পবিত্ৰ শিক্ষানুষ্ঠান সমূহক আন্দোলনৰ ঘাটি কৰি গঢ়ি তোলাৰ পৰিবৰ্তে শৈক্ষিক পৰিবেশ অটুট ৰখাত ছাত্ৰ-ছাত্ৰী তথা যুৱকসকলে আত্ম নিয়োগ কৰা উচিত। অৱশ্যে এইটো ঠিক যে অসমত যেতিয়া গভীৰ সমস্যাৰ উদ্ভৱ হয় তেতিয়া ছাত্ৰ সমাজে চকু মুদি বহি থাকিব নোৱাৰে।

১৯৭৫ আৰু ১৯৭৭ ইং চনত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ শিক্ষকসকলৰ চাকৰি ৰাজ্যিকৰণ কৰাৰ পিছৰপৰা শৈক্ষক পৰিবেশৰ অৱনতি হবলৈ আৰম্ভ হয়। কিন্তু এই বিদ্যালয়বোৰৰ সামগ্ৰিক পৰিচালনা আৰু প্ৰশাসন চৰকাৰীকৰণ কৰা নহল। এইবোৰত দুৰ্ব্বল প্ৰশাসন আৰু অবৈজ্ঞানিক পৰিচালনা চলি থাকিল। আনহাতে আমোলাতান্ত্ৰিক আৰু ৰাজনৈতিক প্ৰভাৱ এই স্কুলবোৰৰ ওপৰত বিস্তাৰ কৰিবলৈ ধৰিলে। আমোলাতান্ত্ৰিক নিয়ন্ত্ৰণ আৰু ৰাজনৈতিক প্ৰভাৱে শিক্ষাৰ উচ্চ মান আৰু সু-পৰিবেশ কেতিয়াও অটুত ৰাখিব নোৱাৰে। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে ড'নবস্কো আৰু চেণ্টমেৰিজৰ লেখিয়া শিক্ষানুষ্ঠানবোৰ অবাঞ্চিত ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিক প্ৰভাৱৰ উৰ্দ্ধত থকা বাবে এনে বিধৰ বিদ্যালয়বোৰৰ শৈক্ষিক পৰিবেশ তুলনামূলকভাৱে যথেষ্ট উন্নত আৰু এই স্কুলবোৰৰ চূড়ান্ত পৰীক্ষাৰ উত্তীৰ্ণ শতকৰা হাৰ অন্যান্য সাধাৰণ স্কুলবোৰতকৈ যথেষ্ট বেছি। বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ লগত অসমৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক পৰিবেশ

ওতঃপ্ৰোতঃভাৱে জড়িত। বিশ্ববিদ্যালয় কেইখনৰো প্ৰশাসন অতি দুৰ্বল হোৱাটো পৰিলক্ষিত হৈছে। একাংশ ছাত্ৰ নেতা আৰু শিক্ষক নেতাই মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ প্ৰশাসনত প্ৰায়েই হস্তক্ষেপ কৰাৰ অভিযোগ শুনা যায়। এনে হস্তক্ষেপেও শৈক্ষিক পৰিবেশ অক্ষুণ্ণ ৰখাত বাধা জন্মাইছে।

বৰ্তমান সদৌ অসম ছাত্ৰ সন্থাই শৈক্ষিক পৰিবেশ উন্নত কৰাৰ বাবে ৰাজহুৱাভাৱে যি আহ্বান জনাইছে সেয়া প্ৰশংসনীয়। অসমৰ চুকে কোণে সিঁচৰিত হৈ থকা ছাত্ৰ-সন্থাৰ শাখা-প্ৰশাখা সমূহে অসমত শৈক্ষিক পৰিবেশ উন্নত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰি শিক্ষাৰ মানদণ্ড উচ্চ খাপলৈ নিয়াৰ বাবে যত্নপৰ হোৱা সময়োচিত হৈছে বুলি মই কব খোজোঁ।

অসমৰ বৰ্তমান শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ মূল কাৰণবোৰৰ ভিতৰত উগ্ৰপন্থী আৰু ড্ৰাগছৰ সমস্যাও। ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ লগতে অসমতো "আলফা" নামৰ সংগঠন এটাই "স্বাধীন অসমৰ" নামত ধ্বনি তুলিছে। ভাৰত চৰকাৰৰ বিৰুদ্ধে এই সংগঠনে হাতত অস্ত্ৰ তুলি লৈছে। অসমৰ এই সংগঠনটো বে-আইনী বুলি ঘোষণা কৰিছে। এই সংগঠনৰ যুৱকসকলে হাতত অস্ত্ৰ তুলি ললে কিয়? তাৰ মূলতে আছে দলিত-পীড়িত মানুহৰ ৰোষ শোষণ নিষ্পেষণৰ জ্বালা, কেন্দ্ৰই তেওঁলোকৰ প্ৰতি কৰি অহা অৱজ্ঞাৰ মনোভাৱ, কিছুমান ৰাজনৈতিক ধ্বন্ধৰৰ কু-চক্ৰান্ত আদি কাৰণ। চৰকাৰে বিভিন্ন অভিযানেৰে সজ্জিত সৈন্য মেলি দি এই কাৰ্য্য ৰোধ কৰিবলৈ প্ৰয়াস কৰা হৈছে। বেছি ভাগ সংগঠনক চৰকাৰে আলোচনালৈ আনিব পৰা নাই। ৰাজনৈতিক দলবিলাকেও শাসনৰ গাদী লৈ খোৱা কামোৰা কৰি থকাৰ বাহিৰে এই সমস্যা সমাধানত কোনো গুৰুত্ব দিয়া নাই। সেয়ে ছাত্ৰ সমাজৰ এচামক হাতত অস্ত্ৰ তুলি লবলৈ বাধ্য কৰাইছে। যাৰ ফলত শিক্ষা ব্যৱস্থাত সুস্থিৰ বাতাবৰণ সৃষ্টি কৰা কষ্ট সাধ্য হৈ পৰিছে।

বৰ্তমান সমাজৰ শৈক্ষিক পৰিবেশ নষ্ট হোৱা আন এটা ডাঙৰ সমস্যা হ'ল ড্ৰাগছৰ সমস্যা। অৱশ্যে এই সমস্যা পৃথিৱীৰ কোনো এখন দেশৰে একক সমস্যা নহয়। ই আন্তৰ্জাতিক সমস্যা। এই ড্ৰাগছ সমগ্ৰ বিশ্বৰ যুৱ সমাজৰ বাবে এটা অভিশাপ। ভাৰতবৰ্ষৰ আন আন চহৰবোৰৰ লগতে অসমৰ চহৰবোৰতো ই ধুমকেতুৰ দৰে আৱিৰ্ভাৱ ঘটিছে। ই ঘুণ পোকৰ দৰে আমাৰ বিকাশশীল যুৱ সমাজৰ জীৱনবোৰ খুলি খুলি খাবলৈ আৰম্ভ কৰিছে। অৱশ্যে এতিয়ালৈ গাওঁবোৰত ইয়াৰ কোনো প্ৰভাৱ পৰা পৰিলক্ষিত নহয়। এচাম যুৱক-যুৱতীয়ে ইয়াৰ কৰাল গ্ৰাসত পৰি মৃত্যুৰ ক্ষণ গণিব ধৰিছে। ভাৰত তথা অসমৰ সীমাইদি ঘটা ইয়াৰ প্ৰৱেশ চৰকাৰে বন্ধ কৰিব পৰা নাই।

ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু অভিভাৱক কিছুমানৰ নিজৰ ভুলৰ বাবে আজি গোটেই অসমখনতে তেওঁলোকৰ ভাৱ মূৰ্ত্তি ম্লান হব ধৰিছে। বৰ্তমান বহু ছাত্ৰ-ছাত্ৰী আদৰ্শহীনতাত ভুগিছে। পশ্চিমীয়া

অতি বাস্তৱবাদী দৃষ্টি ভঙ্গীৰ মোহত পৰি নিজৰ ঐতিহাসিক, সংস্কৃতি, সামাজিক, ধাৰ্মিক প্ৰমূল্য সমূহ হেৰুৱাই পেইলাই আত্মকেন্দ্ৰিক আৰু নৈতিকতাবিহীন হৈ পৰিছে । গুৰু শিষ্যৰ মহৎ সম্পৰ্কৰ কথা পাহৰি তেওঁলোকে পিতৃ তুল্য শিক্ষকক কু-ব্যৱহাৰ কৰিছে । মাতৃ-ভগ্নী তুল্য নাৰীক দুৰ্ব্যৱহাৰ কৰিছে । শিক্ষাৰ মূল লক্ষ্যৰ পৰা স্খলিত হৈ পৰিছে । এতিয়া কিছুমান স্বাৰ্থপৰ, আদৰ্শহীন, ব্যক্তিত্বহীন, মেধাহীন স্খলিত ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ সমাজৰ নেতৃত্ব বহন কৰিছে । তাৰফল স্বৰূপে ছাত্ৰ সংগঠনবোৰৰ কৰ্ম ক্ষমতা আৰু ভাৱমূৰ্ত্তি নিম্নমুখী হবলৈ বাধ্য হৈছে । এনেবোৰ কাৰণতো সাম্প্ৰতিক শৈক্ষিক পৰিবেশ বিনিষ্ট হোৱা বুলি কব পাৰি ।

অসমৰ সাম্প্ৰতিক শিক্ষা জগতখনৰ এই কদৰ্য্য ৰূপটো প্ৰায় সকলোৱে প্ৰত্যক্ষ কৰি আহিছে । ৰাজ্যখনৰ শিক্ষা জগতখনৰ এই শোচনীয় আৰু ভয়াবহ ৰূপটো এক প্ৰধান সামাজিক সংকট ৰূপে পৰিগণিত হৈছে । ইতিমধ্যে ইয়াৰ ফল স্বৰূপে উদ্ভৱ হোৱা সমাজ জীৱনৰ বিভিন্ন দিশত প্ৰতিফলিত হৈছে আৰু অদূৰ ভৱিষ্যতে যে সৰ্বগ্ৰাসী ৰূপ লব'ব তাক কোনেও নুই কৰিব নোৱাৰে। সেইবাবে পোনতেই শিক্ষাৰ পৰিবেশ এটি সৃষ্টিৰ বাবে আটায়ে আত্মনিয়োগ কৰাৰ অতীব প্ৰয়োজন হৈ পৰিছে । ৰাজ্যৰ সকলো জনসাধাৰণ মিলি এনে এটা সামাজিক বাতাবৰণ সৃষ্টি কৰা একান্ত প্ৰয়োজন যিটো ব্যৱস্থাই আমাৰ শিক্ষাৰ্থী-সকলক এজন প্ৰকৃত ছাত্ৰ বা এজনী প্ৰকৃত ছাত্ৰী হবলৈ সমল যোগাই । অধ্যয়ন মুখী মানসিকতা সৃষ্টি হওঁক, যাতে আমাৰ উঠি অহা তৰুণ-তৰুণী চামে এই কথা উপলব্ধি কৰাত অকণো বাধা নাপায় যে নিজক তথা দহক বুজি-বলৈ হ'লে পঢ়া-শুনাৰ প্ৰয়োজনেই সৰ্ব্বাধিক। শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ পৰা ৰক্ষা কৰাৰ বাবে আৰু উন্নত কৰিবলৈ সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব ছাত্ৰ-ছাত্ৰীয়ে। তেওঁলোকৰ সহায় আৰু সহযোগিতা অবিহনে শৈক্ষিক পৰিবেশ উন্নত কৰিব পৰা নহব। মোৰ দৃঢ় বিশ্বাস শিক্ষক, ছাত্ৰ আৰু অভিভাৱকক ধৰি ৰাজ্যৰ সকলো জনসাধাৰণৰ সু-সমন্বয়ত শিক্ষা জগতখনৰ এক অগ্ৰগ্ৰামী পৰিবৰ্তনৰ পথ অচিৰেই প্ৰশস্ত হব ।

---

এটি মাথো নাম নহয়—বিশাল বিশ্বৰ বুকুত ক্ৰমবিকাশ মুখী মানৱ সংস্কৃতিৰ মহামঞ্চত সংগীত মুখৰ এটি বিচিত্ৰানুষ্ঠানহে ·· ······ এটি মাথো ব্যক্তি সত্বাই নহয় সৰ্বতোমুখী প্ৰতিভাৰে সমুজ্জল এটি শিল্পী সত্বাহে। কিয়নো কলা-সংস্কৃতিৰ মহাসাধক ড° ভূপেন হাজৰিকা যিদৰে ভূৱন বিজয়ী এক সুৰৰ যাদুকৰ; সেইদৰে গীত সাহিত্যৰো এগৰাকী কৃতি সাহিত্যিক মানৱ সাগৰত মুকুতা বিচাৰি জিৰণি বিহীন উৰণীয়া

# দৰদী শিল্পী ভুপেন দা

— পূৰৱী মহন্ত

স্নাতক ১ম বাৰ্ষিক।

মৌৰ দৰে দিহিঙে-ডিপাঙে দৌৰি ফুৰা ধৰাৰ গন্ধৰ্ব স্বৰূপ লুইত পৰীয়া ড° ভূপেন হাজৰিকা ঠিকনাবিহীন এক যাযাবৰ। যাৰ পৰিচয়ৰ পৰিধি আজি জনপ্ৰিয়তাৰ সীমাহীন দিগ্বলয়ৰ বুকুত হেৰাই গৈছে আৰু নামেই পৰিচয়েই যাৰ জীৱন দৰ্শনৰ অবিকল অভিব্যক্তি। সেই গৰাকী সুন্দৰৰ পূজাৰী ড° ভূপেন হাজৰিকা কলা আৰু সংস্কৃতিৰ ইতিহাসত এটি যুগ সমন্বয়ৰ এটি মুৰ্ত প্ৰতীক। তেওঁৰ শিল্পত্বৰ বিভিন্ন দিশৰ ওপৰত সাধাৰণ ভাৱে আলোকপাত কৰাই আমাৰ এই প্ৰৱন্ধৰ উদ্দেশ্য।

১৯২৬ চন। ধাৰাষাৰ বৃষ্টিয়ে প্লাৱন সৃষ্টি কৰা বৰ্ষামুখৰ শৰৎকাল। ভাৰতৰ পূৰ্বদিশৰ সূৰ্য উঠা দেশ অসম আৰু এই অসমৰেই পূৰ্বদিশৰ সীমা-মূৰীয়া শদিয়া অঞ্চলৰ এখনি আদিম গাওঁত শান্তিপ্ৰিয়া হাজৰিকাৰ গৰ্ভৰ পৰা সংস্কৃতি জগতৰ পূৰ্বকাশ পোহৰাই উদিত হৈছিল অসম তথা সমগ্ৰ ভাৰতবৰ্ষতেই গৌৰৱ স্বৰূপ সুৰ কুমাৰ ভূপেন হাজৰিকাৰ পিতৃ নিলকান্ত হাজৰিকাৰ প্ৰথম পুত্ৰ ভূপেন হাজৰিকা। দেউতাকৰ লগে লগে থাকি আৰম্ভ কৰিছিল তেওঁৰ যাযাবৰী জীৱন সেই শিশু অৱস্থাৰ পৰাই।

হাজৰিকাৰ দেউতাক আছিল এজন গীতিকাৰ, মাক-দেউতাকৰ পৰাই তেওঁ প্ৰথম গীত গাবলৈ প্ৰেৰণা পাইছিল। ১৯৩০ চনৰ ৩০ অক্টোবৰৰ দিনা তেওঁ দেউতাকৰ লগত গৈ কটন কলেজিয়েত হাইস্কুলত প্ৰথম গীত গায়ে দৰ্শকক চমক লগাই-ছিল। তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ৫ বছৰ। তেতিয়াৰ পৰাই পাতনি মেলিলে তেওঁ সংগীত জীৱনলৈ॥

১৯৩৬ চন। তেতিয়া তেওঁৰ বয়স ১০ বছৰ মান। তেজপুৰত শংকৰদেৱৰ তিথিত তেওঁ বৰগীত গাই সকলোৰে মন মধুময় কৰি তুলিছিল। তেওঁৰ গান শুনি মুগ্ধ হৈছিল বিষ্ণু ৰাভা আৰু জ্যোতিপ্ৰসাদ। লগে লগে তেওঁলোকে ভূপেনক লৈ গৈছিল কলিকতালৈ। ইন্দ্ৰমালতী, কাৰেঙৰ লিগিৰী আদিৰ বাবে গ্ৰামোফোন ৰেকৰ্ডত গান গোৱাবলৈ বিষ্ণু, জ্যোতি প্ৰসাদৰ সৈতে ভূপেন হাজৰিকাৰ সান্নিধ্যৰ সেয়েই আছিল প্ৰথম পৰ্যায়।

মাথোন সৌভাগ্যৰে ভৰা শৈশৱ কালটোৰ কথা কলাৰত্ন ড' ভূপেন হাজৰিকাই এনেদৰে কয়ঃ "মোৰ জীৱনটো শৈশৱতে মই স্থিৰ কৰিছোঁ। মই কি কৰিম সৰুতে মই বুজি উঠিছোঁ। এই অসমৰ চাৰিওফালে সংগীতৰ সৃষ্টিয়ে ভৰি আছে। সেয়ে হয়তো ক্লাছ ছিক্সতে মোৰ জীৱনৰ গীত লেখা আৰু গোৱা আৰম্ভ হৈছে।" ১০ বছৰীয়া ভূপেন হাজৰিকাৰ জীৱনৰ প্ৰথম লেখা গীতটিয়ে হল—

"কুসুম্বৰ পুত্ৰ শংকৰ গুৰুৱে .... .... ...."
ভূপেন হাজৰিকাৰ প্ৰতিটো গীততে আমি পাওঁ আদৰ্শ আৰু আগবাঢ়ি যোৱাৰ প্ৰেৰণা। ১৯৩৯ চন, ভাৰতত চলিছে বৃটিছৰ শাসন আৰু শোষণৰ অত্যাচাৰ। স্বাধীনতা সংগ্ৰামী দেশপ্ৰেমিক সকলে ভাৰতৰ্বক ইংৰাজৰ শাসনৰ পৰা মুক্ত কৰিবৰ বাবে হাঁহি মুখেৰে বুকুৰ তেজ দিবলৈ প্ৰাণ দিবলৈ ওলাই আহিছে ঠিক সেইখিনি সময়তে যুৱক-যুৱতীক বিপ্লৱী কৰি তোলাৰ মানসেৰে "অগ্নিযুগৰ ফিৰিঙতি" নতুন ভাৰত গঢ়াৰ প্ৰতিশ্ৰুতিৰে ভূপেন হাজৰিকাই গাইছিল—

"অগ্নি যুগৰ ফিৰিঙতি মই—
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম"।

ভূপেন হাজৰিকা অকল অসমৰেই সন্তান নহয় তেওঁ সকলো জাতি মিলিত হৈ থকা ভাৰতবৰ্ষৰ সন্তান। সেয়ে জাতি-অজাতিৰ ক্ষেত্ৰত তেওঁৰ অকণো বিচাৰ নাছিল। তেওঁ আছিল মাথো মানৱ প্ৰেমীক। সমাজৰ যথা বিহীন নীতিৰ বিৰুদ্ধে থিয় দি বিদ্ৰোহ ঘোষণা কৰাৰ মূলতে এক নতুন লক্ষ্য সন্মুখত ৰাখিছিল সেয়া হল নিয়ম ভঙাৰ নিয়মটি যে নিয়ম কান্তি কাতৰ সমাজৰ নীতি নিয়ম ভঙাটোৱে নতুন নিয়ম। আগতেই কোৱা হৈছে যে হাজৰিকা আছিল মানৱ প্ৰেমী। মানুহৰ দুখ-কষ্ট বা শোক লগা পৰিস্থিতিৰ কৰুণ চিত্ৰ দাঙি ধৰাত হাজৰিকা এজন অদ্বিতীয় শিল্পী। মানৱীয় কোমলতা তেওঁৰ শ্ৰেষ্ঠ সৌন্দৰ্য্য তেওঁ মানৱ প্ৰেমৰ এক যুগচেতনা। শ্ৰোতা সকলক জগাই তুলিবলৈ বিশেষ চেষ্টা কৰা দেখা যায়। সেয়ে তেওঁ লিখিছে আৰু গাইছে "মানুহে মানুহৰ বাবে যদিহে অকণো নেভাৱে অকনি সহানুভূতিৰে ভাৱিব কোনেনো কোৱা সমনীয়া"। ১৯৪৯ চন হাজৰিকাৰ জীৱনলৈ আহিছিল আন এজন বিখ্যাত শিল্পী "পলৰবছন"। আমেৰিকালৈ যাবৰ বাবে জ্যোতি প্ৰসাদ আগৰৱালাৰ আশীৰ্বাদ বিচাৰি গৈছিল ভূপেন হাজৰিকাই। তেতিয়া ৰুগীয়া জ্যোতি প্ৰসাদে মৃত্যুৰ আগ জাননীত আছিল। তেতিয়া তেওঁ হাজৰিকাক কৈছিল— ভূপেন তুমি যেতিয়া নিউইৰ্কলৈ যাবলৈ ওলাইছা তুমি সম্ভৱ যেই মাহান নিগ্ৰো গায়ক পলৰবছনক লগ ধৰিবলৈ চেষ্টা কৰিবা। জ্যোতিৰ কথামতেই হাজৰিকাই পলৰবছনক লগ পাইছিল। এটা সংগীত অনুষ্ঠানত ভূপেন হাজৰিকাক বিশেষ ভাৱে প্ৰভাবিত কৰিছিল। অন্যান্য গীতসমূহৰ শেষত পলৰবছনে গোৱা আন এটি গীত—

**Some time I feel**
**Life a mother less**
**Chield.**

A long ways from home

তেতিয়াৰ পৰাই হাজৰিকাই অনুকৰণ কৰিছিল পলৰবছনৰ গীত গোৱা অঙ্গী-ভঙ্গী। ১৯৪০ চনৰ ১ আগষ্ট তাৰিখে নিউইয়ৰ্ক চহৰত আয়োজিত এক বিশেষ বৈবাহিক অনুষ্ঠানত শ্ৰীমতী প্ৰিয়ম্বদা পেটেলক পত্নীৰূপে জীৱনৰ চিৰ লগৰীয়া কৰি ললে, হাজৰিকাদেৱে। নিউইয়ৰ্কতে তেওঁলোকে লাভ কৰিছিল এটি পুত্ৰ সন্তান। নাম ৰাখিছিল তেজ। স্বদেশ এৰি বিদেশলৈ যোৱাৰ মূল লক্ষ্য আৰু উদ্দেশ্য সাধনৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ্থী হাজ-ৰিকাদেৱে একে ৰাহে চাৰিটা বছৰ গবেষণা মূলক গভীৰ অধ্যায়নৰ পিছতে পাণ্ডিত্যৰ পৰি-চায়ক সেই "ডক্টৰেট" উপাধি লাভ কৰি ড' হাজৰিকা হৈ ১৯৫২ চনত স্বদেশলৈ ঘূৰি আহে সপৰিয়ালৰ সৈতে। ড° হাজৰিকাই দেশ বিদেশৰ সঁচা শিল্পী আৰু গুণী ব্যক্তি সকলোৰে সান্নিধ্য লাভ কৰি নিজেও ক্ৰমান্বয়ে ৰাইজৰ শিল্পী হিচাপে ৰাইজৰ বুকুত স্থান বিচাৰিবলৈ প্ৰেৰণা লাভ কৰিলে। সেয়ে সামন্তবাদী প্ৰথাৰ বিৰুদ্ধে গণ চেতনা জাগ্ৰত কৰাৰ মানসেৰে ১৯৫৬ চনত গীতেৰে দেখুৱাই দিয়ে—

দোলা হে দোলা হে দোলা হে দোলা
একা বেকা বাটেৰে
কঢ়িয়াও কঢ়িয়াও
বৰ বৰ মানুহৰ দোলা
দোলা

ড° হাজৰিকা আছিল আশাবাদী শিল্পী। ভবি-ষ্যতৰ ৰঙীন সপোন লৈ তেখেতে সদায় আগুৱাই আছে। যেতিয়া জালুকবাৰীত গুৱাহাটী বিশ্ব-বিদ্যালয় মুকলি কৰিবলৈ তেওঁক আমন্ত্ৰণ কৰা হৈছিল তেতিয়াই বিশ্ববিদ্যালয়ৰ ভবিষ্যতৰ এক নতুন উজ্জ্বল আশাবাদী মনোভাৱ লৈ তেখেতে গীতৰ ভাষাৰে লিখিছে—

"জিলিকাব লুইতৰে পাৰ
আন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ"

জীৱনত যদিও বহুতো ঘাট প্ৰতিঘাট বাধা-বিঘিনি পাইছিল তথাপি আশাবাদী হাজৰিকাই কেতিয়াও বিচলিত হোৱা নাছিল। কেতিয়াও অনুভৱ কৰা নাছিল ক্লান্ত। বাধা বিঘিনি নেওচি সদায় আগুৱাই গৈছে নিজৰ কৰ্ত্তব্য পথত সেয়ে তেওঁ গীতেৰে প্ৰকাশ কৰিছে—

সাগৰ সঙ্গমত
কতনা সাতুৰিলো
তথাপিতো হোৱা নাই
ক্লান্ত ...

যিটো দিশত ইচ্ছা তালৈকে আমি টানি নিব পাৰো হাজৰিকাদেৱক। বহুতো কথাছবিও তেওঁ পৰিচালনা কৰিছিল আৰু অভিনয় কৰিছিল। জ্যোতি প্ৰসাদৰ "জয়মতী"ত তেওঁ প্ৰথম অভিনয় কৰে তাৰ পাছত "এৰা বাটৰ সুৰ," "প্ৰতিধ্বনি" আদি কথাছবি পৰিচালনা আৰু গীত পৰিবেশন কৰে। এইদৰে আগুৱাই গৈছিল কথাছবি জগতলৈ। হাজৰিকাই অতীতৰ কথা ভাবি দুখ কান্দোন বোৰ লৈ কেতিয়াও হতাশ হোৱা নাছিল।

সংঘাতে আনে মোৰ
প্ৰশান্ত সাগৰত

প্ৰতিৰ নতুন দিগন্ত, বোলা কথা আষাৰৰ বাস্তৱ প্ৰতিফলন সুস্পষ্ট হৈ দেখা দিছে তেওঁৰ জীৱনত। ইমানতে মন কৰিবলগীয়া যে জীৱনৰ যিখিনি সময়ত যি হৈ যায় তাকেই কেৱল ভাৱি-চিন্তি নিজৰ মনটোক দুৰ্বল কৰি সময় নষ্ট কৰাৰ সলনি নিত্য নতুন কৰ্ম কৰ্তব্যৰ মাজেদি অনাগত নবীন ভৱিষ্যতৰ ফালে ধাবিত হোৱাটোৱেই হ'ল হাজৰিকাদেৱৰ স্বভাৱ সুলভ বৈশিষ্ট আৰু সেই বাবেই হয়তো হাজৰিকাদেৱে লিখিছে—

যা; যাগৈ। জীৱনৰ
যোৱা দিনবোৰ। যা
আমনি নকৰিবি।
যা; যাগৈ। পুৰণি গোৱা
গীতবোৰ। যা; অগনি নজ্বলাবি
পাহাৰী এই সুৰ পুৰণি
সাৱটো নতুনৰে আঁচনি।

সেয়ে আমি কব পাৰো হাজৰিকা নতুনৰ পূজাৰী নিৰাশাবাদী নহয়। আশাবাদী এক অক্লান্ত অগ্ৰগামী, সেয়ে অতীতৰ কথা মনত নেপেলাই আগবাঢ়ি গৈছিল ভৱিষ্যত জীৱনলৈ। নিজৰ স্ত্ৰী হেৰুৱাইও দুখ অনুভৱ কৰা নাছিল। কিয়নো দাম্পত্য জীৱনৰ ঠেক পৰিধিৰ মাজত নিজকে আৱদ্ধ কৰি ৰখাৰ অভিপ্ৰায় তেখেতৰ নাই। এই কথা তেখেতৰ গীতৰ পৰাই প্ৰমাণ পোৱা যায়। তেওঁ গাইছে—

তোমাৰ অবিহনে
চিপ্‌জৰী লম
বুলি যদি তুমি ভাবিছা
ভুল কৰিছা সোণ জনী মোৰ
অলীক সপোন দেখিছা

আমি তেওঁৰ গীতৰ পৰাই কব পাৰো যে তেওঁ প্ৰেয়সীক বাদ দি নিজৰ জীৱনতকৈও ভাল পাইছিল গীত। সুৰেই তেওঁৰ প্ৰাণ। কোনো দিনে তেওঁ বিচৰা নাই অপৰূপ লাৱণ্যময়ী নাৰী, লালায়িত নহয় ধন-সম্পত্তি, মণি-মুকুতাৰ বাবে। মাথো বিচাৰে তেওঁৰ সংগ্ৰামী জীৱনত এক মৰমী মাত। ধন জন, সৌন্দৰ্য্যই জীৱন গঢ়াত সহায় নকৰে। হব নোৱাৰে সংগ্ৰামী জীৱনৰ সঙ্গী য'ত নাই আলসুৱা মৌ সনা মাত সেয়ে তেওঁ সংগীতৰ ভাষাৰে সুৰেৰে কয়—

আকাশী গঙ্গা বিচৰা নাই
নাই বিচৰা স্বৰ্ণ অলংকাৰ
নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত
বিচাৰো মৰমৰ মাত এষাৰ।

প্ৰকৃততে হাজৰিকাই গীত লিখে প্ৰাণৰ উচটনিতহে, সেয়ে তেখেতৰ গীতবোৰ আবেগ অনুভূতিৰ ব্যপক প্ৰকাশেই তাৰ স্বাক্ষৰ বহন কৰে। তেওঁ তেওঁৰ গানৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰি এটি গীতত কৈছে যে তেখেতৰ গানসমূহ যেন আস্থাহীনতাৰ বিপৰীতে আস্থা, ধ্বংসৰ বিপৰীতে সৃষ্টি আৰু অশান্তিৰ বিপৰীতে শান্তি প্ৰতিষ্ঠানৰ গান হয় তাকেই তেখেতে কামনা কৰিছে। তেওঁ সংগীতৰ মাজেৰে গাইছে "মোৰ গান হওঁক কল্পনা বিলাসৰ বিপৰীতে এক সত্য প্ৰশান্তিৰ গান।" উল্লেখযোগ্য যে ভূপেন হাজৰিকাৰ প্ৰায়বোৰ গীতেই বিশেষ ধৰণৰ একো একোটি বাণী বহন কৰা দেখা যায় আৰু এনে বাণী থকা গীতৰ বাবেও তেখেতৰ গীতৰ

জনপ্ৰিয়তা মন কৰিবলগীয়া । এই পদ্ধতিৰে তেওঁ সমাজ পৰিবৰ্তনৰ বিষয়েই হওক বা অন্য যিকোনো ধৰণৰ সংস্কাৰ ধৰ্মী নতুনত্বৰ আহ্বানত শ্ৰোতা সমাজক কিবা এটা কব বিচাৰে তেখেতৰ গীতৰ মাজেৰে । তাৰোপৰি এটা কথা স্বীকাৰ কৰিব লাগিব যে মানুহৰ জন-জীৱনৰ সুখ দুখ, আবেগ অনুভূতিৰ সংবাদ সমূহত সুৰৰ সহায় লৈ গীতৰ ভাষাৰে প্ৰকাশ কৰি থকাৰ বাবেই ড° ভূপেন হাজৰিকা সামাজিক ভাৱে দায়বদ্ধ এগৰাকী প্ৰখ্যাত গায়ক, গীতিকাৰ । সেয়েই হয়তো Scrald Macann নামৰ এগৰাকী পণ্ডিতে ড° ভূপেন হাজৰিকাৰ বিষয়ে মন্তব্য কৰি কৈছে— **Dr. Hajarika has demonstrated his concern for mankind through his melodiono singing through out the world.** সমাজ সচেতন ড° ভূপেন অন্তৰত তেওঁ আছে, তেওঁ পাহৰিব নোৱাৰে কপহী অসমীক । আজি তেওঁক নজনা লোকতো নায়েই হয়তো তেওঁক নেদেখা ব্যক্তিও বিৰল হ'ব । আজিও মোৰ অন্তৰ হাঁহাকাৰ কৰি উঠে, পাহৰিব নোৱাৰো সেই স্মৃতি যেতিয়া লগ পাইছিলো আমাৰ অতিকৈ আপোন ভূপেন দাক পলাশবাৰীৰ "ভূপেন্দ্ৰ সংগীতত" তেওঁ মঞ্চত গীত গোৱা ভাৱ-ভংগী মৰম সনা মাত আজিও মোৰ মানস পটত জিলিকি আছে । প্ৰথমবাৰৰ বাবে দেখা পোৱা ভূপেন দাক একেবাৰে আপোন যেন লাগিছিল । সৰু ডাঙৰ সকলোকে আকোৱালি লৈছিল তেওঁ মৰম সনা মাতেৰে । তেতিয়াই বুজি পাইছিলো তেওঁৰ গীতৰ মৰ্ম । গীতেৰে দেখুৱাই দিয়া উপদেশৰ লগতে তাত পাইছিলো তেওঁৰ আৰ্হি । গীত গায় গায় মুগ্ধ কৰি পেলাইছিল শ্ৰোতা জনতাক । তাতেই

**"হাজৰিকা নতুনৰ পূজাৰী নিৰাশাবাদী নহয় । আশাবাদী এক অক্লান্ত অগ্ৰগামী সেয়ে অতীতৰ কথা মনত নেপেলাই আগবাঢ়ি গৈছিল ভৱিষ্যত জীৱনলৈ । নিজৰ স্ত্ৰী হেৰুৱাইও দুখ অনুভৱ কৰা নাছিল । কিয়নো দাম্পত্য জীৱনৰ ঠেক পাঁৰধিৰ মাজত নিজকে আবদ্ধ কৰি ৰখাৰ অভিপ্ৰায় তেখেতৰ নাই ।"**

হাজৰিকাৰ স্বতঃস্ফূৰ্ত সংগ্ৰামী চেতনা আৰু ঐকান্তিক সাধনাই তেখেতৰ শিল্পী জীৱনক অধিক মহীয়ান কৰি তুলিছে আৰু ড° হাজৰিকাইও সময়ৰ পক্ষীৰাজত উঠি হাঁহি মুখে আগুৱাই গৈ আছে অফুৰন্ত পোহৰৰ নতুন দিগন্তলৈ । অসমী আইৰ সুযোগ্য সন্তান ভূপেন হাজৰিকা আজি যদিও আগত নাই কিন্তু আমাৰ প্ৰত্যেকৰে তেওঁ কোৱা এষাৰি কথা মোৰ মনত আজিও বাজি আছে । তেওঁ জনতাক কৈছিল "ৰাইজ, মই আপোনালোকৰ মাজৰ পৰা কেতিয়াও নেযাওঁ মই জীয়াই থাকিম কেৱল ৰাইজৰ বাবে । আপোনালোকেই মোক ৰাখিব লাগিব, পাৰিব আপোনালোকৰ মাজত ৰাখিব ?" আমি জানো পাৰিম তেওঁক জীয়াই ৰাখিব ? এনে লাগে

নিষ্ঠুৰ বিধাতাক যেন এতিয়াই মাৰি পেলাম ! আমি নোৱাৰো তেওঁক জীয়াই ৰাখিব। কিন্তু তেওঁৰ আদৰ্শ, স্মৃতি, আৰ্হি আদিতো ৰাখিব পাৰিম। সন্দেহ হয় অসম মাতৃয়ে তেওঁৰ দৰে সন্তান পুনৰ জন্ম দিব পাৰেনে নোৱাৰে ? আজি দেশত যি পৰিস্থিতি চলিছে এদিন হয়তো সেয়া ভয়াবহৰ ৰূপ লব। আজি জননীৰ ওপৰত অত্যাচাৰ চলিছে। নাই ভাত্, ভাৱ নাই একতা। সেয়ে সকলোৱে আহক আই জননীক ৰক্ষা কৰিবলৈ আমি ভূপেন দাৰ লগতে সুৰ মিলাই একতাৰ মাজেৰে গাই যাওঁ—

আমি একেখন
নাওঁৰে যাত্ৰী।
.... .... .... .... .... ....
যিমানে বিলাবা
সিমানে মহান হবা
তাৰে নাম সঁচা উদাৰতা।

---

# ॥ বৰ্ত্তমান অসমীয়া সমাজ আৰু শ্ৰীশংকৰদেৱ ॥

– মুনিন্দ্ৰ দাস
স্নাতক ১ম বাৰ্ষিক (কলা)

এসময়ত অসমৰ আকাশ যেতিয়া মেঘাছন্ন হৈছিল, অসমীয়া জাতিটো অন্ধকাৰত পতিত হৈ জাহ যাবলৈ উপক্ৰম কৰিছিল ঠিক সেই সময়ত অসমৰ পূৱ আকাশত উজ্বল তৰা হৈ জন্মগ্ৰহণ কৰিছিল শ্ৰীমন্ত শংকৰদেৱ। পোহৰ পালে অসমীয়া জাতিটোৱে। মৰমৰ এনাজৰীৰে বান্ধ খালে অসমৰ পৰ্বত-ভৈয়াম। তেওঁ ভাগৱতৰ সাৰমৰ্ম সহজ সৰল ভাষাত সৰ্বসাধাৰণৰ বোধগম্য কৰি পুথি, নাটক, বৰগীত, কাব্য, কীৰ্তন ঘোষা আদি ৰচনা কৰি অসমবাসীৰ মাজত প্ৰচাৰ কৰিলে। তেওঁ তেতিয়াৰ অসমীয়া জাতিটোক প্ৰাণ সঞ্জীৱিত কৰি জাতি হিচাপে জীয়াই থাকিবলৈ ধৰ্মৰ উপৰিও ভাষা-সাহিত্য, সংস্কৃতিৰ পুনৰ প্ৰাণ সঞ্চাৰ কৰি থৈ গ'ল। এইজনা মহাপুৰুষে অসমৰ কিৰাট কছাৰী, খাচী, গাৰো, মিৰি লগত লৈ এক মহান অসমীয়া জাতি গঢ় দি গ'ল।

সৌ তাহানিতে দি থৈ যোৱা মহাপুৰুষ শংকৰদেৱৰ সৎ আদৰ্শৰে সমাজ সংগঠনৰ ভূমিকাৰ বিষয়ে বৰ্তমান আমাৰ শিক্ষিত সমাজে আওকাণ কৰা দেখা গৈছে। আজি প্ৰতিজন শিক্ষিত অসমীয়াই শংকৰদেৱৰ অমূল্য গ্ৰন্থৰাজি অধ্যয়ন আৰু চৰ্চাৰ যোগেদি মূল্যাংকন কৰি চোৱাটো কৰ্তব্য হৈ পৰিছে। অন্যথা আমাৰ চকুৰ আগতে

খণ্ড-বিখণ্ড হৈ অসমীয়া জাতিটোৰ ভৱিষ্যত নোহোৱা হৈ যোৱাৰ সম্ভাৱনাই বেছি। বৰ্তমান আমাৰ চুকে-কোণে নানা বিশৃংখলতাই গা কৰি উঠিছে। ভাই ভাইৰ মাজত বাদানুবাদৰ সৃষ্টি, বিভিন্ন সম্প্ৰদায়ৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছে। গাঁও আৰু নগৰৰ সমাজতো খণ্ড বিখণ্ড হৈ একতাৰ বান্ধ ছিগি যাব ধৰিছে। গাঁওৰ নামঘৰবোৰৰ অৱস্থা অতি দুখ লগা, সন্ধ্যা সময়ত নামঘৰত এগচি বন্তি জ্বলাবলৈ আমি পাহৰি পেলাইছো। নামঘৰবোৰ কেৱল গাঁওৰ মানুহৰ বাদ-প্ৰতিবাদৰ, হাই-উৰুমি আদিৰ কেন্দ্ৰস্বৰূপ হৈ পৰিল। শংকৰদেৱৰ "এক শৰণ নাম বৈষ্ণৱ ধৰ্ম" কলা-

আজি অসমীয়া এচাম মানুহে নাম-কীৰ্ত্তন কৰিবলৈ পাহৰি গৈছে। কোনো সভাত, কাজ কৰ্মত নাম কীৰ্তন নকৰি তাৰ পৰিবৰ্ত্তে পাশ্চাত্য ভাৱধাৰাৰ ৰংচঙীয়া কথাছবি প্ৰদৰ্শন কৰি নিজকে ধন্য মানে। আমি শংকৰদেৱক শিক্ষা-সংস্কৃতি, ভাষা-সাহিত্য, শিল্পকলা সকলোৰে জনক বুলি কৈছো যদিও কোনোজনেই এই অৱদান সমূহৰ প্ৰকৃত উদ্দেশ্যৰ কথা উপলব্ধি কৰিব পৰা নাই।

শ্ৰীমন্ত শংকৰদেৱে প্ৰতিখন সমাজ, প্ৰতিজন ব্যক্তিৰ মন কৃষ্ণৰ চৰণত থাপিবলৈ নানা উপায় অৱলম্বন কৰিছিল। মানুহে মানুহৰ প্ৰতি সৎ আচৰণ কৰি শিশুৰ দৰে সৰল প্ৰাণ লৈ, এই

**বৰ্তমান আমাৰ চুকে কোনে নানা বিশৃংখলতাই গা কৰি উঠিছে। ভাই-ভাইৰ মাজত বাদানুবাদৰ সৃষ্টি. বিভিন্ন সম্প্ৰদায়ৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছে। গাওঁ আৰু নগৰৰ সমাজতো খণ্ড-বিখণ্ড হৈ একতাৰ বান্ধ ছিগি যাব ধৰিছে।**

সংস্কৃতি, সাহিত্যৰ আকৌ উজ্বল আলোকেৰে ৰহণ লগাই তুলিলেহে অসমীয়া জাতিৰ ভ্ৰাতৃত্ব আৰু সমতাৰ ভাৱ জাগি উঠিব। মহাপুৰুষজনা আমাৰ সংস্কৃতিৰ গুৰু। পাঁচশ বছৰ আগতে তেওঁ আমাক যি সংস্কৃতিৰ আদৰ্শ দিলে বৰ্ত্তমান সেই আদৰ্শকেই নতুন দিনৰ নতুন পোহৰত সূক্ষ্ম ভাৱে বিশ্লেষণ কৰি চাই, সেই মতেই আগবাঢ়িব লাগিব। অংকীয়া নাট মহাপুৰুষজনাৰ নিজ কৌশলপূৰ্ণ নাট। তেওঁ নিজে নাটক ৰচনা কৰি দৰ্শকৰ মাজত অভিনয় কৰি দেখুৱাইছিল। বৰ্ত্তমান জগতত নাট্যভিনয় বহুল প্ৰচাৰ হোৱাৰ ফলতো অংকীয়া ভাওনাৰ স্থান কথাছবিত নাই।

পৃথিৱীতেই স্বৰ্গৰাজ্য স্থাপন কৰি মানুহে মানুহক ঈশ্বৰ স্বৰূপে উপাসনা কৰাই ধৰ্ম বুলি প্ৰচাৰ কৰি প্ৰেমৰ মন্দাকিনী বোৱাই দিলে। মহাপুৰুষ জনাই দেখুৱাই যোৱা পথেৰে গণতান্ত্ৰিক সমাজবাদী চিন্তাধাৰাৰে কাম কৰি গৈ সমাজ সংস্কাৰ কৰিলেহে আমি সুফল পামহঁক। অতি দুখৰ বিষয় আজি ধৰ্মৰ নামত অন্ধবিশ্বাসৰ মায়াজালত আমাৰ জনসমাজ বান্ধ খাই গৈছে। এনে হোৱাৰ বাবে কোনো এটা বিশেষ সম্প্ৰদায়ক বা শ্ৰেণীক দোষ দি থকাৰ দিন এতিয়া আৰু নাই। এনে এটা সময় আছিল যি সময়ত সৰ্বসাধাৰণৰ বুদ্ধি-বিবেকৰ নিষ্ক্ৰিয়তা তথা নিৰক্ষৰতাৰ সুযোগ

কোনো এটা বিশেষ শ্ৰেণীয়ে ধৰ্মৰ নামত লৈ শোষণকাৰীৰ ভূমিকা লবলৈ সুবিধা পাইছিল। বৰ্ত্তমান আমাৰ সমাজত ধৰ্মৰ পৰম্পৰা ৰক্ষাৰ নামত অন্ধবিশ্বাস বিদ্যমান। বুদ্ধিজীৱী সকলে ধৰ্মচৰ্চা অথবা আধ্যাত্মিক তত্বৰ আলোচনা বিলোচনা কৰাটো আৱশ্যক বুলি অনুভৱ হয়। আমাৰ মাজত নৈতিকতাবোধ নোহোৱা হৈ আহিছে। প্ৰতিজন অসমীয়াই এই কথা উপলব্ধি কৰা উচিত যে 'কৰ্মই ধৰ্ম' আৰু ইয়াৰ সত্যতা নিৰূপণ কৰিবলৈ হলে আমি ব্যৱহাৰিক জীৱনত কৰ্মৰ লগত ধৰ্মৰ সংযোগ ঘটাবই লাগিব। শংকৰদেৱে এনে এটা ধৰ্মকেই দিছিল যি ধৰ্ম মানৱসেৱামুখী, যি ধৰ্মই মানৱৰ নৈতিকতাৰ ওপৰত গুৰুত্ব দিছিল। পাপ, পুন্য, ধৰ্ম, অধৰ্ম সকলোবিলাক মনৰ ধৰ্ম।

নিৰক্ষৰ সমাজত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ হ'লে আৰু সমাজত বিষ্ণু বুদ্ধিৰ ভাৱ অংকুৰিত কৰিবলৈ চিত্তাকৰ্ষক গণ সাহিত্যৰ আৱশ্যক হ'ল। শংকৰদেৱে সাজি থৈ যোৱা সত্ৰবোৰ 'এক শৰণ নাম ধৰ্ম' কলা-সংস্কৃতি, সাহিত্য কেৱল সত্ৰবোৰৰ মাজতহে আবদ্ধ হৈ থাকিল। সেই সত্ৰৰ অধিকাৰী বিলাকে মহাপুৰুষজনাৰ ধৰ্ম প্ৰচাৰ নকৰি সত্ৰৰ মাজতে আবদ্ধ কৰি ৰাখিলে। কালৰ কুটিল গতিত শংকৰী সাহিত্য যেনে ৰূপত বিকাশ লাভ কৰিব লাগিছিল সি হৈ নুঠিল। ইয়াৰ উপৰিও মহাপুৰুষীয়া লেখনী সমূহত ভাঁজ সোমাই পৰিল। মানৱ সমাজত বিকৃত ব্যাখ্যা চলিব ধৰিলে। বৰ্তমান অসমীয়া জন-জীৱনত নানা ব্যাভিচাৰ অন্যায় অধৰ্ম বিৰাজ মান। এইবোৰ আঁতৰাব নোৱাৰিলে সমাজ সংস্কাৰৰ বা ধৰ্ম প্ৰচাৰৰ চেষ্টা বৃথা হব।

আমাৰ ৰাষ্ট্ৰৰ ধৰ্ম নিৰপেক্ষ নীতিৰ বাবে আমি বিভিন্ন ধৰ্ম্ম চৰ্চা কৰা অথবা গ্ৰহণ কৰাৰ অধিকাৰ পাইছো। আমাৰ জাতীয় জীৱনৰ এনেকুৱা সন্ধিক্ষণত এনে ধৰ্ম্ম আৱশ্যক, যি উচ্চ, নীচ, জাতি, উপজাতি, পৰ্ব্বত ভৈয়াম, ধনী-দুখীয়াসকলোকে এক কৰি একতাৰে বান্ধি ৰাখিব পাৰে। তেতিয়া কোনো ধৰণৰ প্ৰতিক্ৰিয়াশীল শক্তিয়ে অসমীয়া জাতিক বিপন্ন কৰিব নোৱাৰে। সেয়ে আমি প্ৰতিজন অসমীয়া ব্যক্তিয়ে তেখেতৰ ধৰ্ম প্ৰকৃতাৰ্থত অধ্যয়ন কৰি কাৰ্য্যত দেখুৱাই আৰু আনকো সেই আৰ্হিৰ দ্বাৰা আকৰ্ষণ কৰি লুপ্ত হব ধৰা জাতীয় ঐক্য তথা জাতীয় চেতনা জাগৃত কৰাত অৰিহণা যোগাওঁ আহক।

* 

# কবিতা



# আইৰ গৰ্ভতে হেনো নিৰাপদ

—বিমল কুমাৰ দাস
উঃ মাঃ ২য় বাৰ্ষিক।

কুহকিনী ৰাতিৰ নৈশ অভিযাৰে বাৰে বাৰে কৰাঘাট কৰে
কলাদিন যাৰ সহোদৰ, মানৱতা পৰিচয় বিহীন
শোষকৰ কুৰূচ মুখত ফুটা শব্দবোৰে,
গলিছে ধমনীত গোটমৰা তেজৰ তুষাৰ
মানুহবোৰ ৰৈ আছে এটা উপকণ্ঠত
শব্দবোৰ গোটাইলৈ বান্দৰৰ দৰে চোবায়
বিবেক আৰু হৃদয়ৰে কবৰ সাজিবলৈ
এতিয়া মানুহবোৰে বিচিত্ৰ পথেৰে বাটকুৰি বাই আছে
বিষাদ যন্ত্ৰনাত মানুহবোৰ একো একোটা শিল হ'ল
তুলাবোৰো এতিয়া বতাহত উৰি নুফুৰা হ'ল
ফাগুনত তলসৰা মদাৰ ফুলৰ দৰে ৰঙা হ'ল

সমস্ত হৃদয়—
ভিক্ষাৰীৰ কান্ধৰ পৰা খহি পৰা উদং মোনাৰ দুখত
তেজৰ নদীত গা ধুই গৰখীয়া জাকৰ স'তে
শ্মশানত বাহৰ পাতিছে
চিতাৰ জুইত পুৰি খাব মানুহৰ মঙহ।
এতিয়া মানুহবোৰে অনুভৱ কৰিছে—
আইৰ গৰ্ভতে হেনো নিৰাপদে আছিল ?
যুদ্ধ বিধ্বস্ত চৌদিশ, পাশবিক নিৰ্যাতনৰ
শেষত গুলিবিদ্ধ হৈ পৰি থাকে
দিন প্ৰতিদিন গাঢ়তৰ হয় নৈৰাশ্যৰ অন্ধকাৰ। ●

# ॥ এটি কৰুণ সুৰ ॥

জ্যোৎস্না ঠাকুৰীয়া
স্নাতক ১ম বাৰ্ষিক

মাজ নিশাৰ নীৰবতাত
তুমি জানো শুনিছা—
জয়াল ৰাতিৰ উচুপি উঠা ক্রন্দনৰ ধ্বনি !
মৃত্যু বিহীন নিষ্প্ৰদীপ জীৱন
অলক্ষিতে মোৰ
শান্তি পূর্ণ আশাৰ বাণী
জীৱন বন্যাৰ বাধাৰ প্রাচীৰ
তুমি জানো অতিক্রম কৰিব পাৰিবা
আৰু নিষ্ঠুৰ সময় ৰাশি
শীতৰ ঠেৰেঙা লগা পাতবোৰেও
মোক জোকাই
তুমি হয়তো নুশুনা
মাথো শুনিবলৈ পোৱা
চ'তৰ শেষত বহাগৰ আকুল আহ্বান।
যেতিয়া সৃষ্টি হয় কুৰুক্ষেত্ৰ ৰণ
বুকুৰ মাজত
পূর্ণিমাৰ জোনটিয়ে বাৰু সকিয়াই দিয়েনে
শাশ্বত সত্যক বিসর্জন নিদিবলৈ
সপোনত দেখিলো -
তুমি গৈ আছা
ত্রিবেণী সংগমৰ বলুকা ৰাশিলৈ
সৃষ্টিৰ মন্দিৰ গঢ়িবলৈ
আৰু ... ... ...
ৰৰ লুইতে মোক চিঞৰি চিঞৰি কয়।
কহুৱাৰ মাজে মাজে প্রতিধ্বনিত হয়
অচিন যাত্ৰাৰ পথভ্রষ্ট হেনো মই
ফুলৰ কলিবোৰ মৰহি যায়
দেশৰ বিভীষিকাত
দূর্নীতিৰ সন্মুখত মানবতাবাদ
আৰু
পিছে পিছে
পথভ্রষ্ট যাত্রী মই ॥

## উপহাৰ

ভিম্বেশ্বৰ দাস
স্নাতক ১ম বাৰ্ষিক।

মাজ ৰাতিৰ নিস্তব্ধতা
শিয়ালৰ হুৱা-হুৱা মাত
চৰাই চিৰিকতি শয্যাগত
খিড়িকীখন মেলি দিলো
মাত কঁপোৱা ঠাণ্ডা বতাহ
জোনবাইৰ পোহৰ
গছত পৰিছেহি আৰু
তাৰ ছাঁ-বোৰ
দীঘল দি শান্তিৰে শুইছে
ভাবিলো—
মৰমীলৈ এটি কবিতাই লিখো
বগা কাগজত
স্নিগ্ধ জোনাকৰাতিৰ মিঠা পোহৰ
সন্মুখৰ গাঁওলীয়া বাটতো শুই আছে
খিড়িকীখন আধা জাপ খালে
কবিতা লিখাও নহ'ল
এতিয়া কিনো দিম
মোৰ ৰঙা চিয়াহীৰ
সোণালী কলমটো উপহাৰ হিচাপে
কাইলৈ ৰাতিপুৱাই তোমাক (মৰমীক)
দিবলৈ যাম
তুমি পদূলি মুখত বৈ থাকিবা।

## বিজয়ৰ যাত্ৰা

যাদৱ চন্দ্ৰ বড়ো
স্নাতক ১ম বাৰ্ষিক।

কুৰি শতিকাৰ আমি
প্ৰত্যেকে একুৰা জ্বলন্ত জুই
জীৱনৰ অভাৱ মানেই মৃত্যু
মৃত্যুৰ অভাৱ মানেই জীৱন।
ইতিহাসে কয়—অভাৱ কিহৰ ?
উৎপীড়িতা সিহঁতৰ ভাষা ··· — ···
তীক্ষ্ণ কাঁইটৰ বিন্দু ভাঙি
ৰহস্যৰ এই বেদনাক আত্মসাৎ কৰো আহা
শোষণৰ মন্ত্ৰ সিহঁতৰ যন্ত্ৰ
অহিংসাৰে কৰিম লুপ্ত
আমি কুৰিশতিকাৰ সভ্য মানুহ
অপৌৰুষেয়ে আনিম মৰ্য্যদা গাম্ভীৰৰ।
পানীৰ অভাৱ শুকান বালি
মৰু প্ৰান্তৰৰ বালি মানেই সমুদ্ৰ
অভাৱৰ অভাৱ মানেই
নিৰ্জন দুৰ্দমনীয় আনন্দৰ কাব্যিকতা
আমিয়েই সভ্য মহাত্মা-জয়প্ৰকাশ
আগবাঢ়ো অহিংসাৰে
আমি প্ৰত্যেকেই জটিলতা ভাঙি
গোপনীয়তাৰ দুৱাৰ দলিচাক
সিঁচো আহা ৰ'দেৰে
এয়া আমাৰ বিজয়ৰ জয় যাত্ৰা।

# হুমুনিয়াহ

—প্ৰকাশ চন্দ্ৰ দাস
স্নাতক ৩য় বাৰ্ষিক।

অস্তগামী সুৰুযলৈ চাই আছিলো—
ধুমূহা এজাক আহিছিল
তাৰ ৰঙা আভা ক্ষীণ হৈ গৈছিল
আৰ্তনাদ শুনিছিলো
সম্ভৱতঃ মৃত্যুমুখী জনতাৰ
কেচা মাংসৰ গোন্ধ
ভাবিছিলো নৰমাংসই নেকি
কুৰি শতিকা
শেষ দশক
অন্ন-বস্ত্ৰহীন মহিলা
বোকোচাত সন্তান
ফুটপাথবোৰ সিহঁতৰ ঘৰ
মন্ত্ৰী-বিধায়কৰ দুমুখীয়া নীতি
মোৰ তেজ চেঁচা হৈ গ'ল
কোষ পেশিবোৰ শিথিল হ'ল
কোনো নাই
মাথো শুনো আৰ্তনাদ।

০০ ০

# প্ৰতীক্ষা

—পুলিন কলিতা
স্নাতক ১ম বাৰ্ষিক।

শতিকাৰ ওঠৰ চেপাত পেপুৰা লগা
"আমি"বোৰ প্ৰকৃততে এটা যুগ
আন্ধাৰতে ডুবি আছোঁ।
যদিও জীৱন জ্বলি শেষ হোৱা
এক ধূপ কাঠিৰ দৰেই
তথাপিও যুগে যুগে আমি
সংগ্ৰাম ক ৰ আছোঁ
আন্ধাৰৰ সতে
এমুঠি পোহৰৰ বাবে॥
সেয়েহে ... ...
শত শত বাধাৰ প্ৰাচীৰ (দেৱাল) খণ্ডন
যুগে যুগে আগুৱাইছো
অজ্ঞান আন্ধাৰ নে
এমুঠি পোহৰ
আমি জানো অপৰাজেয় ?
আমাৰ লক্ষ্য এই
দূৰত দেখিছোঁ ৰঙালী সুৰুয
সেই সুৰুযক আমি
ধৰণীৰ বলেৰে আকোঁৱালি লৈ
নৱগীত ৰচি, তাৰ ছন্দে-ছন্দে আমি
আগবাঢ়ি যাম একবিংশ শতিকাৰ
প্ৰতীক্ষাৰ বাবে। ০ ০ ০

# দুঃ-সময়

পংকজ কুমাৰ ঠাকুৰীয়া
স্নাতক ২য় বাৰ্ষিক ।

ওপৰত শগুণ উৰিছে
কাউৰীৰ কোহ্‌লি
চিলাৰ চি-চিয়ঁনি আৰু একেলগে কুকুৰৰ ভূক-ভূকনিত
আজি একো নতুনত্ব নাই
চাঞ্চল্যৰ ছাঁ নাই উঠন যৌৱনৰ গাভৰুৰ চিৎকাৰত
ৰাহুৰ পেটৰ পৰা যে
সূৰ্য্যটো ওলোৱাই নাই পঞ্চত্রিশ বছৰে
ক্লেদাৰ্ত, ক্ষুধাৰ্ত, হতাশাৰে জৰ্জৰিত মানসিকতাৰ
এমুঠি বসুন্ধৰা-নন্দনৰ চকুত জুই
সমাজ ভাঙি চিঙি মানৱীয়তাৰ প্ৰতিষ্ঠাতে সংকল্পবদ্ধ
পিয়াপি দি ফুৰা ৰাজ বৰলৰ শুঙত
স্বাধীনতা সপোন জাগে সিহঁতৰ মনত
পঞ্চত্রিশ বছৰৰ দেনা পাওনাৰ হিচাব হয়
গ্ৰাসিত সূৰ্য্যৰ উদিত পোহৰত
অসহ্য সময় এয়া মহাভাৰতৰ
অতি দুঃ সময় ॥

(ঃ) (ঃ) ✿ (ঃ) (ঃ)

# আচৰিত

শংকৰ কলিতা
উঃ মাঃ ১ম বাৰ্ষিক।

আচৰিত হোৱা নাই মই
সেই মানৱ মনৰ কংকালবোৰ দেখি
ই যে এক জগতৰ ৰীতি
আচৰিত হোৱা নাই মই
ক্লাৱত বহি ভদ্ৰতাৰ মুখা পিন্ধি
সুৰাপান কৰা প্ৰাণীবোৰ দেখি
মদ আৰু যৌৱনৰ ৰাগীত মাতাল হৈ থকা
সেই ভদ্ৰ ···· ···· ···
আচৰিত হোৱা নাই মই
লাইট পোষ্টৰ তলত বাস কৰা
সেই পৰিয়ালবোৰ দেখি
সিহঁত যে গণতন্ত্ৰৰ নাগৰিক
আচৰিত হোৱা নাই মই
সেই দীঘল চুলি ৰখা
পুৰুষ মাইকীবোৰ দেখি
ই যে সভ্যতাৰ অগ্ৰগতি ॥

# দুটি কৱিতা

অতুল কলিতা
স্নাতক ২য় বাৰ্ষিক।

( ১ )

মহা সাগৰৰ উত্তাল
তৰংগত এতিয়া মোৰ
নাওখন................
টুনিটিয়ে কয় ঃ
নাওখন ডুবিব
এতিয়াই
বঠাপাত ক'ত................ ?
....................হেৰাল

( ২ )

পঁজাঘৰৰ ফাঁকেৰে জুমি চাওঁ
কাঁইটেৰেভৰা গোলাপ জোপাৰ
ওচৰ পাওঁ
মৰম বিচাৰি যাওঁ...... ...
কালি দিয়ে হিয়া ...
গোলাপৰ চকুবোৰ
বঙচঙীয়া অট্টালিকাৰ
পিনে কিয়................ ?
তোমাৰ আশাতে আছো
মৰম অকণি দিয়া................ ।

# পৰিয়াল

প্ৰণৱ কুমাৰ বড়া
উঃ মাঃ ২য় বাৰ্ষিক।

এখন আকাশ
এটা সূৰ্য্য
এটা জোন আৰু
এজাক তৰা
তাৰ মাজতে বগা ধুৱলী-কুঁৱলী
সেই হাটীপটি জাক
কি নিৰ্মল নিস্তব্ধ
ময়ো বিচাৰো তাৰকা ৰাজ্যৰ দৰে
এটি ডাঙৰ পৰিয়াল
য'ত
কাউৰী আৰু বগলীৰ
প্ৰভেদ নাথাকিব ॥

# অব্যক্ত বেদনা

ৰূপলেখা ঠাকুৰীয়া
স্নাতক ৩য় বাৰ্ষিক

বেদনাৰ পাথৰ ( মোৰ )
ৰাখিছো সংগোপনে
কলিজাৰ দাঁতিতে সজাই ।
ৰাখিছো যতনেৰে
সজাই পৰাই
নকৰো অস্ত্ৰোপ্ৰচাৰ
নাই প্ৰয়োজন ।
কোনো বিষ নহয় অনুভৱ ।
বছৰৰ পিচত, বছৰ বাগৰে
( মোৰ ) বেদনাৰ পাথৰবো
ওজন বাঢ়ে ।
মনৰ হেপাহ দেহৰ বলেৰে
কঢ়িয়াম বুলি
সাহস গোটাই ।
হাঁহিছিলো যত পাৰো
প্ৰাণ ওপচায় ।
( কিন্তু )
এতিয়া অনুভৱ হয়
হাঁহিলেই বুকুখন বিষায় ।

—

# অপেক্ষা

গিৰীন্দ্ৰ ঠাকুৰীয়া
স্নাতক ১ম বাৰ্ষিক ।

ভয় ভয়কৈ পোৱা তোমাৰ
আধাকোৱা কথাবোৰ
কিজানি এথুপি তবাব প্ৰেম ।
জোনাক ৰাতিৰ গৰম নিশাত
তোমাৰ চুলিটাৰীৰ মিঠা গোন্ধ
শেৱালী জোপাত বৈ আছে
কিজানি মোৰেই অপেক্ষাত
তুমি কেতিয়া আহিবা নাজানো
তোমাৰ হিয়াৰ মৰমবোৰ
লুকাই নথবা
মই চুৰ কৰিবলৈ যাম ।

—

# কপৌ ফুলা ৰাতি

শশীন্দ্ৰ কুমাৰ দাস
স্নাতক ২য় বাৰ্ষিক ।

ক্ৰমে অনুক্ৰমে
ন্দিত হৈ থাকে
কু বহাগ
বুকুৰ তেজেৰে আদৰি আনো
ৰ মাজলৈ
ইৰ কলিজা কঁপা মাতত
লোৰে নদী
য়েহে নেকি তাঁতৰ শালত উঠি নাহিল
পানত দেখা ফুলৰ পাহি
াবাৰ বৰষুণ জাকৰ লগত বাৰু
বোৰ আহিল ক'ৰপৰা ?
ইৰ চকু পানী গোট মাৰিল নেকি ?
ুলিৰ চাৰি পাবত হিচাব কৰি কৰি
ই কয় ঃ
ৰ এই সঁচা অনুভূতি
কৈ কব পাৰিম
পৌ ফুলা ৰাতি ।

—০০—

# কবিতা

ভুষণ কলিতা
প্ৰবক্তা, ছয়গাঁও মহাবিদ্যালয় ।

লিক লিকাই আহে
সাগৰ তলিৰ
সোণালী মাছ—ৰূপালী মাছ

খেজুৰ ৰসেৰে পিয়লা ভৰাই
সাঁচি থোৱা শীতৰ উত্তাপ
স্বপ্নৰ সতে স্বপ্ন ৰচি
বৰফ হৈ গলি যায় !

বিশ্বাসত অবিশ্বাসত
সলনি হয় দেৱালৰ ৰং
যুদ্ধৰ সপক্ষে, যুদ্ধৰ বিপক্ষে
নিৰ্বাক গোপন আঘাতত
আহত হয় সুহুৰীয়া আবেলি ।
শয্যাৰ শীহত কঁপি থাকে আমাৰ আত্মা
"তাজমহলে" শুহি নিয়ে জীৱন-যোৱা ঐশ্চাৰ্য !

কাতৰ হাতত কঁপি থাকে চেতনাৰ চাবুক
কাৰ হাতৰ পৰা কাঢ়ি আনো
কাঙ্খিত আমাৰ আকুল আকাশ !
কাৰ হাতৰ পৰা !!

—০০—

# নিশা

সত্যব্ৰতী দাস
স্নাতক ৩য় বাৰ্ষিক।

নিশা তুমি নাহিবা
গৃহশত্ৰু বিভীষণক মাতি
স্বাৰ্থপূৰণ হেতু অকাল-বোধন পাতি
নিষ্কলুষ দিবাৰ পৱিত্ৰ হৃদয়ত
বিস্তীৰ্ণ গগন ব্যাপি তিমিৰাছন্নৰ যজ্ঞ পাতি
ৰাৱণৰ চিতা জুই তুমি নজ্বলাবা।
নিশা তুমি অগ্ৰসৰ নহবা
কোমল ব'দালিতে সঁজা
এনাজৰীৰে বন্ধা অশ্ৰুসিক্ত পঁজা
অংকিত য'ত কত ৰঙীন কল্পনা
কিম্ভুত-কিমাকাৰ ৰাক্ষসিনী ৰূপ ধৰি
যাদু মিশ্ৰিত মায়াবলে নিনিবা হৃদয় কাঢ়ি
মনেগঢ়া পুখুৰীত মৰমসনা গৰল ঢালি
সোণৰ কল্পনা কাৰেং নিদিবা ছুফাল কৰি
নিশা তুমি উভতি যোৱা
মানৱীতো নহয় তুমি দেৱী হোৱা
নিজ মহিমাৰে জেউতি চৰায়
দেৱাশীষ দিয়াগৈ সবগৰ পৰাই
তথাপি স্নিগ্ধ পোহৰৰ নিৰ্জ্জনতা ভেদি
নকৰিবা নিস্ফল আশাৰ স্বপ্নৰাজি
অন্ধাৰৰ জোৱাৰ তুলি মানস পটত
ৰাৱণৰ শক্তিশেল নামাৰিবা মোক
নিশা তুমি নাহিবা ছুনাই
দিনৰ পোহৰ মোৰ অতি প্ৰিয়
পোহৰক সাক্ষী কৰি সাজিলো জীৱন ওৰণি
নিশাৰ ভূত-প্ৰেত য'ত নিশাচৰ প্ৰাণী
সকলো আপোন মোৰ প্ৰতিটো চিনাকী
কিন্তু অজান শংকাত, ভয় লাগে মোৰ
প্ৰতিজ্ঞাবদ্ধ নহওঁ, অকৃতজ্ঞ, প্ৰবঞ্চক
মই যে আজীৱন বন্দী আবেগৰ
নিশা তুমি নাহিবা ছুনাই— ০০০

# বেদনা

—নগেন্দ্ৰ দাস
স্নাতক ১ম বাৰ্ষিক

অভিমানত
তাৰ মাজে মাজে
শা বনৰ
প্ৰাণত
ন্যতা আৰু দ্বিধাগ্ৰস্থতাত
প্ৰেমৰ ৰঙীন স্বপ্নবোৰ
কিতে অজানিতে
বুকুত জাহ গ'ল ।
াত নে বেদনাত
জীৱন্ত শৰীৰত
ক্ষণে বিহবল কৰে
হোৱা স্মৃতিৰ চিহ্নবোৰে
ত ... ... ... ...
কলিজাৰ মাজত
ল মাথোন
অথচ নিস্তেজ
হুই

জ তেজ ।

* ০ *

# অবিনাসী মনৰ উদাসীন অনুৰাগ

হেমন্ত কুমাৰ শালৈ
স্নাতক ১ম বাৰ্ষিক ।

মোৰ এই অবিনাসী মনৰ
সিমাহীন বনৰ মাজেৰে,
উদাসীন অথচ দ্ৰুতগামী
এজাক তীক্ষ্ণ সমীৰণ
অজানিতে পাৰ হৈ গ'ল
কিন্তু কাৰ বাবে.................. ?
মোৰ এই প্ৰেমাসক্ত মনাকাশত
সেইজাক বতাহৰ আলিংগনে
ইচ্ছাধীন ভাৱে ক্লান্ত কৰিলে,
অবুজন হৃদয়ৰ উদাসীন বেদনা
আচম্বিতে হৈছে উদণ্ড
এয়া মোৰ প্ৰতিকুল ( বিৰোধী ) মনৰ
দৃঢ়তা আদৰ্শ নে ব্যগ্ৰতা
হয়তো ময়েই নাজানো ।
তথাপিয়ো আজি মই
কিয় অকলশৰীয়া...................... ?

** **

# প্ৰত্যাশা

মীৰা দাস
উঃ মাঃ ২য় বাৰ্ষিক ।

হালধীয়া হব ধৰা পাতটিৰ দৰেই
মই শুই আছিলো
হঠাৎ—
নিজম দুপৰ নিশা সাৰ পাই
দুৱাৰখন মেলি দেখিলো
বাহিৰত বৈ আছে পূৰ্ণিমাৰ জোন ( ভাইটি )
আহিছে বহু দূৰ দিগন্ত প্ৰসাৰী অনন্ত যাত্ৰা কৰি
আজি হেনো ক্ষণিক জিবণি লব ।
কিন্তু কি স্তু ....
ঘৰ সোমোৱাৰ লগে লগেই
আহিল কৰবাৰ পৰা
আকাশ পাতাল কঁপোৱা প্ৰচণ্ড ধুমুহা
ধুমুহাত লোৰ শিকলি ছিঙি দুৱাৰ মেল খালে
আৰম্ভ হ'ল দুয়োৰে
কল্পনাৰো অতীত এক মৃদু অথচ গভীৰ ৰণ
কিন্তু ! পাৰিব জানো ধুমুহাই নাশিব ?
পূৰ্ণিমাৰ জোনক
সি যে সৰ্বত্ৰতেই বিৰাজমান.... ..... ....
বহু সময় এনেকৈয়ে পাৰ হৈ গ'ল
যেতিয়া ধুমুহা শাম কাটিলে
বাহিৰখন ছাওঁ বুলি খিৰিকীখন মেলি দিলো
সি মোক বিদায় সম্ভাষণ জনাই
পুনৰ উভতিল তাৰ
লক্ষ্য স্থানলৈ ...—
আৰু তাক পামনে দেখা !

••(০)••

# সেই নদী আজিও বয়—

নৱজিৎ দাস
স্নাতক ২য় বাৰ্ষিক ।

সেই নদী আজিও বয়
নিৰৱধি

দুৰ্ভেদ্য সময়ৰ স'তে প্ৰতিদ্বন্দ্বিতা কৰি
তাইৰ বুকুৰে কঢ়িয়াই যুগৰ সফুঁৰা

দুপৰ ৰাতি কাণ পাতিলেই শুনিবা
তাইৰ শুভ্ৰ স্বৰ
স্বৰ নহয় অৰ্দ্ধমৃত শ্ৰমিকৰ
অবৰুদ্ধ নিশ্বাস ।

নদীত পানী, পানী নুশুকুৱাই
পানীবোৰ তেজ !

সেই নদী আজিও বয়
নিৰৱধি

ৰুগীয়া প্ৰকৃতিৰ উচুপনিত
তাইৰ শীৰ্ষষ্ঠ চেতনা লুপ্ত নহয়
সেই নদী আজিও বয়...... .. ...

০✦০

# ৰহস্যৰ সাঁথৰ

—ৰবী বৰা
স্নাতক ১ম বার্ষিক ।

সিহঁতৰ যুক্তিৰ আঁৰত লুকাই আছে
যেন—"ৰহস্যৰ সাঁথৰ" ; আৰু প্ৰত্যুত্তৰ
মাথো মোৰ দুচকুৰ নিৰৱ ভাষা ।
নিজান নদীৰ প্ৰান্তত ক'ত বেদনাই
সুহুৰীয়াই যায়, সিপাৰত কহুৱাডৰাই
হাঁহি হাঁহি লাজতে লুকাই । নিশাৰ প্ৰহৰী
মাথো অশৰীৰি স্বপ্নবোৰ················

এটোপাল তেজত সিহঁতৰ অলপ
অভিমানৰ গভীৰতা—অবুজ হৃদয়ৰ
বাবে, নুব্জ পথৰ অন্ধতাত
অলপ উজ্বলতাৰ ফিৰিঙটি,
যাৰ অজ্ঞতাৰ বাবে । দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
যেন যৌৱনৰ ঘূৰ্ণী বতাহ, কিন্তু সিহঁতৰ
দুবাহুৰ অলসতাত জীৱনৰ মুহূৰ্ত্তবোৰ················
আকৌ যেন—ৰহস্যৰ সাঁথৰ ।

—

# টুৰেণ্টি

জ্যোতিষ চন্দ্ৰ দাস
স্নাতক ১ম বাৰ্ষিক ।

অনেকে কোৱাৰ দৰে মইও তেনেকৈয়ে যে কম সেয়া মোৰ পক্ষে অতি অসম্ভৱ। কাৰণ "গন্ধৰামৰ" ক্ষেত্ৰত ভগৱান বোলাজনে মুঠেই কৃপনালি কৰা নাছিল। তেওঁ বৰ ওখ নহলেও বৰ চাপৰো নহয়। বহল বুকু. শৰীৰ গঠন ভাল আৰু আজি ছকুৰি আঠটা বসন্তৰ আচোৰেও মনত খুদ-কণ মানো পৰিবৰ্তন আনিব পৰা নাই। দেখাত আজিও যেন ডেৰকুৰি দেওনা পাৰ হওঁ হওঁ অৱস্থা। ওচৰ-চুবুৰীয়াৰ বিয়া-সভাই টান কামবোৰ তেৱেঁই কৰে। এইবাৰ ৰঙালী বিহুত গাওঁৰে যুৱকহঁতৰ এজন এজনকৈ বিশজনে মালখুঁজ কৰি কোনেও তেওঁক হৰুৱাব নোৱাৰি স্বীকৃতিৰ চিন হিচাপে এখন ফুলাম গামোছা, ৫১ টকা আৰু মিষ্টাৰ "টুৱেন্টি" উপাধিৰে সন্মানিত কৰে। তেতিয়াৰ পৰা আজিলৈ গন্ধৰাম আৰু গন্ধৰাম হৈ থকা নাই। তেওঁ মিণ্টাৰ টুৱেন্টি বা টুৱেণ্টি হৈ গৈছে।

লোকৰ ঘৰৰ ভোজ ভাতলৈ টুৱেণ্টিৰ কোনো লোভ নাই। শাকে-পাতে, পিটিকাই লোণে নিজৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী চাৰিটাৰ সৈতে আধাপেটিকৈ হলেও এসাজ একেলগে বহি খাই পৰম তৃপ্তি পায়। ঠেলাখনেই তেওঁৰ জীৱিকাৰ প্ৰধান অৱলম্বন। দোকমোকালিতে উঠি খৰি-খেৰ আদি যোগাৰ কৰি নিজেই আটা মাৰি ৰুটি বনাই সেকি পুৰি খোৱাত হেলা নাই। ল'ৰা ছুটি আৰু ছোৱালী ছুজনীক ওচৰতে বহুৱাই লৈ ৰাতিপুৱাৰ চাহ জলপানখিনি খাই পৰম আনন্দ লাভ কৰে। সকলোটিকে মাতবোল দি-মেলি ঠেলাখন লৈ ওচৰৰ টাউনখনত মালপত্ৰ কঢ়িয়াবলৈ নানা চিন্তা ভাৱনাৰে আগবাঢ়ে।

সিদিনা অন্য দিনবোৰৰ দৰে স্বাভাৱিকভাৱে তেওঁ কামলৈ ওলাব পৰা নাছিল। ঘৈণীয়েকৰ পেটৰ বিষটো বেছি হৈ পৰিছিল। ডাক্তৰ বুলিবলৈ একমাত্ৰ গাওঁৰে চৰকাৰী ডাক্তৰখানাখনৰ ডাক্তৰজনকহে ছবাৰমান দেখুৱাইছিল। তেওঁ প্ৰতিবাৰে ছুটামান ডাঙৰ ডাঙৰ বগা, হালধীয়া

টেবলেট আৰু এটা বগা ঔষধৰ জুলীয়া বটল দিছিল। টুৰেণ্টিয়ে দ্বিতীয়বাৰ যাওঁতে ডাক্তৰক কৈছিল "চাৰ এই ঔষধ গিলানে একো কাম নিদিলা. সেইবাবে কিবা বেজি-চেজিহে দিব লাগে।" ডাক্তৰ মইনে তই ? মই ইয়াত লেখি দিছো বুজিছ, ওচৰৰ ফাৰ্মাচীৰপৰা কিনি লবি।"

নানা চিন্তা ভাৱনাৰে প্ৰবল হেচাৰ চিকাৰ হৈও টুৰেণ্টি বানত পোত যোৱা বাওঁধানৰ দৰে জীৱিত। কৰবকাই পানীৰ ওপৰলৈ উঠি অহা ব্যৰ্থ চেষ্টা। মাজে সময়ে অতিশয় দুৰ্দিন চাপিলে সেউজ সপোন হৈয়ে আছে। দেউতাক আদৰ্শ কৃষক আছিল। কপিত মাটি বিশ বিঘা। আহুৰ বতৰত আহু, শালিৰ বতৰত শালি। ইয়াৰোপৰি ৰবি শস্যৰ বতৰত মাহ, তিল, মচুৰ খেচাৰি. তিচি, সৰিয়হ ইত্যাদি। কোনো দিনে তৰকাৰীৰ বজাৰলৈ যাব লগা নহয়। বাৰীত লাউ, কোমোৰা, জিকা-ভোল, জলকীয়া, আদা. নহৰু আদিৰ খেতি। ইয়াৰোপৰি কল কুঁহিয়াৰ ইত্যাদি। পালাধৰি কুঁহিয়াৰ পেৰি মিঠে পগোৱা কথাটো মনত পৰিলেই পকাৰহিয়া আৰু গৰম

**"আজি এজনৰ বিপদ, কালি আৰু সিজনৰ বিপদ ! বাৰু বিপদত মই কাক কিমান চাম। মোৰোতো এখন সংসাৰ আছে। মোৰোতো ল'ৰা-ছোৱালী আছে। মোৰ চাকৰিটোত দেখোন এপইচাও বাহীৰা-চাহিবা নাই বুলি জানা। তাতে আজি মাহৰ বিশ তাৰিখ। দৰমহাৰ টকাখিনি কোনোবা দিনাই শেষ। এতিয়া বাকী বুকাতহে চলি আছো। নহব নহব টকা-পইচাৰ কথালৈ মোৰ ইয়ালৈ কোনেও কোনো দিনে নাহিবি। যা—যা—, নহব নহব। "চাৰ······মই আপোনাৰ ঠেঙত ধৰছু, মোক যেনকে হক এইবাৰ সহায় কৰক। কাবাৰ পেৰে ধাৰে হলিও টাকা কেইটা দৈ দিয়ক ····, মই পিছত আপোনাৰ ধাৰ মাৰিম।"**

সেই আগৰ লুইতপৰীয়া জীৱনৰ কথা স্মৰণ কৰে। সেইবোৰ স্মৃতিয়ে তেওঁৰ অন্তৰাত্মাত নজনাকৈয়ে শীতল পৰশ দি যায়। হঠাৎ অসীম আনন্দৰ প্লাৱন আনে। কেতিয়াবা আনন্দৰ স্মৃতিয়ে তেওঁক আত্মহাৰা কৰি বলিয়াৰ দৰে ঘেক-ঘেকাই হুহুৱাইহে এৰে।

সঁচাকৈ সেইবোৰ আজিও টুৰেণ্টিৰ মানস পটত জুলীয়া মিঠৈলৈ তেওঁৰ নতুন হুতাহ জাগে।

দুবামাৰী। বৰ্তমান অৰণ্যে ব্ৰহ্মপুত্ৰৰ মাজত। গাঁওখনৰ মানুহবোৰ বেচ মিলা-প্ৰীতিৰে আছিল। পৰস্পৰৰ প্ৰতি সহানুভূতিশীল আছিল। হিংসা, খিয়লা-খিয়লি বৰ কম আছিল। সমাজৰ কাম-বোৰ বেচ একতাৰে কৰিছিল। মাঘ বিহুত বৰপুখুৰীত বাইজে হৈ চৈ কৰি জাল পল',

আদিৰে বৰ বৰ বৰালি ৰৌ, ভকুৱা আদি ধৰিছিল। বছৰেকীয়া সবাহত ভাওনা; গাঁওৱে ডেকা-ডেকেৰীহঁতে কৰিছিল। টুৱেণ্টি নিজে কেবাবাৰো ডকাইতৰ ভাও দি দৰ্শকক খং উঠাইছিল।

কিন্তু আজি সেই গাঁও সেই আনন্দ সেই মাছ-কাছ গাখীৰ মিঠৈ আদি নাই। গাঁওখনেই নাই। আজি কোনেও কব নোৱাৰে যে তাত সুন্দৰ ওখ ওখ, শাৰী শাৰী গছেৰে নদন-বদন এখন গাঁও আছিল। মাত্ৰ এসপ্তাহতে ব্ৰহ্মপুত্ৰৰ নিষ্ঠুৰ তাণ্ডৱলীলাত সম্পূৰ্ণকৈ গোটেইখন গ্ৰাস হৈ গৈছে। লুইতে যৌৱন লৈ বছৰেকত একোবাৰ শত শত জনৰ ৰক্ত পান কৰে। আৱাল-বৃদ্ধ বণিতাৰ শোক ক্ৰন্দন। এমুঠি অন্নৰ বাবে শত শত জনৰ দাৰুণ চিৎকাৰ। বুকু ভুকুৱাই কিমান জনে যে হায় হায় কৰি হেৰোৱা ঘৰ-বাৰী, সেউজ পথাৰ আদিৰ বাবে বিনাই। টুৱেণ্টিৰ দেউতাক কিছু আগতে ঢুকাইছিল। কিন্তু মাক লুইতৰ নিষ্ঠুৰ দংশনৰ এটি বৰ্ষা মুখৰ নিশা কৰুণভাৱে প্ৰাণ এৰিছিল। কিবা অচিন জ্বৰ। ইফালে প্ৰকৃতিৰো বদ খিয়াল। একেবাহে আঠ দিন নেৰানেপেৰা বৰষুণ। মাকৰ প্ৰতি অগাধ শ্ৰদ্ধা আৰু চেনেহ উপচি আছিল যদিও টুৱেণ্টিয়ে একো কৰিব নোৱাৰিলে।

বৰ্তমান চৰকাৰে দিয়া নৰপুৰৰ এবিঘা মাটিতেই কোনোমতে ঘৰ কেইটা ১৫ বছৰৰ পৰা আছে। তাৰ ওচৰৰ স্থায়ী মানুহবোৰে তেওঁ-লোকৰ নতুন মানুহবোৰক আজি পোন্ধৰ বছৰেই শত্ৰুৰ দৰে গণ্য কৰি আহিছে। তেওঁলোকক চোৰ-ঠগ প্ৰবঞ্চক বুলি মিছা ধাৰণা কৰি আহিছে। বিপদত দুটকা কাৰো পৰা ধাৰলৈ নাপায়। ওচৰৰ গেলামাল দোকানখনত শিকিটো কম হওঁতে এবাৰ টুৱেণ্টিৰ বটলৰ পৰা কেৰা-চিন বাকি ৰাখিছিল।

সিদিনা টুৱেণ্টিয়ে কোনেও গম নোপোৱাকৈ চকুলোঁ টুকিছিল। ইয়াৰ আগতে কোনো দিন কন্দা নাছিল। শীতৰ প্ৰকোপৰ পৰা কোনো দিনে ল'ৰা-ছোৱালী কেইটাক নিৰাপত্তা দিব পৰা নাছিল। দুখৰ মাজতে খাই নেখাই, মৰো জীওকৈ হলেও, ল'ৰা-ছোৱালী কেইটা মানুহ কৰাৰ আশাৰে স্কুললৈ পঠাইছিল। ডাঙৰ, ল'ৰা-টোক শেষত উপায় বিহীন হৈ এখন চাহ দোকানত মাহিলি খাই বৈ বিশ টকা হাৰত থৈ দিছিল। ল'ৰাটো তেতিয়া সপ্তম মান শ্ৰেণীত পঢ়ি আছিল। এইবোৰৰ প্ৰত্যেকটো তেওঁৰ বাবে একো একুৰা জুই। ঘৈনীয়েকজনীৰ পেটৰ বিষটো অতি বেচি হৈছিল। সিদিনা দিনৰ ভাগত দুবাৰ অচেতনো হৈছিল। টুৱেণ্টিয়ে বুজি-ছিল যে তেওঁ ঘৈনীয়েকক বচাব নোৱাৰিব। কাৰণ গুৱাহাটীলৈ নিয়াৰ বাবে আৱশ্যক হোৱা টকা পইচাও তেওঁৰ নাই। ইফালে তেওঁক সহায় কৰিবলৈও কোনো নাই। উপায় বিহীন হৈ গাওঁৰে নিজ ঘৰৰ পৰা কিছু দূৰৰ ৰজনী মাষ্টৰৰ ঘৰলৈ বিশেষ আশাৰে ঠিক সন্ধিয়া পৰত গৈ ওলাল। "চাৰ আছে না? বুলু চাৰ ঘৰত আছে না?" কোন—?" মাষ্টৰৰ ঘৈনীয়েকে ভালেমান পৰ পিচত ওলাই মাত দিলে। "মই দিয়ক" "অ' টুৱেণ্টি দেখোন"— মাষ্টৰে দূৰৰ

পৰাই মাত লগালে। "কিয় বাৰু এই সন্ধিয়া?"

"চাৰ ·· মোৰ ঘৰত বৰ বিপদ !"

"কি বিপদ?" মই কি কৰিব লাগে?"

"চাৰ—মোক টাকা বিশটা দিয়ক মোৰ ঘৰত একুৰি মান আছে। কালিক লেগি মানুহজনীক গুৱাহাটীলৈ নিবা লাগিবো। নহলে তাই মৰবো চাৰ॥ উপায় নাপায় হে আপোনাৰ তাকে আইচু।"

"আজি এজনৰ বিপদ. কালি আৰু সিজনৰ বিপদ! বাৰু বিপদত মই কাক কিমান চাম? মোৰোতো এখন সংসাৰ আছে। মোৰোতো ল'ৰা ছোৱালী আছে। মোৰ চাকৰিটোত দেখোন এপইচাওঁ বাহিৰা-চাহিৰা নাই বুলি জানা। তাতে আজি মাহৰ বিশ তাৰিখ। দৰমহাৰ টকাখিনি কোনোবা দিনাই শেষ। এতিয়া বাকী বুকাতহে চলি আছো। নহৰ-নহৰ টকা পইচাৰ কথালৈ মোৰ ইয়ালৈ কোনেও কোনোদিনে নাহিবি। যা-যা, নহৰ-নহৰ। "চাৰ মই আপোনাৰ ঠেঙত ধৰচু. মোক যেনকে হক এইবাৰ সহায় কৰক। কাবাৰ পেৰে ধাৰে হলিওঁ টাকা কেইটা লৈ দিয়ক ·· মই পিচত আপোনাক ধাৰ মাৰিম।' "নহৰ বুজিছ নহৰ।' থাকিলেহে মই দিম। ইচ—ভৰিত ধৰিছ কেলেই? টকা ধাৰে নি সময়মতে ধাৰ মাৰোতা কোনজন আছে? নিব পাৰিলে দিব পাহৰে। আজি মোৰো এপইচাও নাই যোৱা যোৱা।" উপায় বিহীন হৈ তেওঁ মাষ্টৰৰ ঘৰৰ পৰা হতাশ আৰু বেদনা ভৰা মনটোৰে লাহে লাহে ওলাই আহিল।

টুৰেণ্টিয়ে এখন বিশাল মৰুভূমিৰ তপত বালিৰ মাজে মাজে খোজ পেলাই যোৱাৰ দৰে লাগিল। তেওঁৰ দুগালেদি দুটি তপত অশ্রুধাৰা ওলাল। তেওঁ সকলোতে শূন্য দেখিছে। জীৱন যেন অৰ্থহীন সাথৰ! মৰম, চেনেহ. ভাতৃত্ব, বন্ধুত্ব, সহায়-সহানুভূতি সকলো যেন নিজকে সাধু-জ্ঞানী সজাবলৈ যত্ন কৰা এক শ্ৰেণী সুবিধাবাদীৰ মুখৰ মন্ত্ৰ। এই সুলভ মন্ত্ৰবোৰ সঘনাই আওঁৰোৱা জনেওঁ দেখোন পিছ মূহুৰ্ত্ততে সাপে মোট সলোৱাৰ দৰে মোট সলাই লয়। আমি সকলো একে ঈশ্বৰৰ সন্তান আমাৰ সকলোৰে "তেজৰ বৰণ ৰঙা, আমি সকলো সমান, জাতি-ভেদ মিছা—ঐক্য শান্তি আৰু প্ৰগতিয়েই আমাৰ লক্ষ্য হোৱা উচিত আদি মন্ত্ৰ আওঁৰোৱা সকলো দেখোন ঘূৰিও পকা বেল কেচা হোৱাৰ দৰে ঘৰ পালেই অন্য এটা হয়। তেনে অনেক কথাই সিদিনা টুৰেণ্টিৰ মনৰ দুৱাৰত টুকুৰিয়ালে। তেওঁ ভাবিবলৈ বাধ্য হ'ল যে এই সকলোবোৰ ভূৱাৰ বাদে একো নহয়।

ঘৰ পাওঁতে টুৰেণ্টিৰ "ন"মান বাজিল। ঘৈনীয়েকজনীয়ে বিছনাত বৰকৈ চটফটাইছে। ল'ৰা ছোৱালী কেইটাই ভোকত আৰু মাকৰ চিঞৰ বাখৰত কান্দোনৰ ৰোল তুলিছে। তেওঁ কোনো মতে গৈ ঘৈনীয়েকৰ ওচৰত থিয় হ'ল। ঘৈনীয়েকে তেওঁৰফালে একে থৰে মাত-বোল নকৰাকৈ চাই থাকিল। "পাগেলী তোক মই একো সহায় কৰবা নইল্লু—এইবুলি কপালত উধায়-মুধাই থপৰিয়াই হুক-হুকাই কান্দিব ধৰিলে। ঘৈনীয়েকে তাক নকান্দিবলৈ ঈঙ্গিত দিছিল. মুখেৰে মাত নোলোৱা হৈছিল। তাই কোনো মতে টুৰেণ্টিৰ হাতখনত ধৰিছিল—দাম্পত্যৰ শুভা-

ৰন্তুৰ দিনটোৰ দৰে নহয়, কিবা এক বেদনা সিক্ত অন্তৰৰ আবেগত জৰ্জৰিত হৈ, একো নোপোৱাৰ বাসনাৰে নহয় বহুতো পোৱাৰ কৃতজ্ঞতাৰ চিন স্বৰূপে অভিনন্দন জনাবলৈ কিয়নো তাই আজি বৰজাহাজৰ যাত্ৰী ! চকুৰে তাইৰ লোটক নিগৰিছিল । কিন্তু অকস্মাতে সেইখন হাত ঢলি পৰিছিল । টুৱেন্টিয়ে সকলো বুজি পাইছিল । তেওঁৰ আবেগৰ খোৰা ঘোঁৰাটি চট্‌ফটাই পিতনি, পৰ্বত, পাহাৰ. নৈ সাগৰ, হিম অগ্নি, বায়ু আদি সকলোতে বিচৰণ কৰিছিল । ধুমুহাই ডালপাত ভাঙি-ছিঙি জুৰুলা কৰি পেলোৱা বৃক্ষ এজোপা ধুমুহাৰ পিছত যেনেকৈ নিশ্চল হৈ পৰে ঠিক তেনেদৰে টুৱেন্টিও একে ঠাইতে কৰ নোৱাৰাকৈ ঠিয়হৈ ঘৈনীয়েকৰ মুখলৈ চাই ভেবা লাগি আছিল । ল'ৰা-ছোৱালী কেইটাৰ চিঞৰৰ কেৰা গুণো বাঢ়িছিল ।

* 

# আহুতি

—ৰঞ্জন দাস
স্নাতক ৩য় বাৰ্ষিক ।

গোটেই ঘটনাটো সকলোৰে মনত এটা বিৰাট ডাঙৰ গল্প যেন লাগিল । আজিৰ এই বিহুৰ দিনত উলহ মালহেৰে বিহু উদ্‌যাপন কৰিব লাগিছিল যদিও সকলোৰে মনত এটা বিষাদৰ ছাঁ ফুটি ওলাইছে । মাহতলী গাঁৱৰ সকলো মানুহে কিবা এক অজান শিহঁৰণত আতঙ্কিত হৈ উঠিল । মাহতলী গাওঁখনক এখন আদৰ্শ গাঁৱত পৰিণত কৰা তেওঁলোকৰ সপোন, আটাইৰে মৰমৰ প্ৰবীন আজি আৰু নাই । আছে মাথো নিষ্ঠুৰ ঘাতকৰ হাতত প্ৰাণাহুতি দিয়া প্ৰবীন নামৰ মানুহটোৰ নিস্প্ৰাণ দেহটো । অন্ধ মানুহৰ অন্ধ আদালতৰ বলী হ'ব লগা হ'ল আজি প্ৰবীন । এয়াই আজিৰ সমাজ ।

পুথিভঁৰালৰ পিছফালৰ পিতনিৰ পৰা প্ৰবীনৰ মৃত দেহটো আনি মানুহবিলাকে প্ৰবীনহঁতৰ ঘৰৰ চোতালত থলে । বেমাৰী মাকৰ কান্দোনত গগন ফালিল । ভনীয়েক বাসন্তীক মানুহ-

বিলাকে শান্তনা দিব পৰা নাই। কান্দি-কান্দি তাই প্ৰায় অচেতন হ'ল। কাৰণ প্ৰবীনেই আছিল ঘৰখনৰ একমাত্ৰ সমল। অমৰে নিষ্ঠুৰ ঘাটকহঁতৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিল যদিও তাৰ জীৱনৰ এটা অংশ, যিজনে তাৰ দুখত দুখী সুখত সুখী হৈছিল, যাৰ প্ৰতিটো কথা প্ৰতিটো আদৰ্শই তাৰ জীৱন গঢ়াত অৰিহণা যোগাইছিল সেইজন মৰমৰ বন্ধু প্ৰবীনক হেৰুৱাই শোকতে ভাগি পৰিল। যেন তাৰ দেহটোৰ পৰা এখন হাত চিঙি গ'ল। নিসংগ জীৱনৰ কথাবোৰ ভাবি ভাবি আঠুৰ মাজত মূৰ থৈ কাঠিত লেপেটা কাঢ়ি বহি মাথো সি নিৰৱে চকুলো টুকিলে। যোৱা বছৰ আজিৰ এই বিহুৰ দিনটোতে দুয়োজনে সংকল্পলোৱা বহু কথাই তাৰ মনলৈ আহিল।

প্ৰবীনে মাঘ বিহুৰ কাৰণে এমাহ চুটিলৈ তাৰ মৰমৰ মাহতলী গাওঁখনলৈ আহিছিল। কিমান আনন্দৰ মাজেৰে যে বিহুটো কটাম বুলি ভাবিছিল। জয়ন্ত, মাধৱ, অৰবিন্দ, প্ৰফুল্ল-হঁতো আহিছিল। কিন্তু উৰুকা নিশাতে প্ৰবীন অমৰহঁতৰ মনত কিছুমান উদণ্ড লগৰীয়াই বাৰুকৈয়ে আঘাত দিলে।

"ঐ প্ৰবীন, আজি বহুত দিনৰ মূৰত আহিছা ভাই। তই আজি আমাৰ লগত পাৰ্টি কৰিব লাগিব। পাৰ্টি মানে ভাত-তাত আমাৰ নহব। অন্‌লি ভূটান ৰয়েল হুইস্কি। লগতে সেইটোও আছে। তই একো চিন্তা কৰিব নালাগে। তাচ-চাচ খেলিয়ে আজিৰ ৰাতিটো পাৰ কৰি দিম।" জয়ন্তৰ কথাত আটায়ে হয়ভৰ দিলে।

সিহঁতৰ কথা শুনি প্ৰবীনৰ বিবেকে প্ৰতিবাদ কৰি উঠিল। "ভাইহঁত, আজি বিহুৰ উৰুকাত গাঁৱৰ বুঢ়া-মেথা, ডেকা-গাভৰু, লৰা-ছোৱালী আটাইয়ে মিলি মেজিৰ তলত নাম প্ৰসঙ্গ কৰি ভোজ ভাত খাই আনন্দেৰে নিশাটো পাৰ কৰিব নোৱাৰি জানো ?"

"ঐ, বৰ আদৰ্শবান হলি দেখোন ? চাকৰি পাই তোৰ বাহাদুৰি হ'ল ! আমাৰ প্ৰগ্ৰেম তোৰ ভাল নালাগে ? বাঃ হুৱাট্ এ আইডিয়েল মেন !" অৰবিন্দই এক প্ৰকাৰ ঠাট্টা কৰিয়ে কলে।

"অ' ভাই, সেই চব বুঢ়া মেথাৰ লগত নজমে। সেই পেনপেনীয়া পুথিৰ শ্লোক শুনাৰ বয়স আমাৰ আৰু নাই। তাত ডিস্কো-ফিস্কো নাই। নিচা বোলা বস্তু এটা নাই। আজিৰ ডেকাৰ মুখত তেনে কথা ওলোৱা মই তোৰ মুখতহে দেখিলো। আৰু এটা কথা ভাই তহঁতৰ দৰে মানুহে আমাৰ গাঁৱত থকা বিভিন্ন দলৰ লগত মিলি ফুৰাটো তহঁতৰ এটা ক্ৰেডিট্, কিন্তু আমি সেই চব ভাল নাপাওঁ। আমি কেৱল আমাকহে জানো। গতিকে আমাৰ লগত পাৰ্টি নকৰিলে তোকো আমি ত্যাগ কৰিব পাৰো"। প্ৰফুল্লৰ মদৰ ৰাগীত কোৱা কথাখিনি শুনি প্ৰবীনে বাৰুকৈয়ে আঘাট পালে। সিহঁতৰ মুখৰ পৰা ওলোৱা ভেকেটাগোন্ধেও তাক আমনি দিলে। সি তাৰ পৰা কাকো একো নকৈ খঙেৰে অমৰৰ ঘৰলৈ গুচি আহিল। অমৰেই আছিল তাৰ জীৱনৰ মনে প্ৰাণে মিলা একমাত্ৰ বন্ধু। সি অমৰক সকলো কলে। নিশা দুয়ো

**ববকৈ মনত পৰিছে পাঠশালাত বায়ন চাৰে কোৱা কথা এষাৰলৈ। চাৰে কৈছিল, "যিয়ে এখন সমাজৰ অধঃপতন দেখি তাৰ পৰা আঁতৰি থাকিব বিচাৰে তেওঁ মানুহ নহয়, তেওঁ সমাজৰ কলঙ্ক। যিজনে ধুমুহাত পৰা সমাজ এখনক ৰচাবৰ বাবে ঢোকা হিচাবে থিয় দিয়ে তেওঁহে প্ৰকৃত মানুহ।" কিয় জানো অমৰ চাৰৰ এই কথাষাৰে মোৰ অন্তৰত বাবে বাৰে খুন্দিয়াই আছে।**

ৰাইজৰ ভোজ-ভাত খোৱা ঠাইত গ'ল। তাতো কেইজনমান যুৱকে মদ খাবৰ বাবে ৰান্ধনীক মাংস খোজোতে ৰান্ধনীয়ে মাংস নিদিয়াত এখন কাজিয়া হোৱা দেখা পালে। তুয়োৱে গাওঁখনৰ ইমান বিসংগতি দেখি তবধ মানিলে। কাকো বুজাই শান্ত কৰিব নোৱাৰি ভোজ ভাত নাখায় তাৰ পৰা গুচি আহি শুই থাকিল। ৰাতিপুৱা গা-পা ধুই মেজিৰ ওচৰলৈ গ'ল যদিও আগৰ দৰে আনন্দমুখৰ পৰিবেশ তাত দেখা নাপালে। কেইজন মান মাথো বয়সস্থ মানুহ মেজিৰ কাষত থুপ খাইছে। তাতো হৰিৰ নামৰ সলনি গাঁৱৰ খাম-খেয়ালি, ৰাজনীতিৰ কথাইহে ঠাই পাইছে। সৰু সৰু ল'ৰা-ছোৱালীবোৰে বিভিন্ন জুম বান্ধি দূৰে দূৰে মাৰ্বল, পইচাৰ খেলহে খেলি আছে। ডেকা সকলৰতো সেইসময়লৈ আগদিনাৰ নিচায়ে শেষ হোৱা নাই। তেতিয়ালৈকে টোপনিত লাল কাল দি আছে। মুঠতে বিহুৰ আনন্দৰ বিপৰীতে কিবা যেন এটা বিৰক্তিকৰ পৰিবেশ। জা-জলপান খাই পথাৰত খেলিম বুলি গ'ল যদিও পথাৰত গৈ যি দৃশ্য দেখা পালে সিহঁতৰ মূৰ আচন্দ্ৰাই হোৱাৰ উপক্ৰম হ'ল। গোটেই খেতি-পথাৰত মাথো জুৱাখেলৰ জুম। ৮ বছৰ বয়সৰ কিশোৰৰ পৰা আৰম্ভ কৰি ৬০/৭০ বছৰীয়া বৃদ্ধয়ো একেলগে জুৱাখেলত বহিছে। কিছুমানে আকৌ জুমবোৰ বেঢ়ি বেঢ়ি খেলবোৰ উপভোগ কৰিছে। কিছু-মানে মদ খোৱাৰ বাবদ ২/৫ টকাকৈ খেলে প্ৰতি তুলি ফুৰিছে। কিছুমান সৰু ল'ৰা-ছোৱালীয়ে অধিক দামত তামোল চিগাৰেটৰ যোগান ধৰিছে। টকাৰ বিনিময়ত চাৰি, বস্তা, গামোচা, তাচ আদিৰ যোগান ধৰিছে। যেন মাঘ বিহুৰ নামত জুৱা খেলৰ মহামেলাহে পাতিছে।

মাহতলী গাওঁখনৰ ইমান অধঃপতন হোৱা দেখি প্ৰবীনে নিজকে দোষী অনুভৱ কৰিলে। সেই মহযুঁজ কুকুৰাযুঁজ, হাতীযুঁজ, সমূহীয়া দৌৰ আদি কলৈ গ'ল। গাঁৱৰ ডেকা-বয়সস্থ সকলে লগ হৈ খেলা ভলীবল, ফুটবল, কাবাডী খেল আদিৰ নাম গোন্ধে নোহোৱা হ'ল। আগতে ডেকা গাভৰু মিলিত হৈ খেলা ৰেডিঘাই মাদে আদি খেলৰ মনত পৰিল সিহঁতৰ। কিমান যে ভাল লাগিছিল সেই দিনবোৰ। কিন্তু আজি সেইবোৰ খেলাতো দূৰৈৰ কথা কণ কণ কিশোৰী তুজনীমানক বাদে গাভৰু ছোৱালী এজনীকো পথাৰত দেখা পোৱা নগ'ল। তুয়োৱে ভলীবল

খেলিবৰ বাবে বহুতকে লগ ধৰিলে যদিও পবিত্র সোনাৰামহঁতৰ বাহিৰে কোনো নাহিল। জুৱা-খেলে যেন আটাইকে মোহিনীবান মাৰিছে। কথাবোৰ ভাবি ভাবি প্ৰবীন আৰু অমৰ আচ-ৰিত হ'ল। দুয়ো ভলীবল নেখেলি নৈৰ ঘাটৰ আঁহত জোপাৰ তলত বহি ললে।

"প্ৰবীন মোৰ হলে ভাই গাওঁখনত থাকি অলপো ভাল লগা নাই। নিজকে মাহতলী গাৱঁৰ মানুহ বুলি পৰিচয় দিব টান লাগে। সমাজখনত এক বিষাক্ত কীট সোমাইছে আৰু এই কীটে হয়তো আমাকো দংশন কৰিব।" অমৰে আবেগতে কথাখিনি কৈ পেলালে।

"নহয় অমৰ, তোৰ ধাৰণা ভুল। বৰকৈ মনত পৰিছে পাঠশালাত বায়ন চাৰে কোৱা কথা এষাৰলৈ। চাৰে কৈছিল—"যিয়ে এখন সমাজৰ অধঃপতন দেখি তাৰপৰা আঁতৰি থাকিব বিচাৰে তেওঁ মানুহ নহয়, তেওঁ সমাজৰ কলঙ্ক। যিজনে ধুমুহাত পৰা সমাজ এখনক বচাবৰ বাবে ঢোকা হিচাবে থিয় দিয়ে তেওঁহে প্ৰকৃত মানুহ।" কিয় জানো অমৰ চাৰৰ এই কথাষাৰে মোৰ অন্তৰত বাৰে বাৰে খুন্দিয়াই থাকে। সেই বায়ন চাৰ সেই মাহতলী গাঁওখন এতিয়াও আছে। সেই নদী, সেই গছলতা. সেই জোনাক এতিয়াও আছে। প্ৰকৃতিৰটো অলপো পৰিবৰ্তন হোৱা নাই; পৰিবৰ্তন হৈছে মানুহৰ মনবোৰ। সেই বিষাক্ত কীটক আমিয়ে মষিমূৰ কৰিব লাগিব। চা অমৰ যিটো কাৰণত আজি আমাৰ যুৱশক্তিৰ নৈতিক অধঃপতন হৈছে, সেইটো আজি তই মই উপলব্ধি কৰাৰ দৰে আনকো আমিয়ে উপলব্ধি কৰাব লাগিব। এই বিপথগামী যুৱক সকলক আমি যদি শুদ্ধ পথলৈ আনাৰ চেষ্টা নকৰো আমাৰ জানো শিক্ষিত হিচাবে ভুল কৰা নহব। আজি তেওঁলোকে কৰা ভুলৰ অভিজ্ঞতাৰ পৰাই তেওঁলোকে এদিন অনুপ্ৰেৰণা পাব আৰু সেই অনুপ্ৰেৰণা আমিয়ে দিব লাগিব। তই মোক সহায় কৰিব পাৰিবি অমৰ। তোৰ সহায় পালে নিশ্চয় আমি সকলোৱে মিলি আমাৰ গাঁওখনক এখন আদৰ্শ গাৱত পৰিণত কৰিব পাৰিম। য'ত নিতৌ গৰখীয়াৰ বাঁহীৰ মাত শুনিব পাৰিম, মন্ধিয়া মন্দিৰ মছজিদত হৰিৰ নাম, আল্লাৰ নাম শুনিব পাৰিম।" য'ত মাতৃৰ নিচুকনি গীত পুনৰ শুনিবলৈ পাম............।"

প্ৰবীনৰ কথাত অমৰে কিছু সময় দূৰণীৰ পাহাৰখনৰ পিনে চাই পঠালে আৰু হুমুনিয়াহ কাঢ়ি কলে, "কষ্ট কৰি একো লাভ নহব প্ৰবীন। কাৰণ মানুহৰ অন্তৰ জয় কৰা বৰ কঠিন আৰু সময়ত এচামৰ কাৰণে আমিয়ে হম কুটিল চৰিত্ৰ। গতিকে এইবিলাকৰ পৰা আঁতৰি থকাহে ভাল হব যেন লাগে। তথাপি বাৰু কি সহায় কৰিব পাৰিম মই কোৱাচোন?"

"সমাজত সকলো মানুহে ভাল বা সকলোৱে বেয়া নহয়। সমাজ এখন নিকা কৰাত দুই এজনৰ বৰঙণিয়ে অধিক। যিসকলে এতিয়া আমাক কুটিল চৰিত্ৰ হিচাবে লব এটা সময়ত তেওঁলোকেই আমাক আদৰি লব আৰু এটা কথা ঠিক যিজনৰ সমাজ গঢ়াত কোনো বৰঙণি নাই অকল নিজকহে চিনি পাই তেওঁ কাৰোবাৰ কাৰণে ভাল মানুহ হলেও মোৰ মনত তেওঁ

সমাজৰ এজন শত্ৰু। আচল কথা হ'ল আত্ম সচেতনতা, নৈতিকতা আৰু দায়িত্ববোধ আমাৰ প্ৰত্যেকৰে থাকিব লাগে।

অমৰ মই এটা ধাৰণা কৰিব পাৰিছো জয়ন্ত পঙ্কজহঁতৰ দৰে এচাম যুৱকে আমাৰ গাঁৱৰ সাধাৰণ মানুহখিনিক সিহঁতৰ খেলৰ পুতলা হিচাবে ব্যৱহাৰ কৰি আছে। কাৰণ মেট্ৰিকত শিক্ষকক ভাবুকি দি নকল কৰি কৰি বহুবাৰ পৰীক্ষা দিয়াৰ পিছতহে পাছ কৰা সিহঁতৰ সেই মানসিকতাই আজি সমাজৰ কথা কি ভাবিব? কলা টকাৰে গঢ়া আভিজাত্যই মনেশ্বৰ, আঘোনা হঁতৰ দৰে সাধাৰণ মানুহ চামৰ অন্তৰৰ বেদনা-বোৰ উপলব্ধি কৰিব নোৱাৰাকৈ সিহঁতক আঁত-ৰাই ৰাখিছে। গতিকে প্ৰথমতে আমাৰ দিশহাৰা যুৱকসকলক আত্ম সংস্থাপনৰ দিহা কৰিব লাগিব। কাৰণ কাম বন নকৰিলে মানুহ এলেহুৱা হয় আৰু এলেহুৱা মনে সদায় বেয়া পথ বাচি লয়। সেয়েহে মই এটা কথা ভাবিছো, আমাৰ শ্মশা-নৰ উত্তৰকালে যে বিজাৰ্ভটো আছে তাত প্ৰায় ১০০ বিঘাৰো অধিক মাটি এনেয়ে পৰি আছে। সেই মাটিখিনি যদি আমি চক্ৰ বিষয়াৰ পৰা অনুমোদন লৈ আটায়ে মিলি এখন কৃষি পাম গঢ়ি তাত উন্নত বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰি বিভিন্ন খেতি কৰো আমি নিশ্চয় উন্নতি কৰিব পাৰিম। তাৰ পিছত ৰাহি হোৱা টকাৰে বিভিন্ন ফাৰ্ম, দোকান, ব্যৱসায় আদি কৰি আমাৰ নিব-নুৱা সমস্যা কিছু সমাধান কৰিব পাৰিম।"

প্ৰবীনৰ আঁচনিখনত উৎসাহ পায় অমৰে কলে, "লগতে মই এটা কথা ভাবিছো, স্কুলৰ ওচৰত পৰি থকা দ ঠাইখিনিৰ কিছু অংশ মাটি তুলি তাত আমি এটা পুথিভঁৰাল স্থাপন কৰিব পাৰো। তাৰ জৰিয়তে গাঁৱৰ অশিক্ষিত চামক আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰিব পাৰিম। ক্ৰীড়া শিক্ষা, সাংস্কৃতি আদি দিশত মনোনিবেশ কৰি তেওঁলোকে শাৰিৰীক আৰু বৌদ্ধিক দিশত বিকাশ লাভ কৰিব পাৰিব। দুখীয়া ছাত্ৰ ছাত্ৰীসকলক পুথি-ভঁড়ালৰ ফালৰ পৰা বিনামূলীয়াকৈ শিক্ষা দি কিছু সহায় কৰিব পাৰিম? মুঠতে গাঁৱৰ পৰিবেশ কিছু ভাল হব।" দুয়োজনে আজি গাঁওখনৰ বিষয়ে বহু কথাই আলোচনা কৰিলে। দূৰণিৰ অস্তগামী সূৰুজে বিষাক্ত কীট নিধনৰ সংকেত দি নৱ প্ৰভাতৰ বাবে সিহঁতক অপেক্ষা কৰিবলৈ কৈ বিদায় ললে।

দুয়োৱে ভৰামতে কামত লাগি গল। কৃষি পামখন আৰু পুথিভঁড়াল দুয়োটাই গাঁওখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। সক্ৰিয়ভাৱে সহযোগ কৰাৰ মানসেৰে চাকৰি জীৱন ত্যাগ কৰি তাৰ মৰমৰ মাহতলী গাঁওখনলৈ গুচি আহিল।

"অমৰ এইবাৰ মাঘ বিহুটো অলপ বেলেগ ধৰণে উদ্‌যাপন কৰিম বুলি ভাবিছো। বিহুৰ দিনাখন আমাৰ পুথিভঁড়ালটোও উদ্বোধন কৰিম আৰু দুদিনীয়া কাৰ্য্যসূচীৰে বিহু উৎসৱ পালন কৰিম। সেইদিনা ৰাতিপুৱাই পুথিভঁড়ালৰ ফিল্ডত বিহু পতাকা উত্তোলন কৰিম। তাৰ পিছত বিভিন্ন খেল-ধেমালি, সাহিত্য সাংস্কৃতিক প্ৰতি-যোগিতা আদিৰ আয়োজন কৰিম। মহ যুঁজ, কণী যুঁজ, কুকুৰা যুঁজ হাতী দৌৰ আদিৰো আয়োজন কৰিম। তাত গাঁৱৰ ডেকা-গাভৰু,

বুঢ়া বুঢ়ী, কিশোৰ-কিশোৰী আটাইয়ে অংশ গ্ৰহণ কৰিব লাগিব। কোনেও যাতে জুৱা, মদ আদিৰ আয়োজন কৰিব নোৱাৰে তাৰ কাৰণে আমাৰ যুৱকসকল সচেতন হব লাগিব।" বিহুৰ আঁচনি-খনৰ বিষয়ে আৰু বহু কথাই প্ৰবীনে অমৰক কলে।

মহা ধুমধামেৰে বিহুৰ আয়োজন চলিল। ডেকাসকলে বেনাৰ তৰি বিহুৰ বিভিন্ন প্ৰতিযোগিতাৰ বিষয়ে ৰাইজক অৱগত কৰিলে। ৰাতি দুপৰলৈ বিভিন্ন নৃত্য, গীত ভাওনা আদিৰ আখৰা চলিল। পুথিভঁড়ালটিও চূণ-তেল দি সাজি-কাচি উলিয়ালে। ৰভা- মঞ্চ আদিবো তৈয়াৰ কৰিলে। পুৱতি নিশালৈ আয়তীসকলে সান্দহ খুন্দিবলৈ লোৱা ঢেকীৰ 'ঢেকুৰ কুৰ, ঢেকুৰ কুৰ' শব্দ শুনি কিযে তাহানিৰ ভাৱবোৰ মনলৈ আহিল। মেজি ঘৰবোৰো এইবাৰ আগতকৈও কিছু ডাঙৰ দেখা গ'ল। মাহতলী গাঁওখনৰ মানুহবোৰৰ ঐক্যবদ্ধ প্ৰচেষ্টাক ওচৰৰ গাঁৱৰ মানুহবোৰেও প্ৰশংসা কৰিলে।

আনহাতে জয়ন্ত, পঙ্কজহঁতক কোনেও পাট্টা নিদিয়াৰ কাৰণে হিংসাতে চাটি-ফুটি মৰিব ধৰিলে। সিহঁতে অমৰ আৰু প্ৰবীনৰ ভনীয়েক বাসন্তীৰ চৰিত্ৰক লৈ বিভিন্ন অপপ্ৰচাৰ চলাব ধৰিলে। আজিকালি সিহঁতক প্ৰায়ে অকলশৰীয়াকৈ দেখা যায়।

উৰুকাৰ নিশা আটায়ে মিলি ভোজ ভাত খাই পিছদিনাৰ আনন্দ উৎসৱৰ কাৰণে অপেক্ষা কৰিলে। কিন্তু বিহুৰ দিনা দোকমোকালিতে যাদৱে পুথিভঁৰালৰ পিছফালে থকা পিটনিত এটা মৃতদেহ দেখি চিঞৰি উঠিল। কোনোবাই প্ৰবীনক ৰাতি চোকা অস্ত্ৰেৰে হানি মৃতদেহটো পিটনিত পেলাই থৈছে। কাৰো বুজিবলৈ বাকী নাথাকিল যে এই ঘটনা জয়ন্ত, পঙ্কজহঁতৰ বাদে আন কাৰো নহয়। কাৰণ প্ৰবীন, অমৰহঁতৰ কাৰণে আজি সিহঁতে সমাজৰ উচ্চ আসন হেৰুৱাব লগাত পৰিছে।

অমৰৰ চকুৰ পৰা চকু পানীৰ টোপাল মাটিত টপ্ টপ্‌কৈ পৰিব ধৰিলে। মনৰ ভাৱবোৰে ৰেল ইঞ্জিনৰ গতিৰ দৰে গতি কৰিব ধৰিলে। আজিৰপৰা হয়তো বাসন্তী আৰু মাকৰ নিৰাপত্তাৰ দায়িত্ব সিয়ে লব লাগিব। কথাবোৰ ভাবি ভাবি কেনিবা যেন অজান ঠাইলৈ সি গুচি গৈছে। পুলিচৰ গাড়ীৰ মাত শুনিহে তাৰ সম্বিৎ ঘূৰি আহিল। পুলিচে মৃত দেহটো গাড়ীত তুলি পোষ্টমৰ্টেমৰ কাৰণে লৈ গ'ল।

জয়ন্ত, পঙ্কজহঁতক কোনেও বিচাৰি নাপালে। বোধকৰো পুলিচৰ ভয়ত পলাতক হৈ আছে। গাঁৱৰ আটাই বিলাক মানুহ পুথিভঁড়ালৰ ফিল্ডত গোট খালে প্ৰথমে এখন শোক সভাৰ আয়োজন কৰিলে। আজিৰ এই সভাত খগেন বাৱন চাবো আহিল আৰু সভাখন চলাই নিয়াৰ ভাৰ তেওঁৰ ওপৰতে পৰিল। অমৰক ঘটনাটো সম্পৰ্কে কব দিলে। অমৰেও যোৱা বছৰ মাঘ বিহুৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈ হোৱা সকলো ঘটনা বিৱৰি কলে। মানুহবিলাক উত্তেজিত হৈ উঠিল। সভাপতিয়ে মানুহখিনিক শান্তনা দি কলে— "ৰাইজ আপোনালোকে ধৈৰ্য্য নেহেৰুৱাব। প্ৰবীন মৰা নাই আগতে প্ৰবীনৰ আত্মাটো অকল

নিজৰ ভিতৰতে আছিল. আজিৰ পৰা তেওঁৰ আত্মাটো আমাৰ সকলোৰে অন্তৰত সোমাল। যিজন প্ৰবীনে গাঁওখনৰ বৃহৎ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি গাঁওখনৰ সেৱা কৰাৰ মানসেৰে নিজৰ অমূল্য সম্পদ চাকৰিটোকো বিসৰ্জন দি গাঁৱলৈ গুচি আহিছিল আমি সেইজন প্ৰবীনৰ আদৰ্শেৰে অনুপ্ৰাণিত হব লাগিব। তেওঁলোকৰ আধৰুৱা কামখিনি আমিয়ে পূৰ কৰিব লাগিব। নহলে যে তেওঁৰ আত্মাই শান্তি নাপাব। তেওঁৰ প্ৰতি-টোপাল তেজৰ মূল্য আমি দিব লাগিব। কাল শত্ৰুহঁতক নিৰ্মূল কৰিবলৈ আপোনালোক সজাগ হওক। আপোনালোকক আজি এই মুহূৰ্ত্ততে মই দুটিমান কথা কব বিচাৰো ! আপোনালোকে মোৰ কথাখিনি বিবেচনা কৰি চালে সুখী হম। প্ৰথম কথা হল আজিৰ এই ক্ৰীড়া সমাৰোহ শ্বহীদ প্ৰবীন ভড়ালীৰ সোঁৱৰণত উৎসৰ্গিত কৰিলে ভাল হয়। দ্বিতীয়তে আমাৰ পুথিভঁড়ালটোৰ নাম "শ্বহীদ প্ৰবীন ভড়ালী পুথিভঁড়াল" ৰাখিব লাগে আৰু কৃষি পামখনো "শ্বহীদ প্ৰবীন ভড়ালী কৃষি পাম" ৰাখিব লাগে। তেতিয়াহে আমি প্ৰবীনক আমাৰ মাজত জীয়াই ৰাখিব পাৰিম।" বায়নৰ কথাখিনি কোৱা নৌহওঁতেই ৰাইজৰ আটায়ে "হয় হয়" ধ্বনিৰে সন্মতি প্ৰকাশ কৰিলে।

---

## প্ৰাসঙ্গিক ঃ

"অসমৰ স্বাৰ্থকেই প্ৰধান স্থান দিয়াৰ কাৰণে আমি ভাৰতৰ বা বিশ্বৰ শত্ৰু নহওঁ। বহিৰাগতসকল যদি স্থায়ীভাৱে বসবাস কৰি অসমকে নিজৰ দেশ বুলি, অসমৰ স্বাৰ্থকে নিজৰ স্বাৰ্থ বুলি গ্ৰহণ কৰে তেনেহ'লে তেনেকুৱা বহিৰাগতক আমি অসমীয়া বুলি গ্ৰহণ কৰিম এই বিষয়ে ২১/৪/৪৭ তাৰিখে হৰিজন'ত গান্ধীজীয়ে এনেদৰে লেখিছে ঃ

বিহাৰত বসতি কৰিবলৈ লোৱা অনাবিহাৰীসকলে বিহাৰৰ সেৱাৰ কাৰণেহে তাত বসবাস কৰিব ; বিহাৰক শোষণ কৰাৰ কাৰণে নহয়........"

খনিন্দ্ৰ চন্দ্ৰ বৰুৱা ঃ অসমৰ সংকটকাল ঃ পৃঃ ৩৪৪

# উপহাৰ

—মিন্তু কলিতা
উঃ মাঃ ২য় বাৰ্ষিক



চাকৰিটো হোৱাৰ আশ্বাস দি তেওঁক এবাৰ আজি অফিচত লগ ধৰাৰ কথা কৈছিল। মনৰ আনন্দত ৰাতি দীপৰ লগত ৰবীন্দ্ৰ ভৱনত কৰুণা ডেকাৰ "উকথা" নাটখন চালো। নাটখন চাই মোৰ নিজৰ জীৱনটোও উকথাত পৰিণত হোৱা যেনহে লাগিছে। আজিৰ সমাজত শিল্পী, সাহিত্যিকৰ মৰ্যদা ধূলিকণাৰ লগতহে তুলনা কৰা হৈছে। সেয়েহে কেতিয়াবা যাযাবৰ হবৰ মন যায়।

"এই ৰাণী, হব লগা হ'ল, এনেকৈ আৰু ভাঙি পৰিলে নহব। শোক সভালৈ যাওঁ আহা।" কলেজৰ ৭ নং কোঠালীৰ কোণৰ বেঞ্চখনত বহি তলমুৰা হৈ কান্দি থকা ৰাণীক শান্তনা দি গীতাই কলে।

"গুৱাহাটী ২৮ আগষ্ট ঃ আজি নিশা প্ৰায় ৮ মান বজাত শান্তিপুৰৰ "হোটেল চয়নিকা"ৰ ওচৰত আৰক্ষীয়ে ষ্টেনগানেৰে গুলিয়াই এজন যুৱক নিহঁত কৰে। প্ৰত্যক্ষদৰ্শী দোকানী এজনৰ বিৱৰনীত প্ৰকাশ যে দুজন যুৱক ভৰলুৰ ফালৰ পৰা শান্তিপুৰ হিলচাইড অভিমুখে খোজকাঢ়ি আহি থাকে বাটত আৰক্ষীয়ে আগচি ধৰি এজনক বন্দুকৰ নালেৰে ঘূছিয়াই দিয়া দেখি আনজনে ভয় পায় দৌৰ মাৰিছিল। তেনেতে আৰক্ষীয়ে ষ্টেনগানেৰে গুলিওৱাৰ ফলত দৌৰাজন থিতাতে নিহঁত হয়। নিহঁত যুৱকজন এৰাতলী

গাওঁৰ ৰুণ দাস আৰু লগৰ জন একে গাওঁৰে দীপ কলিতা বুলি জানিব পৰা গৈছে। পিছত নির্দ্দোষী বুলি প্ৰমাণ পায় দীপ কলিতাক এৰি দিয়ে। দুয়োজন যুৱকে হিলচাইদেৰে জিলা নিয়োগ বিষয়া যাদব ডেকাৰ ঘৰলৈ বুলি আহি থাকোতে উক্ত ঘটনা ঘটে। ঘটনা বৰ্তমান পুলিচৰ তদান্তধীন।" আজি ২৯ আগষ্টৰ দৈনিক অসমৰ প্ৰথম পৃষ্ঠাৰ উক্ত বাতৰিটো পঢ়িয়েই ৰাণীৰ সঁচাকৈয়ে মূৰটো আচন্দ্ৰাই কৰিছিল। কান্দি কান্দি নিজকে ধিক্কাৰ দি ভাগৰি পৰিছিল ৰাণী। গীতাৰ মাতত উচপ খাই উঠিল ৰাণী আৰু নিজকে অপৰাধী অপৰাধী ভাবি গীতালৈ মূৰ তুলি চালে।

"ৰাণী ৰুণদা সঁচাকৈয়ে গৌৰীনাথ মজুমদাৰৰ হত্যাকাণ্ডৰ লগত জড়িত আছিল নেকি ?" "গীতা তেনেকৈ নকবা, এই মুহুৰ্ত্তত ৰুণদাৰ বিষয়ে কৰা প্ৰতিটো মন্তব্যই মোৰ অন্তৰত বাৰুকৈয়ে বেদনা দিব। আজি পৃথিৱীৰ কোনেও হয়তো নেজানিব ৰুণদাৰ মৃত্যুৰ বাবে মইও দায়ী হব পাৰো।" গীতাৰ প্ৰশ্নৰ উত্তৰত ৰাণীয়ে কলে। "তুমি এইবোৰ কি কৈছা ৰাণী, মই একো বুজিব পৰা নাই ?" গীতাই কলে।

"সঁচা গীতা, ৰুণদা কোনো উগ্ৰপন্থী নাছিল। ৰুণদাক আচলতে ময়েই হত্যা কৰিলো। এই চিঠিখন চোৱা ইয়াত সকলো গম পাবা। ৰাণীলৈ লিখা চিঠিখন গীতাই পঢ়িব ধৰিলে।

মৰমৰ ভন্টি,

মৰমবোৰ লবা। যোৱাকালি ৰাতিপুৱা তুমি মোক গুৱাহাটীলৈ আহিব ওলোৱাত বাটতে লগ ধৰি গল্পটোৰ কপি এটি Correction কৰিব দিছা। আচলতে গল্পটো পঢ়ি নিজকে গল্পটোৰ নায়কজনৰ লগত তুলনা হয়। এটা সময়ত অভিনয় কৰি বা গল্প উপন্যাস লিখি, পঢ়ি খুব ভাল পাইছিলো। কিন্তু নিজকে জটিল গল্প বা উপন্যাস এখনৰ নায়ক সজোৱাৰ ইচ্ছা মোৰ নাছিল। কিন্তু বাস্তৱ জগতখনত পালো কি ? সকলোতে মাথো ব্যৰ্থতাৰ ধুমুহা। সেই ধুমুহাৰ গতিৰ বিপৰীতে খোজ কাঢ়িব পৰা শক্তিও বৰ্তমান নাই। তুমি ইমান দিনে আচলতে মোক নুবুজিলা। গল্পটো আজি দিওঁ বুলি প্ৰতিশ্ৰুতি দিছিলো। কিন্তু বিশেষ অসুবিধাৰ বাবে দিব নোৱাৰিলো। বোধকৰো বেয়া পাইছা। সকলো পৰিবেশতে গল্প বা উপন্যাস এখন লিখা বৰ সহজ কাম নহয়। ইয়াত আহি কালিৰ পৰা কি পৰিস্থিতিৰ সন্মুখীন হৈছো কওঁ শুনা।

চিটিবাছৰ পৰা নামিয়েই পকীৰাষ্টাৰ পৰা প্ৰায় ১০০ মিটাৰ দূৰলৈকে আচাম টাইপৰ ঘৰটোৰ সন্মুখত দুপৰীয়াৰ ভৰ ৰ'দত মানুহৰ লানী নিচিগা শাৰীবোৰ দেখি কিবা মেলা এখন যেন অনুভৱ হৈছিল। কিন্তু ওচৰত গৈ গম পালো যে নিয়োগ বিনিময় কেন্দ্ৰই আয়োজন কৰা ভেটেনাৰী অফিচৰ পিয়ন পদৰ সাক্ষাৎকাৰৰ বাবে অহা প্ৰাৰ্থীৰহে ভিৰ য'ত মই নিজেও এজন প্ৰাৰ্থী। প্ৰাৰ্থীৰ ভিৰ দেখি মূৰ ঘূৰাইছিল। ৭টা পোষ্টৰ বাবে প্ৰায় ১৫০০ প্ৰাৰ্থী, তথাপিও কিবা অলপ পোৱাৰ আশাত কৰ্তব্যৰ খাতিৰত লাইনত থিয় হৈছিলো। ১১ বজাৰ

পৰা প্ৰায় দুই বজালৈ টিকা ফটা ৰ'দত থিয় হৈ মূৰৰ বিষ হোৱা স্বত্বেও এটা সময়ত সাক্ষাৎ-কাৰৰ সন্মুখীন হৈছিলো। নিয়োগ বিষয়াৰ প্ৰশ্নৰ যথা-যথ উত্তৰ দিয়াত আৰু ঘৰৰ আৰ্থিক দুৰা-ৱস্থাৰ কথা কোৱাত তেখেতে মোৰ ওপৰত কিছু সদয় হৈছিল। চাকৰিটো হোৱাৰ আশ্বাস দি তেওঁক এবাৰ আজি অফিচত লগ ধৰাৰ কথা কৈছিল। মনৰ আনন্দত ৰাতি দীপৰ লগত ৰবীন্দ্ৰ ভৱনত করুণা ডেকাৰ "উৰুখা" নাটখন চালো। নাটখন চাই মোৰ নিজৰ জীৱনটোও উৰুখাত পৰিণত হোৱা যেনহে লাগিছে। আজিৰ সমাজত শিল্পী, সাহিত্যিকৰ মৰ্যদা ধূলিকণাৰ লগতহে তুলনা কৰা হৈছে। সেয়েহে কেতিয়াবা যাযাবৰ হবৰ মন যায়॥ বাৰু আন কথালৈ আহো।

আজি পুনৰ ১০ বজাৰ পৰা ৩ বজালৈ অফিচত অপেক্ষা কৰিলো। কিন্তু তেওঁক লগ নাপালো. কৰবাত হেনো মিটিঙলৈ গৈছে। উপায় নাপায়, তেওঁৰ ঠিকনা সংগ্ৰহ কৰি গধূলি তেওঁৰ ঘৰলৈ যোৱাটোকে ঠিক কৰিলো। তেওঁৰ ঘৰ শান্তিপুৰ হিলচাইডত। অহাকালি অৱশ্যে তেওঁক অফিচত লগ পালো হয়। কিন্তু তোমাৰ গল্পটো যিহেতু অহাকালি লাষ্টডেটত (আলোচনীৰ বাবে) দিবই লাগিব, সেই কাৰণে আজি মই তেওঁৰ ঘৰৰ পৰা আহি ৰাতিৰ ভিতৰতে লিখিম। তুমি আজিৰ কাৰণে মোক ৰেহাই দিবা। আগৰ নাটকখনো শুধৰাই নিদিয়াত মোক দায়িত্বজ্ঞানহীন বুলি আক্ষেপ কৰিছা। এইবাৰ কিন্তু মোৰ সময় নষ্ট কৰি হলেও অহাকালি জৰুৰ ১০ বজাত তোমাক কলেজত লগ ধৰি হলেও গল্পটো দিম। তুমি চিন্তা নকৰিবা। ৰাতি অৱশ্যে এই কেইদিন শান্তিপুৰৰ ফালে যাবলৈ অলপ ভয় হৈছে। কাৰণ কিছুদিন আগতে উগ্ৰপন্থীয়ে গৌৰীনাথ মজুমদাৰক হত্যা কৰাৰ কাৰণে সেই অঞ্চলত বৰ্তমান পুলিচৰ চোকা তালাচী চলি আছে। যিয়েই নহওঁক মোৰ বাবে সেয়া ভাবিব লগা নহয়। কাৰণ আমাৰ দৰে মানুহক সন্দেহ নকৰে। এয়া ৪ বজাত লিখি চিঠিখন গুমীৰ ট্ৰেন্সপোৰ্টখনত দি পঠালো। তুমি কলেজত গৈ মোক অপেক্ষা কৰিবা। বিশেষ নাই চাকৰিটো পাবৰ বাবে আশীৰ্বাদ দিবা। পুনৰ মৰমেৰে—

ইতি—

তোমাৰ

ৰুণ দা

২৮।৮।৯১

চিঠিখন পঢ়ি গীতাৰ বুজিবলৈ বাকী নাথাকিল। চকু পানীৰে চিঠিখন সেমেকি উঠিল। ৰাণীয়ে আকৌ বেছিকৈ কান্দিবহে ধৰিলে। শোক সভা আৰম্ভ হ'ল। বিপিন চৌধুৰীয়ে ৰুণ দাসৰ বিষয়ে কিছু কবলৈ ধৰিলে। শেষত যেতিয়া তেখেতে "আমাৰ ধাৰণা হয় ৰুণ দাস বোধকৰো গৌৰীনাথ মজুমদাৰৰ হত্যাকাণ্ডৰ লগত জড়িত আছিল, কাৰণ তেওঁ সেই সময়ত তাত গৈছিল কিয় আৰু তেওঁ দৌৰিবলৈ কিয় চেষ্টা কৰিছিল" বুলি কবলৈ ধৰিলে। ৰাণীয়ে পাগলীৰ দৰে চিঞৰি উঠিল "নকব তেনেকৈ নকব ৰুণ দা সন্ত্ৰাসবাদী নাছিল। ৰুণ দাক মৰেই হত্যা

কৰিলো, বুলি কৈ ৰাণী ঢলি পৰিল। শোক সভাতে হুলস্থূল লাগিল। লগে লগে ৰাণীক মূৰত পানী ঢালি, তেল মালিচ কৰি, বিচনীৰে বিচি কিছু জ্ঞান ঘূৰাই আনিলে। গীতাই শোক সভাত সকলো বিৱৰি কলে আৰু চিঠিখন পঢ়ি শুনালে। সকলোৱে এই ঘটনাত মৰ্মাহত হ'ল। সভাপতিয়ে এই হত্যাকাণ্ডৰ তীব্ৰ নিন্দা কৰিলে আৰু শোক বাৰ্তাত কলে—"ৰুণ আজি মৰিও অমৰ। তেওঁৰ মৃত্যু হোৱা নাই। তেওঁ আমাৰ কলেজৰ আলোচনীৰ বাবে এটা গল্পহে উপহাৰ দি তেওঁৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰি গ'ল।

# অন্য দিশ

—ভবেশ কুমাৰ মেধি
স্নাতক ৩য় বাৰ্ষিক

**তাইৰ চকুপানী দেখি দিলীপে সকলো বুজি পাইছিল, আৰু সান্তনা দিয়াৰ সুৰত কৈছিল—বাদ দিয়া অনু! চকুপানী টুকি আৰু লাভ নাই। আমিতো একণো বেয়া কাম কৰা নাই। আমি প্ৰতিশোধহে লৈছো।**

সময় ৰাতিপুৱা। প্ৰায় দহমান বাজিছে। দিলীপে তেওঁৰ বন্ধুজনেৰে সৈতে গৈ ঘৰৰ কিছু নিলগত অটোৰিক্সাখন ৰাখিলে। ঘৰ মানে দিলীপৰ নিজা ঘৰ নহয়। সি থকা ভাড়া ঘৰহে। অটোৰ পৰা নামিয়ে দিলীপে তাৰা-তাৰিকৈ ঘৰটোলৈ গ'ল আৰু সেই ঘৰৰ মালিকৰ ছোৱালী অনুক বিচাৰিব ধৰিলে। অনুক সি ভাল পায়, সেয়েহে অনুক বিচাৰি ইফাল সিফাল কৰিববলৈ ধৰিলে। সেই সময়ত

অনু কিবা কামত ব্যস্ত। দিলীপে অনুক দেখিয়ে তাইৰ ওচৰলৈ গৈ ঘপকৈ কৈ উঠিল—এই অনু! কি কৰিছা?

অনুৱে অলপ আচৰিত হৈ ক'লে—কি হ'ল, নোকোৱা কিয়?

"ওলোৱা না আমি যাব লাগিব" দিলীপে কৈ উঠিল।

"কি ওলাব লাগে! ইমান খৰ-ধৰকৈ ক'লৈ যাব লাগে। ভালকৈ কৈ নিদিয় কিয়? অনুৱে এইবাৰ বেছি আচৰিত হৈ ক'লে।

এইবাৰ দিলীপে তাইৰ কাণৰ ওচৰত ফুচ-ফুচাই ক'লে—"আমি আৰু ইয়াত থাকিব নোৱাৰো, আমি ইয়াৰপৰা পলাই যাব লাগিব। নহলে আমাৰ পিছলৈ আকৌ বেয়া হব পাৰে। গতিকে দেৰি নকৰি সোনকালে যাবহে লাগে।" অনুৱে এইবাৰ দিলীপৰ সকলো কথা বুজি পালে। কাৰণ দিলীপ আছিল তাইৰ ভৱিষ্যত জীৱনৰ সঙ্গী। কিন্তু সেয়া হলেও তাইৰ বুকুখন হমাৎকৈ উঠিছিল—এই ৰাতিপুৱাই কলৈ যাব। ৰাতি হলে বেলেগ কথা আছিল। ঘৰৰ মানুহে জানো আমি গলে দেখা নাপাব। সেই ভাবি তাই আচৰিত হ'ল। তথাপিও সিহঁত যাবই লাগিব। সেয়েহে তাই হাতত সাৰে, ভৰিত সাৰে তাইৰ কমত সোমাল আৰু পলম নকৰি এখন বেগত কেইখন-মান কাপোৰ ভৰাই পিন্ধি থকা মেক্সিটোৰ সৈতে বাহিৰলৈ ওলাই আহিল। সেই সময়ত অনুহঁতৰ ঘৰত অকল মাকজনীহে আছিল। মাকো ৰান্ধনি ঘৰত কিবা কামত ব্যস্ত। সেই সুযোগ লৈয়ে তাই ইফালে সিফালে চালে আৰু কাকো কতো নেদেখি দিলীপৰ হাতত বেগটো দি অটোৰিক্সাখন থকা ঠাইলৈ বেগাই খোজ ললে। কিন্তু তাই সেই মুহূৰ্তত ভাবিছিল যে যদি কোনোবাই সিহঁতৰ এই কৰ্ম দেখে তাই তেতিয়া কি কৰিব! এই কথাৰ উত্তৰ দি তাই কব যে সিহঁত ফুৰিবলৈ যাব। কাৰণ সিহঁতৰ এই ভাল পোৱাৰ কথা ওচৰৰ প্ৰায় মানুহে জানে। তথাপিও তাই বেছিকৈ ভাবিছে কাৰণ তাই যে মেক্সি পিন্ধি ওলাইছে। ফুৰিবলৈ হলে শাৰী বা মেখেলা চাদৰহে পিন্ধে। ভাগ্য ভাল সিহঁতক কোনেও দেখা নাপালে। লাজ ভয় কাটি কৰি থৈ কোনোমতে অটোখনত উঠিল। অটোত উঠাৰ পিছত দিলীপৰ বন্ধু জনে অটো চলাই দিলে। সিহঁতক এতিয়া পায় কোনে। তথাপিও সেই মুহূৰ্তত অনুৱে হঠাতে কান্দি দিলে। তাইৰ উপলব্ধি হ'ল যে এয়া সিহঁতে ভাল কৰিলেনে বেয়া কৰিলে। কিন্তু সিহঁতৰ উপায় নাই। সিহঁতৰ এই দিশটোৰ বাহিৰে অন্য উপায় নোহোৱা কাৰণেহে এই কামটো কৰিবলৈ বাধ্য হ'ল। নহলে সিহঁতৰ মনৰ আশা-আকাঙ্খা পূৰ্ণ নহলহেঁতেন।

কিছু সময় পিছত অটোৰিক্সাখন সিহঁতৰ ঘৰৰ বহু নিলগ হ'ল। অটোৰিক্সাখন যিমানে আগ-বাঢ়িব ধৰিলে সিমানে অনুৰ অন্তৰত বেদনাৰ জুইকুৰা বেছিকৈহে জ্বলিবলৈ ধৰিলে। তাই ঘনাই ঘনাই চকুলো টুকিবলৈ ধৰিলে কাৰণ তাই যে এনেকুৱা সাংঘাটিক কাম কৰিব সেই কথা সপোনত আনকি দিঠকতো ভবা নাছিল। তাই যে ঘৰখনক এনেকুৱা পৰিস্থিতিত এৰি

আহিব সেই কথা তাই কেতিয়াও কল্পনা কৰা নাছিল। তাইৰ বিশেষকৈ বেয়া লাগিছিল তাইৰ মৰমৰ মাকজনীলৈ। মাকে তাইক ইমান মৰম কৰিছিল যে সেই মৰমৰ কোনো সীমা নাছিল। ঘৰখনৰ সৰু ছোৱালী বাবেই তাই সকলোতকৈ বেছি মৰম পাইছিল। এবছৰ আগতে বায়েকজনীৰ বিয়া হোৱাত তাইয়ে ঘৰৰ ডাঙৰ জনী হৈ পৰিছিল। সেয়েহে ঘৰৰ সকলো কাম তাইৰ মূৰত। কামৰ উপৰি পঢ়িবও লাগিছিল তাই। সেয়ে তাই এইবোৰ কথা মনত পৰি কান্দি উঠিছিল।

তাইৰ চকুপানী দেখি দিলীপে সকলো বুজি পাইছিল আৰু শান্তনা দিয়াৰ সুৰত কৈছিল— "বাদ দিয়া অনু! চকু পানী টুকি আৰু লাভ নাই। আমিতো অকণো বেয়া কাম কৰা নাই। আমি প্ৰতিশোধহে লৈছো।"

"প্ৰতিশোধ'ৰ কথাষাৰ শুনি তাই কিছু সময় চিন্তা কৰিছিল। তাই উপলব্ধি কৰিলে যে প্ৰতিশোধ লব লাগিছিল তাইৰ দদায়েক আৰু ভিনদেউৱেকৰ ওপৰত; কিন্তু প্ৰতিশোধ লৈছে মৰমৰ মাক আৰু মৃত বুঢ়াবাপেকৰ ওপৰতো। মাক আৰু বুঢ়া বাপেকেতো তাইক কোনো অপৰাধ কৰা নাছিল, তাইক অপৰাধ কৰিছিল দদায়েক আৰু ভিনদেউয়েকেহে। সিহঁত দুজনেহে তাইৰ আৰু দিলীপৰ মাজত হোৱা সম্পৰ্ক ভাঙি দিব খুজিছিল। সেই হিচাপে তাই সিহঁতৰ ওপৰত প্ৰতিশোধ লৈছে। এইবোৰ কথা ভাবি ভাবি তাইৰ মন শোকত বিহ্বলা হৈ পৰিল।

দিলীপ আৰু তাইৰ মাজৰ সম্পৰ্ক প্ৰায় তিনি বছৰ আগৰ পৰাই আৰম্ভ হৈছিল। দিলীপ আছিল সুদূৰ বৰপেটা অঞ্চলৰ এজন বি, এ, পাছ কৰা ল'ৰা। চাকৰি বিচাৰি বিচাৰি হাবাথুৰি খাই অৱশেষত গুৱাহাটীলৈ আহি অটোৰিক্সা চলোৱাটোকে ঠিক কৰিলে। সেয়েহে সি অটোৰিক্সা এখন ভাড়া কৰি ললে। অটোৰিক্সা ললে হয় কিন্তু থকা আৰু খোৱা-লোৱাৰ কাৰণেও এটা ভাড়া ঘৰ লাগিল। সেয়ে সি ঘৰ বিচাৰি বেলতলাতে মাহিলি এশ টকাত এটা ভাড়া ঘৰ ঠিক কৰিলে। সেই ঘৰখনেই আছিল অনুহঁতৰ ঘৰ। তেতিয়াই অনু আৰু দিলীপৰ প্ৰথম চিনাকী। দিলীপ অহাৰ কিছুদিন আগতে অনুৰ দেউতাকৰ মৃত্যু হৈছিল। সেই সময়ত অনুহঁতৰ ঘৰখনত আছিল অনুৰ বুঢ়া বাপেক (ককা), মাক, এজনী বাইদেউ, এজন ককাইদেউ আৰু তাই। দেউতাকৰ মৃত্যুৰ পিছত অনুহঁতৰ ঘৰখনৰ কিছু পৰিবৰ্তন হৈছিল যদিও সিহঁতৰ ঘৰত কোনো অভাৱ নাছিল।

দিলীপ সিহঁতৰ ঘৰত ভাড়া লোৱাৰ সময়ত তাই দশম শ্ৰেণীত পঢ়ি আছিল। দিলীপে সিহঁতৰ ঘৰৰ আটাইৰে চিনাকী লৈছিল আৰু তাৰো চিনাকী দিছিল। তাইৰ আৰু দিলীপৰ চিনাকী হোৱাৰ পৰা তাই দিলীপক দাদা বুলি সম্বোধন কৰিছিল আৰু দিলীপেও তাইক ভনীৰ দৰে ব্যৱহাৰ কৰি অনু বুলিয়েই মাতিছিল। দিলীপ দেখাত এজন ধুনীয়া ল'ৰা। সি নিতৌ দিনত অটো চলাই আৰু গধুলি ঘৰলৈ আহি ভাত-পানী খাই শুই পৰিছিল। এনেকৈয়ে কিছুদিন চলাৰ পাছত দিলীপ আৰু তাইৰ মাজত হলি গলি

বেছিকৈ বাঢ়ি যাবলৈ ধৰিলে আৰু কেতিয়ানো সিহঁত দুটাৰ মাজত ভালপোৱা গঢ়ি উঠিল সিহঁতে গমকে নেপালে।

দিনৰ পিছত দিন, মাহৰ পিছত মাহ আৰু তাৰ পিছত বছৰো পাৰ হ'ল। এনেকৈয়ে সিহঁত হালৰ মাজত ক্ৰমান্বয়ে গভীৰ ভালপোৱাই সিহঁত দুটাক বলীয়া কৰি পেলালে। সিহঁতৰ ঘৰখন আছিল স্বাভাৱিকতে বৰ মৰমিয়াল আৰু ভদ্ৰ। সিহঁতৰ ঘৰখনৰ বুঢ়া বাপেকজন আছিল এজন সু-শিক্ষিত ব্যক্তি। বুঢ়া বাপেকে তাইক (অনুক) ঘৰখনৰ সৰু ছোৱালী বুলি ইমান মৰম কৰিছিল যে তাই যেন বুঢ়া বাপেকৰ মৰমৰ পৰাই দেউতাকৰ মৰম বিচাৰি পাইছিল। তাইৰ আৰু দিলীপৰ মাজত হোৱা সম্পৰ্কৰ কথা শুনিও বুঢ়া বাপেকে তাত একো মাত মতা নাছিল আৰু ঘৰৰ আনবিলাককো এই বিষয়ে মাত মাতিব দিয়া নাছিল। সেয়ে বুঢ়াৰ কথা সকলোৱে শুনিছিল আৰু সেই বাবেই দিলীপ আৰু তাইৰ মাজৰ সম্পৰ্ক দিনে দিনে বাঢ়ি গৈছিল। বুঢ়া বাপেকৰ একমাত্ৰ ইচ্ছা আছিল মৃত্যুৰ আগমুহূৰ্তত তাইৰ (অনুৰ) বিয়াখন যাতে চাই যাব পাৰে। উপযুক্ত দৰা হিচাপে বুঢ়া বাপেকে বিচাৰি পাইছিল তাই ভালপোৱা জনক অৰ্থাৎ দিলীপক। সেই ভাবিয়ে শেষলৈ সেই কথা সকলোৰে আগত ব্যক্ত কৰিছিল। বুঢ়াৰ কথাত আটাইয়ে সন্মতি জনাইছিল!

এই কথা লাহে লাহে দিলীপৰো কাণ চুলেগৈ। এই কথাত দিলীপে আনন্দ পাবই কাৰণ সি তাৰ বিচৰা ফলটোকে পাব। ইফালে তায়ো দিলীপৰ প্ৰতি বৰকৈ আকৃষ্ট হৈছিল। এই ঘোষণাৰ পিছৰপৰা দিলীপক ঘৰৰ আটাইকেইজনে বিশেষকৈ মাক আৰু বুঢ়া বাপেকে ইমান মৰম কৰিবলৈ ধৰিলে যে তাইক মৰম কৰা আৰু দিলীপক মৰম কৰাৰ মাজত কোনো পাৰ্থক্য বিচাৰি উলিয়াব নোৱাৰি। ইয়াৰ পিছৰপৰা দিলীপে প্ৰায় সিহঁতৰ ঘৰতে খাইছিল আৰু শুইছিলো। দিলীপ যে কোনো বেলেগ ল'ৰা তাত সন্দেহ নাছিল আৰু সিও নিজৰ ঘৰৰ দৰেই সিহঁতৰ ঘৰখনক চকু দিছিল। এনেকৈ তাইৰ আৰু দিলীপৰ মাজত ক্ৰমে গভীৰ তথা এৰাব নোৱাৰা সম্পৰ্ক হৈ পৰিছিল।

তাই জনা মতে এদিন তাইৰ বুঢ়াবাপেকে দিলীপক কৈছিল "দিলীপ বোপা, তুমি— য়েই আমাৰ আশাৰ পাত্ৰ। তুমি মোৰ নাতিনী জনীক যাতে জীৱনৰ সঙ্গী কৰি লৈ এখন সুখৰ সংসাৰ গঢ়ি তুলি মোৰ আৰু বোৱাৰীৰ মান ৰাখা সেয়ে মোৰ কামনা।" সেই একেই কথা তাইৰ মাকৰো। সেয়েহে তাইৰ এই কথা বাৰুকৈয়ে মনত পৰিছে। কিন্তু তাইৰ বুঢ়া বাপেক বেচিদিন জীয়াই নাথাকিল। বুঢ়াবাপেকৰ মৃত্যুৱে তাইক বেচিকৈ বলীয়া কৰি তুলিছিল। কাৰণ বুঢ়াবাপেকৰ ইচ্ছা আছিল যে তাইৰ আৰু দিলীপৰ বিয়াখন চোৱাৰ। কিন্তু সেই ইচ্ছা পূৰ্ণ কৰিব নোৱাৰিলে। দিলীপেও বুঢ়াবাপেকৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছিল।

বুঢ়াবাপেকৰ মৃত্যুৰ ছ-মাহমান পিছতে তাইৰ বায়েকজনীৰ বিয়া পাতিলে। বিয়াখন উলহ-মালহেৰে সম্পন্ন হৈ গ'ল। তাই এই বিয়াখনত

যথেষ্ঠ কষ্ট স্বীকাৰ কৰিছিল। দিলীপেও সেই বিয়াখন নিজৰ বায়েক বা ভনীয়েকৰ বিয়াৰ দৰে ভাবি বহুতো কষ্ট কৰিছিল। এতিয়া মাকৰ মনত চিন্তা তাইৰ আৰু দিলীপৰ বিয়াখন পতাৰ। বায়েকৰ বিয়াৰ পিছতে কেতিয়াবা কেতিয়াবা দিলীপে তাইক ঠাট্টাৰ সুৰত কৈছিল "এই অনু, এইবাৰ বিয়াৰ পাল আমাৰ পৰিছে। কেইমাহ মান পিছতে আমাৰ বিয়াখন পাতিব লাগিব।" এই কথা তাইৰ আজি বাৰুকৈ মনত পৰিছে।

এনেকৈয়ে বিয়াৰ পৰা প্ৰায় পাঁচ ছয়-মাহ পাৰ হৈ গ'ল। ক্ৰমান্বয়ে সিহঁতৰো শেষ আশা আগবাঢ়িবলৈ ধৰিলে। কিন্তু এই আশাত চেঁচা পানী পৰিবলৈ উপক্ৰম হবলৈ ধৰিলে। এই আশাত চেচা পানী ঢালিবলৈ ধৰিলে তাইৰ দদায়েক আৰু ভিনদেৱেকে। দদায়েকেতো আগতে তাইৰ আৰু দিলীপৰ বিয়াত সন্মত আছিল। হয়তো এই ক্ষেত্ৰত গুৰি ধৰিছিল তাইৰ ভিন-দেৱেকে। ভিনদেৱেকৰ ফুচলনিতে হয়তো দদায়েকে ভোল গৈ এনেকুৱা কৰিছে। সিহঁত দুয়োজনেই এতিয়া তাইক দিলীপৰ হাতত অৰ্পন কৰিবলৈ অমান্তি। এই কথাত তাইৰ মাকে বৰ দুখ পাইছিল। তায়ো এই কথা গম পায় কলিতে মৰহি যোৱা ফুলৰ দৰে অৱস্থা হৈছিল আৰু দিলীপক এই বিষয়ে জনাইছিল। দিলীপে কথা যাব শুনি মনত বৰ বেদনা পাইছিল আৰু তাইৰ ওচৰত প্ৰতিজ্ঞা কৰি কৈছিল - 'সি তাইক কোনো মতে এৰিব নোৱাৰে। সিহঁত দুজনৰ মাজত যি সম্পৰ্ক গঢ়ি উঠিছে সেই সম্পৰ্ক সি ম্লান হৈ যাব দিব নোৱাৰে'। তায়ো যেনে তেনে দিলীপৰ লগত যাবই। নহলে উপায় নাপালে মৃত্যুকে সাৱতি লব।

ইয়াৰ পিছত এদিন দদায়েক আৰু ভিনদেৱেকে তাইক মুখা-মুখিকৈ কৈ দিলে যে তাই দিলীপৰ লগত সম্পৰ্ক এৰি দিব লাগে। কাৰণ দিলীপ ভাল লৰা নহয়। তাইক সিহঁতে এজন উপ-যুক্ত দৰাৰ লগত বিয়া দিব। এই কথাত তাই প্ৰথমতে উত্তৰ দিব নোৱাৰি পাৰেমানে কান্দিছিল। অৱশেষত তাইৰ মুখেৰে এষাৰ মাত শুনা গৈছিল "তাই যে অন্তঃসত্তা"। তেতিয়াও সিহঁতে কৈছিল যে তাইক সিহঁতে ডাক্তৰৰ ওচৰলৈ লৈ যাব আৰু তাইক মুকলি কৰি ভাল পাত্ৰত বিয়া দিব। এই কথাত তাই মাথো কান্দি-ছিল আৰু কৈছিল—"তাই দিলীপক কেতিয়াও নেৰে।"

পুতেক আৰু জোৱায়েকৰ এই যুক্তিহীন কথাত মাক ভাগি পৰিছিল। কিন্তু কি কৰিব উপায় নাই। তাই আৰু দিলীপৰ যাতে সম্পৰ্ক শেষ হৈ যায় আৰু সাধাৰণ এজন অটোৰিক্সা চালক এজনক তাইক (অনুক) অৰ্পন নকৰিবলৈ বুলি দদায়েক আৰু ভিনদেৱেকে তাইক বায়েকৰ ঘৰলৈ লৈ আহিছিল। কিন্তু সিহঁতে অশেষ চেষ্টা কৰিও তাইক আৰু দিলীপক ধৰি ৰাখিব নোৱা-ৰিলে। বায়েকৰ ঘৰত কিছুদিন থকাৰ পিছত তাই এদিন ঘৰলৈ উভতিল আৰু উভতাৰ ফল স্বৰূপে সিহঁতৰ আজি এই অৱস্থা। সেই কথা ভাবি ভাবিয়েই তাই মাত্ৰ কান্দিছিল।

কিন্তু সিহঁতৰ উপায় এই দিশ লোৱাৰ উপৰি

উপায় নাই। দদায়েক আৰু ভিনদেৱেকৰ কাৰ্য্যাৱলীৰ ওপৰত প্ৰতিশোধ লবলৈ সিহঁত হালে আজি এই দিশ বাচি লব লগা হ'ল। কিন্তু মৰমৰ মাক আৰু মৃত বুঢ়াবাপেকৰ প্ৰতিচ্ছবিয়ে তাইক ঘনাই ঘনাই কামুৰি খাবলৈ ধৰিলে। সেয়ে তাইৰ এইবোৰ কথা মনলৈ অহাত তাইৰ চকু-হালেৰে নিগৰি আহিছিল কেৱল চকু পানী।

অনুৰ চকুত চকুপানী দেখি দিলীপৰো চকুৰে দুটোপাল চকুপানী নিগৰি আহিল। উপায় নাপায় সি তাৰ পকেটৰ পৰা ৰুমালখন উলিয়াই তাৰ চকু দুটা লাহেকৈ মচি আনিলে।

# সেই তৃপ্তিদায়ক ভাত সাজ

**অধ্যাপক, নগেন কলিতা**
অসমীয়া বিভাগ।

নৰেশ্বৰে আজি এসপ্তাহ ধৰি একেৰাহে ধনী মহাজনৰ ঘৰত হাড়ভগা শ্ৰম কৰিছে। আৰু তিনিদিন পিচতেই নৰেশ্বৰৰ বাবে সেই নিৰ্দিষ্ট দিনটো উপস্থিত হ'বহি। গতিকে টকা দুটামান যোগাৰ কৰি নললে নহ'ব। নহলে দেখোন লাজমান সোপাকেই পুৰি খোৱা হ'ব। নৰেশ্বৰৰ মানুহজনীৰো সেই একেটাই চিন্তা। সেই নিৰ্দিষ্ট দিনটো ভালে ভালে পাৰ কৰিব পাৰিলেই হয়।

নৰেশ্বৰে যদিও হাজিৰা কৰি জীৱন নিৰ্বাহ কৰে, চহৰখনৰ বেছিভাগ মানুহৰ মাজত সি 'মহাজন' নামেৰেহে পৰিচিত। নৰেশ্বৰৰ জীৱনৰ ইতিহাসৰ লগত পৰিচয় নথকা মানুহে তাক মহাজন বুলি মতা শুনিলে ফিচিঙা-ফিচিঙি কৰিব বিচাৰে। কিন্তু যিবোৰে তাৰ অতীত জীৱনৰ করুণ কাহিনী জানে তাক দেখিলে দুখৰ হুমুনিয়াহ পেলায়। নিষ্ঠুৰ নিয়তিৰ কি পৰিহাস। আছিল কি, হ'ল কি। ভাগ্যৰ চকৰি বাৰু এনেকৈয়ে ঘূৰে নেকি?

নৰেশ্বৰ এদিন যিখন গাঁৱৰ বাসিন্দা আছিল সেইখন গাঁৱৰ অস্তিত্বই নাইকীয়া হৈ গৈছে। বিশাল ব্ৰহ্মপুত্ৰই তাক গ্ৰাস কৰি পেলাইছে। এটা ৰাতিৰ ভিতৰতে ব্ৰহ্মপুত্ৰই গাঁৱখন পেটৰ ভিতৰত সুমুৱাই লৈছিল। গাঁওখনৰ মানুহবোৰে নিজৰ নিজৰ জীউকেইটা টোপোলা বান্ধি লৈ ৰাক্ষসী ব্ৰহ্মপুত্ৰৰ কবলৰ পৰা মুক্ত হৈ আহিছিল দৌৰা-দৌৰি কৰি। তাৰ পিচত কিছুদিন মথাউৰিৰ ওপৰতেই কটালে। কিন্তু তাত থাকি

জীৱিকা নিৰ্বাহ কৰাটো কঠিন যেন দেখি ঢাপলি মেলিলে নতুনকৈ গঢ়ি উঠা ওচৰৰেই চহৰখনলৈ বুলি। চহৰৰ মানুহৰ ঘৰত কাম কৰিলে মজুৰিও অলপ বেছি পোৱা যায় আৰু কামো প্ৰায়েই পোৱা যায়, বেছিদিন বহি থাকিব নালাগে। চহৰলৈ আহি সি ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰ চৰকাৰী মাটিতে পজা এটি সাজি ছয়জনীয়া পৰিয়ালটো তাতেই ৰাখিছে।

পজাটিৰ ভিতৰত বহি আকাশৰ তৰা লেখোতে হঠাতে অতীতৰ স্মৃতিয়ে ভূমুকি মাৰিলে নৰেশ্বৰে আজিও নীৰৱে চকুলো টোকে। যিজন মানুহৰ ঘৰত প্ৰতিদিনে তিনি চাৰিজন কামকৰা মানুহ থাকে সেইজন মানুহে আজি আনৰ ঘৰত হাজিৰা কৰিব লগীয়া হৈছে। যিজন মানুহৰ ঘৰৰ পৰা গাখীৰ নুগুচিছিল সেইজন মানুহৰ ল'ৰা-ছোৱালীয়ে আজি গাখীৰৰ ৰং বগা নে ক'লা চিনি নোপোৱা হৈছে। অথচ নৰেশ্বৰৰ এদিন এপাল ম'হ আছিল। সেইবোৰো ব্ৰহ্মপুত্ৰই গ্ৰাস কৰিলে। গাখীৰৰ কথা মনলৈ আহিলেই ম'হজাকৰ ছবি নৰেশ্বৰৰ স্মৃতিৰ পটত জিলিকি উঠে। আৰু মনত পৰে ম'হৰ খুটিৰ এঠা দৈৰ কথা। সেই দৈৰ কথা মনত পৰিলেই নৰেশ্বৰে বাস্তৱৰ পৰা বহু দূৰলৈ গৈ সোঁহাতৰ আঙুলি কেইটা খেপিয়াই চায়, দৈৰ এঠা লাগিয়েই আছে নেকি।

ব্ৰহ্মপুত্ৰই খেদি পঠিওৱাৰ পিছৰে পৰা নৰেশ্বৰৰ আৰম্ভ হৈছে অন্য এক জীৱন, যি জীৱনত প্ৰয়োজনতকৈ বেছি পোৱাৰ নাই দুৰাকাংখা, যি জীৱনত নাই ৰাতিটোৰ ভিতৰতে হাতীটো কিনাৰ দুঃস্বপ্ন, আছে মাথোন দুবেলা দুমুঠি খাই জীয়াই থকাৰ প্ৰবল ইচ্ছা।

জীৱন যুঁজত যুঁজি যুঁজিও কোনোদিনে ভাগৰি নপৰা নৰেশ্বৰ যেন আজি ভাগৰি পৰিছে অৱশ হৈ পৰিছে। নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ যি জুই-ছাই দাম হাজিৰাৰ টকাৰে খোৱাখিনি যোগাৰ কৰাই কঠিন হৈ পৰিছে। এবিকলো চাউলৰ দাম দহ টকা, মুগৰ দালিৰ কেজি উনৈশ টকা, মিঠাতেলৰ লিটাৰ চল্লিশ টকা। কিন্তু বনুৱা এজনৰ মজুৰি হ'ল মাত্ৰ বিশ টকা। বস্তুৰ দাম যি হাৰত বানপানী বঢ়া দি বাঢ়িছে সেই অনুপাতে মজুৰিতো নাবাঢ়ে।

নৰেশ্বৰ সৰু মানুহ হলেও তাৰ পৰ্য্যালোচনাবোৰ কিন্তু উচ্চস্তৰৰ। কেতিয়াবা চাহ দোকানত বহিলে মনেমিলা মানুহ পালে সাময়িক পৰিস্থিতিৰ ওপৰত আলোকপাত কৰে—"উঃ ৰাম ৰাম কিনো দিন পৰিল অ'। দেশ ৰসাতলে গেল বাপাহঁত। দিনক দিনে বস্তুৰ দাম কেনেকে বাৰবা ধৰিছি, বাধা দেওঁতা নাই। চালা সব সেই। লংকাক যি যায় সিয়ে ৰাৱণ হয়। বেতাহঁত মন্ত্ৰী এমেলে হৈছিতো, ইতা কাই মাতে সেঁহাতোক। ভুট খোজ্‌বা আহাৰ সময়ত কি সুন্দাৰকে কবো—আপোনালোকে আমাক ভুট দিয়ক অমুক কৰিম, তমুক কৰিম, বস্তুৰ দাম কমাম। ইতা ভুটকেটা পালাতো...................।" —এইবোৰ নৰেশ্বৰৰ সৰল মনটোৱে কৰা উপলব্ধিহে। সি মানুহটো সৰু হলেও উপলব্ধিটো কিন্তু সৰু নহয়। জীৱন যুঁজত জুৰুলা হৈ নৰেশ্বৰে আজি এনেবোৰ উপলব্ধি কৰিব পৰা হৈছে। অৰ্থনীতিবিদৰ দৰে পৰ্য্যালোচনা কৰিব পৰা হৈছে। পৰিস্থিতিয়ে

**ব্ৰহ্মপুত্ৰই খেদি পঠিওৱাৰ পিছৰে পৰা নৰেশ্বৰৰ আৰম্ভ হৈছে অন্য এক জীৱন যি জীৱনত প্ৰয়োজনতকৈ বেছি পোৱাৰ নাই দুৰাকাংখা. যি জীৱনত নাই ৰাতিটোৰ ভিতৰতে হাতীটো কিনাৰ দুঃস্বপ্ন, আছে মাথোন দুবেলা দুমুঠি খাই জীয়াই থকাৰ প্ৰবল ইচ্ছা।**

তাক শিকাইছে।

অইন দিনাৰ দৰেই সেই দিনাও ৰাতিপুৱা বিচনাৰ পৰা উঠিয়েই নৰেশ্বৰে ধনী মহাজনৰ ঘৰ অভিমুখে খোজ পেলালে। বাটেৰে খোজ কাঢ়ি থাকোতেও নৰেশ্বৰৰ মনত সেই নিৰ্দিষ্ট দিনটোৰেই ভুমুকি মাৰি আছিল। মাজতে মাথোন তিনিটা দিনহে বাকী। এই তিনিটা দিনো মহাজনৰ তাত কাম কৰিব পাৰিলে টকা কেইটামান গোট খালেহেঁতেন। সেই টকাৰে কিবাকৈ সেই দিনটো পাৰ কৰিব লাগিব। প্ৰয়োজন হলে মহাজনৰ পৰা আগধন অলপ হলেও লব লাগিব। এনেদৰে গুণা-গঠা কৰি গৈ থাকোতে কেতিয়া গৈ সি ধনী মহাজনৰ চোতাল উঠিল গমেই নাপালে।

ধনী মহাজন সৰু চহৰখনৰ ভিতৰতেই অৱস্থা-সম্পন্ন ব্যক্তি। নতুনকৈ ধনী হৈছে। ভুৱা আভিজাত্যৰ এটা ঢং আছে। আভিজাত্য জাহিৰ কৰিবৰ বাবেই ভূটীয়া কুকুৰ এটাও পুহিছে আৰু নঙলাৰ সন্মুখত ফলক এখন আঁৰি থৈছে "কুকুৰৰ পৰা সাৱধান।" তাৰমানে ভিতৰত কুকুৰ আছে মানুহ গলে কামুৰিব। মানুহ খোৱা কুকুৰ এটা বাৰু পুহিব লাগিছে কেলেই? নৰেশ্বৰে নিজকে প্ৰশ্ন কৰে। তাৰোপৰি ধনী মহাজনে সেই কুকুৰ-টোক যি খাদ্য খুৱায়, বহুত মানুহেই কিজানি সেই খাদ্য নাপায়। মাংসৰ টুকুৰাৰে জহা চাউলৰ ভাত কুকুৰটোক দিয়া দেখিলে নৰেশ্বৰৰ নিজৰ ল'ৰা-ছোৱালী কেইটালৈ মনত পৰে। কুকুৰটোৰ আগৰ পৰা ভাতসাজ কাঢ়ি আনিবৰ মন যায় তাৰ।

চাওতে চাওতে নৰেশ্বৰৰ সন্মুখত সেই দিনটো উপস্থিত হ'লহি। অকল নৰেশ্বৰৰ বাবেই নহয়, গোটেই ঘৰখনৰ বাবেই এই দিনটো আনন্দৰ আৰু স্মৰণীয় দিন হৈ ৰ'ব। প্ৰথম ছোৱালীজনীৰ বিয়া হৈ যোৱা দুমাহ হ'ল। প্ৰথমবাৰৰ বাবে এইবাৰ বাপেক মাকৰ ঘৰলৈ আহিব শহুৰেকৰ ঘৰৰ পৰা। ছোৱালী অকলে নাহে, লগত জোৱায়েকো আহিব। নৰেশ্বৰৰ ঘৈণীয়েকৰো আজি দৌৰা দৌৰি লাগিছে। ৰাতিপুৱাৰ পৰা খোৱাৰ যোগাৰ কৰাতেই লাগি আছে। ডাঙৰটো ল বাক দেওবৰীয়া হাটলৈ পঠিয়াইছে পাৰ-চাৰ এযোৰ পাই যদি আনিবলৈ।

বজাৰত যিকেইযোৰ পাৰ ওলায় চহৰৰ চাকৰিয়াল বিশেষকৈ বেংকৰ মেনেজাৰ, ইঞ্জিনিয়াৰ, ঠিকাদাৰ আৰু পুলিচ থানাৰ মানুহখিনিয়ে থাপতে উৰুৱাই দিয়ে চিলনীয়ে কাঢ়ি নিয়াৰ দৰে। এই মানুহখিনিৰ হেনো টকা অহা বহুবোৰ বাট

আছে আৰু সেই বাবেই বজাৰখনৰ ভাল বস্তু বোৰ হেনো এইসকল লোকেই চৰা দাম দি হলেও ক্রয় কৰি লৈ যায়। নৰেশ্বৰৰ ল'ৰাই বাৰু পাৰ পায় ক'ত ?

পাৰ নোপোৱাত নৰেশ্বৰে ওচৰৰ দোকানৰ পৰা মুগুদালি আধা কেজি আৰু ৰহৰ দালি আধা কেজি নিয়ালে। যিহেতু পাৰৰ আঞ্জা নহ'ল মাছৰ আঞ্জাৰ সৈতে দালি এখন, তৰকাৰী আৰু বেঙেনা ভজাৰ ব্যৱস্থা কৰাটোকে স্থিৰ কৰিলে।

আজি পাকঘৰৰ পৰা আঞ্জাৰ যি সুস্বাদু গোন্ধ নিৰ্গত হবলৈ ধৰিছে সেই গোন্ধে নৰেশ্বৰৰ সৰু পুতেক – জীয়েকহালক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। সেয়েহে সিহঁতে সেই গোন্ধ লৈ লৈ পাকঘৰলৈ আহি লোভনীয় দৃষ্টি পাকঘৰটোলৈ বিচ্ছুৰিত কৰি মাকক সোধে – "মাই ভাত হৈছিনা।" এজনে সোধে—"মাই আঞ্জা বৰ সদ কোচ্ছা নহয় ?"

"ওঁ, আজি বায়েৰে-ভিনেৰে আহিবো নহয়, একে লগে খাবি যা। ইতা যা।" মাকৰ উত্তৰ শুনি সিহঁত হালে জিভাত জমা হোৱা পানীখিনি সেপ ঢুকি গিলি থৈ লাহে লাহে আঁতৰি আহিল আৰু তেনেতে ককায়েকে দেখা পাই কলে – "অই, ৰহচোন, ৰহ, ৰহ। তহঁতে কিন্তু আজি খাৱাৰ সমায়ত হাল্লা নকৰবি দে। নহালি ভিনি কিন্তু লাজ দিবো।"

ককায়েক বলেনৰ কথাত ছুয়ো একোটা লাজুক লাজুক হাঁহি মাৰি বাটৰ ফালে দৌৰ মাৰিলে। বাটৰ ফালে যোৱাৰ অৰ্থ এয়ে যে ভিনিয়েকহঁত আহিলেই তেওঁলোকৰ সৈতে ইহঁতকো ভাত দিব বুলি কৈছে যেতিয়া ভিনিদেৱেকহঁত যিমান সোনকালে আহি পায় সিহঁতৰ বাবেই মংগল। সেয়ে এইবাৰ পতুলিমুখত ৰৈ তেওঁলোকৰ বাবেই অপেক্ষা কৰি থাকিল সিহঁতে।

অলপ পিচতে ছুয়ো "আহিল আহিল" বুলি চিঞৰি চোতাল পালেহি। তাৰমানে আলহী আহিল। নৰেশ্বৰৰ ঘৈণীয়েকৰো ৰন্ধা বঢ়া শেষ। সেয়েহে দৌৱা-দৌৱিকে পাগ্‌চালি খনৰ পৰা ওলাই আহি বিচনাখন আকৌ এবাৰ জোকাৰি ভাল দৰে পাৰি থলে।

জী-জোৱায়েকক প্ৰথমে চাহেৰে আপ্যায়িত কৰি অলপ সময় পিচতে খাবলৈ দিলে। জোৱায়েকৰ কথামতেই খুলশালীয়েকহঁতকো একেলগে দিলে খাবলৈ। জোৱায়েকৰ খোৱা হোৱাৰ বহু পিচলৈ নৰেশ্বৰৰ সৰু ল ৰা ছোৱালীহালে খায়েই থাকিল। সিহঁতে আজি বৰ তৃপ্তিৰে খাইছে ভাত সাজ। বহুদিন দালিৰ আঞ্জাৰে ভাত খোৱা নাছিল। দালিৰ যিহে দাম। খায় কৰ পৰা. সেয়েহে আজি বৰ তৃপ্তিৰে খালে ভাত সাজ।

নৰেশ্বৰৰ ঘৰত ছুমাহৰ মূৰত ৰন্ধা হল এই তৃপ্তিদায়ক ভাত সাজ। ছুমাহ আগতে ছোৱালীৰ বিয়াত ৰন্ধা হৈছিল এনে ভাত।

ল ৰা-ছোৱালী হালে টকলিয়াই টকলিয়াই তৃপ্তিৰে ভাত সাজ খাই পেটকেইটা ঢোলহেন কৰি পেটত হাত বুলাই বুলাই পাটৰ পৰা উঠিল।

০ ০ ০ ০

# বৃত্ত ভঙাৰ স্বপ্ন

○○○○○○○○○

অধ্যাপক, প্ৰদীপ দাস
বাণিজ্য বিভাগ

**সকলোৱে তাক বৰ ভাল পায় ভদ্ৰ, অমায়িক গুণৰ বাবে। যিটো সময়ত হোষ্টেলৰ ল'ৰাবোৰে মাৰকেট, চুটীত আড্ডাৰ মহল পাতিছিল, তেতিয়া সি কোনোবা অধ্যাপকৰ লগতে অৰ্থনীতিৰ তত্ত্বৰ মাজত বুৰ গৈ আছিল। অধ্যাপকেও তাৰ পঢ়াৰ আগ্ৰহ দেখি পাৰ্য্যমানে সহায় কৰিছিল। এইদৰে এদিন সি অৰ্থনীতিৰ স্নাতকোত্তৰ হৈ বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহিল।**

আইন দিনাৰ দৰে আজিও ভেদোৱে চৌধুৰীৰ ঘৰত তেল দিবলৈ গ'ল। বাৰাণ্দাত চৌধুৰীৰৰ নোদোকা নাতিনীৰ হাতত ৰঙীণ কিতাপ। তেল দি আহি ভেদোৱে অত্যন্তঃ কৌতুহলেৰে নাতিনীৰ হাতৰপৰা কিতাপখন লৈ চকু ফুৰালে। সুন্দৰ আখৰ আৰু ছবিৰে ভৰপূৰ শিশুৰ কিতাপ। তাৰ মনত পৰি গ'ল সৰু কালত "কুঁহিপাত কুমলীয়া" বুলি আওৰা পদ্যটো। সি সুন্দৰ ছবিবোৰ চাই ৰ'ল। হঠাতে কণমানি ছোৱালী জনীৰ হাত দুটাই কিতাপখন থাপ মাৰি লৈ গ'ল। সি ছোৱালী জনীৰ এই কাণ্ডৰ বাবে হাঁহিলে। কিন্তু তাক হতভম্ব কৰি মণিয়ে কৈ উঠিল—"ছিঃ কিতাপখন একদম্ লেতেৰা কৰিলা ককা, বাপেকে—হাঁহিবলৈ আৰম্ভ কৰি দিলে। হাঁহিৰ মাজতেই ছোৱালী জনীৰ বুঢ়ীমাকে ক'লে - "ঐ ভেদো এইক তোলৈ বিয়া দিম দে—ভালেই হবদে তাই সদায় তোৰ তেলৰ গাড়ীত উঠিব পাৰিব।" কণমাণি ছোৱালীজনী জাঙুৰ খাই উঠিল—(বুঢ়া আঙুলি দেখুৱাই) "যাম যোৱা এইডাল খাব নোপোৱা, ছাল ছিগা ভিকহুলৈ।" তাইৰ কথাত এইবাৰ দুগুণ জোৰেৰে আটাইবোৰে হাঁহিবলৈ ধৰিলে। সেই হাঁহিবোৰ প্ৰচণ্ড বিদ্ৰূপ; তাচ্ছিল্য হৈ তাৰ ওপৰত উফৰি পৰিল। সি হাঁহিৰ কাঁইটনীৰ মাজেৰে তাৰপৰা ওলাই আহিল।

সিদিনা তাৰ গোটেই ৰাতি টোপনি নাহিল। জীৱনত বহুত মানুহৰ মাৰ খাইছে, ককৰ্থনা পাইছে তথাপি তাৰ মনত ইমান দুখ লগা নাছিল। সি নিজকে ধিক্কাৰ দি ভাবিলে—মই কাৰ কি এনে ডাঙৰ অপৰাধ কৰিছো যে সকলোৱে মোক অপমান কৰে, ঠাট্টা কৰে। মোক হীন বুলি ভাৱে। মই গৰীৱৰ ঘৰত জন্ম গ্ৰহণ কৰাতো জানো মোৰ অপৰাধ? নে মূৰৰ ঘাম মাটিত পেলাই সিহঁতৰ ঘৰে ঘৰে তেল দিয়াতো? মোৰ ধন নাই, শিক্ষা নাই মানি লৈছো—সেই বুলি ইমান অপমান সহ্য

কৰিম কিয় ? হঠাৎ সি ঠিৰাং কৰিলে সি ডাঙৰ মানুহ হব। সি আকৌ পঢ়িব। পঢ়ি·······

পিছদিনা সি ৰাতিপুৱাই তাৰ এসময়ৰ বন্ধু পল্লৱ চহৰীয়াৰ ঘৰত উপস্থিত হ'ল। পল্লব স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ। সি পল্লৱক ক'লে, সি পুনৰ পঢ়া আৰম্ভ কৰিব। পল্লৱে বৰ সন্তোষ পালে আৰু তাক পাৰ্যমানে সহায় কৰিব বুলি কথা দিলে।

এতিয়াৰ পৰা ভেদোৰ কাম দিনত তেল দিয়া আৰু ৰাতি নিজকে পঢ়াত ব্যস্ত ৰখা। পঢ়াত সি বৰ বেয়া নাছিল। সি প্ৰাইভেটকৈ মেট্ৰিক পৰীক্ষা দিয়াৰ বাবে ঠিৰাং কৰিলে।

পৰীক্ষাৰ যাৱতীয় কামবোৰ পল্লৱে কৰি দিলে। মাজে সময়ে দুই এটা অংকও শিকাই যায়। যিমানে পৰীক্ষা ওচৰ চাপিছে সিমানে পঢ়াত সি মনোযোগ দিবলৈ ধৰিলে।

এদিন পৰীক্ষা শেষ হৈ গ'ল আৰু সি তৃতীয় বিভাগত পাছ কৰিলে। মেট্ৰিক পাছ কৰাৰ পিছৰে পৰা ভেদোৱে মাক আৰু ভনীয়েকক নলবাৰীত থকা নিজ ঘৰলৈ লৈ আহিল। সি ওচৰৰ কলেজ এখনত নাম ভৰ্ত্তি কৰিলে। লাহে লাহে ভেদো নাম সলনি হৈ শৈলেন হ'ল। কেইটা-মান টিউচন যোগাৰ কৰি লৈ শৈলেন নাম লৈ আৰম্ভ কৰিলে জীৱন সংগ্ৰামৰ অন্য এক নতুন অধ্যায়·······।

এনেদৰে দিনবোৰ পঢ়া আৰু টিউচনৰ ব্যস্ততাৰে পাৰ হৈ গৈছে। এদিন সি পি, ইউ, পাছ কৰিলে। দুগুণ মনোবলেৰে সি আকৌ পঢ়াত মনোনিবেশ কৰিলে। অৰ্থনীতত সন্মানসহ বি, এ, পাছ কৰি সি এদিন গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহিল। এতিয়া শৈলেনৰ মনত গভীৰ উৎসাহ, বুকুত আদম্য সাহস·······।

বিশ্ববিদ্যালয়ত হোষ্টেলত থাকি পঢ়িব লগা হোৱাত বহু কষ্টেৰে পঢ়িব লগা হ'ল। হোষ্টেলত সি বহু ঠাইৰ বন্ধু-বান্ধৱীৰ লগত পৰিচয় হয়। সকলোৱে তাক বৰ ভাল পায় ভদ্ৰ, অমায়িক গুণৰ বাবে। যিটো সময়ত হোষ্টেলৰ ল'ৰাবোৰে মাৰকেট, চুটীত আড্ডাৰ মহলা পাতিছিল, তেতিয়া সি কোনোবা অধ্যাপকৰ সৈতে অৰ্থনীতিৰ তত্ত্বৰ মাজত বুৰ গৈ আছিল। অধ্যাপকেও তাৰ পঢ়াৰ আগ্ৰহ দেখি পাৰ্যমানে সহায় কৰিছিল। এইদৰে এদিন সি অৰ্থনীতিৰ স্নাতকোত্তৰ হৈ বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহিল।

এম, এ, পাছ কৰিয়েই সি পঢ়া কলেজখনতে অধ্যাপক হিচাপে কামত যোগদান কৰিলে। সি হ'ল কলেজৰ অধ্যাপক। এতিয়া সি পৰিচিত হ'ল প্ৰফেচাৰ বুলি। লাহে লাহে সি এতিয়া অৰ্থনৈতিক দিশৰ পৰা স্বচ্ছল হ'ল আৰু ভনীয়ে-কক বিয়া দি সি ককায়েকৰ দায়িত্ব পালন কৰিলে।

কলেজ; কিতাপ আৰু ছাত্ৰ ছাত্ৰীৰ মাজতে তাৰ জীৱন অতিবাহিত হব ধৰিলে। তাৰ হৃদয়লৈ নতুনৰ ৰেঙনি বিয়পি পৰিল। পুনৰ আৰম্ভ হ'ল তাৰ অন্য এক জীৱন যাপন।

বৰপেটাৰ কোনোবা মণিকা চৌধুৰীয়ে তাৰ কলেজত চাকৰি পাইছে। অৰ্থনীতিৰ অধ্যাপিকা। মণি ছোৱালীজনী দেখাত ধুনীয়া। কথা কমকৈ কয়, আৰু চুলিবোৰ অকণমান বৰ কাট দিয়া। মণি ষ্টাফৰ সকলোৰে লগত চিনাকী হ'ল আৰু

এই উপলক্ষে এটা প্ৰীতিভোজৰো আয়োজন কৰিলে।

শৈলেনৰ ব্যৱহাৰ আৰু কথা-বতৰাত মণিৰ আকৰ্ষণ বাঢ়িল আৰু কব নোৱাৰাকৈ অলপ দিনৰ ভিতৰতে মণিয়ে শৈলেনক ভাল পাই পেলালে। কথাতো শৈলেনে গম নোপোৱাকৈয়ে মণি বহুত আগবাঢ়ি গ'ল।

শৈলেনৰ মাকৰ খেচখেচনিত শৈলেনৰ বন্ধুবোৰে বিয়াৰ বাবে তাক জোৰ দিবলৈ ধৰিলে। কলেজৰ কমন ৰুমতো মাজে মাজে কথাটো ওলায়। মণিকাৰ বুকুখন তেতিয়া কিবা এক অজান আনন্দত বিষাই উঠে।

আজি তিনিদিন হ'ল শৈলেন কলেজলৈ অহা নাই। জ্বৰ হোৱা বাবে সি এসপ্তাহ চুটি লৈছে। মণি ক্লাছ শেষ কৰি আবেলি শৈলেনৰ ঘৰলৈ গ'ল। যাওঁতে ৰাষ্টাত মণিয়ে ভাবি গৈ আছে যদি সুবিধা হয় তাই শৈলেনৰ পৰা এটা উত্তৰ আদায় কৰিব। যিটো তাই........।

মণিক দেখাৰ লগে লগে শৈলেন আচৰিত হ'ল। সি তাইক বহিবলৈ দিলে। সিহঁত দুয়োটাই বিভিন্ন কথাই আলোচনা কৰিলে। অৰ্থনীতিৰ পৰা ৰাজনীতিলৈ। কিন্তু বহুবাৰ চেষ্টা কৰিও তাই মনতে ভাবি অহা কথাটো শৈলেনক কব নোৱাৰিলে। উভতি আহি তাই নিজৰ ওপৰতে খং উঠিল।

মণিয়ে ষ্টাফক এদিন তাইৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে। প্ৰতি বছৰেই তাইৰ জন্ম দিনত এটা ডাঙৰ উৎসৱেই হয়। উৎসাহেৰে পাতে বোলে। তাই জয়া বাইদেউক বাছষ্টেণ্ডৰ পৰা নামি তাইৰ ঘৰলৈ কেনি যাব লাগে ৰাষ্টাৰ নক্সা এটাও দি গ'ল। মণিৰ মনৰ মণি কোঠাত শৈলেনৰ বাবেই নিমন্ত্ৰণী পৰাইখন বিশেষভাৱে আগবঢ়াবৰ বাবে থোৱা হৈছিল যদিও তাই এইবাৰো একান্তভাৱে তাক প্ৰকাশ কৰিব নোৱাৰিলে। অৱশ্যে শৈলেনে বুজি পাইছিল মণিৰ মনৰ ব্যগ্ৰতাখিনি, আশাখিনি।

শেষত শৈলেনে হাৰ মানিলে। সি ষ্টাফৰ জয়া বাইদেউ আৰু মৃণাল শৰ্মাৰ কিছু জোৰত বৰপেটালৈ যাবলগা হ'ল। আচলতে বৰপেটাত এৰি অহা তাৰ জীৱনৰ গ্লানিবোৰ সি তালৈ গৈ পুনৰ সোঁৱৰণ কৰাৰ ইচ্ছা নাই। তথাপিও মনৰ মাজতে কোমলভাৱে দোলা দিয়া এক আলোড়নে তাক বৰপেটালৈ টানি নিলে।

বৰপেটা পোৱাৰ লগে লগে মনত পৰিল তাৰ জন্ম গাওঁখনলৈ, দেউতাকলৈ, মনত পৰিল ভেদো হকাৰলৈ, মনত পৰিল চৌধুৰীৰ একমাত্ৰ জীয়েকে তাক কৰা অপমান! ইত্যাদি নানান কথা। মণিয়ে দিয়া নিৰ্দেশমতে নিৰ্দিষ্ট ঠাইলৈ যাত্ৰা কৰিলে। জয়া বাইদেউৱে নিৰ্দেশিকা হৈ সিহঁতক লৈ গ'ল। শৈলেনৰ মৌনতাৰ বাবে সিহঁতে তাক গোটেইটো ৰাস্তা জোকাই গ'ল।

শৈলেনৰ গোটেই ৰাস্তাবোৰে মনত আছে। আগতকৈ বৰপেটা বহুত সলনি হ'ল। ৰাস্তাঘাটবোৰ পকী হ'ল। সৰু সৰু ঘৰবোৰৰ ঠাইত কেইবা মহলীয়া অট্টালিকা উঠিল।

শৈলেনহঁত আহি অমৰেন্দ্ৰ চৌধুৰীৰ ঘৰৰ কাষ পালেহি। ঘৰৰ সন্মুখত বহু গাড়ী, স্কুটাৰ, মটৰ, চাইকেল। "সিহঁত অমৰেন্দ্ৰ চৌধুৰীৰ ঘৰলৈকে অহা নাইতো?" মণি অমৰেন্দ্ৰ চৌধুৰীৰ

জীয়েক নহয়তো ?” এনেকৈ ভাবি থাকোতেই সিহঁতৰ বিক্সা কেইখন চৌধুৰীৰ পদূলি মুখতে ৰলহি। শৈলেনৰ মনলৈ নানান প্ৰশ্ন লানি নিছিগাকৈ আহিবলৈ ধৰিলে। অতীতৰ ঘটনাই তাক বিব্ৰত কৰি তুলিলে। শৈলেনৰ কিবা এটা কাম থকা বুলি বাকী কেইজনক অলপ আগবাঢ়িব দি সি ওচৰেৰে এখন পাণ দোকানত এটা চিগাৰেট জ্বলাই চৌধুৰীৰ অট্টালিকাটো আকৌ এবাৰ চাই ল'লে। —যেন প্ৰকাণ্ড এটুকুৰা কঠিন লো নিজে নিজে গলিবলৈ ধৰিছে……… ।

মণিয়ে জয়া বাইদেউহঁতক দেখি আথে-বেথে একেবাৰে আচুতীয়াকৈ থোৱা ওপৰ মহলালৈ লৈ গ'ল। সিহঁতৰ মাজত শৈলেনক নেদেখি মণিৰ বুকুখনৰ ক'ৰবাত এটা প্ৰকাণ্ড খুন্দা মাৰি দিলে। “শৈলেন দা নাহিল নেকি ?” অনিৰুদ্ধই মাত লগালে—আহিছে কিবা এটা কামৰ বাবে অলপ পিছ পৰিছে। মণিয়ে ৰাস্তাৰ পিনে বৰ ব্যগ্ৰভাৱে চাই আছে। এনেতে চিগাৰেট পেলাই দি শৈলেন মণিৰ ঘৰত সোমাল। শৈলেনক মণিয়ে ওপৰলৈ লৈ আহিল। এতিয়াহে তাইৰ জন্ম দিনৰ সাৰ্থকতা অনুভৱ কৰিলে। মণিয়ে দেউতাক অমৰেন্দ্ৰ চৌধুৰীৰ লগত সিহঁতক পৰিচয় কৰি দিলে। চৌধুৰীয়ে তেওঁলোকৰ উপস্থিতিত আনন্দিত হোৱা বুলি ক'লে। শৈলেন হঠাৎ তললৈ নামি একেবাৰে পিছ পিনে থকা গোহালি ঘৰটোলৈ গ'ল। আজিও তাত কিছুমান মানুহে ভোজ খাই আছে। তাৰ মনত পৰিল ‘’‥ । সি এটা দীঘল হুমুনিয়াহ কাঢ়িলে।” ইয়াত আমি ভিক্ষাৰীবোৰক খুৱাওঁ।” আহক আকৌ! মণিয়ে তাক এক প্ৰকাৰ জোৰ কৰিয়েই লৈ গ'ল। নিৰ্লিপ্তভাৱে শৈলেন সহকৰ্মীৰ সৈতে ঘূৰি আহিল। মণিৰ মনটো যিমান উৎফুল্লিত হৈছিল শৈলেনৰ নিৰ্লিপ্ততাই সেমেকাই দিলে।

কিছুদিনৰ মূৰত মণিয়ে এটা সেমেকা মন লৈ কলেজলৈ আহিল। শৈলেনৰ মনৰ অৱস্থা দেখি তাই মুখ ফুটাই একো কব নোৱাৰিলেও অন্তৰ গধুৰ হৈ পৰিল। শৈলেনে তাইৰ ঘৰত একো বেয়া পাই অহা নাইটো। মনতে তাই ভাবিবলৈ ধৰিলে। সি কলেজলৈ আহে আৰু যায়। ক্লাছটো কৰি চিধাই ঘৰলৈ যায়। গহীন হৈ পৰা শৈলেনক দেখি তাই মনোকষ্টও অনুভৱ কৰিলে।

দুদিনমান হ'ল শৈলেন কলেজলৈ অহা নাই। এইবাৰ বুকুত বহুত সাহস গোটাই মণি নিজেই শৈলেনৰ ঘৰ পালেগৈ। এনেয়ে কিতাপ এখন লৈ সি বিচনাত পৰি আছিল। মণিক দেখি কোনো আশ্চৰ্য্যও সি অনুভৱ কৰা দেখা নগ'ল। মণি তাৰ কাষত বহিল আৰু চিধাই তাৰ এই পৰিবৰ্তনৰ কথা সুধিলে। সিহঁতৰ ঘৰখনে একো অসন্তুষ্ট কৰা নাইতো ? সি বিশেষ একো নকলে। কিছুসময়ৰ মূৰত মৌনতা ভংগ কৰি শৈলেনে তাইক মনৰ কথাটো ক'লে। “মোক যিটো কথাই অতদিনে মনোকষ্ট দি আছে তাৰ মূলতে এজনী ছোৱালী। এদিন তাই, তাইৰ ঘৰখনে মোক অপমান কৰিছিল আৰু মোৰ গৰীৱ অৱস্থাৰ বাবে ঠাট্টা কৰি এতিয়া সেই ছোৱালীজনীয়ে মোক বিয়া কৰাবৰ বাবে হাহাকাৰ কৰি উঠিছে।

কথা কেইষাৰে মণিকাৰ অন্তৰখন মোছাকাই পেলালেও যথেষ্ট সংযত হৈ তাই শৈলেনৰ প্ৰতি সহানুভূতি দেখুৱালে। কোনোবা ছোৱালীয়ে শৈলেনক বিয়াৰ প্ৰস্তাৱ দিয়াতো তাইৰ সহ্যৰ বাহিৰত। তথাপিও তাতো এটা কেৰোণ থকাৰ বাবে তাইৰ আশাই পুনৰ জীপ পালে। হঠাৎ আশাৰ ভাৱ এটাই তাইৰ অন্তৰখন আলোকিত কৰিলে। ছোৱালীজনীৰ প্ৰতি থকা সামান্য দুৰ্বলতাখিনিকো মচি দিয়াৰ মানসেৰে তাই কৈ উঠিল—"শৈলেন দা! আপোনাক যদি অপমান কৰিছে আপুনি তাইৰ কথা ভাবি কিয় মূৰ ঘমাইছে। আপোনাৰ আত্ম সন্মানত আঘাত অনা ঘৰখনৰ সৈতে কিয় সম্বন্ধ স্থাপন কৰিবলৈ ওলাইছে।" মণিৰ কথাত শৈলেনে হাঁহিবলৈ ধৰিলে।

শৈলেনৰ হাঁহিয়ে মণিক পুনৰ আচৰিত কৰিলে। মণিৰ সৰলতা আৰু তাৰ প্ৰতি থকা দুৰ্বলতাৰ কথা শৈলেনে বুজি নোপোৱা নহয়। হঠাৎ তাৰ মনৰ প্ৰতি কিবা এটা চেনেহ সোমাই গ'ল। সি আৰু সহজ হৈ যিমান পাৰে সৰল-ভাৱে মণিক কলে—"সেই ছোৱালীজনীয়েই হ'লা তুমি। এদিন মই ভেদো হকাৰ আছিলো আৰু তোমালোকৰ ঘৰত মই সদায় তেল দিবলৈ গৈছিলো। এদিন তুমি তোমালোকৰ ঘৰত মোক বুঢ়া আঙুলি দেখুৱাই ছালছিগা ভিকহু ভেদো বুলি হাঁহিছিলা।" কথাটো মণিৰ মনত নাই। বহুত সময় ভবাৰ পিছত ভেদো হকাৰ এজন আছিল বুলি তাইৰ মনত পৰিল তাৰ মানে । সেই ভেদো হকাৰ আজি শৈলেন দা—।

আশ্চৰ্য আৰু হতাশাত মণি স্তব্ধ হৈ পৰিল। এখন অস্পষ্ট ছবি তাইৰ মনৰ মাজত ঘূৰি ফুৰিব ধৰিছে। শৈলেনৰ হাঁহি থকা মুখখনে তাইক হাঁহিছেই নে আকোৱালি লৈছে একো বুজিব নোৱাৰি শেষত সৰু ছোৱালীজনীৰ দৰে ফেঁকুৰী উঠিল। কণমানি ছোৱালী এজনীৰ কথা আপুনি এতিয়াও ধৰি আছে। কি আচৰিত আপুনি।" কথাষাৰ কৈ মণিয়ে হুকুহুকাই কান্দি দিলে। —এমোকোৰা হাঁহিৰে শৈলেনে তাইক দাঙি ধৰিলে.........।

পিছদিনা শৈলেনে কলেজলৈ আহি মণিক নেদেখি মনত বৰ ভুল কৰা যেন অনুভৱ হ'ল। কি মণিয়ে ছাগে মই কথাটো কৈ দিয়াৰ বাবে অন্তৰত বৰ আঘাট পাইছে। নিজৰ ওপ-ৰতে তাৰ অনুশোচনাৰ ভাৱ হ'ল। এনেতে কলেজৰ পিয়ন হৰেনে শৈলেনক এখন চিঠি দি গ'ল। সি চিঠিখন খুলি দেখিলে এইখন মণিৰ চিঠি। বৰ কৌতুহল আৰু একান্তমনে মণিয়ে লিখা দিঘলীয়া চিঠিখন কেইবাবাৰো পঢ়িলে। চিঠিখনৰ শেষৰ কেইটামান বাক্যই তাক অন্তৰ কঁপাই তুলিলে। সি আকৌ শেষৰ বাক্য কেইশাৰী পঢ়িবলৈ ল'লে—।

"—শৈলেন দা আহা আমি দুয়ো, দুয়ো দুটি অভিন্ন যুগ্ম আত্মাৰ সন্মিলিত প্ৰচেষ্টাৰে গঢ়িম এটি নতুন বৃত্ত য'ত নাথাকিব পুৰণি বৃত্তত থকা দুৰ্নীতি-শোষণ, অন্যায়ৰ পৰা নিগৰিত হোৱা প্ৰৱল ধুমুহা, বৰষুণত লুতুৰি-পুতুৰি হোৱা দুৰ্ভ-গীয়া গৰীৱসকল—।"

# মাজনিশাই উচুপে কিয়

– দিপালী মহন্ত
স্নাতক ৩য় বাৰ্ষিক

সাবিত্ৰীহঁতৰ ঘৰখন দেউতাক ঢুকাবৰে পৰা বৰ শোচনীয় হৈ পৰিছিল। দেউতাকে হলধৰ মহাজনৰ কাঠৰ মিলত মজুৰি কৰি যি পায় তাৰে তিনিওটা প্ৰাণীয়ে বেচ আনন্দেৰে দুবেলা দুমুঠি খাই জীয়াই আছিল। আনে খোৱাৰ দৰে মাছ-মাংস খাবলৈ নাপালেও তেওঁলোকে কষ্টেৰে উপাৰ্জন কৰা ধনেৰে যি খাইছিল সেয়াই আছিন সিহঁতৰ বাবে অমৃত। দেউতাকে হলধৰৰ কাঠৰ মিলত মজুৰী কৰিও অন্যৰ ল'ৰা-ছোৱালীৰ দৰে তেওঁৰ একমাত্ৰ ছোৱালী সাবিত্ৰীকো স্কুললৈ পঠাইছিল। সাবিত্ৰী আছিল এজনী দৃঢ়মনা ছোৱালী, তাই আন ছোৱালীৰ দৰে ঘুনপেচ মাৰি ফুৰা বা ডাঙৰ কথাৰ ফুলজাৰী মাৰিফুৰা বিধৰ নাছিল। তাই দেউতাকৰ কষ্টৰ কথা সকৰে পৰা হৃদয়ঙ্গম কৰিছিল। তাই ভাবিছিল দেউতাকে পিচলৈ কাম কৰিব যাব নালাগে। তাই পঢ়ি শুনি কৰবাত কিবা এটা কৰিব। কিন্তু সাবিত্ৰীৰ ভবামতে কাম নহ'ল। এদিন সিহঁতৰ দুখীয়া পৰিয়ালটোৰ মাজলৈ এক ভয়াবহ অন্ধকাৰ নামি আহিল, যিটো নেকি সাবিত্ৰী বা মাকে কোনো-

**জীয়াই থাকিবলৈ মানুহে কিবা কৰি খাবই লাগিব। অৱশেষত মাকে মহাজনৰ ঘৰত কাপোৰ ধোৱা, বাচন চাফা কৰা, আদি কামকে কৰিবলৈ স্থিৰ কৰিলে।**

দিনে কল্পনা কৰিব পৰা নাছিল। সেইদিনা আছিল ৰবিবাৰ। অইন দিনাৰ দৰে সেইদিনাওঁ সাবিত্ৰী পঢ়া মেজত পঢ়ি আছিল আৰু মাকে বাহিৰত তেলৰ অভাৱত টিমিক-টামাক কৰি জ্বলি থকা চাকি গছিৰ ওচৰতে বহি এড়ি-সূতা

কাটি দেউতাক অহাৰ বাবে অপেক্ষা কৰি আছিল। কাৰণ দেউতাকে পোৱা মজুৰীৰ টকা কেইটাৰেহে সিহঁতৰ (নিশাৰ) খোৱাৰ বাবে চাউল-দাইল আদি লৈ আহে। সাবিত্ৰীও পঢ়াৰ পৰা উঠি মাকৰ সৈতে দেউতাক অহালৈ অপেক্ষা কৰি থাকিল। ক্ৰমে ক্ৰমে নিশা গভীৰ হৈ আহিল, দিনৰ পোহৰৰ সকলো ধৰণৰ হুলস্থূল নিজান পৰি গ'ল। দেউতাক ঘূৰি নাহিল দুয়োৰে মনত সন্দেহ উপজিল। কিন্তু তিৰোতা মানুহ অকলশৰে ওলাই যাবলৈও টান। আকৌ দেশৰ সমস্যা বৰ ভাল নহয়। যেনিয়ে যোৱা তেনিয়ে পুলিচ মিলিটাৰী। মাক বাৰু গলেই যেনিবা কাৰোবাৰ লগত গাভৰু ছোৱালী এজনীটো ঘৰত এনেকৈ এৰি থৈ যাব নোৱাৰে, তাতে আকৌ সিহঁতৰ ঘৰ গাঁওৰ সীমাত। এনেকৈ ভাবি থাকোতে পদূলিত চাইকেলৰ শব্দ শুনিলে, আৰু দুজন ল'ৰাই খবৰ দিলে "তেওঁলোকৰ দেউতাকৰ মৃত দেহটো ৰাজপথত তেজেৰে লুটৰি-পুটৰি হৈ পৰি আছিল আৰু পিছত পুলিচৰ মানুহ আহি মৃতদেহটো থানালৈ লৈ গৈছে। ঘটনাটো শুনি সাবিত্ৰী আৰু মাক দুয়োজনীয়ে শিল পৰা কপৌৰ দৰে হ'ল আৰু দুয়োজনীয়ে গ'লত সাৱটা সাৱটিকৈ কান্দিবলৈ ধৰিলে। সিহঁতৰ কান্দোনত নিশাৰ এন্ধাৰত শুই পৰা পশু-পক্ষী বোৰেও যেন সাৰ পায় উঠিল। এইদৰেই সুখী পৰিয়ালটোৰ মাজলৈ অন্ধকাৰ নামি আহিল।

দেউতাকৰ কাম যোৱাৰ পিছত মাকৰ কাণফুল যোৰ দিও মহাজনৰ ঘৰত চাৰিকুৰি টকাৰ ধাৰ থাকিল, সেই টকা কেইটা কেনেকৈ পৰিশোধ কৰিব তাকে ভাবি মাকৰ টোপনি নহা হ'ল। জীয়াই থাকিবলৈ মানুহে কিবা কৰি খাবই লাগিব। অৱশেষত মাকে মহাজনৰ ঘৰত কাপোৰ ধোৱা বাচন চাফা কৰা, আদি কামকে কৰিবলৈ স্থিৰ কৰিলে।

ধনীৰাম মহাজনৰ চকু কিন্তু সাবিত্ৰীৰ ওপৰত নপৰাকৈ থকা নাছিল; সি মাজে মাজে সাবিত্ৰীকো তাৰ ঘৰলৈ পঠাই দিবলৈ মাকক কৈছিল। সাবিত্ৰীৰ এতিয়া ভৰ যৌৱন। তাইৰ দেহৰ ৰং কেচা হালধীৰ লেখীয়া. মুখৰ বৰণ পকা সুমথিৰা টেঙাটোৰ দৰে। বহুত ডেকাৰ দৃষ্টি সাবিত্ৰীৰ ওপৰত পৰিল। সেই গাঁওৰে সতৰামৰ পুতেক তৰুণে সাবিত্ৰীৰ সৌন্দৰ্য্যত অধিক আকৰ্ষিত হ'ল আৰু সি প্ৰায়ে সাবিত্ৰীহঁতৰ ঘৰলৈ গৈ কিছুমান মিছা প্ৰলোভন দেখুৱাই কোনো দিনে জটিলতাৰ পাকত মেৰ নোখোৱা সাবিত্ৰী আৰু মাকক সহজেই বশ কৰি পেলালে। নিশাৰ এন্ধাৰৰ সুযোগলৈ সি সদায় সাবিত্ৰীহঁতৰ ঘৰলৈ আহিবলৈ ধৰিলে, যাৰ ফলত এই ফুলকুমলীয়া ছোৱালীজনী এদিন ৰাইজৰ মাজত অবহেলাৰ পাত্ৰ হ'ব লগা হল। সাবিত্ৰী হৈ পৰিল অন্তঃসত্বা আৰু টকাৰ গোলাম সমাজখনে জানিও মুখাপিন্ধা ভণ্ড তৰুণক ৰাইজৰ এজন শুদ্ধ পুৰুষৰ আসনত থৈ পূজা কৰিলে। কাৰণ তেওঁ নিজ আত্মীয় স্বজনক প্ৰবঞ্চনা তথা অন্যায় কৰি হলেও উপাৰ্জন কৰা কিছুমান টকা আৰু সম্পত্তিৰ মালিক। তাৰোপৰি তেওঁ বহাগী বিদায় বা তেনে কোনো অনুষ্ঠান পাতিলে বৰঙণিৰ নামত শকত ধন দি সহায়

কৰে আৰু বহুতো কিবা কিবি । সেয়েহে কিছুমান লোকে তেনে ব্যক্তিৰ তেনে কৰ্ম নহয় বুলি কৈ তেওঁৰে গুণ গান কৰি ঘূৰি ফুৰে ।

এনেকৈয়ে দিন বাগৰি গৈ সাবিত্ৰী এটা সন্তানৰ মাক হ'ল আৰু তাৰ ঠিক কিছুদিন পিছতে অনাহাৰ অনিদ্ৰাত সাবিত্ৰীৰ মাকেও এই জগতৰ পৰা চিৰ বিদায় ললে ।

সাবিত্ৰীৰ ল'ৰাটো লাহে লাহে ডাঙৰ হ'ল । সাবিত্ৰীৰ উদ্দেশ্য তাই যিকোনো প্ৰকাৰে এই ল'ৰাটোক ডাঙৰ কৰিব । এই ভণ্ডামীৰ এদিন প্ৰতিশোধ লব । সাবিত্ৰীয়ে সদায় পোনাকণক বুকুত সাৱটি কান্দি কান্দি কটায় । ক'ত নিশা যে তাইৰ উজাগৰে পাৰ হৈ গৈছে তাৰ কোনো লেখ নাই । সাবিত্ৰীয়ে পূৰ্বৰ স্মৃতি ৰোমান্থন কৰি গোটেই নিশা ভাবি থাকে তৰুণে দি যোৱা মিছা প্ৰতিশ্ৰুতিবোৰৰ কথা, তৰুণে সাবিত্ৰীৰ আগত কৈছিল—"সাবিত্ৰী তোমাক নাপালে মই বলীয়া হৈ যাম, তোমাৰ বাহিৰে মই আন ছোৱালীক গ্ৰহণ কৰিব নোৱাৰো । নতুন বছৰৰ প্ৰথম মাহতেই মই তোমাক লৈ যাম । আই বোপাই তোমাক দুখীয়া বুলি অবহেলা কৰিলেওঁ তুমি মোৰ মনত দুখীয়া নিচলা নহয় সাবিত্ৰী···· এনেধৰণৰ ক'ত যে কথা কৈ সি দিনবোৰ পাৰ কৰিছিল । সাবিত্ৰীৰ এতিয়া এইবোৰ ভাবি ভাবি পাগলী হৈ যাবৰ মন যায়. আত্মজাহ দিবৰ মন যায় তাইৰ । কিন্তু সাবিত্ৰী নমৰে কাৰণ তেনে প্ৰবঞ্চক প্ৰেমিকৰ কাৰণে সাবিত্ৰী কেতিয়াও মৰিব নোৱাৰে । সাবিত্ৰীৰ সহজ সৰল মনটোৱে কেনোদিনে ভাবিব পৰা নাছিল সুগন্ধি ফুলৰ মাজতো যে বিষাক্ত পোক সোমাই থাকিব পাৰে । সাবিত্ৰীৰ চকুৰে তপত চকুলো বৈ আহিল । মাকৰ চকুলোঁ আহি যেতিয়া পোনা কণৰ গালত পৰে তেতিয়া সি মাকৰ মুখৰ ফালে চাই সোধে—"আই তুমি কিয় সদায় এনেদৰে কান্দি থাকা ? মোৰ দেউতা কেতিয়া উভতি আহিব, তেওঁ আহিলে মোলৈ নতুন চোলা আনিবনে" ? আদি নানান প্ৰশ্ন মাকৰ আগত দাঙি ধৰে আৰু সাবিত্ৰীয়ে সদায় এনেবোৰ প্ৰশ্নৰ উত্তৰ দিব লগা হয় । পোনাকণে তাৰ খুৰাক নাই নেকি ? ককাক নাই নেকি ? দেউতাকৰ নাম কি ? লগৰ ল'ৰাবোৰে দেউতাকে দিয়া নতুন চোলা পিন্ধে, সিহে পুৰণি চোলা পিন্ধিব লাগে এইবোৰ কথা শুধি শুধি মাকক প্ৰায়ে আমনি কৰে । সেইদিনাখন মাকৰ ক্ৰোধ মিহলি উক্তি শুনি আৰু তাৰ কোমল শৰীৰৰ ওপৰত পৰা প্ৰচণ্ড আঘাটত পোনাকণ স্তব্ধ হৈ ৰ'ল । কিন্তু পিছ মুহুৰ্ত্ততে সাবিত্ৰীৰ মাতৃ হৃদয়ে হাঁহাকাৰ কৰি উঠিল । সাবিত্ৰীয়ে ভাবিলে তাৰ কথাবোৰে, তাৰ প্ৰশ্নবোৰে মোৰ হৃদয় চিৰাচিৰ কৰি পেলায় । সি সুধিবই··············· । তাই ভাবে কিছুমান কথা নিজকেও যে তাই কব নোৱাৰে । এইবোৰ কথানো তাই নিজৰ পেটৰ পোৱালিটোক কেনেদৰে কব, সাবিত্ৰীয়ে ভাবিলে তাইৰ ভাগ্যই তাইৰ শত্ৰু । কিন্তু পোনাকণে এইবোৰ জানিলে কিজানি তাৰ মনত অযথা বিদ্বেষৰ সৃষ্টি হয় । এই কথা ভাবিলে সাবিত্ৰীয়ে কেতিয়াও তাইৰ অতীতৰ অন্ধকুপৰ দুৱাৰ খুলিব নোৱাৰে । সাবিত্ৰীয়ে তাৰ আলফুলিয়া

কোমল দেহটোত হাত ফুৰাই মৰমেৰে কয়— তইনো মোক কিয় এনেবোৰ প্ৰশ্ন কৰা সোণ? পোনাকণে ক'লে—'মই কোনো দিনে তুমি দুখ পোৱা কথাবোৰ নোসোধো আই বুলি মাকৰ দুচকুৰে বৈ অহা চকুলোঁ দুধাৰি মচি দিয়ে।

পুহমহীয়া নিশা। সাবিত্ৰীয়ে সেইদিনা বৰ ঠাণ্ডা অনুভৱ কৰিলে, বাহিৰত গছৰ পাতৰ পৰা টোপটোপকৈ সৰা নিয়ৰৰ টোপালবোৰৰ শব্দ সাবিত্ৰীয়ে নিৰৱে শুনি থাকিল আৰু তাই অনুভৱ কৰিলে মোৰ দৰে এই মাজনিশায়ো উচুপে নেকি বাৰু? সাবিত্ৰীয়ে শীতৰ প্ৰকোপত পোনাকণক বুকুৰ মাজত জোৰেৰে সাৱতি ধৰিলে........।

---

তোমাৰ মনটো যদি একেবাৰে খুলি দিয়া তেতিয়া, বাহিৰা বহুত মানুহে তাৰ ভিতৰত নানা ধৰণৰ আজে-বাজে বস্তু পেলাই দিয়াৰ সম্ভাৱনা আছে।

—**উইলিয়াম মৰ্টন**।

---

কলমে লিখা অসত্যবোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহলে যিমানেই পলম হব সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব।

— **লুচন**।

# বিবিধ প্রসংগ

● ৰম্য ৰচনা ●

# শ্ৰীমতীৰ আত্ম জীৱনী

কমল ঠাকুৰীয়া
স্নাতক ১ম বাৰ্ষিক।

শ্ৰীমতীৰ আত্ম জীৱনী লিখাৰ আৰম্ভণিতে পঢ়ুৱৈসকলক এটি হাতযোৰ কৰি অনুৰোধ কৰো কোনেও যেন মোৰ শ্ৰীমতীক আত্ম জীৱনী পঢ়ি হাঁহ-ভূকি নিদিয়ে। শ্ৰীমতীৰ আত্ম জীৱনী মইহে শ্ৰীমতাই লিখিছো—হাঁহ-ভূকি দিব লাগিলে মোকহে দিব কাৰণ পঢ়ুৱৈ সকল আপোনালোকে নিশ্চয় অনুভৱ কৰিছে শ্ৰীমতী নহলে মোৰ জীৱন 'জিৰো' ; মোৰ সাহিত্যিক জীৱনো জিৰো। ইয়াত মই শ্ৰীমতীৰ মিচা জীৱনৰ সঁচা ঘটনাবোৰ লিখিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই। "চিৰ চেনেহী মোৰ ভাষা ফেদেলি", নতুন সাহিত্যিক হিচাপে দুই এটা ভাষা হয়তো শুদ্ধ হব পাৰে। প্ৰিয় পঢ়ুৱৈসকল আপোনালোকে এইবোৰ ভুল কৰি ল'ব। লগতে মই আশা কৰিছো পৃথিৱীৰ ভিতৰত মই প্ৰথম, অদ্বিতীয় সাহিত্যিক হ'ম যিজনে নিজৰ প্ৰিয়াৰ আত্ম জীৱনী নিজেই লিখিছে। মোৰ দেশৰ মানুহসকল এইটো মোৰ বাবে তথা আপোনালোকৰ বাবে বৰ গৌৰৱৰ বিষয়। ইয়াত মই ৰামায়ণ, মহাভাৰত অশুদ্ধ কৰা নাই। মই নিজে নিজক ধন্য দিছো আৰু ভৱিষ্যতে 'দ্ৰৌপদী'ৰ আত্ম জীৱনী লিখি উলিয়াম আৰু তাত 'কৰ্ণক' দ্ৰোপদীৰ মানুহজন বুলি বৰ্ণনা কৰিবলৈ চেষ্টা কৰিম। মই ভাবো মোৰ নাম 'বালিৰ স্তম্ভত' পানীয়া আখৰেৰে লিখা থাকিব। এতিয়া শ্ৰীমতীৰ আত্ম জীৱনী আৰম্ভ কৰাই মংগল হব। প্ৰথমে ভাবিছিলো শ্ৰীমতীৰ ঠাইত মোৰেই আত্ম জীৱনী লিখিম বুলি। এই কথাটো শ্ৰীমতীয়ে গম পালে মোক শুদাই নেৰিব। সেই ভাবিয়ে মোৰ আত্ম জীৱনী আৰম্ভ কৰিব নোৱাৰিলো। মোৰ তেখেতৰ মানে শ্ৰীমতীৰ বহুতো বিশেষণীয় নাম আছে। এইটো মোৰেই গৌৰৱ। স্ত্ৰী প্ৰধান দেশ তাতেই মোৰ শ্ৰীমতী আকৌ হাই-কাজিয়া, দ্বন্দ্ব আদিত London ৰ Cambridge University ৰ পৰা মাষ্টাৰ ডিগ্ৰী লোৱা। সেয়েহে গাঁওৰ বহুতো তিৰোতাই মোৰ শ্ৰীমতীক সমীহ কৰি চলে।

মোৰ শ্ৰীমতীৰ বহুতো নামৰ ভিতৰত দন্দুৰী, কেচাই খাইতী, ৰণচণ্ডী, ক্লিওপেট্ৰা আৰু মই মতা নামটো হ'ল মৰমী। শ্ৰীমতী কিন্তু পুৰুষ প্ৰিয়। সেইবাবে নেকি গাঁওৰ মুখিয়াল মানুহখিনি এবাৰ হলেও শ্ৰীমতীক দেখা কৰি যায়। ময়ো বুকু ডাঠ কৰি বহি থাকো আৰু মনতে গাঁওৰ মুখিয়াল মানুহবোৰক গালি-শপনি পাৰো, সমাজৰ আগত আমাক বেয়া বুলি কোৱা. মোৰ শ্ৰীমতীক বেয়া বুলি কোৱা, গাঁওৰ পৰা আমাক বেলেগ কৰি দিয়া, এতিয়া শ্ৰীমতীক লগ নধৰিলেই নহয়। মোৰ মৰমী বৰ ভাল আৰু বৰ ধুনীয়াও। সেইবাবে মোক ঘৰৰ এচুকত বহি থাকিবলৈ কয় শ্ৰীমতীয়ে মোক মৰম কৰাৰ প্ৰতিদান হিচাপে ঘৰৰ কাম-বন, ভাত ৰন্ধা ইত্যাদি ময়েই কৰো। মোৰ মাত্ৰ এটাই দুখ আমাৰ কোনো সন্তান নাই। এইটো মোৰ দোষনে শ্ৰীমতীৰ দোষ আজিলৈ গম পোৱা নাই। শ্ৰীমতী ধুনীয়া বুলি আগতে কৈছোৱে নহয়। শ্ৰীমতীয়ে এতিয়া চকুৰ ভুৰ কেইডাল 'বিউটি পাৰ্লাৰ'ত যায় উভালি পেলাইছে। মই বাধা দিছিলো, বাধা দিয়া শুনি ৰণচণ্ডীৰ দৰে মূৰ্ত্তি ধৰি মোক খেদি আহিছিল। মোৰ ভয় হৈছিল জানোবা ঘৰৰ পৰা উলিয়াই দিয়ে। মই মোৰ জীৱনত এইটোৱেই প্ৰথম ভুল কৰিছিলো আৰু ২য় ভুল নকৰো বুলি শপত খাইছিলো। শ্ৰীমতীৰ ৰূপলাৱণ্য দেখি হয়তো স্বয়ং ভগৱানৰো ঈৰ্ষা হৈছিল। ভুৰ উভলাৰ কেইদিনমান পিছত শ্ৰীমতীয়ে চকুৰেদি ভালকৈ দেখা নাপাইছিল আৰু সেই সুযোগতে মই গাঁওৰ মুখিয়াল মানুহ অমুক বুলি কৈ এটা কেঁচা চুমা খাই আন এটা গালত খাব খুজোতে মোৰ গালত দুটামান তিতা-কেহা চৰ পৰিল। শ্ৰীমতীয়ে মোক ঘৰৰ পৰা উলিয়াই দিলে। এতিয়া মোৰ মৰমী মোৰ শ্ৰীমতী হৈ নাথাকিল। আন কাৰোবাৰ হ'ল বোধহয়। যাহওঁক শ্ৰীমতীৰ আত্ম জীৱনী আধৰুৱাকৈ এৰিলো বাকীখিনি পঢ়ুৱৈসকলৰ হাতত অৰ্পণ কৰিলো। সেইখিনি লিখি আপোনালোকেও সাহিত্যিক হওঁক।

এতিয়া মইটো এজন উচ্চ শিৰ ফুটা সাহিত্যিক। ভাৰত চৰকাৰৰ সাহিত্য একাডেমি বঁটা কেতিয়া পাম তাকহে অপেক্ষা কৰি আছো। সাহিত্যিক হিচাপে সাহিত্যৰ সূত্ৰ এটা মই নিজেই পেৰেডি কৰিছো, গানবিলাক পেৰেডি কৰাৰ দৰেই। "মিছা কথাবোৰ ভয়েৰে কান্দি কান্দি কব পৰাটোৱে সাহিত্য।" এই সূত্ৰটো মই ভাবো অকল সাহিত্যতে আৱদ্ধ নাথাকি গোচৰীয়া তথা ফৰিয়াদী পক্ষৰ সাক্ষীসকলেও ব্যৱহাৰ কৰিব।

সদৌ শেষত আৰু দুটা কথা কওঁ—মইটো মৰিমেই কিন্তু মোৰ শ্ৰীমতী এই আত্ম জীৱনীৰ জৰিয়তে জীয়াই থাকিব। অহা জনমত শ্ৰীমতীক যেন হাফ-টাইম হিচাপে নেপায় ফুল টাইম হিচাপে পাওঁ।

ঈশ্বৰক প্ৰণাম
শ্ৰীমতী জিন্দাবাদ।

# ঃ মুখামুখি ঃ

[ উচ্চতৰ মাধ্যমিক ( কলা ) শেষান্ত পৰীক্ষাত অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বাহাৰুল ইছলাম শইকীয়াৰ সৈতে এখন্তেক ]

১ নং প্ৰশ্ন—

তোমাৰ এই মহান কৃতকাৰ্য্যতাৰ গুৰিতে কি ?

উত্তৰ—চেষ্টা আৰু একাগ্ৰতাই মোৰ কৃতকাৰ্য্যতাৰ মূল। তাৰোপৰি ডাঙৰৰ আশীৰ্বাদ আৰু ভগৱানৰ কৃপা মই অস্বীকাৰ নকৰো।

২ নং প্ৰশ্ন—

তুমি প্ৰথম দহজনৰ ভিতৰত থাকিম বুলি ভাবিছিলানে ?

উত্তৰ–ভাল ৰিজাল্ট এটা কৰাৰ আশা আগৰে পৰা আছিল। কিন্তু ষ্টেণ্ড ( Stand ) কৰিব পাৰিম বুলি নিশ্চিত নাছিলো। মোৰ কোনো Private tuition নাছিল, তাৰোপৰি মই আয়ত্ব কৰা কথাবোৰ যে ষ্টেণ্ড কৰিব পৰা পৰ্য্যায়ৰ আছিল সেইটো কওঁতা কোনো নাছিল।

৩ নং প্ৰশ্ন—

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে তুমি কেনেধৰণে প্ৰস্তুতি চলাইছিলা ?

উত্তৰ—মই শ্ৰেণীত প্ৰায়ে নিয়মিত আছিলোঁ। বাচনি পৰীক্ষাৰ আগতে দৈনিক গড়ে ৬।৭ ঘণ্টা পঢ়িছিলোঁ। বাচনি পৰীক্ষাৰ পাছৰ পৰা পঢ়াৰ সময় ৮ ঘণ্টাৰ পৰা ১৪ ঘণ্টালৈ বঢ়াই দিছিলোঁ।

৪ নং প্ৰশ্ন—

ছয়গাঁও মহাবিদ্যালয়ৰ পুথিভঁড়ালটোৰ বিষয়ে তুমি কি মন্তব্য আগবঢ়াবা।

উত্তৰ—আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালটোৰ বহুতো অভাৱ আছে বুলি মই ভাবো। ইয়াৰ ভিতৰত প্ৰয়োজনীয় পাঠ্যক্ৰমৰ কিতাপ, অভিধান, পুৰণি পৰীক্ষাৰ প্ৰশ্নকাকতৰ সংগ্ৰহৰ অভাৱ লেখত লবলগীয়া। ইয়াৰোপৰি পুথিভঁড়ালৰ কিতাপ, বাতৰি কাকত আদি পঢ়াৰ কোঠালি এটাৰ অতি আৱশ্যক। লগতে এটা উচ্চমান বিশিষ্ট পুথিভঁড়ালৰ দৰে নিয়ম-নীতিৰ অতি আৱশ্যক। ওপৰোক্ত প্ৰয়োজনবোৰ পূৰণ হ'লে বহুতো ছাত্ৰ-ছাত্ৰী পুথিভঁড়ালৰ পৰা উপকৃত হব পাৰিব।

৫ নং প্ৰশ্ন—

ছয়গাঁও মহাবিদ্যালয়ৰ দৰে এখন পিছপৰা মহাবিদ্যালয়ক তুমি অধ্যয়নৰ বাবে কিয় বাছি ল'লা ?

উত্তৰ—কটন মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিব নোৱাৰি মই স্থানীয় ছয়গাঁও মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিলোঁ। ভাল ৰিজাল্ট কৰি নিজৰ ঘৰখনৰ লগতে ঘৰখনৰ ওচৰৰ কলেজখনলৈ কিঞ্চিৎ গৌৰৱ কঢ়িয়াই অনাৰ মানসেৰে ছয়গাঁও মহাবিদ্যালয়খন বাচি লৈছিলোঁ।

৬ নং প্ৰশ্ন—

ছয়গাঁও মহাবিদ্যালয়ৰ শিক্ষাৰ পৰিবেশ কেনেকুৱা পৰ্য্যায়ত উপনীত হোৱা বুলি তুমি ভাবা ?

উত্তৰ—শিক্ষাৰ আচল অৰ্থলৈ লক্ষ্যকৰি কব পাৰি যে আমাৰ মহাবিদ্যালয়ৰ পৰিবেশে প্ৰকৃত শিক্ষাপ্ৰদান প্ৰশস্ত কৰিব পৰা নাই। অপ্ৰয়োজনীয় ৰাজনৈতিক বামৰলীয়ে প্ৰভাৱিত কৰা বাবে মহাবিদ্যালয়ৰ শিক্ষাৰ পৰিবেশৰ সমতা ৰক্ষিত হোৱা নাই। অৱশ্যে লাহে লাহে পৰিবেশ সুস্থ হৈ উঠিছে আৰু মই ইয়াৰ তীব্ৰ উন্নতি কামনা কৰিছোঁ।

৭ নং প্ৰশ্ন—

তুমি Sir, Madam বা ঘৰৰ পৰিয়ালৰ কেনে ধৰণৰ সহায় পাইছিলা ?

উত্তৰ মই শ্ৰেণীৰ সময়চোৱাৰ বাহিৰে চাৰ, বাইদেউৰ পৰা কোনো কথা শিকাৰ সুযোগ পোৱা নাছিলোঁ। মই জটিল পোৱা কথাবোৰ থোৰতে শ্ৰেণীত অইন ছাত্ৰ-ছাত্ৰীৰ দৰে সুধি বুজিব লগা হৈছিল।

মই ঘৰৰ পৰা বিশেষকৈ মোৰ দাদা মজিদ আলি আহমেদৰ পৰা পৰামৰ্শ, উৎসাহ পাইছিলো।

৮ নং প্ৰশ্ন—

নোট বুক বা Model আদিৰ সহায় লৈছিলানে ? যদি লৈছিলা কেনেধৰণে উপকৃত হৈছা ?

উত্তৰ—নোটবুক মই সমূলি অনুকৰণ কৰা নাছিলোঁ। কিন্তু পাঠ্যক্ৰমৰ মূল কিতাপবোৰ পঢ়ি উঠি Model ৰ সহায় লৈছিলোঁ। Model ৰ পৰা মই বেচ্ উপকৃত হৈছিলোঁ।

৯ নং প্ৰশ্ন—

তোমাৰ ভবিষ্যত জীৱনৰ পৰিকল্পনাৰ বিষয়ে অলপ কোৱাচোন ?

উত্তৰ—ইংৰাজীক প্ৰধান বিষয় হিচাপে লৈ স্নাতকোত্তৰ ( M. A ) উপাধি লম। পাছত A. C. S. / I. C. S. সমাপ্ত কৰি অসামৰিক বিভাগত কাম কৰিম।

১০ নং প্ৰশ্ন—

নতুনকৈ উঠি অহা ছাত্ৰ-ছাত্ৰীৰ বাবে তুমি কি উপদেশ দিবা।

উত্তৰ অধ্যয়ন নিয়মিত হোৱা আৰু সৎ শিক্ষা লাভ কৰি দেশৰ সেৱা কৰিবলৈ মই সকলোকে আহ্বান জনাওঁ। অধ্যয়ন প্ৰসংগত মই শিক্ষাৰ্থী সকলক পাঠ্যক্ৰমৰ মূল কিতাপবোৰ ভালদৰে পঢ়িবলৈ কওঁ।

তোমাৰ ৰঙীন আশা আৰু সোণালী সপোন-বোৰ বাস্তৱত ৰূপায়িত হওঁক তাৰে কামনা কৰিছোঁ। ধন্যবাদ,

নমস্কাৰ—

আমিয়ো প্ৰতি নমস্কাৰ জনাই ঘৰলৈ গুচি আহিলো।

**বাহাৰুলৰ মাৰ্কছিটখন—**

ইংৰজী—৫৫

অসমীয়া—৭১

শিক্ষা—৮১ ( অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ )

তৰ্ক আৰু দৰ্শন—৮৯

ৰাজনীতি বিজ্ঞান—৮৮ ( অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ )

# সম্পাদকৰ মেজৰ পৰা—

**মহাবিদ্যালয়ৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ কিছু প্ৰশ্ন প্ৰেৰণ কৰিছিল। অভিজ্ঞতাৰ ভঁৰাল সীমিত হ'লেও প্ৰশ্নসমূহৰ উত্তৰ দিয়াৰ চেষ্টা কৰিছো।**

**সম্পাদক, কলহী**

○ কল্যাণ মালী

স্নাতক ১ম বাৰ্ষিক—

? বিদ্যালয় আৰু মহাবিদ্যালয়ৰ আলোচনী-বোৰ পঢ়িলে তাত লেখক ছাত্ৰ-ছাত্ৰীবোৰৰ উজ্জ্বল প্ৰতিভাৰ স্বাক্ষৰ দেখিবলৈ পাওঁ। কিন্তু পিছলৈ সেই প্ৰতিভাবান লেখক-লেখিকাসকলৰ সৰহ ভাগেই সাহিত্য জগতৰ পৰা হেৰাই যোৱা দেখা যায়। ইয়াৰ কাৰণ কি বুলি আপুনি ভাবে ?

ঃ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-সকলৰ প্ৰতিভা বিকাশ হোৱাত প্ৰত্যক্ষভাৱে সহায় কৰে সেই শিক্ষানুষ্ঠানবোৰৰ আলোচনীখনে। ভাল প্ৰতিভা থাকিলে এদিন বিকাশ হবই; কিন্তু ইয়াৰ বাবে লাগিব কঠোৰ সাধনা আৰু পৰিশ্ৰম। ভাল প্ৰতিভা থাকিলেও যদিহে সাহিত্য চৰ্চাত এলেহুৱা হয় তেনেহলে প্ৰতিভাবান লেখক-লেখিকাসকলৰ সৰহভাগেই সাহিত্য জগতৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হয়।

○ নৱজিৎ দাস

স্নাতক ১ম বাৰ্ষিক

? কোনো পৰিয়াল এটাত যেনেকৈ মুৰব্বীৰ অভাৱত পৰিয়ালটোৰ সদস্যৰ মাজত খামখেয়ালীৰ সৃষ্টি হয়, আমাৰ মহাবিদ্যালয়তো স্থায়ী অধ্যক্ষৰ অভাৱত তেনে পৰিবেশৰ আৱিৰ্ভাৱ হোৱা বুলি আপুনি ভাবেনে ?

ঃ বৰ্তমান আমাৰ মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষৰ অভাৱ মই অনুভৱ কৰো। কিন্তু এই-টোও ঠিক স্থায়ী অধ্যক্ষৰ অভাৱত আমাৰ মহা-বিদ্যালয়ত তেনে কোনো খামখেয়ালীৰ সৃষ্টি হোৱা নাই। বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ

কাম কাজ সুচাৰুৰূপে পৰিচালনা হৈ আছে। আৰু শৈক্ষিক পৰিবেশ যথেষ্ট উন্নত মানদণ্ডৰ পিনে অগ্ৰসৰ হ'ব ধৰিছে।

○ ভবেন কুমাৰ সাউদ

স্নাতক ১ম বাৰ্ষিক

? সম্পাদক ডাঙৰীয়া বৰ্তমান সাহিত্যৰ ক্ষেত্ৰত আপোনাৰ মতামত কি ?

ঃ এই প্ৰশ্নটিৰ উত্তৰ দিয়া মোৰ কাৰণে সিমান সহজ সাধ্য নহয়। সীমিত অভিজ্ঞতাৰে কৈছো— বৰ্তমান সাহিত্য সৃষ্টিত মই দুটা দিশ প্ৰত্যক্ষ কৰিছো। ইয়াৰে এটা হ'ল নিজক লৈ কৰা সাহিত্য সৃষ্টি আৰু আনটো হ'ল সমাজক লক্ষ্য কৰি সমাজক লৈ কৰা সাহিত্যৰ সৃষ্টি। বৰ্তমান সময়ত মই সমাজক লৈ কৰা সাহিত্যক আগ স্থান দিওঁ। কাৰণ এই শ্ৰেণীৰ সাহিত্যইহে সমাজত বাস কৰা জনগণক প্ৰকৃত পথ দেখুৱাব পাৰে। সাহিত্যিকসকলে তেওঁলোকৰ মৌলিক লিখনিৰ দ্বাৰা সমাজৰ দুৰ্নীতিবোৰ প্ৰকাশ কৰি দিব লাগিব। তেতিয়াহে সাহিত্য সৃষ্টিৰ সাৰ্থকতা লাভ কৰিব পৰা যাব।

○ মালতী ঠাকুৰীয়া

উঃ মাঃ ১ম বাৰ্ষিক

? 'ছয়গাওঁ মহাবিদ্যালয়ৰ' মুখপত্ৰ 'কলহী' যোৱাবেলি নিম্ন মানদণ্ডৰ হোৱা যেন অনুমান হৈছে। এইবাৰ আপুনি কেনেকুৱা কৰিব বুলি ভাবিছে ?

ঃ মহাবিদ্যালয় এখনৰ মুখপত্ৰ উন্নত মানদণ্ডৰ হব যদিহে ছাত্ৰ-ছাত্ৰীৰ লিখনি উৎকৃষ্ট মানদণ্ডৰ হয়। যোৱাবেলিৰ মুখপত্ৰখনৰ বিষয়ে মই মন্তব্য নিদিওঁ। ইয়াৰ উত্তৰ আপুনিয়েই বিচাৰি লব। এইবাৰৰ মুখপত্ৰখন কেনেকুৱা হয় ইয়াৰ উত্তৰ সময়েহে দিব। ইয়াত মই এটা কথা কৈ থোৱা ভাল হ'ব—এখন আলোচনী বং বিৰঙৰ হলেহে যে ভাল হ'ব সেইটো নহয়- ইয়াৰ লিখনিসমূহৰ ওপৰতহে আলোচনীখন ঘাইকৈ নিৰ্ভৰ কৰে। এই সংখ্যা আলোচনীখনত গল্প আৰু কবিতাত স্কেচ দিয়াৰ ব্যৱস্থা নাই কাৰণ টকাৰ সমস্যা আহি পৰে।

○ সাবিত্ৰী নাথ

স্নাতক ১ম বাৰ্ষিক

? যোৱা কেইবছৰৰ তুলনাত এই বছৰ আমাৰ মহাবিদ্যালয়ত ৰেগিং কমকৈ হোৱা যেন অনুমান হৈছে। আপোনালোকৰ ছাত্ৰ একতা সভাই ইয়াৰ বাবে কিবা ব্যৱস্থা লৈছিল নেকি ?

ঃ আমাৰ ছাত্ৰ একতা সভাই এইবাৰ মহাবিদ্যালয় প্ৰাঙ্গনত ৰেগিং বন্ধ কৰিবৰ বাবে যৎপৰনাস্তি চেষ্টা চলাইছিলো। নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলে যাতে ৰেগিঙৰ নামত হাৰাশাস্তি নহয় তাৰ বাবে চকু দিছিলো। এই ক্ষেত্ৰত প্ৰকৃত দোষীক আমি শাস্তি বিহিছিলো।

○ হিতেশ কলিতা

উঃ মাঃ ২য় বাৰ্ষিক

? সম্পাদক ডাঙৰীয়া, আপুনি আমাৰ মহাবিদ্যালয়ৰ আটাইতকৈ ভাল পোৱা ব্যক্তিজনৰ নাম ক'বা নেকি ?

ঃ নিশ্চয় । মই ভালপোৱা ব্যক্তিজনেই হ'ল মাননীয় ছয়গাওঁ মহাবিদ্যালয় । লগতে ইয়াৰ বৃহৎ পৰিয়ালটি ।

○ ৰবী ৰবা

স্নাতক ১ম বাৰ্ষিক

? আমাৰ মহাবিদ্যালয়ৰ শ্ৰেণী 3-20 P.M. লৈ থাকে যদিও প্ৰায় ভাগ ল'ৰা-ছোৱালীয়েই বাৰ বজাতেই ঘৰলৈ যায় । ইয়াৰ কাৰণ আপুনি কি বুলি ভাৱে—

ঃ স্কুলীয়া জীৱন আৰু কলেজীয়া জীৱনৰ মাজৰ পাৰ্থক্য এইখিনিতেই । কলেজত পঢ়া বুলি তেওঁলোকে সমাজৰ আগতটো দেখুৱাব লাগিল । এই ক্ষেত্ৰত ময়ো ব্যতিক্ৰম নহয় ।

○ অখিল কলিতা

স্নাতক ১ম বাৰ্ষিক

? সম্পাদক ডাঙৰীয়া, বৰ্তমান অসমত আপুনি কেনেকুৱা ধৰণৰ পৰিবৰ্তন বিচাৰে ?


ঃ বৰ্তমান অসমত এনেকুৱা এটা পৰিবৰ্তনৰ আৱশ্যক যিটো নেকি এক সংঘবদ্ধ বিপ্লৱেহে আনি দিব পাৰিব । আজি গণতন্ত্ৰৰ দোহাই দি ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰৰ মূৰব্বী শোষকসকলে আমাৰ অসমীয়া জাতিটোক পংগু কৰি পেলাইছে । আমাৰ ভাগৰ আমি পাবলগীয়া ন্যুনতম প্ৰয়োজনীয়খিনিও আমাৰ অসমৰ মানুহে শোষকৰ বলী হৈ আদায় কৰিবলগীয়া হৈছে । আজি আত্ম নিয়ন্ত্ৰণৰ হৈ মাত মতা জনক দেশদ্ৰোহী আৰু সন্ত্ৰাসবাদী সাজিছে । অসমক আমি অসমীয়া জনসাধাৰণেহে ৰক্ষা কৰিব লাগিব । দিল্লী নিবাসীসকলে অসমক ৰক্ষা কৰিব নাহে । স্বাৰ্থহীনভাৱে কাম কৰা সবল নেতৃত্বই সমাজৰ দুৰ্নীতি, অন্যায়, অবিচাৰৰ বিৰুদ্ধে মাত মাতিলেই নাইবা ইয়াক ধ্বংস কৰিবৰ বাবে হাতে কামে আগবাঢ়িব লাগিব । এনেকুৱা পৰিবৰ্তনেহে আমাৰ অসমীয়া সমাজখনক নিকা কৰাৰ লগতে ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰৰ বিৰুদ্ধে একগোট হৈ থিয় দিব পৰাৰ সাহস যোগাব ।




# মহাবিদ্যালয় সপ্তাহত প্ৰতিভা বিচাৰি



ন
( ত






ষ্ঠ খেলুৱৈ—
ণ কুমাৰ কলিতা
ঃ ২য় বাৰ্ষিক।

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী
শ্ৰীপ্ৰভাত চন্দ্ৰ দাস
স্নাতক ৩য় বাৰ্ষিক।

যোগেন্দ্ৰ কুমাৰ দাস
( সদস্য )



কমল ঠাকুৰীয়া
( সম্পাদক )



অনুপমা ডেকা
( সদস্যা )



...ীন্দ্ৰ দাস
( সদস্য )



মনোজ কলিতা
( সদস্য )



বিমল কুমাৰ দাস
( সদস্য )

ঃ নিশ্চয় । মই ভালপোৱা ব্যক্তিজনেই হ'ল মাননীয় ছয়গাওঁ মহাবিদ্যালয় । লগতে ইয়াৰ বৃহৎ পৰিয়ালটি ।

**০ ৰবী ৰবা**


স্নাতক ১ম বার্ষিক

? আমাৰ মহাবিদ্যালয়ৰ শ্ৰেণী 3-20 P.M. লৈ থাকে যদিও প্ৰায় ভাগ ল'ৰা-ছোৱালীয়েই বাৰ বজাতেই ঘৰলৈ যায় । ইয়াৰ কাৰণ আপুনি কি বুলি ভাৱে—

ঃ স্কুলীয়া জীৱন আৰু কলেজীয়া জীৱনৰ মাজৰ পাৰ্থক্য এইখিনিতেই । কলেজত পঢ়া বুলি তেওঁলোকে সমাজৰ আগতটো দেখুৱাব লাগিল । এই ক্ষেত্ৰত ময়ো ব্যতিক্ৰম নহয় ।

০ অখিল কলিতা

ঃ বৰ্তমান অসমত এনেকুৱা এটা পৰি আৱশ্যক যিটো নেকি এক সংঘবদ্ধ বি আনি দিব পাৰিব । আজি গণতন্ত্ৰৰ দি ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰৰ মূৰব্বী শোষ আমাৰ অসমীয়া জাতিটোক পংগু কৰি পে আমাৰ ভাগৰ আমি পাবলগীয়া ন্যূনতম জনীয়খিনিও আমাৰ অসমৰ মানুহে বলী হৈ আদায় কৰিবলগীয়া হৈছে । আত্ম নিয়ন্ত্ৰণৰ হৈ মাত মতা জনক আৰু সন্ত্ৰাসবাদী সাজিছে । অসমক অ মীয়া জনসাধাৰণেহে ৰক্ষা কৰিব লাগি নিবাসীসকলে অসমক ৰক্ষা কৰিব নাহে হীনভাৱে কাম কৰা সবল নেতৃত্বই সমাজ অন্যায়, অবিচাৰৰ বিৰুদ্ধে মাত মাতিলে ইয়াক ধ্বংস কৰিবৰ বাবে হাতে কাম




ড° সৰ্বেশ্বৰ দাস


এখেতে "দক্ষিণ কামৰূপ অঞ্চলৰ কৃষি উন্নয়নৰ সমস্যা" শীৰ্ষক গৱেষণা গ্ৰন্থ প্ৰণয়ন কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

'কলহী'ৰ তৰফৰ পৰা চাৰলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো । (সম্পাদক)

# মহাবিদ্যালয় সপ্তাহত প্ৰতিভা বিচাৰি



শ্ৰেষ্ঠ খেলুৱৈ—
শ্ৰীসুৰেণ কুমাৰ কলিতা
উঃ মাঃ ২য় বাৰ্ষিক।



শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী
শ্ৰীপ্ৰভাত চন্দ্ৰ দাস
স্নাতক ৩য় বাৰ্ষিক।



শ্ৰেষ্ঠা খেলুৱৈ
মিচ্ নিৰুপমা ৰাজবংশী
উঃ মাঃ ২য় বাৰ্ষিক।



শ্ৰেষ্ঠ কৌতুক অভিনেতা
মঃ মজনুৰ আলি আহমেদ
উঃ মাঃ ১ম বাৰ্ষিক।

# মহাবিদ্যালয় সপ্তাহত প্ৰতিভা বিচাৰি



শ্ৰেষ্ঠ অভিনেতা—
শ্ৰীবিপুল নাথ
উঃ মাঃ ১ম বৰ্ষ।



শ্ৰেষ্ঠা অভিনেত্ৰী -
মিচ্ অৰ্চনা দাস
স্নাতক ১ম বৰ্ষ ।

মহাবিদ্যালয় সপ্তাহৰ "প্ৰলয়" নাটৰ বাবে
বিবেচিত শ্ৰেষ্ঠ নাট্য দল ।




থিয় হৈ বাওঁফালৰ পৰা শ্ৰীবিমল কুমাৰ দাস
শ্ৰীবিপুল নাথ ।
বহি বাওঁফালৰ পৰা—শ্ৰীবিপুল কলিতা
মিচ্ বেণু সাউদ
শ্ৰীঅতুল চন্দ্ৰ কলিতা।


# আমাৰ মহাবিদ্যালয় প্ৰতিভা



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ তাৰ্কিক
শ্ৰীমুকুট ঠাকুৰীয়া
স্নাতক ২য় বৰ্ষ।




২৩, ২৪ আৰু ২৫ ফেব্ৰুৱাৰী '৯২ ৰ পৰা অনুষ্ঠিত হোৱা ২য় গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাৰ ৩য় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰা আমা মহাবিদ্যালয়ৰ কাৰাটেকা সকল ঃ—বাওঁফালৰ পৰা সৰ্ব্বশ্ৰী সুনীল ঠাকুৰীয়া, মুকুট ঠাকুৰীয়া, অকন নাথ (দ্বিপেন শৰ্মা ফটোত নাই)।



১৯৯১ ইং চনত গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় মাৰথান দৌৰ প্ৰতি-যোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি চতুৰ্থ স্থান লাভ কৰা আমাৰ মহা-বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকৰ ছাত্ৰ শ্ৰীবিপুল চন্দ্ৰ দাস।

# ১৯৯১-৯২ ইং চনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



বহি (সোঁ ফালৰ পৰা): মৃনীন্দ্ৰ দাস (সাঃ সম্পাদক), যোগেন্দ্ৰ কুমাৰ দাস (তত্বাৱধায়ক, সাধাৰণ বিভাগ), মৃনাল বৰা (তত্বাৱধায়ক, গুৰু খেল বিভাগ), নগেন কলিতা (তত্বাৱধায়ক, আলোচনী বিভাগ), এল, দামোদৰ সিং (উপ সভাপতি, ছঃ মঃ ছাঃ এঃ সভা), পৰেশ চন্দ্ৰ অধিকাৰী (তত্বাৱধায়ক, সমাজ সেৱা বিভাগ), চামচুদ্দিন আহমেদ (তত্বাবধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ) অনুপমা ডেকা (তত্বাৱধায়িকা, সাহিত্য, সুকুমাৰ কলা, প্ৰাচীৰ পত্ৰিকা বিভাগ), ব্ৰজেন বৰ্মণ (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অৰ্পনা গোস্বামী (তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা)।

থিয় হৈ (সোঁ ফালৰ পৰা): গিৰিশ কলিতা (সম্পাদক, লঘু খেল বিভাগ), কমল ঠাকুৰীয়া (সম্পাদক, 'কলহী'), বিজুলী শালৈ (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), বিপুল চন্দ্ৰ দাস (সহঃ সাঃ সম্পাদক), শচীন্দ্ৰ কুমাৰ দাস (উপ সভাপতি, ছঃ মঃ ছাঃ এঃ সভা), মঃ মজনুৰ আলি আহমেদ (সম্পাদক, গুৰু খেল বিভাগ, ধৰণী কলিতা (সম্পাদক, সমাজ সেৱা), বিপুল শালৈ (সম্পাদক, প্ৰাচীৰ পত্ৰিকা, সুকুমাৰ কলা, সাহিত্য বিভাগ), নৱজিৎ দাস (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ), বিপুল দাস (সম্পাদক, সাংস্কৃতিক বিভাগ)।

ফটোত নাই—সভাপতি, শ্ৰীযুত উপেন কুমাৰ (ভাৰপ্ৰাপ্ত অধ্যক্ষ)



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ পাতনিত যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে ১৯৯২ ইং চনৰ ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে, তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত কিমানখিনি আৰু কেনেদৰে মই মোৰ দায়িত্ব পালন কৰিছো সেই বিষয়ে লিখিবলৈ বৰ এটা ইচ্ছুক নহয়, কিয়নো তাৰ নিৰ্ণয় আপোনালোকেহে কৰিব পাৰিব।

বিগত বছৰটোত সম্পাদিকা হিচাপে ছাত্ৰী জিৰণী কোঠাৰ কেতবোৰ অসুবিধা মোৰ এই প্ৰতিবেদনৰ জৰিয়তে কলেজ কৰ্তৃপক্ষক দৃষ্টিগোচৰ কৰিব খুজিছো।

১। ছাত্ৰীৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাটো যথেষ্ট সৰু।

২। জিৰণী কোঠাটো অলপ একাষৰীয়া হলে ভাল হয়।

মোৰ কাৰ্য্যনিৰ্বাহৰ কালছোৱাত ২৬।১২।৯১ ইং তাৰিখৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ খেলসমূহ আৰম্ভ হয় আৰু বিজয়ী-বিজেতা সকলক বঁটা প্ৰদান কৰা হয়।

মোৰ কাৰ্যকালছোৱাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ সহানুভূতিশীল পৰামৰ্শৱলী, লগতে মোৰ বিভাগীয় তত্বাৱধায়িকা অধ্যাপিকা শ্ৰীযুতা অপৰ্ণা গোস্বামী বাইদেউৰ উপদেশ সমূহে মোক উৎসাহিত কৰিছিল। ইয়াৰোপৰি মোৰ বন্ধু গিৰীন্দ্ৰ, অতুল, বিপুল, বিমল, বিশ্ব, ডিপু, পুষ্পা, মোহনলাল আৰু বান্ধৱী নাজিমা, মনিতা, প্ৰণিতা, দৰ্শনা আৰু ৰূপলেখাৰ সহায়বোৰ চিৰস্মৰণীয় হৈ ৰব।

সদৌ শেষত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰমুখ্যে প্ৰতি গৰাকী সম্পাদকলৈ পুনৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি ছয়গাঁও মহাবিদ্যালয় আৰু 'কলহী'ৰ সু-ভবিষ্যত কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

"জয়তু ছয়গাঁও মহাবিদ্যালয়।

ধন্যবাদেৰে—

শ্ৰীবিজুলী শাহৈ।



# তর্ক আৰু আলোচনা চক্র বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

ছয়গাঁও অঞ্চলৰ শীৰ্ষ বিন্দুত অৱস্থিত একমাত্ৰ শিক্ষানুষ্ঠান ছয়গাঁও মহাবিদ্যা- য়ৰ ছাত্ৰ একতা সভাৰ "তৰ্ক আৰু আলোচনা ক্ৰ" বিভাগৰ সম্পাদকৰ পদত থাকি মহাবিদ্যালয়ৰ ত্ৰ ছাত্ৰী সকলৈ সেৱা আগবঢ়াবলৈ সুবিধা য়াৰ বাবে সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু ৰান্ধবীলৈ ান্তৰিক কৃতজ্ঞতা যাচিছোঁ।

প্ৰতিবেদন যুগুতোৱাৰ পাতনিতে মনত প্ৰশ্ন হৈছে—এনে এটা মহান দায়িত্বত থাকি মহা- বিদ্যালয়খনলৈ কেনেকুৱা সেৱা আগবঢ়াব পাৰিছো। ৰশ্যে সামৰ্থনুসাৰে সেৱা আগবঢ়াবলৈ মই চেষ্টাৰ ৰুটি কৰা নাই।

বিশ্বৰ সৃষ্টিকামী উন্নয়নশীল ৰাষ্ট্ৰ সমূহৰ প্ৰকৃত গণতান্ত্ৰিক সমাজ ব্যৱস্থাত বৃজাপৰাৰ একমাত্ৰ মাধ্যমটোৱেই হ'ল "যুক্তি তৰ্ক আৰু আলোচনা"। যাৰ অবিহনে এক আদৰ্শ সমাজ ব্যৱস্থাও নিষ্ফল হৈ যাব পাৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় ছয়গাঁও মহাবিদ্যালয়ৰ দৰে এখন উচ্চমানৰ শিক্ষানুষ্ঠানত বিশেষকৈ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়টোৰ প্ৰতি এক নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। ছাত্ৰ ছাত্ৰীৰ এনে উদাসীনতাৰ বাবে আজিৰ প্ৰতিযোগিতাৰ যুগতো প্ৰতিযোগিতা মূলক অনুষ্ঠান সৰহকৈ আয়োজিত কৰিব পৰা নগ'ল।

ৰাৰ বিভিন্ন কাম-কাজত সকলো সময়তে ম পৰামৰ্শ আৰু সহায় সহানুভূতি আগবঢ়াই মোৰ শ্ৰদ্ধাভাজন শিক্ষাগুৰু শ্ৰীযুত ছামছুদ্দিন মদ আৰু শ্ৰীযুত যোগেন্দ্ৰ কুমাৰ দাসৰ মই চিৰকৃতজ্ঞ। ছাত্ৰ বন্ধুসকলৰ ভিতৰত দীপ চৌধুৰী, শ্ৰীঅনন্ত ৰাভা, শ্ৰীহেমন্ত শালৈ, ট ঠাকুৰীয়া আৰু বিজুলী বাইদেউলৈ ৰিক শলাগ যাচিছোঁ। শেষত মোৰ এৰি অহা জ্ঞাত-অজ্ঞাত সকলো দোষ ত্ৰুটিৰ মাৰ্জনা বিচাৰি আৰু ছয়গাঁও মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিবেশ যাতে উদণ্ড ৰাজনীতিৰ কোনো ভত্তৰ স্পৰ্শই বিনষ্ট কৰিব নোৱাৰে আৰু 'কলহী'ৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ মোখানি মাৰিছোঁ।

শ্ৰীনৰজিৎ দাস
সম্পাদক,
"তৰ্ক আৰু আলোচনা চক্ৰ।"

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ দুৱাৰ দলিত যিসকল বীৰ বীৰাঙ্গনাই অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ নিজকে বলিদান দিলে সেইসকল মৃত্যুঞ্জয়ী ছহিদক শ্ৰদ্ধাৰে সোঁৱৰিছো। যিসকল ান্য ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে ১৯৯১-৯২ ইং ছয়গাওঁ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৰণ নিৰ্ব্বাচনত মোক তুমুল প্ৰতিদ্বন্দীতাৰ েৰে সহঃ সাধাৰণ সম্পাদক পদত জয়ী কৰিলে তেওঁলোকলৈ মোৰ মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্য্যভাৰ গ্ৰহন কৰাৰ কেইদিনমান পিছতেই প্ৰবল বানপানীত আমাৰ মহাবিদ্যালয় ১৫ দিন ধৰি ডুব গৈ থাকে। যাৰ ফলত পুথিভঁৰালৰ বহুতো কিতাপ পত্ৰ নষ্ট হোৱাৰ লগতে মহাবিদ্যালয়ৰ অপূৰণীয় ক্ষতি হয়। বিগত বছৰ বোৰৰ দৰে এই বছৰো ২৬।১২।৯১ ইং তাৰিখৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ প্ৰতিভা বিকাশৰ

অৰ্থে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পতা হয়। ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা অনুসৰি ৩।১।৯২ ইং তাৰিখে মুকলি সভাত বঁটা বিতৰণ কৰা হয়।

আমাৰ কাৰ্য্যকাল ছোৱাত ২০ ফুট দীঘল ৮ ফুট বহলৰ যাত্ৰী জিৰণী কোঠা বনোৱাৰ লগতে আধৰুৱা মহাবিদ্যালয়ৰ গেটটো সম্পূৰ্ণ কৰা হয়।

মোৰ কাৰ্যকালছোৱাত প্ৰত্যক্ষ ভাৱে দিহা-পৰামৰ্শৰে সহায় কৰা বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ লগতে অধ্যাপক/অধ্যাপিকা, কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক/সম্পাদিকা আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মহাবিদ্যালয়ৰ এই সংখ্যা "কলহী" প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ আশাৰে—

জয়তু ভাষা জননী

জয়তু ছয়গাঁও মহাবিদ্যালয়।

**শ্ৰীবিপুল চন্দ্ৰ দাস**



## সম্পাদকীয় সাড়ম্বৰ, সাংস্কৃতিক বিভাগ

প্ৰতিবেদনৰ দুৱাৰদলিতে বৰ্তমানৰ যুগ সন্ধিত যিসকল বীৰ বীৰঙ্গনাই অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হেতু প্ৰাণ আহুতি দিলে, সেই সকল মৃত্যুঞ্জয়ী বীৰ শ্বহীদলৈ মোৰ সহস্ৰ প্ৰণাম যাচি শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে ইং ১৯৯১-৯২ চনৰ ছয়গাওঁ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ ছয়গাওঁ মহাবিদ্যালয় গোটৰ মনোনীত প্ৰাৰ্থীসকলৰ মাজত মোক তেওঁলোকৰ বহুমূলীয়া ভোটেৰে বিপুল ভোটত জয়ী কৰি সাংস্কৃতিক সম্পাদকৰ দায়িত্ব ভাৰ অৰ্পণ কৰিলে তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ।

মনৰ উৎকৰ্ষনেই হৈছে মানুহৰ ওপৰলৈ গতি কৰাৰ উপায়। এই উৎকৰ্ষনেই হৈছে সংস্কৃতি।" ৰূপকোৱৰ জ্যোতিপ্ৰসাদে তেওঁৰ এই সাংস্কৃতিৰ

সংজ্ঞাক এনে ধৰণে ব্যাখ্যা কৰিছে -"যি কথাই, যি কামে, যি চিন্তাই, যি প্রয়াসে, যি প্রচেষ্টাই মানুহক মানুহৰ বাস্তৱ জীৱনক সুন্দৰ আৰু মহান কৰে, মানুহৰ বৰ্বৰ প্রকৃতিৰ পৰা মানুহক তাৰ আদিম পৰিবেশৰ পৰা ওপৰলৈ তুলি নি দিব্য প্রকৃতি দিয়ে, এই পৃথিৱীৰ বাস্তৱ জীৱন ধুনীয়া কৰি, মনোময় কৰি মানুহক মানুহ জীৱনৰ সুখ-শান্তি আৰু আনন্দ পাবলৈ যোগান ধৰি আনন্দৰ পৰা আনন্দলৈ লৈ যায়, সিয়েই হৈছে সংস্কৃতি।" সেয়ে সংস্কৃতিক এটা জাতিৰ গুণগত, মনগত, কলা সুলভ পৰিচয় বুলিব পাৰি। সংস্কৃতিয়ে সমস্ত মানুহৰ চিন্তা আৰু কৰ্ম সামৰি লয়। কিন্তু সাম্প্রতিক কালত দেখা গৈছে আমাৰ ব্যক্তি-গত বা সামাজিক জীৱনত কলা কৃষ্টিৰ ব্যৱহাৰিক দিশ আমাৰ দোষ অৱহেলাতেই নিম্নগামী হৈ জাতীয় চৰিত্ৰক বিশ্ব দৰবাৰত অনুজ্জ্বল কৰাৰ পথ প্রসস্ত কৰি দিছে।

আজি আমাৰ পৰম্পৰাগত সংস্কৃতিক উচ্চ মান বিশিষ্ট ৰূপে প্রতিষ্ঠা কৰিবলৈ হলে আমি প্রত্যেকটো বিষয় বৈজ্ঞানীকভাৱে পৰিবেশন কৰিব পাৰিব লাগিব। গীত, বাদ্য, সুৰ তালৰ নিয়ম প্রণালী ৰক্ষা কৰি শিল্পীসকলক প্রেৰণা দি বিশ্ব সংস্কৃতিৰ বহল পথাৰত বলিষ্ঠ পদক্ষেপ দিবলৈ সামৰ্থবান কৰি তুলিব লাগিব। বৰ্তমানৰ যুগ সন্ধিত অসমৰ অস্তিত্ব সম্পৰ্কে জনসাধাৰণৰ অন্ত-ৰত যি চিন্তাৰ জাগৰণ হৈছে ই আমাৰ জাতিটোৰ বাবে শুভ লক্ষণ। আমাৰ মাজত থকা ভেদা-ভেদ ভাৱ, বৰ্ণ বৈষম্য উচ্চ নীচ, সাম্প্রদায়িকতা আদি ভাৱ অৱসান ঘটাব পাৰিব এক সাংস্কৃতিক জাগৰণেহে। আমাৰ বিভিন্ন জাতি উপজাতিৰ মিলন হেতুক মুৰ্ত্তিমান কৰিব পাৰিব সাংস্কৃতিক বিবৰ্তনেহে। অসমত সিঁচৰিত হৈ থকা বিভিন্ন জাতি সম্প্রদায়ৰ নিজস্ব কৃষ্টিক সমদৰ্শিতাৰে সম-মৰ্য্যাদাৰে সজীৱ কৰিবলৈ আমি আটায়ে সংকল্প-বদ্ধ হব লাগিব। তেতিয়াহে অসমীয়া সংস্কৃতিৰ সেৱা কৰা হব আৰু ই হব আমাৰ আটাইৰে বাবে জাতীয় সঞ্জিৱনী।

আমাৰ কাৰ্য্যকাল শেষ হ'ল। নতুন জনক দায়িত্ব ভাৰ দিয়াৰ লগে লগে বিগত দিনৰ কাৰ্য্য পৰিক্ৰমা সম্পৰ্কে জুকিয়াই চাবলৈ সুযোগ পালো। গতানুগতিকভাৱে বহু আশা আৰু প্রতিশ্ৰুতিৰ মাজেৰে মই ছয়গাঁও মহাবিদ্যালয়ৰ বিষয়ববীয়া হৈছিলো যদিও যিখিনি প্রতিশ্রুতি আছিল তাত মোৰ শক্তি সামৰ্থৰ বিচাৰ কৰি চাইছিলো। সেয়ে ছয়গাঁও মহাবিদ্যালয় ছাত্র একতা সভাৰ সম্পাদক হিচাপে মনোনীত বিভাগটোৰ সন্মান অক্ষুন্ন ৰাখিবৰ বাবে মই যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ।

মোৰ কাৰ্য্যকাল ছোৱাত বিগত বছৰ কেইটিৰ দৰে মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে চলাইছিলো— "মহাবিদ্যালয় সপ্তাহ"। যোৱা ইং '৯১ ৰ ৩০ ডিচেম্বৰৰ পৰা '৯২ ৰ ২ জানুৱাৰীলৈ চাৰিদিনীয়া কাৰ্য্যসূচীৰে সাংস্কৃতিক বিভাগৰ প্রতিযোগিতাসমূহ চলোৱা হয়। তাৰ উপৰি ২৯ আগষ্টত শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন উপলক্ষে বৰগীত প্রতিযোগিতাৰ আয়োজন কৰা হয়। আৰু লগতে ১১ চেপ্তেম্বৰত "ফাতেহা ই-দোৱাজ দাহম" উৎসৱ বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা

হয়। ছয়গাঁও সাহিত্য সভাৰ সভাপতি শ্ৰীলক্ষ্যধৰ চৌধুৰী ডাঙৰীয়াৰ ৬ ফেব্ৰুৱাৰী তাৰিখে বিভিন্ন কাৰ্য্যসূচীতে আমাৰ মহাবিদ্যালয়ৰ পৰা যোগদান কৰা হয়। এইবাৰ নৱাগত আদৰণি সভাৰ সাংস্কৃতিক সন্ধিয়াত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ যুটিয়া প্ৰচেষ্টাত কৰিবলৈ লোৱা নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰ ৰচিত পূৰ্ণাংগ নাট 'মুখ্য মন্ত্ৰী' প্ৰাকৃতিক দুৰ্য্যোগৰ হেতু ২৮ চেপ্তেম্বৰত কৰিব নোৱাৰি ৮ অক্টোবৰৰ সন্ধিয়া বিভিন্ন শিল্পীৰ গীত-মাতৰ লগতে উক্ত নাটখনি মঞ্চস্থ কৰি অঞ্চলবাসী ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰা হয়। বিশেষভাৱে মোৰ এই কাৰ্য্যকাল ছোৱাত ইং ৬ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ চলা গুৱাহাটী বিশ্ববিদ্যালয় "যুৱ মহোৎসৱত" আমাৰ ছয়গাঁও মহাবিদ্যালয়ৰ পৰা বিভিন্ন সাংস্কৃতিক বিষয়ৰ কাৰ্য্য-সূচীত যোগদান কৰা হয় আৰু বিহুত তৃতীয় স্থান পায় 'ব্ৰঞ্জৰ পদক" লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা হয়। তাৰোপৰি আন আন কাৰ্য্য সূচী সমূহত যদিও আমি কোনো স্থান লাভ কৰিব নোৱাৰিলো তথাপি আমি দৰ্শকৰ মাজৰ পৰা বিপুল সমৰ্থন পাবলৈ সক্ষম হওঁ।

সাংস্কৃতিক সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ আৰম্ভণিৰ পৰাই মই বিভিন্ন অভাৱ অভিযোগৰ সন্মূখীন হব লগা হৈছিল। মোৰ কাৰ্য্যকাল ছোৱাত কিছু বাদ্য যন্ত্ৰ আছিল যদিও সেই বাদ্য যন্ত্ৰখিনিৰে এজন শিল্পীয়ে তেওঁৰ প্ৰতিভা বিকাশ কৰিবলৈ গৈ নানা অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। সেয়ে উক্ত বাদ্য যন্ত্ৰখিনিৰ লগতে উন্নত মানৰ গীতাৰ, মেণ্ডোলিন, ধুলকী, ঢোল, মাৰ্কচ আদি থকাতো অতি প্ৰয়োজনীয়। গতিকে এই অভাৱসমূহৰ লগতে সাংস্কৃতিক বিভাগৰ বিভিন্ন বাদ্য যন্ত্ৰ, সা-সৰঞ্জাম আদি সুৰক্ষিত কৰি থবলৈ এটা আচুটীয়া কোঠা আৰু এটা ডাঙৰ বাকচৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক মোৰ প্ৰতিবেদনৰ জৰিয়তে টানি অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্য্যকালৰ এই সময় ছোৱাত সাংস্কৃতিক বিভাগৰ কাম-কাজ সমূহ চলাই নিয়াত বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধাৰ ভাৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উপেন কুমাৰ, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়কদ্বয় অধ্যাপক শ্ৰীপৰেশ অধিকাৰী, শ্ৰীব্ৰজেন বৰ্মণ অধ্যাপক প্ৰদীপ কলিতাৰ লগতে মোৰ চিৰ নমস্য অধ্যাপক-অধ্যাপিকা মণ্ডলী, মান্যবৰ বিচাৰক মণ্ডলী আৰু সমূহ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীকে মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে মোৰ কাৰ্য্যকালৰ প্ৰতিটো মুহূৰ্ত্ততে সহায় সহযোগিতা তথা পৰামৰ্শ আগবঢ়োৱা বন্ধুবৰ হীৰেন, ৰজত, সঞ্জয়, দেৱ, ৰবিন, জ্যোতি, ৰঞ্জিৎ, জয়প্ৰকাশ, যুগল, বিপুল, তপন, ধীৰাজ, অতুল, মোহনলাল, পৰাগ, ভাস্কৰ জ্যোতি লোকেন্দ্ৰ বান্ধৱী ৰঞ্জিতা, শেৱালী, তুলুমণি, জোনটি, অৰ্চনা, ময়ুৰী, মীৰা, অনুপমা, কানন, অঞ্জু, কল্পনা, সত্য, নমিতা, কবিতাৰ লগতে বাইদেউ দিপালী মহন্ত, নমিতা দাস, অঞ্জু দেৱী আৰু ধীৰেন দেৱান, গৌৰী ৰাভালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি ছয়গাঁও মহাবিদ্যালৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

"জয়তু ছয়গাঁও মহাবিদ্যালয়"

ধন্যবাদেৰে—

**শ্ৰীবিপুল কুমাৰ দাস**

সম্পাদক, সাংস্কৃতিক বিভাগ।

ছয়গাঁও মহাবিদ্যালয়।



# প্ৰচাৰ পত্ৰিকা, সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন-

প্ৰথমে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী কৰি ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা, সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক হিচাপে ছয়গাঁও মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ ধন্যবাদ জনাইছোঁ ।

মই মোৰ কাৰ্য্যনিৰ্ব্বাহৰ সময়ছোৱাত মোৰ প্ৰতিশ্ৰুত কাৰ্য্যসূচীসমূহ বাস্তবায়িত কৰিবলৈ কোনো দিনে চেষ্টাৰ ত্ৰুটি কৰা নাছিলো । মই মোৰ কাৰ্য্যকালৰ পাতনিতে শ্ৰেণী চলি থকা সময়ত ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ একমাত্ৰ থল প্ৰাচীৰ পত্ৰিকা "ন-প্ৰভাতী" প্ৰকাশৰ ব্যৱস্থা কৰোঁ ।

অইন বছৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু সুকুমাৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় ।

মোৰ কাৰ্য্যকালৰ বিভিন্ন কাৰ্যসূচী চলাই নিয়াত দিহা পৰামৰ্শৰে সহায় কৰাৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীউপেন কুমাৰ আৰু মাননীয় তত্বাৱধায়িকা শ্ৰীঅনুপমা ডেকা, শিক্ষা গুৰু নগেন কলিতা দেৱৰলগতে মোৰ হৈ কষ্ট স্বীকাৰ কৰা ছাত্ৰ বন্ধু ৰবিন, ৰজত, সঞ্জয়, ধীৰাজ, তাইজুদ্দিন, হীৰেন, জয়প্ৰকাশ, ভৱেশ, হিতেশ কলিতা, লোহিত, প্ৰভাত লৈ কৃতজ্ঞতা যাচিছোঁ ।

সদৌ শেষত ছয়গাঁও মহাবিদ্যালয় আৰু প্ৰাচীৰ পত্ৰিকা, সাহিত্য আৰু সুকুমাৰ কলাৰ সু-ভৱিষ্যত কামনাৰে প্ৰতিবেদন সামৰিছোঁ ।

ইতি—

শ্ৰীবিপুল কুমাৰ শইকীয়া

ছয়গাঁও মহাবিদ্যালয় ।



# ঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও বাসী ৰাইজৰ অতি মৰমৰ অতি চেনেহৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত মোক ভোট দি জয়যুক্ত কৰি মোৰ ওপৰত এই দায়িত্ব অৰ্পন কৰা ছয়গাঁও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা যাচিছোঁ।

সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰি দেখিলো যে মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা বিভিন্ন সমস্যাৰে জৰ্জৰিত আৰু ৰাজনীতিৰ কলীয়া ডাৱৰে ছানি ধৰিছে। এইবোৰ আতৰাবলৈ মই দৃঢ় প্ৰতিজ্ঞ হওঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক সমস্যাবোৰ সমাধান কৰিবলৈ অশেষ চেষ্টা কৰাৰ উপৰিও কৰ্তৃপক্ষক হেচা প্ৰয়োগ কৰা হৈছিল। তাৰ ভিতৰত কিছুমান সমস্যা দূৰ কৰিবলৈ সক্ষম হওঁ। অতি দুখৰ কথা আমাৰ কাৰ্যকালৰ সময়ত অসমত ৰাষ্ট্ৰপতিৰ শাসন চলি থকাত মহাবিদ্যালয়ৰ সমস্যাবোৰ সমাধান কৰাত অলংঘণীয় বাধাৰ সন্মুখীন হব লগা হৈছিল। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিন মান পাচতে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" সাত দিনীয়া কাৰ্য্যসূচীৰে খেল ধেমালি আৰু সাহিত্য শাখাৰ বিভিন্ন প্ৰতিযোগিতাৰে পালন কৰা হয়। ৩ জানুৱাৰী ৯২ ইং তাৰিখে বঁটা বিতৰণী সভাখন অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছত দেৱী সৰস্বতীৰ পূজা মহাবিদ্যালয়ত উৎসৱমুখী পৰিবেশত পালন কৰা হয়। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ অতুত ৰাখিবলৈ অশেষ চেষ্টা কৰা হৈছিল। আমাৰ কাৰ্য্যকাল চোৱাতে আমাৰ মহাবিদ্যালয়ৰ পৰা ১৯৯২ ইং চনৰ উচ্চতৰ মাঃ শেষান্ত পৰীক্ষাত মঃ বাহাৰুল ইছলাম শইকীয়াই সদৌ অসমৰ ভিতৰত ষ্টাৰ নম্বৰ সহ তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈ আমাৰ মহাবিদ্যালয়লৈ যি গৌৰৱ কঢ়িয়াই আনিলে তাৰ বাবে শইকীয়াক আন্তৰিক অভিনন্দন ও কৃতজ্ঞা জ্ঞাপন কৰিছো।

শইকীয়াৰ লগতে আন তিনিগৰাকী ছাত্ৰী মিচ্ সুৰমা দাস, মিচ্ চুনু মেধি আৰু মঞ্জু দেৱীয়ে লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মহাবিদ্যালয়লৈ যি সুনাম কঢ়িয়াই আনিলে তাৰ বাবে তেওঁলোকক আন্তৰিক অভিনন্দন জনাইছো। এই কৃতিত্বৰ বাবে তেওঁলোকক আনুস্থানিক ভাৱে সম্বৰ্দ্ধনা জনাবলৈ যোৱা ১।৮।৯২ ইং তাৰিখে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ মাজত এখন সম্বৰ্দ্ধনা সভা অনুস্থিত কৰা হয়। উক্ত সভাত মঃ বাহাৰুল ইছলাম শইকীয়াক এখন সম্বৰ্দ্ধনা পত্ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা প্ৰদান কৰা হয়। মহাবিদ্যালয় পৰিচালনা সমিতিয়ে বাহাৰুল ইছলাম শইকীয়াক এখন শৰাই লগতে মিচ্ সুৰমা দাস, মিচ্ চুনু মেধি আৰু মিচ্ মঞ্জু দেৱীক এখনকৈ অভিধান প্ৰদান কৰে। ছয়গাঁওস্থ মাননীয় মঃ পিয়াৰ আলীয়ে উক্ত সম্বৰ্ধনা সভাত ১০০০.০০ টকা আৰু এখন অভিধান শইকীয়াক প্ৰদান কৰে। ছয়গাঁওস্থ মাননীয় শ্ৰীবলেন মেধীয়ে শইকীয়াক ৫০০.০০ টকা আৰু লগতে এখন অভিধান প্ৰদান কৰে, লগতে তিনিওগৰাকী ছাত্ৰীক এখনকৈ অভিধান প্ৰদান কৰে। মাননীয় মঃ পিয়াৰ আলী আৰু শ্ৰীবলেন মেধীয়ে কৃতি ছাত্ৰ-ছাত্ৰী কেইগৰাকীক যি উৎসাহ উদ্দীপনা আগবঢ়ালে সেয়ে তেওঁলোকক মই মোৰ আন্তৰিক শ্ৰদ্ধাৰে শলাগিছো। যোৱা ২৪।৮।৯২ ইং তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথি, নাম কীৰ্ত্তন আৰু বিভিন্ন প্ৰতিযোগিতাৰে দিনজোৰা কাৰ্য্যসূচীৰে পালন কৰা হয়। যোৱা ১১।৯।৯২ ইং তাৰিখে ফাটেহা-ই দোৱাজ-দাহম পালন কৰা হয়। অইন বেলিৰ দৰে এই বেলিও ২১।৯।৯২ ইং তাৰিখে 'নৱাগত' আদৰণি সভাখন অনুস্থিত কৰা হৈছিল।

১। আমাৰ কাৰ্য্যকাল ছোৱাত মহাবিদ্যালয়ৰ পদুলিমুখত থকা জিৰণী কোঠাটো ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ কাৰণে কোঠালী বঢ়াবলৈ ছয়গাঁও উন্নয়ন খণ্ডৰ খণ্ড বিষয়াক আবেদন কৰোঁ। তেওঁলোকে আবেদনৰ প্ৰতি সহাঁৰি জনাই এটা কোঠালী অনুমোদন দিয়ে।

২। মহাবিদ্যালয়ত শ্ৰেণী কোঠাৰ অভাৱ হোৱাৰ কাৰণে কৰ্ত্তৃপক্ষৰ ওচৰত প্ৰস্তাৱ যোগে অনুৰোধ জানোৱাত কেইটামান শ্ৰেণীকোঠা বঢ়াই ছাত্ৰ-ছাত্ৰীৰ সুবিধা কৰি দিয়া হয়।

৩। স্থায়ী তোৰণটোৰ কাম সম্পূৰ্ণ কৰিবলৈ দাঁতা মাননীয় শ্ৰীযুত অৰুণ কান্ত তালুকদাৰ দেৱক আবেদন কৰাত তোৰণৰ দৰ্জাখন দিয়ে। এই প্ৰতিবেদনৰ জৰিয়তে বাকী থকা কাম খিনি সোনকালে শেষ কৰিবলৈ দাতাঁক অনুৰোধ কৰিলো।

৪। বানপানীৰ কবলত কেইবাবছৰো ধূলি মাকতিৰে লেতেৰা হোৱা মহাবিদ্যালয়ৰ আটাইবোৰ ভৱনত ৰং দিবলৈ কৰ্ত্তৃপক্ষৰ ওপৰত হেচা প্ৰয়োগ কৰাত এই কামখিনি সম্পুৰ্ণ কৰে।

৫। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ হোৱাত কৰ্ত্তৃপক্ষৰ ওচৰত হেচা প্ৰয়োগ কৰাত হিন্দী, ইংৰাজী আৰু কমাৰ্চ বিভাগত এজনকৈ প্ৰবক্তা নিয়োগ কৰে।

৬। ইংৰাজী আৰু শিক্ষা বিষয় দুটা প্ৰধান বিষয় হিচাবে লবলৈ কৰ্ত্তৃপক্ষৰ ওচৰত অনুৰোধ

কৰাত ইংৰাজী বিষয়টো প্ৰধান বিষয় হিচাবে লোৱাত ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক শ্ৰদ্ধাৰে শলাগিছোঁ ।

আমাৰ কাৰ্য্যকালছোৱাত বানপানীয়ে পুথি-ভঁৰালৰ বহু সংখ্যক কিতাপ পত্ৰ বিনষ্ট কৰাত ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক প্ৰয়োজনীয় কিতাপ পত্ৰ ৰাখিবলৈ কোৱাত কিছু সংখ্যক কিতাপ পত্ৰ ৰাখিছে যদিও ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাত অসুবিধাৰ সন্মুখীন হব লগা হৈছে। এই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয়ক টানি অনুৰোধ জনাওঁ যে ছাত্ৰ-ছাত্ৰীৰ বাবে তেখেতে প্ৰয়োজনীয় কিতাপ পত্ৰ পুথিভঁৰালত ৰখাৰ ব্যৱস্থা কৰে যেন। মহাবিদ্যালয়খন সমস্যা বহুল। এই সমস্যাসমূহ মাত্ৰ এটা বছৰতে দূৰ কৰাত ছাত্ৰ একতা সভাৰ যিমান দায়িত্ব বা কৰ্ত্তব্য তাতকৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীসকলৰ কোনোগুণে কম নহয়। মহাবিদ্যালয়ৰ কিছুমান সমস্যা দূৰ কৰিবলৈ চেষ্টা কৰাত দুই এক সহকৰ্মী আৰু একাংশ ছাত্ৰ-ছাত্ৰীৰ বাদে বাকী অংশ ছাত্ৰ ছাত্ৰী কৰ্তৃপক্ষৰ পৰাও আশানুৰূপ সহাৰি নোপোৱাটোও উল্লেখযোগ্য। আনহাতে ছাত্ৰ-ছাত্ৰীৰ যি ঐক্যতাৰ মনোভাৱ থাকিব লাগে সেয়া কাৰ্য্য ক্ষেত্ৰত পৰিলক্ষিত হোৱা দেখা নাপালো। হে মহান তৰুণ তৰুণী তথা ছাত্ৰ-ছাত্ৰীসকল, আমাৰ ভিতৰতে কিছুমান ব্যক্তি আছে যিসকলে নিজৰ স্বাৰ্থৰ কাৰণে সহজ সৰল ছাত্ৰ-ছাত্ৰীসকলক বিপদগামী পথে আগুৱাই নি নিজৰ স্বাৰ্থ সিদ্ধি কৰাত ব্যস্ত থাকে। সেইসকল ব্যক্তিয়ে কথাত এটা কয় কাৰ্য্য ক্ষেত্ৰত আন এটা কৰে তেনেকুৱা ব্যক্তি সকলৰ পৰা আপোনালোকে আতঁৰি থাকক নহলে আপোনালোকৰ শিক্ষা জীৱনৰ লক্ষ্য চূৰ্ণ-বিচূৰ্ণ কৰি পেলাব।

## মহাবিদ্যালয়ৰ অভাৱ -

১। স্থায়ী মাইকচেটৰ অভাৱ।
২। ছাত্ৰ-ছাত্ৰী অনুপাতে শ্ৰেণী কোঠাৰ অভাৱৰ লগতে বিজুলীবাতিৰ অভাৱ।
৩। ছাত্ৰ-ছাত্ৰীৰ মূত্ৰাগাৰৰ লগতে শৌচাগাৰৰ অভাৱ।
৪। প্ৰায়বোৰ বিষয়ত শিক্ষকৰ অভাৱ।
৫। পুথিভঁৰালত প্ৰয়োজনীয় কিতাপ পত্ৰৰ অভাৱ।
৬। ক্ৰীড়া বিষয়ক প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ।
৭। ছাত্ৰ-ছাত্ৰীৰ আবাসৰ প্ৰয়োজন।
৮। খেল ধেমালীৰ বাবে খেল পথাৰৰ অভাৱ।
৯। প্ৰেক্ষাগৃহৰ অভাৱ।
১০। ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণী কোঠা স্থায়ীকৰণ কৰিব লাগে।
১১। উন্নত মানদণ্ডৰ কেন্টিনৰ অভাৱ।

এই অত্যাৱশ্যকীয় অভাৱসমূহ আপোনালোকৰ দৃষ্টিগোচৰ কৰিলো।

**কৃতজ্ঞতা**—মোৰ কাৰ্য্যকালৰ দিন কেইটিট বিভিন্ন দিশত বিভিন্ন প্ৰকাৰে কাৰ্য্য সুচাৰুৰূপে পৰিচালনা কৰাত সহায় সহযোগিতা আগবঢ়োৱা বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীউপেন কুমাৰদেৱক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্য-কালছোৱাত দিহাপৰামৰ্শৰে উৎসাহিত কৰা মাননীয় শ্ৰীযুত এল. দামোদৰ সিং দেৱৰ ওচৰত মই

চিৰ কৃতজ্ঞত। যিসকল মাননীয় শিক্ষক আৰু শিক্ষত্ৰীয়ে মোক সহায় সহায়যোগ আগবঢ়ালে তেওঁলোকলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰি মহাবিদ্যালয় খনলৈ কি সেৱা আগবঢ়াব পাৰিলো সি বিচাৰ্য্যৰ বিষয় তাক সংলি ট সকলে বিচাৰ কৰিব। সেই কাৰ্য্যকালছোৱাত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত মই বিনম্ৰতাৰে ক্ষমা মাগিছোঁ। মোক সহায় কৰা সমূহ ছাত্ৰ ছাত্ৰীৰ লগতে (সৰ্বশ্ৰী) গগন কলিতা, কামদেৱ কলিতা, দিপেন শৰ্মা, হেমন্ত শালৈ, নগেন দাস, পঙ্কজ ঠাকুৰীয়া, অমৃত নাথ, ধৰণী কলিতা, বাহাৰুল ইছলাম শইকীয়া, দিপক দাস, কমল ঠাকুৰীয়া, ৰবি বৰা, ললিতা নাথ, হিৰণ ঠাকুৰীয়া সবিতা বৰুৱা, জুনু দাস, জ্যোস্না ঠাকুৰীয়া, জাহানাৰা বেগম আৰু চুনু মেধিলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি নমস্কাৰ জনাই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু ছয়গাঁও মহাবিদ্যালয়

ধন্যবাদেৰে—

শ্ৰীমুনীন্দ্ৰ দাস

* জয় আই অসম *



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন-

প্ৰতিবেদন লিখাৰ মানসেৰে কাপ হাতত লৈয়ে এইবছৰৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰা হেতু আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ বন্ধু আৰু ছাত্ৰী বান্ধৱীলৈ মোৰ হিয়া উপচা শলাগ যাঁচিলো। পূজ্যবৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰুক অকৃত্ৰিম শ্ৰদ্ধা নিবেদিলোঁ।

গুৰু খেল বিভাগৰ গুৰু দায়িত্ব গ্ৰহণ কৰি আপোনালোকৰ হকে কিমানখিনি কৰিছো-নকৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

মই নিশ্চয়কৈ উপলব্ধি কৰিছো যে যি আশা-আকাংখ্যাক সাৰোগত কৰি মোক এনে দায়িত্ব দিছিল তাৰ পূৰ্ণ প্ৰতিফলন মোৰ জৰিয়তে নঘটিল। আপোনালোকক দিব নোৱাৰাখিনিৰ বাবে বেদনাসিক্ত মনেৰে ক্ষমা বিচাৰিছোঁ।

বৰ্ত্তমানৰ দিনবোৰত মানুহৰ মাজত মিলা-প্ৰীতি, সদ্ভাৱ, সহনশীলতা আদি ৰক্ষাৰ বাবে খেল-ধেমালি অতি গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে। ই উগ্ৰ সাম্প্ৰদায়িকতা আৰু জাতিবৈৰীতাক দমন কৰি ৰাখে। খেল-ধেমালিত সক্ৰিয় অংশ গ্ৰহণকাৰীসকল অকল যে সুস্থ সবল নিৰোগী দেহ এটাৰেই অধিকাৰী হয় এনে নহয়, তাৰো-পৰি সহনশীলতা, শৃংখলাবদ্ধতা, ভাতৃত্ববোধ, উদাৰতা আদি মহান গুণেৰেও তেওঁলোকৰ মানসিক জগতখন ফৰকাল হৈ থাকে। ক্ৰীড়ানুশীলনৰ গুৰুত্ব সম্পৰ্কে আপোনালোকে ইয়াতকৈ নিশ্চয় অধিক জানে।

এই বছৰ আন্তঃমহাবিদ্যালয় খেল প্ৰতিযোগিতা বোৰত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰি তেনে সুনাম বুটলিব নোৱাৰিলে। কেৱল কেৰাটে প্ৰতিযোগী শ্ৰীমুকুট ঠাকুৰীয়া, সুনীল ঠাকুৰীয়া, অৰুণ নাথ আৰু দিপু শৰ্মাই তৃতীয় স্থান দখল কৰি মহাবিদ্যালয়লৈ সুনাম আনিছে। তেখেতসকল চাৰিওজনৰেই উজ্বল ভৱিষ্যত কামনা কৰিছো।

মোৰ কাৰ্য্যকালৰ সময়ত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়াই মোক খেল বিভাগৰ কাম-কাজ পৰিচালনা কৰাত সহায় আগবঢ়োৱা বাবে মাইনুদ্দিন আহমেদ, ৰহিমুদ্দিন আহমেদ, শশীন্দ্ৰ কুমাৰ দাস, বিপুল দাস, তাইজুদ্দিন আহমেদ, ধৰণী কলিতা, যুগল ঠাকুৰীয়া, নুৰাল হ'ক চৌধুৰী, গিৰিশ কলিতা আৰু বক্‌কৰ চিদ্দিকলৈ কৃতজ্ঞতা জনালোঁ।

শেষত আমাৰ এই মহাবিদ্যালয়খন বিবিধ সুনামৰ উৎস হওক—এই কামনাৰে মোৰ চমু প্ৰতিবেদন সামৰিলোঁ।

ইতি—

ধন্যবাদেৰে,

**মঃ মজনুৰ আলি আহমেদ**

সম্পাদক, গুৰু খেল বিভাগ

জয়গাওঁ মহাবিদ্যালয়


১৯৯১-৯২ চন।



# ঃ আলোচনী সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ জপনামুখত অসম মাতৃৰ জাগ্ৰত প্ৰহৰী সকলৰ জীৱন যাতে বিপদাপন্ন নহয় তাৰবাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা নিবেদিছো। মহাবিদ্যালয়ৰ আলোচনী "সম্পাদক" হিচাপে মোক নিৰ্বাচিত কৰি দিয়া বাবে ছয়গাঁও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীকে ধন্যবাদ আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। প্ৰতিকূল পৰিস্থিতিৰ বাবে মাজতে 'কলহী' প্ৰকাশ কৰিবলৈ গৈ মই থমকি ৰৈছিলোঁ। আপোনালোকৰ পৰা পোৱা সাহস আৰু অনুপ্ৰেৰণাই 'কলহী' প্ৰকাশ হৈ ওলোৱাৰ মূল কাৰণ। এইখিনিতে মই দুখেৰে জনাব লগাত পৰিছো যে উপন্যাসিক, সাহিত্যিক হিতেশ ডেকাক সাক্ষাৎ গ্ৰহণৰ বাবে দিয়া প্ৰশ্নকেইটিৰ তেখেত বৰ্ত্তমান শয্যাগত অৱস্থাত থকা বাবে উত্তৰ দিব নোৱাৰিলে। তেখেত সোনকালে আৰোগ্য হওঁক, এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা। এই সংখ্যা 'কলহী'ত টকাৰ অভাৱৰ বাবে গল্প আৰু কবিতাবোৰত স্কেচ দিব পৰা নগ'ল তাৰবাবে মই ক্ষমা বিচাৰিছোঁ। এখন উন্নতন মানদণ্ডৰ আলোচনী প্ৰকাশ কৰিবলৈ হ'লে বহু টকাৰ প্ৰয়োজন সেই অনুপাতে আমাৰ আলোচনীৰ শিতানত টকা নাই। অৱশ্যে এইটো ঠিক এখন ৰংচঙীয়া আলোচনী হলেই যে উন্নত মানদণ্ডৰ হ'ব সেইটো নহয়। ইয়াৰ বিষয় বস্তু বিলাকৰ গুনাগুণৰ ওপৰতহে ই ঘাইকৈ নিৰ্ভৰ কৰে। এইবাৰ কলহীৰ বাবে যথেষ্ট সংখ্যক লিখা মেলা পাইছিলো। ইয়াৰ বেছিভাগেই অপৈনত যদিও কিছু সংখ্যক যথেষ্ট উন্নত মানদণ্ডৰ হৈছে আৰু ছাত্ৰ ছাত্ৰীসকললৈ অনুৰোধ লিখনিসমূহ যেন মৌলিক হয়। সদৌ শেষত 'কলহী'ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

**কমল ঠাকুৰীয়া**



# ঃ উপ-সভাপতিৰ কলমৰ পৰা ঃ

১৯৯২ ইং চনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা মঃ বাহাৰুল ইছলাম শইকীয়ালৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। ছয়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰথমজন উপ-সভাপতি হিচাপে মোক এই দায়িত্ব অৰ্পণ কৰাৰ বাবে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ এই চেগতে শলাগ ললোঁ।

ছাত্ৰ একতা সভাৰ উপ-সভাপতি হৈয়ে মানসিক প্ৰস্তুতিৰে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নত কৰাত দৃঢ় প্ৰতিজ্ঞ হৈছিলো।

অতীব পৰিতাপৰ কথা যে আজি অসমৰ ৰাজনীতিয়ে আমাৰ চৌপাশ দূষিত কৰি পেলাইছে। তাৰ অনুকম্পনে ছয়গাঁও মহাবিদ্যালয়ত মৃদু জোকাবণি অনুভূত হব ধৰিছে।

প্ৰদূষণ মুক্ত কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ ঐকান্তিক শক্তিৰ নিতান্তই প্ৰয়োজনীয় দীৰ্ঘকালীন প্ৰচেষ্টা হাতত লব লাগিব।

লেতেৰা ৰাজনীতিৰ চক্ৰবেহুৰ ভিতৰত কক্‌বকাই থকা আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সেই চক্ৰবেহু চূৰ্ণ-বিচূৰ্ণ কৰি নিজকে ন-অভিমান্যু হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰক। এই কামনাৰে—

শ্ৰীশচীন্দ্ৰ কুমাৰ দাস



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই ছয়গাঁও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক আন্তৰিক ধন্যবাদ ও শ্ৰদ্ধা নিবেদিছো। সীমিত অভিজ্ঞতাৰে মই মোৰ এবছৰীয়া কাৰ্য্যকালছোৱাত কি কৰিব পাৰিলো সেইটো নিশ্চয় আপোনালোকৰ জ্ঞাত।

মোৰ কাৰ্য্যকালছোৱাত আমাৰ মহাবিদ্যালয়ৰ স্নাতক ২য় বৰ্ষৰ ছাত্ৰ শ্ৰীশচীন্দ্ৰ দাসে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হাউলি কলেজত অনুষ্ঠিত হোৱা **সৰ্বভাৰতীয়** ৰাষ্ট্ৰীয় সংহতি শিবিৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আমাৰ ছয়গাঁও মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰে। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ N. S. S. গোটে সেৱা আগবঢ়ায়।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ২৬। ২।৯১ ইং তাৰিখৰ পৰা ৩।১।৯২ ইং তাৰিখলৈ চলে। 'মহাবিদ্যালয়'ৰ বাৰ্ষিক সপ্তাহত শ্ৰেষ্ঠ সমাজ কৰ্মীৰ বঁটা উঃ মাঃ ১ম বাৰ্ষিকৰ শ্ৰীপ্ৰফুল্ল কলিতাক দিয়া হয়। আমাৰ মহাবিদ্যালয়ত এখনি উন্নত ধৰণৰ মুত্ৰাগাৰ আৰু শৌচাগাৰৰ নিতান্তই প্ৰয়োজন। মোৰ কাৰ্য্যকাল ছোৱাত অশেষ চেষ্টা কৰিও কৰিব নোৱাৰিলো। তাৰবাবে মই দুঃখিত।

মোৰ কাৰ্য্যকালছোৱাত বিশেষ ধৰণে দিহা পৰামৰ্শ দি কাৰ্য্যপৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত উপেন কুমাৰ দেৱ, তত্বাৱধায়ক মাননীয় শ্ৰীযুত পৰেশ অধিকাৰী, অধ্যাপক মাননীয় শ্ৰীযুত বানেশ্বৰ দাস, ছাত্ৰবন্ধু সৰ্বশ্ৰী শচীন্দ্ৰ দাস, কমল ঠাকুৰীয়া, বিপুল কলিতা, প্ৰফুল্ল কলিতা, নিৰ্মল মালী, অশোক কলিতা আৰু মুনিন্দ্ৰ দাসক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত ছয়গাঁও মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ধন্যবাদেৰে—
শ্ৰীধৰণী কলিতা



# লঘু খেল আৰু ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ কাৰণে প্ৰাণ আহুতি দিয়া আৰু সামৰিক অভিযানত মৃত্যু বৰণ কৰা জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদসকলৰ পৱিত্ৰ স্মৃতি সোঁৱৰণ কৰিছো। যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ১৯৯১-৯২ ইং চনৰ ছাত্ৰ একতা সভাৰ লঘু খেল আৰু ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকৰ আসনত নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব অৰ্পণ কৰিলে সেইসকল শুভকাংশী ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ মৰম আৰু কৃতজ্ঞতা অৰ্পণ কৰিছোঁ।

খেলেই হৈছে মানুহৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ উত্তম উপায়। খেলৰ জৰীয়তে দেশৰ বা জাতিৰ সুনাম অৰ্জন কৰিব পাৰি। সুদক্ষ খেলুৱৈ জাতিৰ সম্পদ স্বৰূপ। আজিৰ বিশ্বত এখন উন্নত সভ্য দেশ বুলি চিনাকী দিয়াৰ অন্যতম উপায় হৈছে খেল। ছাত্ৰ-ছাত্ৰী-সকলে খেলৰ জৰীয়তে বৰ্তমান যুগ-সভ্যতাৰ লগত চিনাকী হ'ব পাৰে। প্ৰত্যেক মানুহৰে কিছুমান স্বকীয় প্ৰতিভা থাকে আৰু এই সুপ্ত প্ৰতিভাক খেলৰ জৰীয়তেও বিকাশিত কৰিব পাৰি।

লঘু খেল বিভাগৰ লগতে আন এটা বিভাগৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা হৈছে সেইটো হ'ল ছাত্ৰ জিৰণী কোঠা বিভাগ। প্ৰকৃততে এই দুটা বিভাগ এজন সম্পাদকৰ দায়িত্বত দিয়াটো সমীচিন হৈছে। এই দুটা বিষয় ইটোৰ লগত সিটো অংগাংগীভাৱে জৰীত। কিন্তু দুখৰ বিষয় হ'ল এয়ে যে আমাৰ মহাবিদ্যালয়ত এতিয়াও এটা ছাত্ৰ জিৰণী কোঠা গঢ়ি উঠা নাই; সেয়েহে মই ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক বুলি কবলৈ অতি লজ্জাবোধ কৰো। ছাত্ৰ জিৰণী কোঠাৰ প্ৰয়োজনীয়তা অকল ছা সকল জিৰণী লবৰ কাৰণেই নহয় ইয়াৰ মূল কাৰণ হ'ল জিৰণী সময়ত ছাত্ৰসকলে যাতে কোনো এটা লঘু খেলৰ অনুশীলন কৰিবলৈ সুবিধা পায়। অদূৰ

ভৱিষ্যতে হয়তো মহাবিদ্যালয়ত এটা ছাত্ৰ জিৰণী কোঠা গঢ়ি উঠিব।

বিগত বছৰ কেইটাৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহত লঘু খেলসমূহ সুচাৰুৰূপে পৰিচালিত কৰিছিলো। এইবাৰ মহাবিদ্যালয় সপ্তাহত ডবা, কেৰম আৰু বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মোৰ কাৰ্য্যকালছোৱা কিমান দূৰ সফলতাৰে আগবঢ়াই নিব পাৰিছো সেইটো আপোনালোকে বিচাৰ কৰিব। ইয়াৰ উপৰি মোৰ কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা অধ্যাপক মাননীয় শ্ৰীতাৰিণী চৰণ কলিতা, মোৰ বন্ধু প্ৰকাশ দাস, গিৰীন্দ্ৰ ঠাকুৰীয়া, মনোজ কলিতা আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়াইছিল তেওঁলোকলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত অজ্ঞাত ভুলৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছো।

শ্ৰীগিৰিশ কলিতা।

## ঃ স্মৃতি পটত ঃ

☆ ☆ ☆ ☆ ☆

**কলহীৰ প্ৰাক্তন সম্পাদকসকল—**

১। শ্ৰীঘনশ্যাম ডাকুৱা — ১৯৮৫-৮৬ ইং
২। মঃ ৰফিক উদ্দিন আহমেদ— ১৯৮৬-৮৭ ইং
৩। শ্ৰীযতীন কলিতা — ১৯৮৭-৮৮ ইং
৪। শ্ৰীটিকেন শালৈ— ১৯৮৮-৮৯ ইং
৫। শ্ৰীফণীন্দ্ৰ দাস— ১৯৮৯-৯০ ইং
৬। শ্ৰীপ্ৰভাত চন্দ্ৰ দাস— ১৯৯০-৯১ ইং

# তত্ত্বাৱধায়কৰ দুষাৰ

মহাবিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰত মহাবিদ্যালয়ৰ মুখপত্ৰখনেই হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ একমাত্ৰ সমল। এই মুখপত্ৰতেই একোজন বিখ্যাত সাহিত্যিকৰ অংকুৰণ ঘটিব পাৰে। অৱশ্যে সাহিত্য-শিল্প এইবোৰ সাধনাৰহে বস্তু। ছয়গাঁও মহাবিদ্যালৰ মুখপত্ৰ 'কলহী'ত সাহিত্য চৰ্চাৰ পাতনি মেলি ছাত্ৰ-ছাত্ৰী সকলে নিজকে সু-সাহিত্যিক হিচাবে গঢ়ি তুলি সুস্থ সমাজ গঠনত ব্ৰতী হব পাৰিব বুলি মই আশাবাদী।

আলোচনীএখন অকলে কৰি উলিওৱাটো বৰ সহজ কাম নহয়। ৭ম সংখ্যা 'কলহী' আপোনালোকৰ হাতত তুলি দিয়াত কিছু পলমেই হ'ল। তথাপি আলোচনীখন নিৰ্ভুল ভাবে উলিওৱাৰ বাবে আমি যত্নৰ ত্ৰুটি কৰা নাই, তাৰ মাজতো কিবা ভুল বৈ যোৱাটো স্বাভাৱিক।

আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়োৱা বাবে অধ্যাপক যোগেন্দ্ৰ কুমাৰ দাস আৰু অধ্যাপক পৰেশ অধিকাৰীৰ শলাগ লৈছোঁ। লগতে সম্পাদক কমল ঠাকুৰীয়াই আলোচনীখন সৰ্বাংগ সুন্দৰকৈ উলিয়াই দিয়াৰ বাবে যি প্ৰচেষ্টা চলাইছে তাৰ বাবেতেওঁলৈ ধন্যবাদ জ্ঞাপন কৰি মোৰ চমু লিখনীৰ ইমানতে সামৰণি মাৰিলোঁ।

ধন্যবাদ—

**অধ্যাপক নগেন কলিতা**

তত্ত্বাৱধায়ক, ৭ম সংখ্যা 'কলহী'।

# ১৯৯১-৯২ ইং চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল সমূহ

## গুৰু খেল বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল—

১। ল'ৰাৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিত—

১ম স্থান—শ্ৰীসুৰেন কলিতা ( H. S. 1st yr. )
২য় স্থান—শ্ৰীসুভাষ মেধি ( T. D. C. 1st yr. )
৩য় স্থান—শ্ৰীগোবিন্দ শালৈ ( H. S. 1st yr. )

২। ল'ৰাৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীসুৰেন কলিতা ( H. S. Ist yr. )
২য় স্থান—শ্ৰীসুভাষ মেধি ( T. D. C. 1st yr. )
৩য় স্থান—শ্ৰীযাদৱ কলিতা ( T. D. C. 1st yr. )

৩। ল'ৰাৰ ৰিলে দৌৰ ( ৩×১০০ ) প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীসুৰেন কলিতাৰ দল ( H. S. 1st yr. )
২য় স্থান—শ্ৰীকামদেৱ কলিতাৰ দল ( T. D. C. Ist yr. )
৩য় স্থান—শ্ৰীগোবিন্দ শালৈৰ দল ( H. S. Ist yr. )

৪। ল'ৰাৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীপ্ৰদীপ দাস ( H. S. 2nd yr. )
২য় স্থান—শ্ৰীকৰুণা দাস ( H. S. Ist yr. )
৩য় স্থান—শ্ৰীমকিবৰ ৰহমান ( H. S. Ist yr. )

৫। ল'ৰাৰ ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা –

১ম স্থান—শ্ৰীসুৰেন কলিতা ( H. S. Ist yr. )

২য় স্থান—শ্ৰীপ্ৰদীপ দাস ( H. S. 2nd yr. )

৩য় স্থান—শ্ৰীবিপুল দাস ( H. S. Ist yr )

৬। লৰাৰ লং জাম্প প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীসুৰেন কলিতা ( 19′·00″ ) ( H. S. Ist yr. )

২য় স্থান—শ্ৰীসুভাষ মেধি ( 18′9″ ) ( T. D. C. Ist yr. )

৩য় স্থান - শ্ৰীযাদৱ কলিতা ( 17′5″ ( T. D. C. Ist yr. )

৭। ল'ৰাৰ হাই জাম্প প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীঅৰুণ দাস ( H. S. 2nd yr. )

২য় স্থান—শ্ৰীজমিন ৰাভা ( H. S. Ist yr )

৩য় স্থান - শ্ৰীকৰুনা দাস ( H. S. Ist yr. )

৮। লৰাৰ ত্ৰিপোল জাম্প প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীসুভাষ মেধি ( 11 79 ) ( T. D. C. Ist yr. )

২য় স্থান—শ্ৰীসুৰেন কলিতা ( 11·75 ) ( H. S. Ist yr. )

৩য় স্থান—শ্ৰীকৰুনা দাস ( 11·46 ) ( H. S. 2nd yr. )

৯। ল'ৰাৰ শ্বট পুট থ্ৰো প্ৰতিযোগিতা—

১ম স্থান—চৈয়দ আলতাফ হুছেইন ( 12·50 m ) ( T. D. C. 3rd yr. )

২য় স্থান— মঃ আবুবক্কৰ ছিদ্দিক (12·36 m) ( H. S. 2nd yr.)

৩য় স্থান—শ্ৰীসুভাষ মেধি ( 12·05 m ) ( T. D. C. Ist yr. )

১০। ল'ৰাৰ ডিছকাচ থ্ৰো প্ৰতিযোগিতা –

১ম স্থান— চৈয়দ আলতাফ হুছেইন ( 22·50 m ) ( T. D. C. 3rd yr. )

২য় স্থান – মঃ মজনুৰ আলী আহমেদ ( 22·40 m ) ( H. S. Ist yr. )

৩য় স্থান —মঃ আবুবক্কৰ ছিদ্দিক ( 22·00 m ) (H. S. 2nd yr.)

১১। ল'ৰাৰ জেভলিন থ্ৰো প্ৰতিযোগিতা—

১ম স্থান— শ্ৰীগোবিন্দ শালৈ ( 32·30 m ) ( H. S. Ist yr. )

২য় স্থান— মঃ আবুবক্কৰ ছিদ্দিক ( 31· 0 m ) (H. S 2nd yr. )

৩য় স্থান - শ্ৰীমহেন্দ্ৰ দাস ( 31·00 m ) ( H. S. Ist yr. )

১২। ল'ৰাৰ কাবাডী প্ৰতিযোগিতা—

১ম স্থান - মঃ মাইনুদ্দিন আহমেদৰ দল ( T. D. C. 3rd yr. )

২য় স্থান— শ্ৰীৰাজেন কলিতাৰ দল ( T. D. C. 3rd yr. )

১৩। ল'ৰাৰ শ্ৰেষ্ঠ খেলুৱৈ—

শ্ৰীসুৰেন কলিতা ( H. S. Ist yr. )

১। ছোৱালীৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা—

১ম স্থান — শ্ৰীনিৰুপমা ৰাজবংশী ( H. S. 2nd. yr. )

২য় স্থান— শ্ৰীসুবৰ্ণ সাউদ ( H. S. Ist yr. )

২। ছোৱালীৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা—

১ম স্থান— শ্ৰীসুবৰ্ণ সাউদ ( H. S. Ist yr. )

৩। ছোৱালীৰ ৰিলে দৌৰ ( ৩×১০০ ) প্ৰতিযোগিতা—

১ম স্থান— শ্ৰীমতী মীনা সাউদৰ দল ( T. D. C. Ist yr. )

২য় স্থান— শ্ৰীজুনুমণি কলিতাৰ দল ( H. S. Ist yr. )

৪। ছোৱালীৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা—

১ম স্থান — শ্ৰীনিৰুপমা ৰাজবংশী ( H. S. 2nd yr. )

২য় স্থান— শ্ৰীসুবৰ্ণ সাউদ ( H. S. Ist yr. )

৩য় স্থান — শ্ৰীধৰিত্ৰী দাস ( H. S. Ist yr. )

৫। ছোৱালীৰ হাইজাম্প প্ৰতিযোগিতা—

১ম স্থান — শ্ৰীমীনা সাউদ ( T. D. C. Ist yr. )

২য় স্থান— { শ্ৰীধৰিত্ৰী দাস ( T D C Ist yr. )<br>শ্ৰীনিৰুপমা ৰাজবংশী ( H. S. 2nd yr. ) }

৬। ছোৱালীৰ লং জাম্প প্ৰতিযোগিতা

১ম স্থান - শ্ৰীজুন্নু দাস ( 12·00 ) ( H. S. Ist yr. )

শ্ৰী নিৰুপমা ৰাজবংশী ( 12·00 ) ( H. S. 2nd yr. )

শ্ৰীমীনা সাউদ ( 12·00 ) ( T. D. C. Ist yr. )

২য় স্থান - শ্ৰীৰূপলেখা ঠাকুৰীয়া ( 11·92 ) (T. D. C. 3rd yr.)

৭। ছোৱালীৰ শ্বট পুট থ্ৰো প্ৰতিযোগিতা—

১ম স্থান - শ্ৰীৰূপলেখা ঠাকুৰীয়া ( T. D. C, 3rd yr. ) ( 9·29 )

২য় স্থান—শ্ৰীধৰিত্ৰী দাস ( H. S. Ist yr. ) ( 8·59 )

৩য় স্থান - শ্ৰীনিৰুপমা ৰাজবংশী ( H. S. 2nd yr. ) ( 8·28 )

৮। ছোৱালীৰ জেভলিন থ্ৰো প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীসুবৰ্ণ সাউদ ( H. S. Ist yr. )

২য় স্থান - শ্ৰী ধৰিত্ৰী দাস ( H. S. Ist yr. )

৩য় স্থান—শ্ৰী ৰঞ্জীতা বড়ো ( H. S. Ist yr. )

৯। ছোৱালীৰ ডিচকাচ থ্ৰো প্ৰতিযোগিতা –

১ম স্থান শ্ৰীজুন্নু দাস ( H. S. Ist yr. ) ( 18·00 m )

২য় স্থান—শ্ৰীনিৰুপমা ৰাজবংশী ( H. S. 2nd yr. ) (17·25)

১০। ছোৱালীৰ শ্ৰেষ্ঠ খেলুৱৈ—

শ্ৰীনিৰুপমা ৰাজবংশী ( H. S. 2nd yr. )

১১। মাৰাথন দৌৰ প্ৰতিযোগিতা -

১ম স্থান - শ্ৰীবিপুল চন্দ্ৰ দাস ( H. S. Ist yr. )

২য় স্থান—শ্ৰী ভূবন চন্দ্ৰ কলিতা ( H. S. Ist yr. )

৩য় স্থান—শ্ৰীগোবিন্দ শালৈ ( H. S. Ist yr. )

# সাহিত্য আৰু চাৰুকলা বিভাগ

১। চাৰুকলা প্ৰতিযোগিতাৰ ফলাফল—

১ম স্থান—শ্ৰীপুষ্প সাউদ, উঃ মাঃ ২য় বৰ্ষ ।
২য় ” ” শান্তনা কাকতি, স্নাতক ৩য় বৰ্ষ ।
৩য় ” ” প্ৰণিতা মহন্ত, স্নাতক ২য় বৰ্ষ ।

২। ইংৰাজী কবিতা আবৃত্তিৰ ফলাফল—

১ম স্থান—শ্ৰীচুনু মেধী, উঃ মাঃ ২য় বৰ্ষ ।
২য় ” ” অতুল কলিতা } স্নাতক ২য় বৰ্ষ ।
” প্ৰভাত দাস স্নাতক ৩য় বৰ্ষ ।
৩য় ” ” ৰূপলেখা ঠাকুৰীয়া, স্নাতক ৩য় বৰ্ষ ।

৩। অসমীয়া আবৃত্তিৰ ফলাফল—

১ম স্থান—শ্ৰীবুবুল দাস, উঃ মাঃ ১ম বৰ্ষ ।
২য় ” ” জোনটি দাস } উঃ মাঃ ২য় বৰ্ষ ।
” বীণা দাস উঃ মাঃ ১ম বৰ্ষ ।
৩য় ” ” চুনু মেধী উঃ মাঃ ২য় বৰ্ষ ।

৪। হিন্দী আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল—

১ম স্থান মঃ তাইজুদ্দিন আহমেদ, স্নাতক ২য় বৰ্ষ ।
২য় ” — শ্ৰীচুনু মেধী, উঃ মাঃ ২য় বৰ্ষ ।
৩য় ” ” কল্পনা দাস } স্নাতক ১ম বৰ্ষ ।
” বুবুল দাস উঃ মাঃ ১ম বৰ্ষ ।

৫। স্ব-ৰচিত অসমীয়া কবিতাৰ ফলাফল—

১ম স্থান - শ্ৰীপ্ৰভাত চন্দ্ৰ দাস, স্নাতক ৩য় বৰ্ষ ।
২য় ” ” বিমল দাস, উঃ মাঃ ২য় বৰ্ষ ।
৩য় ” ” দিপালী মহন্ত, স্নাতক ৩য় বৰ্ষ ।

৬। স্ব-ৰচিত ইংৰাজী কবিতাৰ ফলাফল—

উদ্‌গণিমূলক বঁটা—শ্ৰীপ্ৰভাত চন্দ্ৰ দাস, স্নাতক ৩য় বৰ্ষ।

৭। স্ব-ৰচিত একাংকিকা নাটৰ ফলাফল—

উদ্‌গণিমূলক বঁটা—শ্ৰীহীৰেন ৰাজবংশী, উঃ মাঃ ২য় বৰ্ষ।

৮। ৰম্য ৰচনাৰ ফলাফল—

উদ্‌গণিমূলক বঁটা—শ্ৰীকমল ঠাকুৰীয়া (শ্ৰীমতীৰ আত্ম জীৱনী)
স্নাতক ১ম বৰ্ষ।

৯। স্ব-ৰচিত গল্প প্ৰতিযোগিতাৰ ফলাফল

১ম স্থান - শ্ৰীভবেশ কুমাৰ মেধী, স্নাতক ৩য় বৰ্ষ।
২য় " দিপালী মহন্ত, স্নাতক ১ম বৰ্ষ।
৩য় " পুলিন কুমাৰ দাস, স্নাতক ১ম বৰ্ষ।

১০। প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল—

১ম স্থান—বিবেচিত নহ'ল।
২য় " শ্ৰীবিমল কুমাৰ দাস, উঃ মাঃ ২য় বৰ্ষ।
৩য় " " কমল ঠাকুৰীয়া, স্নাতক ১ম বৰ্ষ।

১১। থিতাতে লিখা কবিতাৰ ফলাফল—

১ম স্থান—শ্ৰীপ্ৰভাত চন্দ্ৰ দাস, স্নাতক ৩য় বৰ্ষ।
২য় " " কমল ঠাকুৰীয়া, স্নাতক ১ম বৰ্ষ।
৩য় " " অচ্যুত কলিতা, উঃ মাঃ ২য় বৰ্ষ।

১২। থিতাতে লিখা গল্পৰ ফলাফল—

১ম স্থান—শ্ৰীপুলিন কুমাৰ দাস স্নাতক ১ম বৰ্ষ।
২য় " " কমল ঠাকুৰীয়া, স্নাতক ১ম বৰ্ষ।
৩য় " " শেৱালি মেধী } স্নাতক ৩য় বৰ্ষ।
" নাৰ্জিয়াৰা চুলতানা } স্নাতক ৩য় বৰ্ষ।

১৩। থিতাতে লিখা ৰচনা প্ৰতিযোগিতাৰ ফলাফল—

১ম স্থান—শ্ৰীৰূপলেখা ঠাকুৰীয়া, স্নাতক ৩য় বৰ্ষ।
২য় " " কমল ঠাকুৰীয়া, স্নাতক ১ম বৰ্ষ।

৩য় ” ” বিমল চন্দ্ৰ দাস, } উঃ মাঃ ২য় বৰ্ষ।
” প্ৰভাত দাস, } স্নাতক ৩য় বৰ্ষ।

১৪। স্ব-ৰচিত হিন্দী কবিতাৰ ফলাফল—

১ম স্থান—মঃ তাইজুদ্দিন আহমেদ, স্নাতক ২য় বৰ্ষ।
২য় ” শ্ৰীৰবিন বড়ো, স্নাতক ২য় বৰ্ষ।
৩য় ” মুনীন্দ্ৰ দাস, স্নাতক ৩য় বৰ্ষ।

**শ্ৰেষ্ঠ সাহিত্যিক বঁটা লাভ কৰে—**

শ্ৰীপ্ৰভাত দাস, স্নাতক ৩য় বৰ্ষ।

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

ক) আকস্মিক বক্তৃতা—

১ম স্থান—শ্ৰীমুকুট ঠাকুৰীয়া ( স্নাতক, ২য় বৰ্ষ )
২য় ” { শ্ৰীৰূপলেখা ঠাকুৰীয়া ( স্নাতক, ৩য় বৰ্ষ )
মঃ ছাজ্জাদুৰ ৰহমান খান ( স্নাতক, ৩য় বৰ্ষ ) }
৩য় ” শ্ৰীপ্ৰভাত চন্দ্ৰ দাস ( স্নাতক, ৩য় বৰ্ষ )

খ) তৰ্ক—

১ম স্থান—শ্ৰীমুকুট ঠাকুৰীয়া ( স্নাতক, ২য় বৰ্ষ )
২য় ” শ্ৰীৰূপলেখা ঠাকুৰীয়া ( স্নাতক, ৩য় বৰ্ষ )
৩য় ” মঃ ছাজ্জাদুৰ ৰহমান খান ( স্নাতক ৩য় বৰ্ষ )

শ্ৰেষ্ঠ প্ৰশ্নকৰ্তা—

{ শ্ৰীনৰজিৎ দাস ( স্নাতক, ১ম বৰ্ষ )
শ্ৰীমুনিন্দ্ৰ দাস ( ” ” ” ) }

গ) আলোচনা চক্ৰ—

১ম স্থান—শ্ৰীমুকুট ঠাকুৰীয়া ( স্নাতক, ২য় বৰ্ষ )
২য় ” মিচ্ ৰূপলেখা ঠাকুৰীয়া ( ” ৩য় ” )
৩য় ” শ্ৰীপ্ৰভাত চন্দ্ৰ দাস ( ” ” ” )
” দানবেন্দ্ৰ বড়ো ( উঃ মাঃ ২য় ” )

ঘ) কুইজ—

১ম স্থান— শ্ৰীমুকুট ঠাকুৰীয়া ( স্নাতক, ২য় বৰ্ষ )
" সুব্ৰতা দেৱ ( " " " )
" ৰহিন্দ্ৰ কুমাৰ অধিকাৰী ( " " " )

২য় স্থান— শ্ৰীদীপক মেধী ( স্নাতক, ১ম বৰ্ষ )
" ভৱেশ মেধী ( " " " )
" সুভাষ মেধী ( " " " )

৩য় স্থান [ যুটীয়াভাৱে দুটা দলে পায় ]

শ্ৰীপ্ৰভাত চন্দ্ৰ দাস ( স্নাতক, ৩য় বৰ্ষ )
" কমল ঠাকুৰীয়া ( " ১ম " )
মিচ্‌ শেৱালী মেধী ( " ৩য় " )

শ্ৰীধৰণীধৰ কলিতা ( " ১ম " )
" লক্ষীৰাম মেধী ( " " " )
" কল্যাণ মালী ( " " " )

ঙ) শ্ৰেষ্ঠ তাৰ্কিক—

শ্ৰীমুকুট ঠাকুৰীয়া ( স্নাতক ২য় বৰ্ষ )

## লঘু খেল বিভাগৰ প্ৰতিযোগীতা সমূহৰ ফলাফল—

১। বেডমিণ্টন খেলৰ ফলাফল—

১ম স্থান—শ্ৰীগিৰীন্দ্ৰ ঠাকুৰীয়া ( স্নাতক ১ম বৰ্ষ )
" মোহনলাল বাচফোৰ ( উঃ মঃ ১ম বৰ্ষ )
২য় " শ্ৰীসুব্ৰত দেৱ ( স্নাতক ২য় " )
" কমল ঠাকুৰীয়া ( " ১ম " )

২। কেৰম প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীভবেশ কুমাৰ মেধী ( স্নাতক ৩য় বৰ্ষ )
" পবিত্ৰ কুমাৰ কলিতা ( " ১ম " )
২য় " শ্ৰীগোকুল কলিতা ( " ২য় " )
" নিৰল দাস ( " " " )

৩। ডবা প্ৰতিযোগিতা—

১ম স্থান—শ্ৰীদীপক মেধী ( স্নাতক ৩য় বৰ্ষ )
" পবিত্ৰ কলিতা ( " ১ম " )
( যুগ্ম বিজয়ী হিচাপে ঘোষণা কৰা হৈছে )
২য় স্থান—শ্ৰীফণিধৰ দাস ( উঃ মাঃ ১ম বৰ্ষ )

## ছাত্ৰী জিৰণী কোঠা বিভাগ—

১। কেৰম প্ৰতিযোগিতা—( ডাবল )

১ম স্থান—মিচ্ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
" শান্তনা কাকতি ( " " " )
২য় " মিচ্ ইন্দিৰা কলিতা ( " " " )
" সত্যবতী দাস ( " " " )

২। বেডমিণ্টন প্ৰতিযোগিতা—( ডাবল )

১ম স্থান মিচ. ৰূপলেখা ঠাকুৰীয়া ( স্নাতক ৩য় বৰ্ষ )
" নাৰ্জিয়াৰ চুলতানা ( " " " )
২য় " মিচ জুনু দাস ( উঃ মাঃ ১ম " )

৩। ডবা প্ৰতিযোগিতা—

১ম স্থান—মিচ্ উজ্জ্বলা কলিতা ( উঃ মাঃ ১ম বৰ্ষ )
" বিজুলী দাস ( " " " " )

## সাংস্কৃতিক বিভাগ—

১। সমবেত সংগীতৰ ফলাফল

১ম স্থান মিচ্ ৰঞ্জিতা বড়োৰ দল ( উঃ মাঃ ১ম বৰ্ষ )
২য় " " নমিতা দাসৰ " ( স্নাতক ৩য় " )
৩য় " শ্ৰীমোহনলাল বাচফোৰৰ " ( উঃ মাঃ ২য় " )

২। আধুনিক গীতৰ ফলাফল -

১ম স্থান মিচ্ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় " " ৰঞ্জিতা বড়ো ( উঃ মাঃ ১ম " )
৩য় " শ্ৰীভাস্কৰজ্যোতি দেৱান ( " " " " )

৩। ৰাভা সংগীতৰ ফলাফল-

১ম স্থান শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ১ম বৰ্ষ )
২য় " মিচ্ নমিতা দাস ( স্নাতক ৩য় " )
৩য় " { মিচ শেৱালী কলিতা ( উঃ মঃ ১ম " )
মিচ্ ৰঞ্জিতা বড়ো ( " " " " )

৪। জ্যোতি সংগীতৰ ফলাফল—

১ম স্থান—শ্ৰীকৰ্ণ ৰাভা ( স্নাতক ১ম বৰ্ষ )
২য় " মিচ্ নমিতা দাস ( " ৩য় " )
৩য় " " শেৱালী কলিতা ( উঃ মাঃ ১ম " )

৫। পাৰ্ব্বতি প্ৰসাদ গীতৰ ফলাফল—

১ম স্থান—মিচ্ শেৱালী কলিতা ( উঃ মাঃ ১ম বৰ্ষ )
২য় " " নমিতা দাস ( স্নাতক ৩য় " )
৩য় " " জুলুমণি দাস ( উঃ মাঃ ১ম " )

৫। ভূপেন্দ্ৰ সংগীতৰ ফলাফল—

১ম স্থান—মিচ্ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় " " শেৱালী কলিতা ( উঃ মাঃ ১ম " )
৩য় " " ললিতা ৰাভা ( স্নাতক ৩য় " )

৭। বনগীত প্ৰতিযোগিতাৰ ফলাফল—

১ম স্থান—মিচ্ জুলুমণি দাস ( উঃ মাঃ ১ম বৰ্ষ )
২য় " শ্ৰীকৰ্ণ ৰাভা ( স্নাতক " " )
৩য় " মিচ্ ৰঞ্জিতা বড়ো ( উঃ মাঃ " " )

৮। ভজন প্ৰতিযোগিতাৰ ফলাফল—

১ম স্থান শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ১ম বৰ্ষ )
২য় " মিচ্ নমিতা দাস ( স্নাতক ৩য় " )
৩য় " " শেৱালী কলিতা ( উঃ মাঃ ১ম " )

৯। বৰগীত প্ৰতিযোগীতাৰ ফলাফল—

১ম স্থান - মিচ্ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় " " ৰঞ্জিতা বড়ো ( উঃ মাঃ ১ম " )
৩য় " " জুলুমণি দাস ( " " " " )

১০। **কামৰূপী লোকগীতৰ** ফলাফল –

১ম স্থান—মিচ্‌ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় " শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ১ম " )
৩য় " মিচ্‌ ৰঞ্জিতা বড়ো ( " " " )

১১। **গোৱালপৰীয়া লোকগীতৰ** ফলাফল—

১ম স্থান- মিচ্‌ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় " শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ১ম " )
৩য় " মিচ্‌ তুলুমণি দাস ( " " " )

১২। **বড়োগীতৰ** ফলাফল –

১ম স্থান—মিচ্‌ ৰঞ্জিতা বড়ো ( উঃ মাঃ ১ম বৰ্ষ )
২য় " শ্ৰীকৰ্ণ ৰাভা ( স্নাতক ১ম " )
৩য় " { মিচ্‌ নমিতা দাস ( " ৩য় " )
" ললিতা ৰাভা ( " " " ) }

১৩। **দেশ প্ৰেমমুলক গীতৰ** ফলাফল—

১ম স্থান - মিচ্‌ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
২য় " " তুলুমণি দাস ( উঃ মাঃ ১ম " )
৩য় " শ্ৰীভাস্কৰজ্যোতি দেৱান ( " " " " )

১৪। **বিহুকুঁৱৰীৰ** ফলাফল

১ম স্থান—মিচ্‌ শ্যামলী ডেকা ( স্নাতক ২য় বৰ্ষ )
২য় " " দিপা দাস ( উঃ মাঃ " " )
৩য় " " ৰঞ্জিতা বড়ো ( " " ১ম " )

১৬। **বিয়ানামৰ** ফলাফল –

১ম স্থান—মিচ্‌ ৰঞ্জিতা বড়ো ( উঃ মাঃ ১ম বৰ্ষ )
২য় " " নিৰুপমা ৰাজবংশী ( " " ২য় " )
৩য় " " কল্পনা দাস ( স্নাতক ১ম " )

১৭। **একক অভিনয়ৰ** ফলাফল—

১ম স্থান—শ্ৰীৰাজেন কলিতা ( স্নাতক ১ম বৰ্ষ )
২য় " " অতুল কলিতা ( " ২য় " )
৩য় " " প্ৰমোদ দাস ( " ১ম " )

১৮। **লোকনৃত্যৰ** ফলাফল—

১ম স্থান—মিচ্ শ্যামলী ডেকা ( স্নাতক ২য় বৰ্ষ )
২য় " " দিপা দাস ( উঃ মাঃ " " )

১৯। **কৌতুকৰ** ফলাফল—

১ম স্থান শ্ৰীলক্ষীৰাম মেধীৰ দল ( স্নাতক ১ম বৰ্ষ )
২য় " শ্ৰীজ্যোতি প্ৰসাদ কলিতা ( " ২য় " )
৩য় " শ্ৰীপ্ৰহ্লাদ দাস ( " ১ম " )

২০। **মুক অভিনয়ৰ** ফলাফল—

১ম স্থান—শ্ৰীঅতুল কলিতা ( স্নাতক ২য় বৰ্ষ )
২য় " " লোহিত চন্দ্ৰ কলিতা ( " ১ম " )
৩য় " " লক্ষ্মীৰাম মেধী ( " ১ম " )

২১। **একাংকিকা নাট প্ৰতিযোগিতাৰ** ফলাফল—

শ্ৰেষ্ঠ অভিনেতা—শ্ৰীবিপুল নাথ ( উঃ মাঃ ১ম বৰ্ষ )
ভাওঁ—মহৰি
নাট—প্ৰলয়

দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা—শ্ৰীঅতুল কলিতা ( স্নাতক ২য় বৰ্ষ )
ভাওঁ—কেন্দুৰা ।
নাট—প্ৰলয়

শ্ৰেষ্ঠ অভিনেত্ৰী—শ্ৰী অৰ্চনা দাস ( স্নাতক ১ম বৰ্ষ )
নাট—অহল্যা
ভাওঁ—অহল্যা ।

দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী—শ্ৰীনমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
নাট—অহল্যা
ভাওঁ—দ্বিতীয় গাভৰু

শ্ৰেষ্ঠ পৰিচালিকা—শ্ৰীনমিতা দাস ( স্নাতক ৩য় বৰ্ষ )
নাট—অহল্যা

শ্ৰেষ্ঠ কৌতুক অভিনেতা—মঃ মজনুৰ আলি ( উঃ মাঃ ১ম বৰ্ষ )
নাট—বৃৎ আৰু ৰেখা

শ্ৰেষ্ঠ দল—নাট প্ৰলয়

পৰিচালনা—শ্ৰীঅতুল কলিতা ( স্নাতক ২য় বৰ্ষ )

দ্বিতীয় শ্ৰেষ্ঠ দল নাট—অহল্যা

পৰিচালনা শ্ৰীনমিতা দাস ( স্নাতক ৩য় বৰ্ষ )

নিচুকণি বঁটা--মিচ্ জুনু দাস ( উঃ মাঃ ১ম বৰ্ষ )

নাট অহল্যা

২২। জিকিৰ প্ৰতিযোগিতাৰ ফলাফল-

১ম মিচ্ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )

২য়—শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ১ম " )

৩য়--মিচ্ ৰঞ্জিতা বড়ো ( " " " " )

২৩। বিহুগীত প্ৰতিযোগিতাৰ ফলাফল

১ম—শ্ৰীভাস্কৰজ্যোতি দেৱান ( উঃ মাঃ ১ম বৰ্ষ )

২য় মিচ্ নমিতা দাস ( স্নাতক ৩য় " )

৩য়—মিচ্ জুলুমনি দাস ( উঃ মাঃ ১ম " )

২৪। তেশ্চন তিযোগিতাৰ ফলাফল—

১ম শ্ৰীকেশৱ দাস ( উঃ মাঃ ২য় বৰ্ষ )

২য় মিচ্ নিৰুপমা ৰাজবংশী ( " " " " )

২৫। শ্ৰেষ্ঠ গায়িকা—

মিচ্ নমিতা দাস ( স্নাতক ৩য় বৰ্ষ )

সকলো গীতৰ প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰাৰ বাবে মিচ্ অৰ্চনা দাসক ( উঃ মাঃ ২য় বৰ্ষ ) উদগনিমূলক বঁটা প্ৰদান কৰা হয়।

—●—

# KALAHI

## ANNUAL PUBLICATION OF CHHAYGAON COLLEGE STUDENTS' UNION

## 1991-92

## English Section


**Poem—**

| | | |
|---|---|---|
| Christmaseve | Prabhat Ch. Das | 1 |
| Oh' cupid ! | Sri Mukut Thakuria | 2 |
| Hope | Sri Gagan Kalita | 3 |
| The Amative' | Md. Altaf Hussain | 4 |

**Articles—**

| | | |
|---|---|---|
| Success Without Words | Mrs. Sarmila Roy Lecturer | 5 |
| Time | Mr. S. K. Das. Lecturer | 6 |

● CHHAYGAON COLLEGE AT. A GLANCE. ●

# CHRISTMASEVE

Prabhat Ch. Das.
T. D. C. 3rd year.

The last night's song of grief
Condoled with the air conceived with the snows
Closed my entry to dreaming rose.

I am twinkling as a lonely star in this eve
My achivements and failures both are paradox outside my roof,
Yet a vitaljty has been occured on me
It is christmaseve

A cool fecling leads me
From the present's noisy world to the ancient
Where men thought about only the welfare
Where men feared only the nature
Where men loved only the nature
And where men homaged to only the nature

Now, in the end of Twenty Century,
I want a knocking on my door from out side
To cease the drakness and fierceness of this night
To take the rays of tomorrow's sunlight,

---

# Oh' cupid !

Sri Mukut Thakuria
T. D. C. 2nd year



I give her all my love.
My heart, my soul,
Everything is for her.
And I have nothing more to give her.
I don't know what she gives me,
But I know she gives me something,
And 1 love her.
I love her more than I can say.
My love is just for her.
I feeling blue living without her.
Every breath and every step
She hurts in my heart.
Even, 1 don't know
What I get from her ?
Oh, cupid do you tell me this ??

"A Long life may not be good enough,
But a good life is long enough.
—Benjamin Franklin.

Life if a sweet and joy ful thing for one who some one to love
and a pure conscience".
—Leo Tolstoy

# HOPE

Sri Gagan Kalita
T. D. C. 1st yr. ( Arts )

Oh setting sun
Waiting you, Our poor people
Twentieth century have gone so far.
In coming century
We hope,
You cerrya New world.

"Every man is a poet when he is in love.

**—Plato**

Clarity of speech, purity of body sancity of spirit, all these things are to be aimed at by education.

—Dr. S. Radha Krishan

# 'THE AMATİVE'

Md. Altaf Hussain
H. S. 2nd year

Amative ! amative !
Oh ! my amative you are
What the appeal of one's eye
Who is your God ?
I be come intolerance abcut thou.

Aye you in the land, at that
in the Garden of Indra ?
Are not you at best dearer
In the mind ol Indra
Than the pret y rose ?

Will you rise in my hopless heart ?
Please, come on my darling
and make astonished
if you not to come and rise
my hopless heart goes destroy
Please, come on and rise on.

I love you to a great extent
and amure to gether you,
Do you love us ?
No. no you are ........
But I ..........

Amative ! amative !
Oh ! my amative you are
What the appeal of one's eye,
Who is your God ?
I become intolerance about thou.

o o o o

# SUCCESS WITHOUT WORDS

Mrs. Sarmila Roy
Lecturer, Dept. of English

Soft music is heard and beautiful smell of foreign perfume is prevailing all around. The carpet is red, the six armchairs upholstered in leather, in front of the mirrors, the mirrors are fitted on the wall all around the entire room, with 100 watt bulbs attached to the side of each mirror on the wall. seven on eight other beauticians bustling all around busy involved in their hectie schedule of cutting hair, threading, waxing Manicure and so on. There is also a busy secretary who keeps attending telephone calls, and customers of all kinds.

In the middle of this busy world is Ranu, an extremly successful renowned beautician Ranu has a smart oppearance and has just completed twenty-five is also a proud owner of a house, a car and a host of friends, but to have all these in her possession, was not an easy task for her. To achieve all this she really had to struggle hard, and had it not been for her all along, she would have got strayed to-day and be nowhere, who could say that she was simply beautiful Many had been smitten by her beauty God has really bestowed beauty on her, but maintained his justice very clearly by keeping her mute and deaf strange are the ways of God, which he only can answer.

Ranu was born to her parents in an affluent family after a period of about six or seven years and hence it was a matter of great pride for

her family.

Every–body of her family which was joint and comprised of many family members got engrossed with the baby aftar finishing their daily chores.

It didnot take much time for them to discover that Kanu was both deaf and dumb she never uttered or responded to any thing. Her parents without wasting any time, took her to every nook and cover of the country and e n to some foreign lands but she was left untreated. But Ranu's Mother Mamta did not get panicky. She kept herself cool and remained calm and composed.

Mamta was also subjected to some sneering remarks from her in laws In such crisis her husband only remained her true and faithful friend. Both of them took a strong resolution that they would bring up their only daughter like any normal child, whom they treasured a lot. They vowed not to make her feel a child of a lesser God.

So, when she was three, despite of objections by the authority she was put to a school like any other child, and everything flagged off well in the beginnig. But soon problams cropped when she grew up a bit and could not complete with the other students or co–operate with the teachers and remained a backluneher in eloquent or recitation classes.

A sense of dejection soon engulfed her. She did not like the entire idea of going and coming from school, some times teachers too were cruel, teachess pointing of her and talking among themselves leaving her behind everybody did not go unnoticed by her. Her seniors too used to tease her badly she was always in a jittery state she got depressed and refrained from school. Her parents too realised their blunder and brought her back, later also tried to put her in a deaf and dumb school but Ranu totally rejected the idea of school.

Since her studies were terminated and was confined at home, her mother would teach her this and that of any hand work. Both her parents didnot loose hope and kept on encouraging her all along.

Time is such a thing, which does

not wait for everybody, not even for Ranu, with time she grew up a beautiful damsel and she always wanted to do something earn and stand on her own feet. She would love to be on her own, and show the world, that even a handicapped person has full sight to live in this world. So, she also did what she wanted, dedication and hard work continued. She after finding some advertisement, left for Delhi along with her mother, joined a course and about a couple of years later became a beautician topping the list she didnot stop there, went ahead abread after taking a scholarship from the government and proved once again that devotion to work and an inclination to learn, has its own reward, she again topped the list in England, too,

And, then for her there was no looking back once she had all her documents she unimediately left for her native place and with the help of her father setup her own parlour, which was really different in style and structure, for she decorted in with her own hand and cusidered i her temple. She has always kept herself busy and helping others whenever she had time. She had also not forgotten her own conditions, she provides a free coaeting camp each year for handicapped girls in her own parlour. She is much in demand in her own city, serving everybody whoever conces to her, with this nectic life, she has very little time at her own disposal.

But her mother never ever forgets to pray to God and lights tulesi chhaki in the everring, she prays to aod to bless her daughter with enough strength and courage so that she could face. This cruel world foldly and bravely even after their death.

o o o o

[ A poem in Prose ]

# TIME

Mr. S. K. Das, Lecturer
Dept. of English

Time is a strange stream that marches on with a faultless rhythm. Who will not remember with yeats that time and the world are ever in flight? It is always restless and once gone is gone for ever.

Nothing is more certain than that everything is uncertain. Nothing stands still. Time conquers everybody and devours everything. It is a ruthless archer that pierces the youth with all its gloss and the victor with massacre of thousands to his credit. The dewy dawn turns into the noon, and the impetuous noon into the quiet night.

Time brings the end of the tyrants and the rise of the democrats.

No leboratory experiment is capablo of analysing. This wonderful stream. 'No thoroughfare' to alien of it. The busiest man has the most time.

But time is a panacea —a potent remedy for all tsobles. With it comes the suspension of all feelingh. Our hope, in our sadness, lies in the balmy effect of time. It is thus a priceless gift of the allaighty Father. Let us resign ourselves to time when the knot is too intricate to untié.



ছয়গাঁও মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীকমল ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত, বেউলা প্ৰিণ্টাৰ্ছ, ছয়গাঁওত মুদ্ৰিত।